# ASSAM LEGISLATIVE ASSEMBLY Debates

सत्यमेव जयते

## OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## (Winter Session) 1992

Vol. V

No IV

The 22nd December 1992

**Price Rs 38.00**

# ASSAM
# LEGISLATIVE ASSEMBLY
# Debates

## OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## (Winter Session) 1992

Vol. V

No. IV

The 22nd December 1992

CONTENTS

WINTER SESSION, 1992

Volume—V No.—IV

Dated, the 22nd December, 1992


| | | Page |
|---|---|---|
| 1. | Starred Questions & Answers | 1 |
| 2. | Unstarred Questions & Answers | 46 |
| 3. | No-Confidence Motion | 80 |
| 4. | Announcement from the Chair | 198 |
| 5. | Adjournment | 199 |
| 6. | Annexure—I & II | 200 |

# Debates of the Assam Legislative Assembly

## Tuesday, the 22nd December 1992

**The House met at 9 A.M. at the Assembly Chamber Dispur with Shri Debesh Chandra Chakraborty Speaker in the Chair.**

## STARRED
## QUESTIONS & ANSWERS

বিষয় : শিক্ষানুষ্ঠানলৈ আৰ্থিক অনুদান।

* শ্ৰী হিতেশ ডেকাই সুধিছে :

১৪১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে।

ক) কাৰ্য্যভাৰ গ্ৰহণৰ পৰা আজিলৈকে বৰ্ত্তমান চৰকাৰৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াই অসমৰ মুঠ কিমানখন শিক্ষানুষ্ঠানলৈ আৰ্থিক অনুদান আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিছে ?

খ) প্ৰতিশ্ৰুতি অনুযায়ী মুঠ ধনৰ পৰিমাণ কিমান ? (জিলা ভিত্তিত তথ্যও লগতে গাঁঠি দিব)।

গ) প্ৰতিশ্ৰুতি অনুযায়ী এতিয়ালৈকে চৰকাৰে মুঠতে কিমান টকা সংশ্লিষ্ট শিক্ষানুষ্ঠান সমূহলৈ পঠিয়ালে ?

ঘ) বাকী ধন চলিত বিত্তীয় বৰ্ষৰ ভিতৰতে দিয়া হ'বনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক)
খ) তথ্য বিচৰা হৈছে ।
গ)
ঘ)

* শ্ৰী হিতেশ্বৰ ডেকা ঃ অধ্যক্ষ মহোদয়, মই আপোনাৰ পৰা এটা কথা জানিব বিচাৰিছো যে আমি বিধান সভাৰ সদস্য হিচাপে তথ্য পাতি বিধান সভাৰ মজিয়াত বিচাৰিব পাৰোনে নোৱাৰো ?

Mr. Speaker : Order, Order, Hon'ble members are requested to ask supplementaries one by one. They should ask specific question so that reply can be given.

*শ্ৰী হিতেশ্বৰ ডেকা ঃ আমি বিধানসভাৰ সদস্য হিচাবে কোনো বিভাগৰ পৰা তথ্য বিচাৰি সেই তথ্য পোৱাৰ অধিকাৰ আছে নে নাই ?

Mr. Speaker : Minister Education should furnish the information required by the hon'ble member.

*শ্ৰী হিতেশ্বৰ ডেকা : মোৰ পৰিপূৰক এইটোৱেই যে শিক্ষা বিভাগৰ তুগৰাকী মন্ত্ৰীয়ে এই চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পিচৰে পৰা অসমৰ কিমান বিলাক শিক্ষানুষ্ঠানত ধন দিব বুলি প্ৰতিশ্ৰুতি দিছিল সেইটো বিভাগে

জানে কিন্তু আশ্চৰ্য্যজনক ভাবে মন্ত্ৰীয়ে উত্তৰ দিছে যে তথ্য বিচাৰি আছে। এটাবিয়াগোম বিভাগ থকাস্বত্বেও দূৰ্নীতিৰ মূৰ্ত্ত প্ৰতীক হৈ পৰিছে এই শিক্ষা বিভাগটো কিন্তু তথ্য পাতি খিনি কিয় দিব পৰা নাই ?

* ডাঃ কমলা কলিতা : এই তথ্য পাতি বিলাক শিক্ষা বিভাগৰ আছে নে নাই জনাব লাগে ?

Mr. Speaker : Question should be put properly and in a specific manner.

ডাঃ ভূমিধৰ বৰ্ম্মণ : চাৰ যেতিয়া কোনোবা ঠাইলৈ যোৱা হয় তেতিয়া ইন্সপেক্টৰ আৰু জিলা বিষয়া আদি লগত থাকে আৰু তেখেত সকলক প্লান এষ্টিমেট কৰি দিবলৈ কোৱা হয়। সেইমতে নিদিম বুলি কোৱা নাই।

* শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : চাৰ আপুনি কালিৰ পৰা অলপ কঢ়া হৈছে চাৰ।

* শ্ৰী হিতেশ্বৰ ডেকা : এই যোৱা দুটা বছৰত শিক্ষা মন্ত্ৰী দুজনাই বহুত বিলাক শিক্ষানুষ্ঠানৰ নামত ধন দিয়াৰ প্ৰতিশ্ৰুতি দি আছে সেই বিলাকৰ হিচাব দিব পৰা নাই। অথচ এতিয়া আশ্চৰ্য্যজনক ভাবে প্লান এষ্টিমেট বিচৰাবুলিহে উত্তৰ দিছে। ইমান এটা বিয়াগোম বিভাগ থকা স্বত্বেও কিয় তথ্য দিব পৰা নাই।

Mr. Speaker : As far as practicable Hon'ble Minister will supply the information required by the Hon'ble Members.

---

Speech not Corrected

* শ্রীহিতেন গোস্বামী : অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রী ডেকাই যিটো প্ৰশ্ন কৰিছে সেই একে ধৰণে আন প্ৰশ্নৰ উত্তৰো তথ্য বিচাৰি আছে বুলি দিছে। মন্ত্ৰী সকলে প্ৰতিশ্ৰুতি দিয়াৰ বাহিৰে কোনো কোনো ঠাইত টকা দিছেও। আমি নিজে জানো টকা বিতৰণ কৰিছে। চেক লৈ গৈছে। তেনেকে চেক লৈ লোৱা সকলৰ হিচাব কিয় দিব পৰা নাই।

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) : গোটেই হিচাবটো আনি দিম।

* শ্রীহিতেশ্বৰ ডেকা : এই অধিবেশনত দিব লাগিব।

শ্রী গোলোক ৰাজবংশী ( সংসদী পৰিক্ৰমা মন্ত্ৰী ) : চাৰ অধ্যক্ষ মহোদয়ৰ পৰা প্ৰতিশ্ৰুতি বিচৰা সমীচীন নহয়।

* শ্রীনগেন শৰ্ম্মা : সদনত দিব লাগিব।

* শ্রী ৰমেন্দ্ৰ নাৰায়ণ কলিতা : চাৰ, মন্ত্ৰীয়ে উত্তৰৰ পৰা ফালৰি কাটি যাব বিচৰা দেখা গৈছে। মন্ত্ৰী মহোদয়ে প্লেন এষ্টিমেট বিচৰা বুলিহে কৈছে। কিন্তু চৰকাৰে নিশ্চয় জানে মন্ত্ৰী সকলে ক'ত ক'ত ধন দিম বুলি প্ৰতিশ্ৰুতি দিছিল। মন্ত্ৰী হুগৰাকীয়ে ক'ত ক'ত টকা দিছে সেইটো হিচাব বিভাগে দিব পাৰে কিন্তু তাৰ সলনি মন্ত্ৰীয়ে প্লান এষ্টিমেট বিচৰাৰ কথাহে কৈছে। প্লান এষ্টিমেট দিয়াটো বেলেগ কথা আৰু ধন দিয়াৰ প্ৰতিশ্ৰুতি দিয়াটো বেলেগ কথা। গতিকে এই তথ্য বিলাক দিব নোৱাৰাৰ কাৰণ নাই।

মাননীয় অধ্যক্ষ ঃ হাতত তথ্য নাই কাৰণে দিব পৰা নাই।

* শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ চাৰ, আমি বহুদিনৰ আগতে প্ৰশ্ন বিলাক দিওঁ আৰু তাৰ বিপৰীতে বিভাগে তথ্য পাতি আনিবলৈ যথেষ্ট সময় পায়। এই প্ৰশ্ন বিলাকৰ লগত জনসাধাৰণৰ স্বাৰ্থ জড়িত আছে। সেইকাৰণে আপোনাব পৰা এটা ৰুলিং দিব লাগে যাতে মন্ত্ৰী সকলে অলপ সাজু হৈ আহি উত্তৰ বিলাক দিয়াৰ ব্যৱস্থা লয়। তথ্য বিচাৰি আছো মানে সাৰি যোৱা কথা। আপোনাৰ সমষ্টিৰ কথাও ইয়াৰলগত জড়িত আছে। য'তেই মন্ত্ৰী বহে তাতেই পইচা দিম বুলি কৈ আহে। গতিকে সেই টকাটোৰ তথ্যখিনি নিশ্চয় বিভাগৰ হাতত থাকে। লাম ডিঙৰ পাবলিক স্কুল এখনতো গৈ মন্ত্ৰীয়ে ধন দিম বুলি কৈ আহিছে। এই বিলাক সম্পূৰ্ণ ৰাজনৈতিক স্বাৰ্থ পূৰণৰ কাৰণে কৰি আছে বুলি কব পাৰি। ইমান বেছি প্ৰতিশ্ৰুতি দিছে যে সেই পৰিমানৰ টকা দিব লাগিলে জনতা ভৱনৰ টিনপাত খিনিও বিক্ৰীহে যাব।

* শ্ৰী হিতেশ্বৰ ডেকা ঃ তথ্য খিনি অধিবেশনৰ ভিতৰতে দিম বুলি কব লাগে।

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) ঃ এই সদনত নহয় পিচত আনি দিব পাৰিম ( সদনত কেইবাজনো মাননীয় সদস্যই একেলগে কথা কবলৈউঠে কাৰোমাত শুনা নাযায় )

*শ্ৰী নগেন শৰ্ম্মা ঃ এই অধিবেশনতে দিব লাগে।

* শ্ৰী হিতেশ্বৰ ডেকা ঃ এই সম্পৰ্কত আপোনাৰ ৰুলিং দিব লাগে চাৰ।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ ৰুলিং দিব লাগে চাৰ।

Mr. Speaker : My ruling is that as far as practicable hon'ble Minister will supply the information asked by the hon'ble members.

( ভইচ : দূৰ্নীতি কৰি শিক্ষা বিভাগ চলাইছে। )

বিষয় : মহাবিদ্যালয়ৰ অধ্যক্ষৰ দূৰ্নীতি।

* ১৪২। ডাঃ কমলা কলিতাই সুধিছে :

মাননীয়, শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ছয়গাওঁ মহাবিদ্যালয়ৰ অধ্যক্ষ গৰাকীক পৰিচালনা সমিতিয়ে ৩/৬/৯০ ইং তাৰিখৰ প্ৰস্তাৱমৰ্মে বিভিন্ন দূৰ্নীতিৰ অভিযোগত মহাবিদ্যালয়ৰ পৰা বৰখাস্ত কৰণৰ বাবে প্ৰস্তাব দিয়াটো সত্য নে ?

খ) উক্ত অধ্যক্ষ জনে নিযুক্তি দিয়া দৰ্শন বিভাগৰ এজন প্ৰৱক্তা আৰু গ্ৰন্থ গাৰিকা গৰাকীক পৰীক্ষাৰ নম্বৰ তালিকা জাল কৰা অভিযোগত কলেজৰ পৰা বৰ্খাস্ত কৰাতোও সত্য নে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) সঁচা।

খ) সঁচা।

* শ্ৰী কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে প্ৰশ্ন 'ক' আৰু 'খ' সঁচা বুলি কৈছে। এতিয়া মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে যদি সঁচা হয়, তেন্তে আজি তিনি বছৰ ধৰি দূৰনীতি গ্ৰস্ত অধ্যক্ষ জনক কিয় বৰ্খাস্ত কৰা হোৱা নাই।

* শ্ৰীভূমিধৰ বৰ্ম্মন ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে হাই কৰ্টৰ কেইবাটাও অৰ্দাৰ আছিল। লেটেষ্ট অৰ্দাৰ মৰ্ম্মে আজি তিনি দিনৰ আগতেহে পাইছোঁ। এই মৰ্ম্মে মই পিছত সিদ্ধান্ত লম।

* শ্ৰীকমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, কি বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে মন্ত্ৰী মহোদয়ে জনাবনে?

* শ্ৰীভূমিধৰ বৰ্ম্মন ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কালিহে ফৰমেলি এজ পাৰ অৰ্দাৰ পাইছোঁ। এই বিষয়ে চোৱা হ'ব।

* শ্ৰী কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে যিজন কলেজৰ অধ্যক্ষই মিছা চাৰ্টিফিকেট প্ৰদিউচ্ কৰি নিজৰ পৰিবাৰ আৰু ল'ৰা ছোৱালীকো ফাৰ্ষ্ট ক্লাচ পোৱাই নিযুক্তি আদি ললে, তেনে এজন দূৰনীতি পৰায়ণ অধ্যক্ষক কেনেকৈ প্ৰাথমিক শিক্ষা বৰ্ডৰ সদস্য হিচাবে নিয়োগ কৰিবলৈ নিৰ্দেশ দিব পাৰিলে?

* শ্ৰী ভূমিধৰ বৰ্মন ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, নিযুক্তি দিয়া নাই।

* শ্ৰী কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, নিযুক্তি দিয়া নাই, কিন্তু নিযুক্তিৰ বাবে নিৰ্দেশ দিয়া হৈছিল নে নাই?

* শ্ৰী ভূমিধৰ বৰ্ম্মন ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, সেইটো বেলেগ প্ৰশ্ন হ'ব।

* শ্ৰী কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, নিৰ্দ্দেশ দিয়া কথাটো সঁচা মই ইয়াৰ তথ্য দাখিল কৰিব পাৰোঁ। কিন্তু মন্ত্ৰী মহোদয়ে কিয় সঁচা কথাটো স্বীকাৰ নকৰে? অধ্যক্ষক নিযুক্তি দিছিলেই, জইনহে কৰা হোৱা নাই।

* শ্ৰী ভূমিধৰ বৰ্ম্মন ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই পিছত চাই-পেলাই জনাম।

* শ্ৰী নগেন শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে, এই প্ৰশ্নৰ দুটা উত্তৰ দিছে। কোনটো শুদ্ধ ?

* শ্ৰী ভূমিধৰ বৰ্ম্মন ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোঁ, শিক্ষা বৰ্ডৰ সদস্য নহয়।

* শ্ৰী কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছোঁ, দুৰনীতি গ্ৰস্ত বুলি জনাৰ পিছতো কেনেকৈ বৰ্ডৰ মেম্বৰ হিচাবে নিযুক্তি দিব পাৰে ?

* শ্ৰী ভূমিধৰ বৰ্ম্মন ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয় প্ৰকৃত তথ্য নোপোৱা-লৈকে দিব পাৰো।

* শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এবাৰ কলে যে নিযুক্তি দিয়া হৈছে, আকৌ এবাৰ কলে তথ্য বিচাৰি পিছত কম। মই কব বিচাৰিছোঁ যে এজন মাননীয় অসমৰ শিক্ষা মন্ত্ৰীয়ে কিয় সন্মানিত সদনক বিপথে পৰিচালিত কৰিছে ? শিক্ষা মন্ত্ৰী হৈ তেখেতে নিজেই মিছা কথা কবলৈ শিক্ষা দিছে নেকি ? শিক্ষা মন্ত্ৰী জনেই যদি এনেকৈ মিছা কথা কয়, শিক্ষক সকলক নীতি-গত শিক্ষা কেনেকৈ দিব ?

বিষয় : **POWER SUBSIDY.**

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে সুধিছে :

* ১৪৩। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমৰ উদ্যোগ সমূহৰ বাবে Power Subsidy দিয়াৰ চৰকাৰী নীতি কি ?

খ) এই নীতিৰ ভিত্তিত এতিয়ালৈকে Power Subsidy দিয়া হৈছে নে ?

শ্ৰী বিজিৎ শইকীয়া ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) অসমৰ উদ্যোগ সমূহক Power Subsidy উদ্যোগ নীতিত দিয়া নিৰ্দ্দেশনাৰ ভিত্তিত দিয়া হয়।

খ) হয় দিয়া হৈছে।

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো উদ্যোগ নীতিৰ ভিত্তিত দিয়া হৈছে বুলি কৈছে। প্ৰকৃততে সেই নীতিটো নো কি ? মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰী বিজিৎ শইকীয়া ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮২ চনৰ পৰা যি উদ্যোগ নীতি চলি আহিছে, সেই মতেই দিয়া হৈছে। লেটেষ্ট ১৯৯১ চনৰ পৰা যি উদ্যোগ নীতি লোৱা হৈছে, সেই ভিত্তিতে দিয়া হৈছে।

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, অসমত বহুতো উদ্যোগ নীতিৰ ওপৰত ভিত্তি কৰি উদ্যোগ পতা হয়। যেনেকৈ, স্মল স্কেল, মিদল স্কেল আৰু লাৰ্জ স্কেল ইত্যাদি। আচলতে মই জানিব বিচৰা স্পেচিফিক নীতিটো কি ?

* শ্ৰী বিজিৎ শইকীয়া ( মন্ত্ৰী ) মাননীয় অধ্যক্ষ মহোদয়, অগ্ৰাধিকাৰ ভিত্তিত এই চাব্‌চিদি দিয়া হয়। ১৯৯১ চনৰ পৰা মই প্ৰথমে ৫০ হেজাৰ আৰু পিছত সৰ্বমুঠ ৫ লাখ টকা উদ্যোগ সমূহক চাব্‌চিদি হিচাবে দিছোঁ।

* শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে, এইটো কথা কব লাগে যে পায়ৰিটি বেচিচত চাবচিদি দিয়াৰ ব্যৱস্থা আছে নেকি ?

* শ্ৰী বিজিৎ শইকীয়া (উদ্যোগ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ৫০ শতাংশ দিয়া হল, সৰ্ব্বমুঠ ৫ লাখ টকালৈ দিয়া হয়।

* শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল পায়ৰিটি বেচিচত চাবচিদি দিয়ে নেকি ?

* শ্ৰী বিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে নীতিৰ কথা কৈছে তাকেই মই কবলৈ ওলাইছো।

* শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী : মানীয় অধ্যক্ষ মহোদয়, অসমৰ উদ্যোগ নীতিৰ অনুসৰি কিছুমান পাৱাৰ চাবচিদি পায়ৰিটিত দিয়া হয় সেইটো স্মল স্কেল ইনদাচট্ৰি, মেজৰ স্কেল ইনদাচট্ৰিত, মিডোল স্কেল ইনদাচট্ৰিত দিয়াৰ পায়ৰিটি আছে নেকি ? ইয়াৰ নীতি কি, কি ভিত্তিত পায়ৰিটি দিয়া হয় ?

* শ্ৰী বিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ১ মেগাৱটৰ পৰা ৫ মেগাৱটৰ যি উদ্যোগ বিজুলী শক্তি ব্যৱহাৰ হয় তেনেধৰণৰ

---

৩০ শতাংশ সৰ্ব্বমুঠ ৬ লাখ টকালৈ দিয়া হয়। সেই হিচাপে ৫ মেগাৱাট হিচাপে ২০ শতাংশৰ পৰা ৩০ শতাংশ টকালৈ দিয়া হয়। এইটোৱেই আমাৰ নীতি।

* শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, উদ্যোগ নীতিৰ পলিচিটো মই ইয়াত পঢ়ি দিছো page 9 (b) for large scale and medium scale two categories have been made i. e. industrial unit having connectlon upto 25 m.w. এতিয়া কথা হল তেখেতৰ নীতিৰ বিষয়ে ১ মেগাৱাটৰ পৰা ৫ মেগাৱাটৰ স্মল স্কেল উদ্যোগৰ ক্ষেত্ৰত কি হিচাপে লৈছে সেইটো আমি জানিলো আৰু অসমৰ ৰাইজেও জানিলে। মই সুধিব বিচাৰিছো যে আপোনালোকে যিবিলাক চেকেন্দহেন্দ মেচিন কিনে কোনোবা উদ্যোগপতিৰ পৰা সেইবিলাক কিনাৰ প্ৰাইভেট চেকটৰত ষ্টেট কেপিটেলত এইবিলাক প্ৰভিজন আছে নেকি ?

* শ্ৰী বিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো প্ৰশ্ন কৰিছে সেইটো বেলেগে আহিলে ভাল হয়।

* শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আজি আমি দেখিছো যে মহাৰাষ্ট্ৰত লাখ লাখ উদ্যোগ আছে অসমত উদ্যোগ কেইটা সেইটো হাতত লেখিব পাৰি। গতিকে এইটো এটা মটিভেটেড কথা কৈছে। ১৯৮৪ চনতে এই উদ্যোগটো স্থাপিত হৈছিল। কিন্তু তাৰ পিচৰ পৰাই চৰকাৰে এই উদ্যোগ বিলাক প্ৰাইভেট চেকটৰত বিক্ৰি কৰাৰ ব্যৱস্থা কৰিছে। অথচ প্ৰাইভেট চেকটৰত এই উদ্যোগৰ বিপৰীতে টকা দিয়া নাই। এনে এটা উদ্যোগ বংশী লালৰ জোৱা-

যেকক দিছে। তেওঁৰ লগত আমাৰ উদ্যোগ মন্ত্ৰীৰ কিবা বুজাবুজিৰ সম্পৰ্ক আছে । সেই কাৰণে এই তথ্য বিলাক তেখেতে সদনত দাখিল কৰিব নোৱাৰে।

* শ্ৰী বিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিলাক তথ্য পাতি মোৰ হাতত নাই।

* শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কব লাগে যে তেখেতৰ হাতত প্ৰাগবচিমিৰ তথ্য পাতি আছে নেকি ? উদ্যোগ মন্ত্ৰীয়ে এই তথ্য পাতি দিব নোৱাৰে। অসমত ১০ টা উদ্যোগ আছে মাত্ৰ কিয় তাৰ তথ্য দিব নোৱাৰে । কালি আমি দেখিছো প্ৰাগবচিমিৰ লাখ লাখ টকাৰ চাৰচিদিৰ তথ্য নাই। সদন কেনেকৈ চলিব ।

* শ্ৰী বিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে এইটো বেলেগ প্ৰশ্ন আনিলে ভাল হয়।

* শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এইটো কথা জনাবনে ব্ৰহ্মপুত্ৰ ষ্টীল এণ্ড উদ্যোগ আমিন গাওঁৰ এই উদ্যোগটোত কিবা চাৰচিদি দিছে নেকি ।

* শ্ৰী বিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ ষ্টীল উদ্যোগত এইটোত কোনো চাৰচিদি দিয়া হোৱা নাই।

বিষয় : ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধ

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে :

*১৪৪। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) কামৰূপ জিলাৰ ধাৰাপুৰৰ পৰা মাঝিৰ গাওঁলৈ ব্ৰহ্মপুত্ৰৰ গড়া খহনীয়া প্ৰতিৰোধৰ বাবে কিবা আচঁনি গ্ৰহন কৰিছে নে ?

খ) যদি কৰিছে, কিমান টকাৰ আৰু কোন বছৰৰ পৰা কাম আৰম্ভ কৰিব ?

গ) ধাৰাপুৰৰ পৰা মাঝিৰ গাওঁলৈ ৰিং বান্ধৰ বাবে কিবা আচঁনি গ্ৰহন কৰিছে নেকি ?

ঘ) যদি কৰা নাই, তেনেহলে চলিত বিত্তীয় বছৰত আচঁনি লৈ আৰ্থিক অনুদান দিয়াৰ ব্যৱস্থা গ্ৰহন কৰিব নে ?

শ্ৰী হৰেন ভুমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়। কামৰূপ জিলাৰ ধাৰাপুৰৰ পৰা মাঝিৰ গাওঁলৈ ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াৰ আচঁনি তৈয়াৰ হৈছে।

খ) এই আচঁনিখন ১২.৩০ কোটি টকাৰ। কেন্দ্ৰীয় জল আয়োগ আৰু পৰিকল্পনা আয়োগৰ অনুমোদন পালে আৰু বিত্তীয় অনুদানৰ সাপেক্ষে আচঁনিখনৰ কাম আৰম্ভ কৰা হব।

গ) তেনে কোনো আচঁনি গ্ৰহণ কৰা হোৱা নাই।

ঘ) বৰ্ত্তমানলৈ এনে কোনো আচঁনি নাই।

শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা : মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্ন বিলাক মই আমাৰ চৰকাৰ গঠন হোৱাৰ পিচৰে পৰা কৰি আহিছো। এই কাৰণেই কৰি আছো যে এই বিলাক ৰাইজৰ এটা গুৰুত্বপূৰ্ণ

বিষয়। মাঝিগাওঁ এয়াৰপটৰ একেবাৰে ওচৰতে। ধাৰাপুৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওচৰত। আজি ৩-৪ বছৰ ধৰি সেই অঞ্চল সবিশেষে ব্ৰহ্মপুত্ৰ ই গড়া খহনীয়াই আছে। আপুনি নিজে গলে দেখিব। মন্ত্ৰী মহোদয়ে কৈছে যে এই আচঁনি গ্ৰহন কৰা হৈছে। কিন্তু কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিছেনে নাই, টকা দিছেনে নাই? মন্ত্ৰী মহোদয়ে কৈছে যে টকা দিলে কাম আৰম্ভ কৰিব পৰা হব। মোৰ প্ৰশ্ন হল কেন্দ্ৰীয় চৰকাৰে অনুমোদন কৰিছেনে নাই, টকা দিছেনে নাই? এই কথাটোহে কব লাগে।

শ্ৰী হৰেন ভূমিজ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, সেইটো যোৱা বছৰ অক্টোবৰ মাহত ৮৮ শতাংশ অনুমোদিত হৈছিল। তাৰ পিচত আকৌ একাদশত ব্ৰহ্মপুত্ৰ বোৰ্ডে ১০ ফেব্ৰুৱাৰীৰ ১৯৯২ চনত গৃহীত হৈছিল। বৰ্ত্তমান ভাৰত চৰকাৰে এই ব্যৱস্থাৰ বাবে প্ৰাক কলন প্ৰস্তুত কৰি আছে।

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা : এই প্ৰাক কলন প্ৰস্তুত কৰাৰ কাম কেতিয়া শেষ হব?

* শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা : প্ৰাক্‌কলন, আচনি আদি কৰি আছে ই কেতিয়া শেষ হব? এয়াৰপৰ্ট গুৱাহাটী বিশ্ববিদ্যালয় আছে, গতিকে কেন্দ্ৰীয় চৰকাৰৰ পৰা ধন অনাৰ স্কপ আছে। এয়াৰপৰ্ট আৰু গুৱাহাটী বিশ্ববিদ্যালয়ক খহনীয়াৰ পৰা বচোৱাৰ কাৰণে মন্ত্ৰীৰ আগ্ৰহ থাকিব লাগিব। এই বছৰৰ ভিতৰত প্ৰাক্‌কলন শেষ কৰি টকা অনাৰ ব্যৱস্থা কৰিবনে?

---

Speech not Corrected

* শ্ৰী হৰেণ ভূমিজ (বান নিয়ন্ত্ৰণ মন্ত্ৰী): এই বিত্তীয় বছৰত কৰাৰ কাৰণে চেষ্টা কৰা হব আৰু অনুমোদন লোৱাৰ কাৰণেও চেষ্টা কৰা হব।

* শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা: ধাৰাপুৰৰ পৰা মাঝিৰ গাৱলৈ ৰিং বান্ধ দিয়াৰ কথা কোৱা হৈছে। ব্লকৰ পৰা ১০-২০ হাজাৰ টকা দিয়ে, এই টকাৰে তিনি কিলোমিটাৰ ৰিং বান্ধ দিয়াটো অসম্ভৱ। ধাৰাপুৰ মাঝিৰ গাওঁ আদি কৰি কেইবাখনো গাওঁ ব্ৰহ্মপুত্ৰৰ পানীয়ে ডুবাই দিয়ে। এই গাওঁ কেইখনক ৰক্ষা কৰিবৰ কাৰণে এই বিত্তীয় বছৰত ৰিঃ বান্ধটো বন্ধাৰ বাবে আৰ্থিক অনুদান দিবনে?

* শ্ৰী হৰেণ ভূমিজ (মন্ত্ৰী): মাননীয় সদস্য গৰাকীয়ে জানিব সুখী হব যে যিটো প্ৰাক্‌কলন কৰা হৈছে সেইটো ৰূপায়িত হলে ইন্সপেকচন পথটো ৰিং বান্ধৰ কাম কৰিব।

* শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা: অস্থায়ীভাৱে হলেও টকাৰ দিয়াৰ ব্যৱস্থা কৰিবনে?

* শ্ৰী হৰেণ ভূমিজ (মন্ত্ৰী): এই প্ৰকল্পত ইন্সপেকচন পাথৰ ব্যৱস্থা আছে। এই প্ৰাক্‌কলনটো অতি সোনকালে অনুমোদন লোৱাৰ চেষ্টা কৰা হব। এইটো হলে জিৰ পইণ্টৰ পৰা ৬ কিলোমিটাৰলৈ ইন্সপেকচন পাথে ৰিং বান্ধৰ কাম কৰিব। কেন্দ্ৰীয় চৰকাৰৰ পৰা সোনকালে অনুমোদন লোৱাৰ কাৰণে চেষ্টা কৰা হব।

---

বিষয় : প্ৰাথমিক বিদ্যালয় চৰকাৰী কৰণ।

শ্ৰীমতী ৰেণুপমা ৰাজখোৱাই সুধিছে :

* ১৪৫। (মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী) মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসম চৰকাৰে ঘোষনা কৰা তিনিহেজাৰ প্ৰাথমিক বিদ্যালয় চৰকাৰীকৰণ কৰা হল নেকি ?

খ) যদি নাই হোৱা ইয়াক কেতিয়া সম্পূৰ্ণ কৰা হব ?

গ) বাকী থকা প্ৰাথমিক বিদ্যালয় সমূহ সকলো জিলাতে সমানে ভাগ কৰা হবনে ?

শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) সম্পূৰ্ণ হোৱা নাই।

খ) পৰ্য্যায়ক্ৰমে পুঁজি সাপেক্ষে প্ৰাদেশীকৰণ কৰি থকা হৈছে।

গ) আৱশ্যক অনুযায়ী প্ৰতি জিলাৰ কাৰণে ব্যৱস্থা কৰা হব।

* শ্ৰীমতী ৰেণু পমা ৰাজখোৱা : যিবিলাক স্কুল চৰকাৰীকৰণ কৰা হৈছে সেই বিলাক স্কুলৰ শিক্ষক সকলক প্ৰশিক্ষণলৈ পঠোৱা হৈছে। সেই স্কুল সমূহ বন্ধ কৰি দিয়া হৈছে নেকি যিহেতু এজনীয়া শিক্ষক নিযুক্তি দিয়া হৈছে ?

* শ্ৰী শৰৎ বৰকটকী (ৰাজ্যিক শিক্ষা মন্ত্ৰী) : যিবিলাক স্কুলৰ শিক্ষকক প্ৰশিক্ষণলৈ পঠোৱা হৈছে, সেই বিদ্যালয় সমূহত বেছি শিক্ষকৰ লগত এদজাষ্ট কৰিবলৈ কোৱা হৈছে।

* শ্ৰী মতী ৰেণুপমা ৰাজখোৱা : মোৰ সনষ্টত হোৱা নাই। যিবিলাক প্ৰশিক্ষণলৈ পঠোৱা হৈছে তাত দ্বিতীয় শিক্ষক নিযুক্তি পোৱা নাই।

* শ্ৰী শৰৎ বুৰকটকী (ৰাজ্যিক শিক্ষা মন্ত্ৰী) : যিবিলাক ভেন্সাৰ স্কুল

প্ৰাদেশীকৰণ কৰিছিলো তাত দুজনীয়া শিক্ষকৰ প্ৰথমজন শিক্ষকক লৈছো। পুজি সাপেক্ষে ২জন শিক্ষক লোৱা হব। এতিয়া যিহেতু শিক্ষক খালি হৈ আছে অনুসন্ধান কৰি ব্যৱস্থা লম।

* শ্ৰী দেৱান জয়নাল আবেদিন : শিক্ষা মন্ত্ৰীয়ে জনাইছে যিবিলাকত দুজন শিক্ষক আছিল তাৰ এজনক নিযুক্তি দিয়া হৈছে। ২য় জন পুজি সাপেক্ষে দিয়া হব বুলি আশ্বাস দিছে। প্ৰশ্ন হল যিজন শিক্ষকক নিযুক্তি দিয়া হৈছে সেইজনক চৰকাৰী নিৰিখত দৰ্মহা দিয়া হৈছে নে নাই? দ্বিতীয় প্ৰশ্ন কথা তিনি হাজাৰৰ বাকী থকা স্কুল এই বছৰত অধিগ্ৰহণ কৰিবনে নাই? অধিগ্ৰহণ কৰাৰ ভিত্তি কি হব?

* শ্ৰী শৰৎ বৰকটকী (ৰাজ্যিক শিক্ষা মন্ত্ৰী) : তিনি হাজাৰখন বে-চৰকাৰী প্ৰাথমিক বিদ্যালয় চৰকাৰীকৰণ কৰা আঁচনিৰ ভিতৰত ১৬৩৮ খন বে-চৰকাৰী প্ৰাথমিক বিদ্যালয় চৰকাৰীকৰণৰ নিৰ্দ্দেশ জিলা বিষয়া বৰ্গলৈ প্ৰেৰণ কৰা হৈছে। বাকী এনেকুৱা ১৩৬২ খন প্ৰাথমিক বিদ্যালয় চৰকাৰীকৰণ বিবেচনাধীন হৈ আছে। বাকীখিনি বে-চৰকাৰী বিদ্যালয় জিলা ভিত্তিত বিভাগীয় নীতিত চৰকাৰী আদেশ মৰ্ম্মে হব।

* শ্ৰী দেৱান জয়নাল আবেদন : যি বিলাক শিক্ষক নিযুক্তি দিয়া হৈছে সেই বিলাকক বৃত্তিধাৰী হিচাবে দিযুক্তি দিয়া হৈছেনেকি? তিনি হাজাৰ স্কুল লোৱা হৈছে বুলি আগতে ঘোষণা কৰা হৈছিল, কিন্তু এতিয়ালৈকে সম্পূৰ্ণ হোৱা নাই। যি বিলাক স্কুল থাকি গ'ল সেই বিলাকক এই বছৰৰ ভিতৰত লোৱা হবনেকি? এই স্কুলবিলাক কি ভিত্তিত লব?

* শ্ৰী শৰৎ বৰকটকী ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) : যিজন বৃত্তিধাৰী শিক্ষক দিছো তেওঁক প্ৰশিক্ষণলৈ পঠোৱা হৈছে। পাচ কৰাৰ পিচত ৰেগুলাৰ পেমেণ্ট দিয়া হব। প্ৰাদেশীকৰণ প্ৰয়োজনীয় জ্যেষ্ঠতাৰ ভিত্তিত কৰা হব।

* শ্ৰীহিতেশ্বৰ ডেকা : যোৱা বাজেট অধিবেশনত এই বিষয়টোত যথেষ্ট গুৰুত্ব লাভ কৰিছিল। শিক্ষা মন্ত্ৰীয়ে উত্তৰ দিছিল যে এই বছৰৰ ভিতৰত কৰা হব। এতিয়া ৰাজ্যিক শিক্ষা মন্ত্ৰীয়ে কৈছে যে পুজি সাপেক্ষে কৰা হব। এতিয়া আমি কোনটো গ্ৰহণ কৰিম ?

* ডাঃ ভূমিধৰ বৰ্মণ (শিক্ষা মন্ত্ৰী) : নীতিগত ভাৱে সিদ্ধান্ত গ্ৰহণ কৰিছো। টকাতো লাগিব।

## বিষয় : মন্দিয়াৰ বিদ্যু অভিযোগ কক্ষ।

শ্ৰী দিলদাৰ ৰেজ্জায়ে সুধিছে :

* ১৪৬। মাননীয় শক্তি মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা জিলাৰ মন্দিয়াৰ বিদ্যুৎ বিভাগৰ অভিযোগ কক্ষটো মন্দিয়াত স্থাপন নকৰি সংশ্লিষ্ট কৰ্মচাৰী জনে নিজ ঘৰতে চলাই থকাটো সচাঁনে ?

(খ) যদি সচা উক্ত কৰ্মচাৰীজনৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হৈছে ?

(গ) মন্দিয়া বজাৰত অনতি পলমে বিদ্যুৎ অভিযোগ কক্ষ স্থাপনৰ ব্যৱস্থা কৰিবনে ?

শ্ৰী দেবানন্দ কোঁৱৰ (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) আৰু (খ) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে মন্দিয়াত কোনো অভিযোগ কক্ষ খোলা নাই। কিন্তু মন্দিয়াত থকা লাইনবোৰ চোৱা চিতা কৰিবলৈ আৰু আন কিবা অভিযোগ থাকিলে সেইবোৰ গজিয়া ৰোডত

থকা অভিযোগ কক্ষত জনাবৰ কাৰনে এজন অনুজ্ঞা পত্ৰ থকা সহায়ক মন্দিয়াত ৰখা হৈছে ।

গ) মন্দিয়া বজাৰৰ গ্ৰাহকৰ সংখ্যা আৰু বিদ্যুতৰ চাহিদাৰ পৰিমান কম হোৱাৰ হেতুকে কোনো অভিযোগ কক্ষ স্থাপনৰ ব্যৱস্থা এতিয়ালৈকে কৰা হোৱা নাই ।

* শ্ৰীদিলদাৰ ৰেজ্জা : মন্দিয়াত অতি সোনকালে বিদ্যুতৰ অভিযোগ কক্ষ খোলাৰ ব্যৱস্থা কৰিবনে ?

* দেৱানন্দ কোঁৱৰ : (শক্তি মন্ত্ৰী) মন্দিয়াত গ্ৰাহকৰ সংখ্য আৰু বিদ্যুতৰ সংখ্যা আৰু বিদ্যুতৰ চাহিদা দুয়োটাই কম হৈ আছে । তাত বৈদ্যুতিক গ্ৰাহক ৭জন কমাৰ্চিয়েল গ্ৰাহক ৩৫ জন আৰু ডমেষ্টিক ৬৩ জন সৰ্ব্বমুঠ ১০৫ জন । সেই ১০৫ জন গ্ৰাহকৰ পৰা মাহে পাচঁ হাজাৰ পাচশ টকা ৰাজহ হিচাবে বিল হয় । সেইবাবে এইটো কৰা হোৱা নাই । মাননীয় সদস্যজনে বিছাৰিছে যেতিয়া অভিযোগ কক্ষ খুলিবৰ বাবে অতি সোনকালে সিদ্ধান্ত গ্ৰহন কৰিম ।

**Re : Badarpur Textile Industry.**

Shri Nazmul Haqe, asked :

* 147. Will the Minister of Industries be pleased to state :

a) Whether the Government considering measures to reopen the Badarpur Textile Industries, which has been locked up by the management ?

b) If not the Measures taken by the Government for alternative means of work for the workers of the said mill ?

c) Whether the Government has taken up any measure for maintainence of the plant, machinery & other fixed assets of the said industry ?

Shri Bijit Saikia ( Minister ) replied :

a) The entire matter is under consideration of the Government.

b) Doesnot arise.

c) Maintenance of plant, machinery and other fixed assets are done from time to time.

Q. Dewan Jainal Abedin : In reply to question No. (a) Hon'ble Minister replied that the entire matter is under consideration of the Government. He also informed that question of re-opening, the now closed Badarpur Textile Industries, is under consideration of the Government, In reply to question No. ( b ) he replied that "does not arise". Answer follows that the Badarpur Textile Industry is locked up by the Management now and if the industry

dustry is under lock up then naturally the question follows how long it will take to re-open the industry again. The second reply is that "does not arise.". He cannot answer in this fashion as the industry is already closed. My supplementary is that is in the second question it has been asked whether any alternative arrangements have been done for the workers. And what alternative arrangement has made for the works.

* Shri Bijit Seikia, ( Minister ) : Sir, employees are being paid by the Office staff.

* Shri Mission Ranjan Das : Is the Government considering to re-open the industry, Whether Minister would kindly state that when it will be re-opened ?

* Shri Bijit Saikia, ( Minister ) : It is under consideration.

* Shri Mission Ranjan Das : Whether it will be re-opened in the year 1993.

(Nox reply)

বিষয় : কৰিমগঞ্জ জিলাৰ Graduate Teacher নিয়োগ

শ্ৰী প্ৰনৱ কুমাৰ নাথে সুধিছে :

* ১৪৮। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি

ক) করিমগঞ্জ জিলায় L,P. Stipendary, M.E. School ও হাইস্কুল

এরজন্য Graduate Teacher নিয়োগ হয়েছে কি এবং যদি হয়েছে কি পদ্ধতিতে হয়েছে ?

খ) করিমগঞ্জ শিক্ষা বিভাগের প্রাক্তন উপ পরিদর্শক ( i/c D.I. of Schools ) নির্মল দাসের দুর্নীতি ও অবৈধ কাজে জরিত থাকার ব্যাপারে সরকার অবহিত আছেন কি এবং তাহার ব্যাপারে বিভাগিয় কি কি ব্যবস্থা নেওয়া হয়েছে ?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) তথ্য বিচৰা হৈছে ।

খ) কৰিমগঞ্জ জিলাৰ শিক্ষা বিভাগৰ প্ৰাক্তন উপ-পৰিদৰ্শকৰ বিৰুদ্ধে বিভাগীয় ব্যৱস্থা লৈ থকা হৈছে ।

* শ্ৰী প্ৰণৱ কুমাৰ নাথ : বিভাগত এই তথ্য নাই নেকি ? কৰিম গঞ্জৰ এই প্ৰাক্তণ উপপৰিদৰ্শক গৰাকীৰ বিৰুদ্ধে কি ব্যৱস্থা লৈ থকা হৈছে।

* ডঃ ভূমিধৰ বৰ্মণ (শিক্ষামন্ত্ৰী) : ইয়াত আছে চেকেন্দেৰী । এম ই, প্ৰাইমেৰী তাতেই পৰে । বৰ্ত্তমান পৰিস্থিতিত আহি পাওঁতে অলপ পলম হয় ।

* শ্ৰী হিতেশ্বৰ ডেকা : ২১ দিন আগতে দিছিল কিয় তথ্য আহি পোৱা নাই ?

* ডঃ ভূমিধৰ বৰ্মণ : (শিক্ষামন্ত্ৰী) দ্বিতীয় প্ৰশ্নৰ উত্তৰ হ'ল ইনচাৰ্জ ডি, আই জনক আতৰাই আনি বদলি কৰা হৈছে । তেওঁ কি কি দোষ কৰিছে তাক তদন্ত কৰিব দিছো । তদন্তৰ ৰিপৰ্ট আহিলে যথা নিয়মত ব্যৱস্থা লম ।

শ্রী প্রণব কুমার নাথঃ মাননীয় অধ্যক্ষ মহোদয়, করিমগঞ্জ জেলায় এল পি স্কুলে স্টাইপেণ্ডারী টিচার নিয়োগের ক্ষেত্রে যে দুর্নীতি হয়েছে তা সকলেরই জানা । এ ব্যাপারে বিভিন্ন পত্র পত্রিকাতে সমালোচনা হয়েছে । এ ব্যাপারে করিমগঞ্জ জেলার ডি ই ই ও চিঠি নং মেমো নং কে ডি ই ও ৯২/৯৩/সি-১৮/২০১৫-১৮ তাং১৮/৭/৯২ মর্মে যে চিঠি দিয়েছে সেই চিঠির মর্মে সরকার কি ব্যবস্থা নিয়েছেন অ আমাদের জানাবেন কি ?

* ডাঃ ভূমিধৰ বৰ্মণ (শিক্ষামন্ত্রী)ঃ এই সম্পৰ্কত মাননীয় সদস্য গৰাকীয়ে লিখিত অভিযোগ দিছে । সেই মৰ্মে এতিয়া বস্তুটো কেপটইন এবেয়েন্সত ৰখা হৈছে ।

* শ্রী প্রনর কুমাৰ নাথঃ তদন্ত কেতিয়া হব ।

* ডঃ ভূমিধৰ বৰ্মণ (শিক্ষামন্ত্রী)ঃ তদন্ত সোনকালে কৰিবলৈ দিয়া হব ।

* শ্রী মিচন ৰঞ্জণ দাসঃ তদন্তৰ ৰিপৰ্ট এই সদনত দিয়া হব নে নহয় ।

**বিষয়ঃ ধুমুহাত ক্ষতিগ্রস্ত শিক্ষানুস্থানৰ চৰকাৰী অনুদান ।**

শ্রী মুজিবুৰ ৰহমানে সুধিছেঃ

* ১৪৯। মাননীয়, শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

যোৱা এপ্রিল মাহত নগাওঁ জিলাৰ বিভিন্ন সমষ্টিত ধুমুহাত ক্ষতিগ্রস্ত শিক্ষানুষ্ঠান ও অন্যান্য প্রতিষ্ঠান সমূহত চৰকাৰৰ তৰফৰ পৰা আৰ্থিক অনুদান দিয়াৰ কি ব্যৱস্থা গ্রহণ কৰা হৈছে আৰু কেতি-য়াৰ পৰা এই অনুদান দিয়া আৰম্ভ কৰা হব ?

ডাঃ ভূমিধৰ চৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

নগাওঁ জিলাৰ বিভিন্ন সমষ্টিত ধুমুহাত ক্ষতিগ্ৰস্ত শিক্ষানুস্থানত আৰ্থিক অনুদান দিয়াৰ কাৰণে ইতিমধ্যে কিছুমান আৱেদন পোৱা হৈছে আৰু জিলা বিষয়া সকলৰ প্ৰতিবেদনৰ ভিত্তিত সঞ্চালক সকলে লিষ্ট দাখিল কৰিলে পুঁজি সাপেক্ষে অনুদান দিয়াৰ ব্যৱস্থা কৰা হব ।

* শ্ৰী মুজিবুৰ ৰহমান ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা এপ্ৰিল মাহত নগাওঁ জিলাত যি ধুমুহা হৈছিল সেই ধুমুহাত বহুত এল, পি, স্কুল, হাইস্কুলৰ ক্ষতিসাধন হৈছিল। সেই বিলাকে চলি আছে। সেই বিলাকক কেতিয়া অনুদান দিয়া হব ? এই কথা স্পষ্ট হৈছে যে অহা বাৰিষাৰ আগতে অনুদান দিয়া নহয় ।

* ডাঃ ভূমিধৰ ৰৰ্ম্মন ( মন্ত্ৰী ) ঃ এই সম্বন্ধে কিছুমান তথ্য পাইছো, প্ৰতিবেদনৰ ৰিপোৰ্ট পালে আমি ব্যৱস্থা লম ।

* শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কোনো প্ৰশ্ন নকৰো, আপোনাৰ পৰা ৰুলিং বিচাৰো । আমাৰ মাননীয় শিক্ষা মন্ত্ৰীৰ কাণ্ড আপুনি নিজে দেখিলে, আপোনাৰ প্ৰেষ্টিজ আছে । শিক্ষা মন্ত্ৰী মহোদয়ে তথ্য বিচাৰিছে. এই ক্ষেত্ৰত অসম বিধান সভাৰ মজিয়াত আপোনাৰ বদ্‌নাম হব, সেয়ে ৰুলিং দিয়া ভাল হব। আমি স্পীকাৰক ৰুলিং বিচৰাটো আমাৰ কৰ্ত্তব্য। আপুনি ৰুলিং কিয় নিদিয়ে ? এতিয়ালৈকে শিক্ষা মন্ত্ৰী মহোদয়ে তথ্য ডাঙি ধৰিব পৰা নাই। এটাও তথ্য দিব পৰা নাই। তথাপিও শিক্ষা মন্ত্ৰী মহোদয়ে হাহি হাহি আছে। ৰুলিং দিয়ক ( গন্দোগোল )

মাননীয় অধ্যক্ষ ঃ আমি আপোনালোকক আগতে কৈছো As per as practicable reply will be given.

( সদনত হুলস্থুল হয় )

বিষয় ঃ শিক্ষক নিযুক্তিৰ অভিযোগ।

শ্ৰী বুবুল দাসে সুধিছে ঃ

* ১৫০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) সদ্য ঘোষিত জাগীৰোড উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষক নিয়োগ সম্পৰ্কত উঠা ৰাজহুৱা অভিযোগৰ বিষয়ে চৰকাৰ অবগতনে ?

খ) যদি অৱগত হৈছে তেনেহলে উক্ত শিক্ষক নিয়োগৰ তৎকালিন ভাবে বাতিল কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) তথ্য বিচৰা হৈছে।

খ) তথ্য পোৱাৰ পিছত যথাবিহীত ব্যৱস্থা লোৱা হ'ব।

( শিক্ষা মন্ত্ৰীয়ে উত্তৰ দিয়াৰ পিচতে হুলস্থুল হয় )

* শ্ৰী বুবুল দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী মহোদয়ে জাগী-ৰোড উচ্চতৰ মাধ্যমিক বিদ্যালয় চৰকাৰীকৰণৰ ঘোষনা কৰি আহিছে। এই ঘোষনা অনুযায়ী শিক্ষকৰ পদ সমূহ মঞ্জুৰ দিব নে নাই ? ইতিমধ্যে শিক্ষা মন্ত্ৰী মহোদয়ে তথ্য বিচাৰিছে আৰু মেনিজিং কমিটিয়ে নিযুক্তি দিছে। যদি তথ্য আহি পাইছে, সেই নিযুক্তি কৰিব নে নাই ?

* ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) ঃ স্কুল বিলাক খোলাৰ পিচত আৰম্ভনিতে চৰকাৰৰ পৰা পদ মঞ্জুৰ নহলে স্কুল বিলাকে নিজে নিযুক্তি দিয়ে, এডভাটাইজ কৰি নিযুক্তি দিয়ে (সদনত হুলস্থূল) এইখন স্কুলত যদি কিবা অন্যায় ভাবে নিযুক্তি কৰিছে তেতিয়া হলে সেই অন্যায় নিযুক্তি সময়ত সংশোধন কৰিব লাগিব।

* শ্ৰী বুবুল দাস ঃ চৰকাৰী তথ্য লৈ স্কুলখন চৰকাৰীকৰণ কৰা বুলি ঘোষনা কৰা হৈছিল। যিহেতু মেনেজিং কমিটিয়ে নিযুক্তি দিছে, সেয়ে সেই নিধুক্তি বাতিল কৰিব লাগে।

* ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) ঃ কিছুমান স্কুলত ক্লাচ ১১ লৈ খোলাৰ কাৰণে অনুমোদন দিয়া হৈছে। যেতিয়া তাত আমি পোষ্ট দিম। যদি মেনেজিং কমিটিয়ে বেআইনী ভাবে নিযুক্তি দিছে তেতিয়া হলে তাক বাতিল কৰি মেৰিট ভিত্তিত নিযুক্তি দিম।

* শ্ৰীবুবুল দাস ঃ এই বছৰ স্কুল খনত নতুনকৈ শিক্ষক লবৰ কাৰণে শিক্ষা সচিবকো এলিগেশ্বন দিয়া হৈছিল। কাৰণ সেই পদ বোৰ পূৰণ কৰোতে এডভাৰটাইজ দিয়া হোৱা নাছিল, প'লিটিকেলি দিয়া হৈছে। এইটো বন্ধ কৰিবলৈ ব্যৱস্থা লব নে ?

* ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) ঃ মই নিজে ইন্সপেক্টৰ পঠাই ব্যবস্থা লম।

শ্ৰী জয়নাল আবেদিন ঃ মাননীয় অধ্যক্ষ মহোদয়, নিযুক্তিৰ ক্ষেত্ৰত চৰকাৰে অৰ্হতাৰ কথা বিবেচনা নকৰি তেওঁলোকক মন্ত্ৰী বিধায়ক সকলে লিখি দিয়াৰ ভিত্তিতে নিযুক্তি দিয়ে। বিভিন্ন উচ্চ মাধ্যমিক বিদ্যালয়ত—

Mr. Speaker : The Question hour is over.

Now the Report of the Business Advisory Committee.

Shri Hitendra Goswami : The point of order can be raised. It is a rule. It relates to interruption of rules. He should be allowed to raised the point of order.

শ্ৰী হিতেশ্বৰ ডেকা : চলতি বিধান সভাৰ আমি সদস্য। গতিকে দেখা যায় আজি সদনত প্ৰশ্নোত্তৰ কালছোৱাত অধিক সময় অপব্যয় হৈছে। মূল কাৰণ হৈছে শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে ৩৫৪ নং ত শিক্ষা বিভাগৰ বিষয়ে বাখ্যা কৰে আৰু ১ নং মন্ত্ৰীয়ে উত্তৰ দিছে- -- --

Mr. Speaker : You please discuss this in my chamber.

বিষয় : বান নিয়ন্ত্ৰণ বিভাগৰ বিভিন্ন আঁচনি।

শ্ৰী ভৰত চন্দ্ৰ নৰহে সুধিছে :

* ১৫১। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৯২-১৯৯৩ চনৰ বিত্তীয় বছৰৰ বাবে বান নিয়ন্ত্ৰণ বিভাগে বিভিন্ন আচঁনিৰ Annual plan তৈয়াৰ সম্পূৰ্ণ কৰিলেনে ?

খ) যদি কৰিলে, ১৯৯২-৯৩ চনৰ Annual plan মুঠ কেইটা আঁচনি অন্তৰ্ভূক্ত কৰিছে ?

গ) উক্ত আঁচনি সমূহৰ কাৰণে মুঠ কিমান টকাৰ প্ৰয়োজন হব ?

ঘ) উক্ত আঁচনি সমূহৰ কাম কেতিয়া আৰম্ভ হব ?

শ্ৰী হৰেন ভূমিজ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, Annual plan সম্পূৰ্ণ কৰা হৈছে।

খ) ১৯৯২-৯৩ চনৰ Annual planত সৰ্ব্বমুঠ ৪৪৩ টা আঁচনি অন্তৰ্ভুক্ত কৰা হৈছে।

গ) উক্ত আঁচনি সমূহৰ কাৰণে মুঠ ৪০ কোটি টকাৰ প্ৰয়োজন হব।

ঘ) ইতিমধ্যে আঁচনি সমূহৰ কাম ১ এপ্ৰিল ১৯৯২ চনৰ পৰা আৰম্ভ হৈছে।

SUB : UPGRADATION OF DIPHU GOVT. COLLEGE :

Shri Monsing Rongpi asked :

* 152. Will the Minister, Education be pleased to state :

a) Whether there was any proposal to upgrade Diphu Govt. College to Post Graduate College from the academic session of 1992 onwards ?

b) If so, whether said College has already been upgraded and if not why ?

c) Whether the vacant posts of teaching and other non-teaching staff have been filled up and if not why ?

Dr. Bhumidhar Barman (Minister) replied :

a) No. But there is a proposal to open Post Graduate Classes which is under process.

d) Does not arise.

c) Govt. already made appointment for filling up the vacant teaching post. All joined except two. This will be done very soon. There is no sanctioned vacant posts of non-teaching category.

বিষয় ঃ শিক্ষক নিয়োগ।

শ্রী পরিমল শুক্লবৈদ্য জিজ্ঞাসা করছেন ঃ

* ১৫৩। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জনাবেন কি ?

ক) শিলচর D.I. of schools এর অধিনে ১৯৯২ ইংরাজীতে মোট কতজন শিক্ষককে চাকরি দেওয়া হইয়াছে ?

খ) Director of Elementary বা D.I.P অফিচ থেকে কাছাড় জেলায় শিক্ষক শিক্ষিকা নিয়োগ হইয়াছে কি ?

গ) যদি হইয়া থাকে তবে কত এবং কি ভিত্তিতে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) ⁝
খ) ⁝ তথ্য বিচৰা হৈছে। সময়ত সদনত জনোৱা হব।
গ) ⁝

বিষয় ঃ মহাকালি গ্ৰাণ্ট মজলীয়া বিদ্যালয়।

শ্ৰী ৰামেশ্বৰ ধানোৱাৰয়ে সুধিছে ঃ

* ১৫৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) তিনিচুকীয়া শিক্ষা মহকুমাৰ অসমীয়া মাধ্যমৰ মহাকালি গ্ৰাণ্ট

(Mahakali Grant M.V. School) মজলীয়া বিদ্যালয়ত হিন্দী মাধ্যমৰ এজন শিক্ষক নিয়োগ কৰা কথা সচানে ?

খ) তিনিচুকীয়া জিলাত মুঠ কিমান খন অসমীয়া মাধ্যমৰ বিদ্যালয়ত অন্য অসমীয়া মাধ্যমৰ শিক্ষক, বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যকালছোৱাত নিযুক্তি দিয়াটো সঁচানে ? (তালিকা সহ উল্লেখ কৰিব)।

গ) যদি সচা, ইয়াৰ কাৰণ কি আৰু এনে কামৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হৈছে ?

ডাঃ শ্ৰী ভূমিধৰ বৰ্মণ (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) তথ্য বিচৰা হৈছে।

খ) ঐ

গ) ঐ

## বিষয় ঃ ধেমাজি আৰু জোনাই পুথিভঁৰাল।

শ্ৰী দিলীপ কুমাৰ শইকীয়ায়ে সুধিছে ঃ

* ১৫৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ধেমাজি জিলা পুথিভৰাল আৰু জোনাই মহকুমা পুথিভঁৰাল নিৰ্মানৰ বাবে চৰকাৰে কিবা আচঁনি হাতত লৈছেনে ?

খ) যদি লৈছে, কিমান টকা ব্যয় সাপেক্ষে এই গৃহ নিৰ্মান কৰিব ?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) জোনাই মহকুমা পুথিভঁৰাল নিৰ্ম্মানৰ বাবে মাটি গড়কাপ্তানি বিভাগলৈ হস্তান্তৰ কৰা হৈছে। ধেমাজী জিলা পুথিভঁৰাল নিৰ্ম্মানৰ বাবে প্ৰয়োজনীয় ভূমি আবন্টনৰ বাবে যোগাযোগ কৰা হৈছে।

খ) পুথিভঁৰাল গৃহ নিৰ্ম্মান ব্যয় নিৰ্ভৰ কৰিব গড়কাপ্তানি বিভাগে প্ৰস্তুত কৰা ইয়াৰ নক্সা আৰু পৰিকল্পনাৰ ওপৰত।

বিষয় ঃ রাতাবাড়ী সমষ্টিত বন্যা নিয়ন্ত্রন।

শ্রী রামপ্যারে রবিদাস জিজ্ঞাসা করেছেন ঃ

* ১৫৬। মাননীয় বন্যা নিয়ন্ত্রন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ?

ক) প্রায় ৯০% এলাকাই বন্যায় আক্রান্ত রাতাবাড়ী সমষ্টির বন্যা নিয়ন্ত্রন করার ব্যাপারে সরকার কি কোনো পদক্ষেপ গ্রহণ করেছেন ?

খ] যদি করেছেন তবে ঐ গুলো কি ?

শ্রী হৰেণ ভূমিজ [মন্ত্ৰী]য়ে উত্তৰ দিছে ঃ

ক] বান প্ৰপীড়িত ৰাতাবাড়ী সমষ্টিৰ বাননিয়ন্ত্ৰনৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে ।

খ] ৰাতাবাড়ী সমষ্টিৰ বাননিয়ন্ত্ৰনৰ কাৰণে চৰকাৰে এতিয়ালৈকে ৪৫'১৬ কিঃ মিঃ মথাউৰী বন্ধা কাম সম্পূৰ্ণ কৰিছে । উক্ত অঞ্চলৰ সম্পুৰ্ণ বান নিয়ন্ত্ৰনৰ বাবে ব্ৰহ্মপুত্ৰ বৰ্ডে এখন মাষ্টাৰ প্লেন প্ৰস্তুত কৰিছে। এই মাষ্টাৰ প্লেন খনৰ অনুমোদন পালে খণ্ড ভিত্তিত কাম হাতত লোৱা হব ।

Re : BADARPUR TEXTILE MILL.

Shri Mission Ranjan Das asked :

* 137. Will the Minister of Industries be Pleased to State :

a) Whether the Government has taken any step to revive the Badarpur Textile Mill from its own end ?

b) If so, the steps undertaken by the Government and when it will start functioning ?

c) If not, why ?

Shri Bijit Saikia (Minister) replied :

a) Yes, Sir,

b) (I) The possibility of revival of the unit by transfer to Assam Powerloom Development Corporation Ltd. has been considred.

(II) An expert Committee consisting of members from Assam Powerloom Development Corporation, ASIDC, Assam State Textile Corporation and Northern India Textile Research Association visited the unit to study the possibility of revival and investment required. The matter is under Government consideration.

c) Does not arise.

বিষয় : বিদ্যুৎ উৎপাদন কেন্দ্র।

শ্রী মধুসূদন তেওয়ারী জিজ্ঞাসা করছেন :

* ১৫৮। মাননীয় শক্তি বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

ক) আদম টিলায় গ্যাসভিত্তিক বিদ্যুৎ উৎপাদন কেন্দ্র স্থাপন করার কথা সরকার ঘোষনা করিয়াছিলেন, এই ব্যাপারে কতটুকু অগ্রগতি হইয়াছে ?

শ্রী দেবানন্দ কোঁওৰ ( মন্ত্রী ) য়ে উত্তৰ দিছে :

ক) সরকারে আদমটিলায় গ্যাস ভিত্তিক বিদ্যুৎ উৎপাদন কেন্দ্র স্থাপন করার প্রকল্প নিয়াছেন এবং সেইটাকে ব্যক্তি খন্দে নেয়ার জন্য আৱেদন পত্র খোজা হইয়াছে। সর্ব্বমুঠ ৯টা আবেদন পত্র পাওঁয়া হইয়াছে, এবং সেইগুলি পরীক্ষা করার কাজ চলিতেছে, শীঘ্রই ব্যাপারে সিদ্ধান্ত নেওয়া হইবে।

বিষয় : ধুবুৰী ভোলানাথ মহাবিদ্যালয়ত এম, এচ, ছি, শিক্ষা পাঠ্যক্রম।

* ১৫৯। শ্রী আলাউদ্দিন সৰকাৰে সুধিছে :

ক) ১৯৯১ চনৰ অক্টোবৰ মাহত বিলাসীপাৰাৰ ৰাজহুৱা সভাত ধুবুৰী ভোলানাথ মহাবিদ্যালয়ত এম, এ, আৰু এম, এচ, ছি (M.A/M:Sc) পাঠ্যক্রম খোলাৰ লগতে ধুবূৰী জিলাৰ পানবাৰীত এখন কাৰিকৰী শিক্ষা প্রতিষ্ঠান ( Polytechnic Institute ) স্থাপন কৰা হব বুলি ঘোষনা কৰা মতে অদ্যবধি কিবা ব্যৱস্থা গ্রহণ কৰা হৈছে নেকি ?

খ) যদি হোৱা নাই উক্ত ঘোষনা কার্য্যকৰী কৰাৰ বাবে খৰতকীয়া ব্যৱস্থা গ্রহণ কৰা হব নে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্রী ) য়ে উত্তৰ দিছে :

ক) ধুবুৰী জিলাৰ ভোলানাথ মহাবিদ্যালয়ত ক'লা অথবা বিজ্ঞান বিষয়ত স্নাতকোত্তৰ পাঠ্যক্রম খোলাৰ বিষয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা কোনো অনুমতি এতিয়া প্রদান কৰা নাই।

খ) ধুবুৰী জিলাৰ পানবাৰীত এখন কাৰিকৰী প্রতিষ্ঠান স্থাপনৰ প্রস্তাৱ

কাৰিকৰী শিক্ষাধিৰ্কাৰ পৰা চৰকাৰে পাইছে আৰু এই প্ৰস্তাৱ অনুমোদনৰ বাবে All India Council of Technical Education ৰ কলিকতাস্থ Eastern Ragional Committee লৈ পঠোৱা হৈছে।

**বিষয়ঃ অনুসুচিত জাতিৰ কোটা পুৰণ।**

শ্ৰী ধ্ৰুব কুমাৰ সেনে সুধিছেঃ

*১৬০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) ধুবুৰী জিলাৰ স্কুল পৰিদৰ্শক আৰু সহকাৰী স্কুল পৰিদৰ্শক কাৰ্য্যালয়ৰ অধীনত অনুসূচীত জাতিৰ কোনো ( Backlog ) কোটা পুৰনৰ বাকী আছে নেকি?

খ) যদি আছে চৰকাৰৰ নীতি অনুসৰি পুৰণ কৰা হব নেকি?

উত্তৰ

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছেঃ

ক) আৰু খ) : প্ৰয়োজনীয় তথ্য ধুবুৰী জিলাৰ স্কুল পৰিদৰ্শকৰ পৰা বিচৰা হৈছে। তথ্য পালেই সদনক জনোৱা হব।

**বিষয়ঃ অসম পলিষ্টাৰ উদ্যোগ।**

শ্ৰী পানী ৰাম ৰাভা য়ে সুধিছে

*৩২৭। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) নলবাৰী জিলাৰ নাথকুছিত থকা অসম পলিয়েষ্টাৰ উদ্যোগে কিমান টকা লাভ কৰিছে?

খ) উক্ত উদ্যোগটো সম্প্ৰসাৰণৰ বাবে ব্যৱস্থা লৈছে নেকি?

শ্ৰী বিজিৎ শইকীয়া (মন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) উদ্যোগটোৱে লাভ কৰিব পৰা নাই।

খ) নাই লোৱা।

**বিষয় : বিষয়া কৰ্মচাৰী ৰাজনৈতিক দলৰ লগত প্ৰতক্ষ্য ভাবে জড়িত।**

শ্ৰী নিজামুদ্দিন খানে সুধিছে :

*৩২৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) কোনো চৰকাৰী বিষয়া/কৰ্মচাৰী স্বীকৃতি প্ৰাপ্ত ৰাজনৈতিক দ'লৰ বিষয় ববীয়া হিচাবে প্ৰত্যক্ষভাবে যুক্ত হোৱাত কোনো বাধা নিষেধ আছেনে ?

খ) যদি আছে, কোনো কৰ্মচাৰী/বিষয়া প্ৰত্যক্ষভাৱে ৰাজনৈতিক দ'লৰ বিষয়ববীয়া হিচাবে কাৰ্য্য নিৰ্বাহ কৰিলে কি বিধিগত ব্যৱস্থা লোৱা হয় ?

গ) সৰুক্ষেত্ৰী বলক কংগ্ৰেছ ( ই ) ৰ সাধাৰণ সম্পাদক জন এজন শিক্ষক কৰ্মচাৰী হোৱা কথাটো সঁচানে ?

ঘ) যদি সঁচা উক্ত শিক্ষক কৰ্মচাৰীজনৰ বিৰুদ্ধে তদন্ত মৰ্মে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে।

ক) হয়, আছে।

খ) সেই ক্ষেত্ৰত অসম সেৱা ( অনুশাসন আৰু আপীল ) বিধি ১৯৬৪ ৰ আধাৰত বিহিত ব্যৱস্থা লোৱা হয়।

গ) তদন্ত কৰি চোৱা হ'ব।

ঘ) সঁচা হলে বিধিগত ভাৱে বিহিত ব্যৱস্থা লোৱা হব।

**বিষয় : স্কুল প্ৰাদেশিকৰনৰ পৰা বঞ্চিত।**

শ্ৰী কোমেশ্বৰ বৰুৱা য়ে সুধিছে।

*৩২৯। মাননীয়, শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জানাবেন ঃ

ক) শোণিতপুৰ জিলাৰ বড়ো অধ্যুষিত অঞ্চলৰ মাইনাওপুৰ বড়ো প্ৰাথমিক বিদ্যালয় খন ১৯৯১-৯২ চনত প্ৰাদেশিকৰন কৰা হ'ল যদিও বনাঞ্চলৰ স্কুল বুলি, বিদ্যালয়খন প্ৰাদেশিকৰনৰ প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত হৈ আছে। এই বিষয়ে চৰকাৰ অৱগত নে?

খ) চৰকাৰে উক্ত স্কুল খন প্ৰাদেশিকৰন অতি সোনকালে কৰাৰ ব্যবস্থা কৰিবনে?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) য়ে উত্তৰ দিচ্ছে।

ক) অৱগত।

খ) বিদ্যালয়খনৰ নামত নিজা মাটি হলে, বিদ্যালয়খন প্ৰাদেশিকৰন কৰাৰ ব্যৱস্থা কৰা হব।

**বিষয় : গৰাখহনীয়া প্ৰতিৰোধৰ ব্যবস্থা**

শ্ৰী ৰূপম কুৰ্মী য়ে সুধিছে ঃ—

*৩৩০। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) মৰান সমষ্টিৰ টেঙাবাৰীৰ পৰা ভূঞাহাটলৈ জাজী নৈত হৈ থকা গড়া খহনীয়াৰ বিষয়ে চৰকাৰ অৱগত নে?

খ) যদি অৱগত গড়া খহনীয়াৰ ৰোধ কৰাৰ বাবে চৰকাৰে কি ব্যবস্থা লৈছে।

শ্ৰী হৰেন ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়, মৰান সমষ্টিৰ টেঙাবাৰীৰ পৰা ভূঞা হাটলৈ জাঁজী নৈত হৈ থকা গড়াখহনীয়াৰ বিষয়ে চৰকাৰ অৱগত।

খ) উক্ত অঞ্চলৰ গড়াখহনীয়াৰ প্ৰতিৰোধৰ বাবে ২৪.১৭ লাখ টকাৰ আঁচনি এখন দশম কাৰিকৰী উপদেষ্টা সমিতিৰ সভাত অনুমোদিত হৈছিল যদিও, আৱশ্যকীয় পুঁজিৰ অভাৱত কাৰ্যকৰী কৰিব পৰা নগ'ল।

শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে :

## বিষয় : মহাবিদ্যালয় হোষ্টেলৰ কৰ্ম্মচাৰীৰ সংখ্যা।

*৩৩১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমত থকা প্ৰাদেশীকৃত মহাবিদ্যালয় সমূহৰ হোষ্টেল সমূহত কাম কৰা কৰ্ম্মচাৰীৰ সংখ্যা কিমান ?

খ) উক্ত কৰ্মচাৰী সকলে দৰ্মহাকে ধৰি অন্যান্য কি ধৰণৰ সুবিধা ভোগ কৰে ?

গ) সৰকাৰে উক্ত কৰ্ম্মী সকলৰ দৰমহা বা সা-সুবিধাৰ ক্ষেত্ৰত কিবা অনুদান আগবঢ়াইনে ?

ঘ) যদি আগবঢ়োৱা নাই, উক্ত কৰ্ম্মচাৰী সকলৰ ভৱিষ্যত নিৰাপত্তাৰ বাবে চৰকাৰে কি ব্যবস্থা হাতত লৈছে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) অসমত কোনো প্ৰাদেশীকৃত মহাবিদ্যালয় নাই।

খ) প্ৰশ্ন নুঠে।

গ) প্ৰশ্ন নুঠে।

ঘ) প্ৰশ্ন নুঠে।

Re : ELECTRIFICATION SCHEME IN AITHANJHAR VILLAGE.

Shri Karendra Basumatari asked :

*332. Will the Minister of Power & Rural Electrification be pleased to state :—

a) Whether Government will complete as soon as possible the Power & Rural Electrification scheme in Aithanjhar Village area under Udalguri Sub-Division.

Shri Debananda Konwar (Minister) replied :

a) Yes, Power supply to Aithanjhar Village is expected to be provided shortly within a few months.

Re : POLLUTION IN KOKRAJHAR DISTRICT.

Shri Parameswar Brahma asked :

*333, Will the Minister of Environment be pleased to State .

a) Whether in Kokrajhar District both the BRPL, Dhaligaon and the BTPS, Salakati are causing a concern in the district with Pollution ?

b) What steps has been taken to control Polution caused by these two projects for the interest of public as well as ecology ?

Shri Haren Bhumij, ( Minister Science, Technology & Environment ) replied :

a) Both BRPL Dhaligaon in Bongaigaon District and BTPS Salakati in Kokrajhar District are not causing concern in the district with polution.

b) Pollution Control Board is regularly monitoring the probable source of Pollution for both the Industries. Both the projects have already adopted all necessary measures to control pollution.

বিষয় ঃ মধ্য ইংৰাজী বিদ্যালয় প্ৰাদেশিককৰণ।

শ্ৰী সুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে ঃ

*৩৩৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে

ক) বৰ্ত্তমান বিত্তীয় ৰছৰত কিমানখন বেচৰকাৰী মধ্য ইংৰাজী বিদ্যালয় চৰকাৰীকৰণ কৰা হ'ল ?

খ) এই চৰকাৰীকৃত মধ্য ইংৰাজী বিদ্যালয় সমূহৰ ভিতৰত একেলগে বড়ো আৰু অসমীয়া মাধমে ( Both Medium ) থকা বিদ্যালয়ৰ সংখ্যা কিমান খন ?

ডাঃ ভূমিকধ বৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) বৰ্ত্তমান বিত্তীয় বছৰত কোনো বিদ্যালয় চৰকাৰীকৰণ হোৱা নাই।

খ) প্ৰশ্ন নুঠে।

Re : Master Plan in Majuli Sub-Division.

SRI PADESWAR DOLEY replied :

*335. Will the Minister of Flood Gontrol be pleased to State :

a) Whether any anti-erosion neasures have been taken up by the Goverment under union Government's Master-plan "Schemes in Majuli Civil Sub-Division ?

b) If so, the estimated amount of the Schemes and the date of works to be started.

c) If not, the reason there of.

শ্রী হৰেণ ভূমিজ ( মন্ত্রী ) য়ে উত্তৰ দিছে ঃ

ক) মাজুলী মহকুমাত মাষ্টাৰ প্লেনৰ কোনো খহনীয় প্ৰতিৰোধ আঁচনি লোৱা হোৱা নাই।

খ) ক' প্ৰশ্নৰ উত্তৰৰ বাবে খ প্ৰশ্ন নুঠে।

গ) মহকুমাটোৰ খহনীয়া প্ৰতিৰোধৰ বাবে কোনো নিৰ্দ্দিষ্ট আঁচনি মাষ্টাৰ প্লেনত কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা নাই।

Re : RURAL FUNCTIONAL LITERACY PROJECT

Shri Promode Gogoi asked.

*336. Will the Minister of Edacation be pleased to State :

a) Whether it is a fact that Employees under Adult Education Department serving in "Rural Punctional Literacy Project" have not been their salary since April, 1992 ?

b) If so, steps taken by the Government to enquire in to the causes of non payment of this Salary ?

Dr. Bhumidhar Barman, ( Minister ) Replied :

a) Yes.

b) Consequent upon revision of RELP scheme by Govt. of India and substituting it by a new revised pattern with effect from 1-4-92, all posts unoer RFLP wnich hitherto had regular pay scales have been abolished and new posts with fixed monthly pay have been adopted in the new revised pattern of RELP.

Govt. in the Education Department had taken up the matter with Govt. of India. However Govt. of India was not agreeable to scale-pay for the posts under revised RFLP, Govt. is now taking steps in adjusting these RELP employees in other suitable posts.

Re : TRANSFER OFFICERS OF COOP : DEPTT.

Shri Samarendra Nath Sen, asked :

*337. Will the Minister of Co-operation be pleased to State.

a) Is it a fact that Policy of the Government is to

transfer Officers who are continuously working for more than 5 ( five ) years in a place ?

b) If so, how the following officers under Deputy Registrar of Coop : Societies, Silchar, Cachar are working for more than 5 ( Five ) years ?

1) Shri Paritosh Karmakar, Sr. Inspector / Auditor of Coop : Societies.

2) Shri Hiranmoy De, Sr. Inspector / Auditoa of Coop : Societies.

3) Shri Prodosh Ranjan Dutta, Sr. Inspector / Auditor of Coop : Societies.

4) Shri Bikash Ranjan Dey. Sr. Inspector / Auditor of Coop : Societies.

Sri Nagen Neeg ( Minister, Co-operation ) replied :

a) Yes.

b) Out of the four Officers, only Shri Paritosh Karmakar, Sr. Inspector / Auditor of Coop : Societies has been working for more than 5 (Five) years.

বিষয় ঃ স্কুল স্থাপনৰ বাবে টকা অনুদান।

*৩৩৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বাণিজ্যক চৰকাৰে ১৯৮৬ চনৰ মাৰ্চ মাহত প্ৰাইমাৰী স্কুল নথকা অঞ্চলত প্ৰাইমাৰী স্কুল কৰে স্থাপনৰ বাবে চৰকাৰে ৫,৫০০০'০০ টকাকৈ অনুদান দিয়াতো সত্যনে ?

খ) এনে স্কুলৰ ৰাজ্যখনত সংখ্যা কিমান ?

গ) এই স্কুল সমূহ চৰকাৰীকৰণ কৰা হৈছেনে ?

ঘ) যদি হোৱা নাই, এই স্কুল সমূহ আৰু তাত কাৰ্য্য নিৰ্ব্বাহ কৰি থকা শিক্ষক সকলৰ ভবিষ্যতলৈ লক্ষ্য ৰাখি এই স্কুল সমূহ এই বছৰতে চৰকাৰীকৰণ কৰা হবনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) সত্য।

খ) ৰাজ্যখনত এনে স্কুলৰ সংখ্যা বৰ্ত্তমান ১৫০।

গ) এনে ধৰণৰ কিছু সংখ্যক বিদ্যালয়ক ইতিমধ্যে চৰকাৰীকৰণ কৰা হৈছে।

ঘ) বাকী থকা বিদ্যালয় সমূহো পৰ্যায়ক্ৰমে চৰকাৰীকৰণ কৰাৰ বিবেচনা কৰি থকা হৈছে।

**বিষয় ঃ চৰ অঞ্চলত বিজুলি বাতি।**

শ্ৰী চন্দন কুমাৰ চৰকাৰ য়ে সুধিছে।

* ৩৩৯। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

১) উত্তৰ শালমাৰা মহকুমাৰ চৰ অঞ্চলৰ ৰাইজক বিজুলী বাতিৰ যোগান ও গাওঁ সমূহত বিজুলী বাতিৰ লাইন কিয় দিয়া হোৱা নাই ?

২) সোনকালে লাইন ও বিজুলী বাতি যোগান ধৰাৰ ব্যবস্থা চৰকাৰে কৰিব নে ?

শ্ৰী দেবানন্দ কোৱঁৰ, ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১) অস্থিৰ ভৌগোলিক অৱস্থিতিৰ কাৰণে চৰ অঞ্চললৈ বিজুলী যোগান ধৰাতো বৰ ব্যয় বহুল।

২) তথাপি উপযুক্ত পৰিমানে আৰ্থিক অনুদান পালে এই অঞ্চললৈ বিজুলী যোগান ধৰাতো সম্ভৱ হব পাৰে।

**বিষয় : শিক্ষক নিযুক্তি।**

শ্ৰী নগেন্দ্ৰ বৰ্ম্মায়ে সুধিছে :

*৩৪০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) প্ৰাথমিক স্কুলৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত কি অহৰ্তাৰ ভিত্তিত শিক্ষক নিযুক্তি দিয়া হয়।

খ) নলবাৰী জিলাত ১৯৯১-৯২ চনৰ ভিতৰত প্ৰাথমিক স্কুলত কিমান সংখ্যক নিযুক্তি দিয়া হৈছে।

গ) এই নিযুক্তি বাচনি পৰীক্ষাৰ তালিকা প্ৰকাশ কৰাৰ আগতে নিযুক্তি দিয়্য হৈছে নেকি ?

শ্ৰী শৰৎ বৰকটকী ( ৰাজ্যিক শিক্ষামন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) প্ৰাথমিক স্কুল শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত তলত উনিকিৱাঁ অৰ্হতা সমূহৰ আৱশ্যক।

১) সৰ্বনিম্ন শিক্ষাগত অৰ্হতা মাধ্যমিক শিকান্ত পাছ।

২) পৰিয়ালৰ আৰ্থিক অবস্থা ( সংশিষ্ট ) বিষয়াৰ প্ৰমাণ পত্ৰৰ ভিত্তিত।

৩) পৰিয়ালত কোনো ব্যক্তি চাকৰি নথকা।

৪) অনুসুচিত জাতি, নজাতি আৰু অন্যান্য পিচপৰা সম্প্ৰদায়ৰ প্ৰাৰ্থীৰ চৰকাৰৰ নিৰ্দ্ধাৰিত নিৰিখ অনুযায়ী।

৫) অবসৰ প্ৰাপ্ত শিক্ষকৰ লৰা-ছোৱালী সংৰক্ষিত নিৰিখ মতে।

৬) বা নৈতিক নির্য্যাতিত ব্যক্তি নির্দ্ধাৰিত নিৰিখ মতে।

৭) বয়সৰ জ্যেষ্ঠতাৰ ভিত্তিত অগ্ৰাধিকাৰ দিয়া।

৮) কোনো আততায়ীৰ হাতত মৃত্যু হোৱা ব্যক্তিৰ লৰা / ছোৱালীৰ সংশ্লিষ্ট বিষয়াৰ প্ৰমাণ পত্ৰৰ ভিত্তিত।

৯। পুতৌমূলক ভিত্তিত।

খ) ক্ষেত্ৰবিষয়াৰ পৰা তথ্য বিচৰা হৈছে।

গ) —ঐ—

**বিষয় ঃ বিজনী মহকুমাত শিক্ষক / শিক্ষায়ত্ৰী নিযুক্তি।**

শ্ৰী ভূপেন ৰায় য়ে সুধিছে ঃ

*৩৪১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বিজনী মহকুমাৰ অসমীয়া মাধ্যমৰ প্ৰাথমিক ও মজলীয়া বিদ্যালয় সমূহত বঙালী মাধ্যমৰ শিক্ষক / শিক্ষয়ত্ৰী নিযুক্তি দিয়া কথাটো সচানে ?

খ) যদি সচা হয়, এইক্ষেত্ৰত চৰকাৰে কি ব্যবস্থা হাতত লৈছে ?

গ) এই নিযুক্তি তদৰ্থ ভিত্তিত দিয়া হৈছে নেকি ?

ঘ) যদি তদৰ্থ হয়, তেনেহলে এই নিযুক্তি বাতিল কৰিবনে ?

ডাঃ শ্ৰীভূমিধৰ বৰ্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) সঁচা, মাত্ৰ ত্ৰখন প্ৰাথমিক বিদ্যালয়ৰ ক্ষেত্ৰত।

খ) বঙালী মাধ্যমৰ বিদ্যালয়লৈ বদলি কৰাৰ ব্যবস্থা লোৱা হৈছে।

গ) হয়, তদৰ্থ ভিত্তিত নিযুক্তি দিয়া হৈছে।

ঘ) বিভাগীয় নীতি অনুযায়ী ব্যবস্থা লোৱা হব।

**বিষয় : গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ব বিদ্যালয়ত বড়ো ভাষা প্ৰবৰ্ত্তন।**

শ্ৰী জীউৰাম বড়ো য়ে সুধিছে :

*৩৪২। মাননীয়, শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) এইটো সঁচা নেকি যে অসম চৰকাৰে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পূৰ্ণ পৰ্য্যায়ৰ বড়ো ভাষাৰ বিভাগ খোলাৰ ব্যৱস্থা কৰিছে ?

খ) যদি সঁচা ইয়াৰ অগ্ৰগতি কেনেদৰে লাভ কৰিছে ?

ডা: ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) আংশিক ভাবে সঁচা।

খ) বৰ্ত্তমান গুৱাহাটী বিশ্ববিদ্যালয়ত বড়ো ভাষাৰ চাৰ্টিফিকেট পৰ্য্যায় খোলা হৈছে। তদুপৰি উক্ত বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ পৰ্য্যায়টো বড়ো ভাষা খোলাৰ বাবে যো-জা কৰি আছে। কিন্তু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বড়ো ভাষাৰ পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ ক্ষেত্ৰত কোনো অভিযাচন নাই।

**বিষয় : সৰুপথাৰ সমষ্টিৰ স্কুল।**

শ্ৰী বিনোদ গোৱালায়ে সুধিছে :

* ৩৪৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) সৰুপথাৰ সমষ্টিৰ এখনমাত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় থকাটো চৰকাৰে জানেনে ?

খ) যদি জানে তেন্তে বৰপথাৰ উচ্চ ইংৰাজী বিদ্যালয় ফলগুনী বাপুজী উচ্চ ইংৰাজী বিদ্যালয় আৰু মৰঙ্গী দীননাথ উচ্চ ইংৰাজী বিদ্যালয় কিখন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নতিকৰণ কৰাৰ ব্যৱস্থা কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয় জানে।

খ) পুঁজি সাপেক্ষে আৰু প্ৰয়োজন গুণাগুণৰ ভিত্তিত বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ প্ৰতিবেদনৰ আধাৰত ৰাজ্যৰ আন আন উচ্চ মাধ্যমিক বিদ্যালয়লৈ লগতে উক্ত বিদ্যালয় কিখনো উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ বাবে বিবেচনা কৰা হব।

শ্ৰী যতীন মালী, য়ে সুধিছে :

* ৩৪৪। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক] পলাশবাৰী সমষ্টিৰ দক্ষিণ ছয়ানী গাওঁ পঞ্চায়ত সমবায় সমিতিৰ বছেৰেকীয়া সাধাৰণ সভাখন যোৱা ৩১ অক্টোবৰ আহ্বান কৰা কথাটো চৰকাৰে জানেনে ?

খ) বছেৰেকীয়া সাধাৰণ সভাখনৰ প্ৰয়োজনীয় সকলোখিনি প্ৰস্তুতি সম্পূৰ্ণ হোৱাৰ পিছতো ৩০ অক্টোবৰৰ সন্ধিয়া হঠাৎ সমিতিৰ সচিব গৰাকীয়া সভা বন্ধ কৰি মাইক যোগে ঘোষনা দিয়াতো জানেনে ?

গ) সমিতিৰ সচিব গৰাকীয়ে কি নিৰ্দ্দেশৰ ভিত্তিত আগদিনা সন্ধিয়া সভা বন্ধ বুলি সিদ্ধান্ত ললে ? (নিৰ্দ্দেশৰ প্ৰতিলিপি দিব)

ঘ) এতিয়ালৈ এনে সভা কিমানবাৰ স্থগিত অথবা বন্ধ ৰখা হৈছে ?

**বিষয় : ছয়ানী গাওঁপঞ্চায়ত সমবায় সমিতিৰ সাধাৰণ সভা বন্ধ।**

শ্ৰী নগেন নেওঁগ (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়, জানে।

খ) জানে।

গ) তদৰ্থ কমিটিৰ সভাপতিৰ লিখিত নিৰ্দ্দেশত সভা বন্ধৰ সিদ্ধান্ত লোৱা হয়।

ঘ) ৪ ( চাৰি ) বাৰ

**ৰিষয় ঃ ৰিদ্যালয়ৰ উন্নীতকৰণ।**

**শ্ৰী** ফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

*৩৪৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বৰ্ত্তমান চৰকাৰে শাসন ভাৰ পোৱাৰ পৰা আজিলৈ কিমানখন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰণ কৰা হল ?

খ) বঙাইগাওঁ মহকুমাত এতিয়ালৈ কিমানখন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নতি কৰা হল ?

গ) বীৰবৰৰা ছোৱালী হাইস্কুল খনক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) ১৫৬ খন উচ্চ মাধ্যমিক বিধ্যালয় উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰাৰ সিদ্ধান্ত লৈছে। তাৰ ভিতৰে ১১৯ খনত ইতিমধ্যে প্ৰয়োজনীয় শিক্ষক আৰু কৰ্ম্মচাৰীৰ পদ সমূহ মঞ্জুৰ কৰা কৰা হৈছে।

খ) বঙাইগাওঁ মহকুমাত ৩ খন প্ৰাদেশীকৃত উচ্চ মাধ্যমিক বিদ্যালয় উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে।

গ) বীৰবৰবৰা ছোৱালী হাইস্কুল খনক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণৰ বাবে বিদ্যালয় পৰিদৰ্শকৰ পৰা প্ৰতিবেদন পোৱা গৈছে। প্ৰয়োজনীয়তা আৰু পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হব।

Re : L. P. G. CYLINDER.

Shri Sashakamal Handique, asked.

346 Will the Minister of Industries be pleased to State :

a) Whether it is a fact that the only L. P. G. Cylinder manufacturing Company M/S North East Cylinder Co. Guwahati is virtually facing clouser due to lack of order from I. O. C. ?

b) If so what steps Government proposed to take to save the Industry ?

Shri Bijit Saikia, (Minister of Industries), replied :

a) Yes, Sir, M/S North Eastern Cylinder (P) Ltd., Guwahati have suffered from insufficient orders from the day they started commercial production.

b) Government of Assam and AIDC have taken up the matter with the Government of India in the Ministry of Petroleum and Natural Gas.

Re : PROFIT OF COOPERATIVE APEX BANK.

Sri Prafulla Kumar Mahanta, asked :

347 Will the Minister of Cooperation be pleased to State :

a) The profit of the Assam Cooperative Apex Bank during the year 1991-92 ?

b) The volume of transaction of the Assam Co-operative Apex Bank during the year 1991-92.

Shri Nagen Neog, ( Minister ) replied :

a) Rs. 15.62 lakhs

b) Rs. 195,00 crores ( Approximate )

**বিষয় : হাইমাদ্ৰাছাৰ গৃহ নিৰ্ম্মাণ।**

শ্ৰী পানী ৰাম ৰাভা য়ে সুধিছে :

৩৪৮। মাননীয়, শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে।

ক) বৰমা সমষ্টিৰ সুবাদী হাইমাদ্ৰাছাখনে বিদ্যালয় গৃহ নিৰ্ম্মানৰ বাবে কৰা আবেদনৰ বিষয়ে চৰকাৰ অৱগত নে ?

খ) যদি অৱগত গৃহ নিৰ্ম্মাণৰ অনুদানৰ ব্যবস্থা লবনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হয়, সঁচা।

খ) বিবেচনা কৰা হব।

**বিষয় : নদীৰ মথাউৰি সংস্কাৰ।**

শ্ৰীমধুসূদন তেওয়াৰী য়ে সুধিছে :

৩৪৯। মাননীয় বন্যা নিয়ন্ত্ৰন বিভাগের মন্ত্ৰী মহোদিয় অনুগ্ৰহ করিয়া জানাবেন কি ?

ক) পাথারকান্দির অন্তর্গত লংগাই নদীর উভয়তীরে বাঁধের ভয়াবহ অবস্থার কথা সরকার অবগত আছেন কি ?

খ) আগামী বর্ষার পূর্ব্বে লংগাই নদীর বাঁধ সংস্কারে কি ব্যবস্থা নিতেছেন ?

গ) এ, টি, ছি বাগান ইচাবিল লংগাই নদীর ডান পারে অবস্থিত। উক্ত বাগানে অনেকগুলি আবাস ওচা-মড় ভাঙ্গনের সম্মুখিন। এ বিষয়ে সরকার অবগত আছেন কি ? উক্ত বিষয়ে কি ব্যবস্থা গ্রহণ করিতেছেন জানাবেন কি ?

শ্রী হৰেন ভূমিজ ( মন্ত্রী ) য়ে উত্তৰ দিছে ঃ

ক) পাথাকান্দিৰ অন্তৰ্গত লংগাই নদীৰ দুয়োপাৰৰ মথাউৰিৰ ভয়াবহ অবস্থাৰ কথা চৰকাৰে জানে।

খ) বিত্তীয় আবণ্টনৰ ওপৰত নিৰ্ভৰ কৰি অহা বাৰিষাৰ আগে আগে, মথাউৰি ওখ আৰু শক্তিশালীকৰণৰ কাম সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰা হব।

গ) লংগাই নদীৰ পাৰত্ অবস্থিত এ, টি, ছি চাহবাগিছাৰ ওচৰত হোৱা গড়াখহনীয়াৰ বিষয়ে চৰকাৰে জানে। উক্ত অঞ্চলত এই বিভাগৰ দ্বাৰা কোনো খহনীয়া প্ৰতিৰোধ ব্যৱস্থা লোৱা হোৱা নাই।

## বিষয় : গধূৰ শিল্প প্ৰতিষ্ঠান।

শ্ৰী কোষেশ্বৰ বৰুৱা য়ে সুধিছে ঃ

৩৫০ মাননীয়, উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমৰ উওৰাঞ্চলত বিশেষকৈ শোনিতপুৰ আৰু লক্ষীমপুৰ জিলাত কিবা গধূৰ শিল্প উদ্যোগ প্ৰতিষ্ঠা কৰাৰ চৰকাৰী ব্যৱস্থা লোৱা হৈছে নেকি ?

খ) যদি লৈছে, কোন কোন ঠাইত কি কি শিল্প উদ্যোগ প্ৰতিষ্ঠাৰ প্ৰস্তাৱ আছে?

শ্ৰীবিজিৎ শইকিয়া ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) এতিয়ালৈকে হোৱা নাই।

খ) প্ৰশ্ন নুঠে।

## Re : REVIVAL OF TEXTILE AND SUGAR MILLS.

Shri Mission Ranjan Das asked

351. Will the Minister of Industries be pleased to state :

a) Whether the Government has taken any initiation in reviving the Badarpur Textile Mill and Cachar Sugar Mill ?

b) If so the steps taken so far ?

c) If not why ?

Shri Bijit Saikia, ( Minister ) replied :

a) Yes, Sir.

b) For Cachar Sugar Mill the following steps have been taken :

I. Proposal has been submitted to Govt. of India for making available approximately Rs. 12'00 Crores as grant for revival of the Mill. A high level Central team under Ministry of Food visited Cachar Sugar Mill on 6-2-92.

II. Cachar Sugar Mill is being refered to the Board for Industrial and Financial Reconstruction. A proposal for grant under National renewal Fund is being sent to Govt. of India.

III. Revival by way of longterm lease is under active consideration of the Govt. of Assam.

For Cachar Textile Industries-Badarpur :

b) The possibility of revival of the unit.

I. By transfer to Assam Powerloom Development Corporation has been Considered.

II. An expert Committee Consisting of members from Assam Powerloom Development Corporation, Assam Small Industries Development Corporation, Assam State Textile Corporation and Northern India Textile Research Association visited the unit to study the possibility of revival and investment required.

c) Does not arise.

বিষয় ঃ বৰবালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নিয়োগ ব্যৱস্থা।

শ্ৰী নিজামুদ্দিন খান য়ে সুধিছে ঃ

৩৫২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বৰপেটা জিলাৰ বৰবালা উৰ্চ্চতৰ মাধ্যমিক বিদ্যালয়ত এজন নিম্ন বৰ্গৰ কাৰ্য্যালয় সহায়ক নিয়োগ কৰা হৈছে নে ?

খ) যদি হৈছে, উক্ত বিদ্যালয়ত কাম কৰি থকা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ মাজৰ পৰা যোগ্যতা আৰু অৰ্হতা থকা ব্যক্তিৰ পদোন্নতি নিদিয়াৰ কাৰণ কি ?

গ) তদন্ত কৰি যোগ্যতা আৰু অৰ্হতা সম্পন্ন ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ পৰা পদোন্নতি দি নিয়োগ কৰাৰ ব্যৱস্থা কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

ক) হয়, হৈছে ( তদৰ্থ ভিত্তিত তিনিমাহৰ কাৰণে )

খ) বৰপেটা জিলাৰ স্কুল সমূহৰ পৰিদৰ্শকৰ পৰা কোনো চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীক ( উক্ত স্কুলত ) পদোন্নতি দিয়াৰ প্ৰস্তাব পোৱা নাই ।

গ) তদন্ত কৰি যোগ্যতা / অৰ্হতা সম্পন্ন চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীৰ পৰা নিয়োগ কাৰৰ বাবে বিবেচনা কৰা হব ।

**বিষয় : D. R. D. A. ৰ ঋণ মকুব ।**

শ্ৰী নজমুল হক য়ে সুধিছে :

৩৫৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) গোৱালপৰা জিলাৰ চুনাৰী সমবায় সমিতিৰ চেক্ৰেটৰী আব্দুৰ ৰহমানৰ বিৰুদ্ধে টকা আত্মসাৎ কৰাৰ অভিযোগৰ ব্যৱস্থা হৈছেনে ?

খ) যদি হোৱা নাই চাকৰীৰ পৰা বৰখাস্ত কৰি আকৌ কি যুক্তিত চাকৰীত বাহাল কৰা হ'ল ?

শ্ৰী নগেন নেওগ মন্ত্ৰী য়ে উত্তৰ দিছে :

ক) হয় লোৱা হৈছে ।

খ) সমবায় সমিতিৰ চেক্রেটৰী জনে, সমিতিয়ে তেওঁৰ পৰা পাব লগীয়া সমুদায় ধন ঘূৰাই দিয়াৰ লিখিত প্ৰতিশ্ৰুতি আৰু সেই সময়ৰ পঞ্জিয়কৰ হুকুম মৰ্ম্মে চেক্রেটৰী জনক চাকৰীত স্থলাভিষিক্ত কৰা হয়।

## বিষয় : বিদ্যুৎ পৰিষদৰ সামগ্ৰী চুৰি।

শ্ৰী হিতেশ ডেকা য়ে সুধিছে :

৩৫৪। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসম বিদ্যুৎ পৰিষদৰ যোৱা ৫ (পাঁচ) বছৰত সমগ্ৰ অসমত মুঠতে কিমান টকাৰ সামগ্ৰী চুৰি হৈছে ?

খ) চুৰি হোৱাৰ পিছত পৰিষদে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

গ) চুৰি ঘটনাত পৰিষদৰ কোনো কৰ্ম্মচাৰী জড়িত থকা প্ৰমাণিত হৈছে নেকি আৰু যদি হৈছে ইয়াৰ সংখ্যা কিমান ?

ঘ) তেনে কৰ্মচাৰীৰ বিৰুদ্ধে পৰিষদে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰী দেবানন্দ কোঁৱৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) এই বিষয়ত তথ্য পাতি সংগ্ৰহ কৰি থকা হৈছে। সেয়েহে কিছু সময়ৰ প্ৰয়োজন।

খ) চুৰি হোৱাৰ পিছত স্থানীয় পুলিচ কৰ্ত্তৃপক্ষৰ বিষয়াক ব্যৱস্থা লবলৈ পৰিষদে অনুৰোধ কৰে (এফ আই আৰ-ৰ যোগেদি) আৰু পৰিষদৰ ফালৰ পৰাও পৰিষদৰ কৰ্মচাৰী জড়িত থাকিব পাৰে নেকি—এই বিষয়েও অনুসন্ধান চলায়।

গ) এই সংক্ৰান্তত জড়িত লোকৰ সংখ্যা এতিয়ালৈকে সাতজন পোৱা হৈছে।

ঘ) চুৰি ঘটনাত জড়িত থকা আৰু প্ৰমাণিত হোৱা পৰিষদৰ সাতজন কৰ্মচাৰীক ইতিমধ্যে নিলম্বিত কৰা হৈছে।

**বিষয় ঃ বিজ্ঞান ও প্ৰযুক্তি কাউন্সিলৰ নতুন আঁচনি।**

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা য়ে সুধিছে ঃ

৩৫৫। মাননীয় বিজ্ঞান, প্ৰযুক্তি বিদ্যা আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসম বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞানৰ কাউন্সিলৰ দ্বাৰা কি কি নতুন আঁচনি গ্ৰহণ কৰা হৈছে ?

খ) উল্লেখিত বিভাগত কৰ্ম্মচাৰী ও বিষয়াৰ সংখ্যা কিমান ?

গ) উল্লেখিত কাউন্সিলত সম্পূৰ্ণ স্থকীয়াকৈ এজন সঞ্চালক নিযুক্তি নিদিয়াৰ কাৰণ কি ?

ঘ) উল্লেখিত বিভাগত Service / Rule তৈয়াৰ কৰা হৈছেনে ?

ঙ) যদি হোৱা নাই, কিয় ?

শ্ৰী হৰেণ ভূমিজ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ পৰিষদৰ চাৰিটা বিভাগে হাতত লোৱা আচঁনিবোৰ এনে ধৰনৰ ঃ

বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা বিভাগ।

১) ছাত্ৰ বিজ্ঞান আচঁনি ( Students Science Project )

২) কৌশল সৃষ্টিৰ বাবে প্ৰশিক্ষণ।

৩) গ্ৰাম্য প্ৰযুক্তি কেন্দ্ৰ।

৪) ৰেডিঅ' এষ্ট্ৰোনোমি কেন্দ্ৰ।

৫) স্কুল বিজ্ঞান কেন্দ্র।

পৰিবেশ বিভাগ।

১) জৈব বন সম্পদ গবেষণা কেন্দ্র।

২) প্ৰাকৃতিক বুৰঞ্জী সংগ্রহালয়।

৩) পাহাৰীয়া মৎস্যাদিৰ সংৰক্ষণ ও গবেষণা কেন্দ্ৰ সহিত কৃত্রিম জলাধাৰ প্ৰকল্প।

৪) অসমৰ পৰিবেশ সংক্ৰান্তীয় মানচিত্র প্রস্তুত।

৫) উন্নয়ণমুখী ইকলজীৰ বাবে বিশেষজ্ঞ গোটৰ প্ৰশিক্ষণ।

শক্তি বিভাগ।

১) শক্তিৰ ব্যৱহাৰ, গবেষণা আৰু বিকাশ কেন্দ্ৰ স্থাপন।

২) শক্তি উদ্যান স্থাপন।

৩) শক্তি সংৰক্ষণ আৰু নিৰীক্ষণ সম্পৰ্কীয় কৰ্মশালা।

৪) শক্তি পৰিকল্পনাৰ বাবে নিৰ্ব্বাচিত উন্নয়ন মতে তথ্য সংগ্ৰহ।

৫) কামাখ্যা মন্দিৰত সৌৰ আলোক বিদ্যুৎ আহিলা স্থাপন।

৬) অসমৰ বতাহ শক্তি জৰীপ।

৭) জৈৱ গেছ প্ৰকল্প সমূহৰ কাৰ্য্যকৰীতাৰ মূল্যায়ন।

৮) অসম আৰক্ষী বেতাৰ সংগঠনত বতাহ চালিত বিদ্যুৎ উৎপাদন স্থাপন।

দূৰ সংবেদন বিভাগ :

১) কৃত্রিম উপগ্রহৰ সহায়ত অসমৰ প্ৰাকৃতিক সম্পদ ব্যৱস্থাপনাৰ বাবে ডিজিটেল ইমেজ প্ৰচেচিং আৰু জি'ওগ্ৰাফিকেল ইনফৰমেছন চিষ্টেমৰ দৰে অত্যাধুনিক আহিলা পাতি স্থাপন আৰু ব্যৱহাৰ।

২) অসমৰ মাটিৰ শ্ৰেণী বিভাজন আৰু মানচিত্র প্ৰস্তুত।

৩) কাৰ্বি আলংঙ জিলাত হামৰেণ মহকুমাৰ ভূমিৰ ব্যৱহাৰ আৰু ভূমি আস্বাদনৰ মানচিত্র কৰা। (স্কেল-:৫০,০০০)

৪) অসমৰ প্ৰধান কৃষি শষ্য সমূহৰ উৎপাদন আৰু তাৰ সৈতে জৰিত ভূমিৰ পৰিমাণ নিৰ্ণায়ন।

৫) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ উচ্চ ক্ষমতা সম্পন্ন বিদ্যুৎ বাহী লাইনৰ দিশ নিৰ্ণায়ন।

৬) অসমৰ অৰক্ষ্যায়িত বনাঞ্চলৰ মানচিত্ৰ প্ৰস্তুত।

৭) ব্ৰহ্মপুত্ৰৰ চৰ চাপৰি অঞ্চলৰ জৰীপ কৰণ।

৮) কৃত্ৰিম উপ-গ্ৰহৰ সহায়ত ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ প্লাবিত আৰু খহনীয়া আক্ৰান্ত অঞ্চলৰ জৰীপ কৰা।

খ) অসম বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ পৰিষদৰ বৰ্ত্তমান কাম কৰি থকা বিষয়া আৰু কৰ্ম্মচাৰীৰ সংখ্যা যথাক্ৰমে ১৮ জন আৰু ২৪ জন। মুঠ ৪২ জন।

গ) যিহেতু বৰ্ত্তমান সঞ্চালক গৰাকীক উপযুক্ত বুলি ভবা হৈছে আৰু কামকাজ নিয়াৰিকৈ চলি আছে গতিকে স্থকীয়া সঞ্চালক নিযুক্তি দিয়া হোৱা নাই।

ঘ) পৰিষদৰ নিজা কৰ্ম্মচাৰী সকলৰ কাৰণে খছৰা সেৱা বিধি প্ৰস্তুত কৰা হৈছে আৰু অতি সোনকালে উক্ত সেৱাবিধিখন বলবৎ কৰিব পৰা যাব বুলি আশা কৰা যায়।

ঙ) পৰিষদৰ সেৱা বিধিচুড়ান্ত কৰাৰ ক্ষেত্ৰত অনুষ্ঠানটোৰ স্থায়ীত্বৰ বাবে আৱশ্যকীয় পৰিকল্পনা বহিভূত পুঁজি আৰু অন্যান্য আনুসংগিক বিভিন্ন বিষয় জৰিত থকা হেতুকে ইয়াক চুড়ান্ত কৰাত কিছু পলম হৈছে।

বিষয় ঃ সৌৰ শক্তিৰ ব্যৱহাৰ।

শ্ৰীদিলদাৰ ৰেজ্জা য়ে সুধিছে ঃ

৩৫৬। মাননীয় বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) সৌৰ শক্তি ( Solar Energy ) ব্যৱহাৰ কৰি অসমত বিদ্যুৎ উৎপাদন আৰু ব্যৱহাৰৰ বাবে ব্যৱস্থা লোৱা হৈছেনে ?

খ) সৌৰ শক্তি ব্যৱহাৰ কৰি অসমৰ চৰ অঞ্চল সমূহত বিজুলী যোগনৰ বিষয়ে চৰকাৰে ব্যবস্থা গ্ৰহণ কৰিবনে ?

গ) বৰপেটা জিলাৰ স্থায়ী চৰ অঞ্চল সমূহত এই সম্পৰ্কে বৰ্ত্তমান বছৰত কোনো আচঁনি গ্ৰহণ বা অনুসন্ধান কৰিবনে ?

শ্ৰী হৰেণ ভূমিজ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) সৌৰ শক্তি ব্যবহাৰ কৰি বিদ্যুৎ উৎপাদন আৰু ব্যবহাৰৰ কিছু ব্যৱস্থা লোৱা হৈছে।

খ) হয়। সৌৰ আৰু আন আন অ-পাৰম্পপৰিক শক্তিৰ ব্যৱহাৰৰ বাবে চৰ অঞ্চলত্ত চাৰিখন গাওঁত জৰীপ কৰি প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে। তাৰে দুখন গাওঁত এই চলিত বিত্তীয় বছৰতে এটা এটা সামূহিক কেন্দ্ৰত সৌৰ শক্তি চালিত চাকিৰ আৰু দূৰদৰ্শনৰ অনুষ্ঠান উপভোগ কৰাৰ ব্যৱস্থা কৰা হ'ব।

গ) বৰপেটা জিলাৰ আলোপটি চৰত অ-পাৰম্পাৰিক শক্তিৰ ব্যবহাৰৰ বাবে জৰীপ কাৰ্য্য সম্পাদন কৰি প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে। চলিত বিত্তীয় বছৰত অলোপটি চৰত এটা সামূহিক কেন্দ্ৰত সৌৰ শক্তি চালিত সৌৰ চাকি আৰু দূৰদৰ্শনৰ অনুস্থান চোৱাৰ সুবিধা দিয়া হ'ব।

বিষয় ঃ VENTURE L. P., M. E., HIGH SCHOOL অধিগ্ৰহণ।

শ্ৰী প্ৰণৱ কুমাৰ নাথ য়ে সুধিছে ঃ

৩৫৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰিয়া জানাবেন কি ?

ক) বৰ্ত্তমান সৰকাৰ ৯১-৯২ অৰ্থ বছৰে সৰ্ব্বমোট কয়টি কৰে Venture L. P. M. E., High School অধিগ্ৰহণ কৰাৰ সিদ্ধান্ত নিয়োছিলেন এবং এখন পৰ্য্যন্ত সৰ্ব্বমোট কয়টি অধিগ্ৰহণ কৰেছেন সমষ্টি ভিত্তীক স্কুলেৰ নাম, শিক্ষকেৰ নাম ও এলাকা বৰ্ণিত কৰে বিশদ ভাৱে তালিকা দেখেন কি ?

খ) বাকী থাকা Venture L. P. School কখন কিভাবে Selection কৰা হবে ?

গ) কৰিমগঞ্জ জিলায় কোন কোন L. P. School গুলি এখন পৰ্য্যন্ত Release হয় নাই তাহাৰ কাৰণ কি ?

ঘ) অধিগ্ৰহণ কৰা L. P. School সমূহ 2nd teacher নিয়োগ সংক্ৰান্ত ব্যাপাৰে সৰকাৰ কি কি পদক্ষেপ নিয়েছেন এবং কখন তাহাদেৰ নিযুক্তি দেওয়া হবে ?

ডা: ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) ১৯৯১-৯২ বিত্তীয় বছৰত কোনো Venture LP, ME, High School অধিগ্ৰহন ( Acquisition ) কৰা হোৱা নাই। অৱশ্যে বৰ্ত্তমানলৈ ১৬৩৮ খন প্ৰাথমিক বিদ্যালয় প্ৰাদেশিকৰণ কৰা হৈছে। উক্ত ১৬৩৮ খন বেচৰকাৰীৰ প্ৰাথমিক বিদ্যালয়ৰ চৰকাৰীকৰণৰ আদেশ ক্ষেত্ৰ বিষয়া বৰ্গলৈ প্ৰেৰণ কৰা হৈছে। চৰকাৰী কৰণ কৰা বিদ্যালয়বোৰৰ, শিক্ষকৰ নাম ঠিকানাৰ তথ্য বিচৰা হৈছে।

১৯৯১-৯২ চনৰ বৃত্তীয় বছৰত ৫৬৩ খন উৰ্চ্চ মাধ্যমিক বিদ্যালয়ৰ ৭৮৯০ জন শিক্ষক আৰু আন কৰ্ম্মচাৰীৰ চাকৰি প্ৰাদেশীকৰণ কৰা হৈছে।

খ) আৰু গ) বাকী থক। বেচৰকাৰী বিদ্যালয় বোৰকো প্ৰয়োজনীয়তাৰ ভিত্তিত নিৰ্ব্বাচন কৰি প্ৰাদেশীকৰণ কৰা হব আৰু Release কৰা হব।

ঘ) দ্বিতীয় শিক্ষক নিযুক্তি পুঁজি সাপেক্ষে বিবেচনা কৰা হব।

**বিষয়: পানী আৰু বায়ুমণ্ডলৰ প্ৰদূষণ।**

শ্ৰী বুবুল দাস য়ে সুধিছে:

মাননীয় প্ৰদূষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) হিন্দুস্থান কাগজ নিগম ( Nagaon Paper Project, Jagiroad )ৰ দ্বাৰা জাগীৰোড সমষ্টিৰ এক ব্যপক অঞ্চলত হোৱা পানী আৰু বায়ুমণ্ডলৰ প্ৰদূষণৰ বিষয়ে চৰকাৰ অৱগত নে?

খ) এনে ধৰনৰ বৃহৎ উদ্যোগ সমূহে পালন কৰিব লগীয়া "Anti Pollution Measure" সমূহ কি কি?

গ) হিন্দুস্থান কাগজ নিগমে এই নীতি সমূহ পালন নকৰাৰ ফলত হব পৰা ক্ষতি ৰোধ কৰিবলৈ অসম চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰী হৰেণ ভূমিজ (মন্ত্ৰী) য়ে উত্তৰ দিছে;

ক) হিন্দুস্থান কাগজ নিগমৰ জাগীৰোড কাগজকলৰ দ্বাৰা পানী আৰু বায়ু প্ৰদূষণৰ বিষয়ে চৰকাৰ অৱগত।

খ) এনে ধৰণৰ উদ্যোগ সমূহে পালন কৰিবলগীয়া "Anti Pollution Measure"ৰ ভিতৰত পানী প্ৰদূষণ ৰোধ কৰিবৰ বাবে ময়লাপানী পৰিশোধন গোট আৰু বায়ু প্ৰদূষণৰ নিয়ন্ত্ৰণৰ বাবে বিভিন্ন বায়ু প্ৰদূষণ নিয়ন্ত্ৰক যন্ত্ৰ সংযোজন কৰনেই প্ৰধান।

গ) হিন্দুস্থান কাগজ নিগমৰ জাগীৰোড কাগজকলে প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ নিৰ্দ্দেশনাৰ প্ৰণয়ণৰ ওপৰত চৰকাৰে চোকা দৃষ্টি ৰাখিছে।

বিষয় : প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক নিযুক্তি।

ডাঃ কমলা কলিতা য়ে সুধিছে :

माननীয়, শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বৰ্ত্তমান শিক্ষা বিভাগত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক নিযুক্তি বন্ধ আছে নেকি ?

খ) যদি আছে যোৱা ২৯/১/৯২ তাৰিখে গুৱাহাটী উপ-পৰিদৰ্শকৰ কাৰ্য্যালয়ৰ স্মাৰক নং ২১৬৫-৭২, স্মাৰক নং ২২৭৩-৭৯ আৰু স্মাৰক নং ২২৮০-৮৬ যোগে কোন কোন ব্যক্তিক শিক্ষক হিচাবে নিযুক্তি দিয়া হৈছে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) নিযুক্তি বন্ধ ৰাখিবলৈ নিৰ্দ্দেশ দিয়া হৈছে ।

খ) তথ্য বিচৰা হৈছে ।

বিষয় : হাইলাকান্দি এফ চি ডিভিসনের অধীনে মাষ্টার রোল পেমেণ্ট।

শ্ৰী পরিমল শুক্ল বৈদ্য য়ে সুধিছে :

৩৬০। মাননীয় বন্যা নিয়ন্ত্রন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ?

ক) হাইলাকান্দি এফ চি ডিভিসনের আয়ত্তাধীন ছোনাছরা এবং বলিছরা বান্ধে ১৯৯১ এবং ৯২ ইংরাজীতে মোট কতজন মাষ্টার রোল শ্রমিক কাজ করিয়াছে এবং সর্ব্বমোট কত টাকা সরকার মাষ্টাৰ রোল পেমেণ্ট দেখাইয়াছেন ?

খ) অর্ধ সমাপ্ত মোনাছরা এবং বালিছরা বান্ধের ভিতরে প্রায় ১২ বর্গ কিলোমিটার ধানের জমি জলাশয় হইয়া পড়িয়াছে, সরকার এব্যাপারে অবগত আছে নেকি ?

শ্রী হৰেন ভূমিজ ( মন্ত্রী ) য়ে উত্তৰ দিছে :

ক) ১৯৯১-৯২ চনৰ বিত্তীয় বছৰত সৰ্ব্বমুঠ ২৬৫ জন শ্ৰমিক নিযুক্তি কৰা হৈছিল আৰু তাৰ বাবদ মুঠ ২,১০,৫০০'০০ টকা আদায় দিয়া হৈছিল।

খ) হয়। চৰকাৰ অবগত।

Re : ARREAR PAY TO THE PRIMARY SCHOOL TEACHER.

Shri Monsing Rongpi, asked :

361. Will the Minister of Education be pleased to State :

a) Is the Government aware that the Primary school teacher of Karbi Anglong and N. C. Hills are agitating for the payment of their arrear pays ?

b) If so, the amount of arrear to be paid to Karbi Anglong and N. C. Hills district councils against the sanction posts of Primary School teachers ?

Dr. Bhumidhar Barman ( Minister, Education ) replied :

a) Yes,

b) Informations have been called for and will be placed.

বিষয় ঃ অনুসূচীত জাতি আচঁনিত প্ৰাঃ বিদ্যালয়ৰ গৃহ নিৰ্ম্মাণ।

শ্ৰী ৰামেশ্বৰ ধানোৱাৰ য়ে সুধিছে ঃ

৩৬২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাত ১৯৯১-৯২ চনত অনুসূচীত জাতি আচঁনি আৰু অনুসূচীত জন-জাতি পৰিকল্পনা আচঁনিত প্ৰাইমেৰী বিদ্যালয়ৰ গৃহ নিৰ্ম্মানৰ বাবে কিমান টকাৰ অনুদান দিয়া হৈছিল ?

খ) কোন কোন বিদ্যালয়ত উক্ত টকা আবণ্টন দিয়া হ'ল ? (তালিকা এখনি সদনৰ মেজত দাখিল কৰিব)

গ) উক্ত টকা সম্পূৰ্ণ ৰূপে কামত খটোৱা হৈছেনে ?

ঘ) তিনিচুকীয়া ১৯৯১-৯২ বছৰত জিলাত অনুসূচীত-জাতি/জন-জাতিৰ বিদ্যালয় গৃহ নিৰ্ম্মানৰ বাবে আবণ্টন দিয়া মঞ্জুৰী নিৰ্ব্বাচিত বিদ্যালয়ত এতিয়াও আৱণ্টন নিদিয়া কথা সচানে ?

ঙ) যদি সচা কিয় আবণ্টন দিয়া হোৱা নাই ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) ১৯৯১-৯২ চনত তিনিচুকীয়া জিলাৰ বাবে অনুসূচীত-জাতি/জন-জাতি পৰিকল্পনাৰ গৃহ-নিৰ্ম্মান আচঁনিৰ বাবে যথাক্ৰমে ১৭,৪০ লাখ টকা আৰু ৬,০০ লাখ টকা সংমোদন কৰা হৈছে। সেইদৰে উক্ত বছৰত ডিব্ৰুগড় জিলাতো যথাক্ৰমে ১০, ২০ লাখ টকা আৰু ২,৪০ লাখ টকা সংমোদন কৰা হৈছে।

খ) উক্ত টকাৰ আবণ্টন এতিয়াত্ত দিয়া হোৱা নাই। যিহেতু জিলা পৰ্য্যায়ৰ পৰা বিদ্যালয় সমূহৰ তালিকা এতিয়ালৈকে পোৱা হোৱা নাই।

গ) প্ৰশ্ন নুঠে।

ঘ) সচাঁ।

ঙ) উন্নয়ন পৰিষদ সমূহৰ পৰা বিদ্যালয়ৰ তালিকা নোপোৱাৰ বাবে দিয়া হোৱা নাই।

**বিষয় : ভেঞ্চাৰ প্ৰাথমিক বিদ্যালয় অধিগ্ৰহণ।**

শ্ৰী ৰামপ্যাৰে ৰবিদাস য়ে সুধিছে :

৩৬৩। মাননীয়, শিক্ষাবিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ?

ক) গত ২/৩ মাস পূৰ্বে করিমগঞ্জ প্ৰাথমিক শিক্ষা উপদেষ্টা বোৰ্ড যে বে আইনীভাৱে Stipendary শিক্ষক এৰ নিযুক্তি দিয়েছেন এই ব্যাপারে সরকার অৱগত আছেন কি ?

খ) যদি তৱগত থাকেন, তবে এই ব্যপারে কি সত্বর পদক্ষেপ নিচ্ছেন ?

ডা: ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) অভিযোগ পোৱা গৈছিল।

খ) তদন্তৰ পিছত ব্যৱস্থা লোৱা হব।

বিষয় ঃ বহুমুখী মহিলা সমবায় সমিতি ।

শ্ৰী ৰেণুপমা ৰাজখোৱা য়ে সুধিছে :

৩৬৪। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমত বহুমুখী মহিলা সমবায় সমিতিসমূহ কি কি নিয়ম অনুযায়ী গঠনৰ নিৰ্দ্দেশ দিয়া হৈছিল ?

খ) ইতিমধ্যে গঠন হোৱা বহুমুখী মহিলা সমবায় সমিতিবোৰ ভংগ কৰিবনে ?

গ) বহুমুখী মহিলা সমবায় সমিতিসমুহৰ গঠনৰ প্ৰক্ৰিয়াটো পুনঃ পৰীক্ষা কৰি কাৰ্য্যকৰি ব্যৱস্থা গ্ৰহন কৰিবনে ?

শ্ৰী নগেন নেওঁগ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) অসমত বহুমুখী মহিলা সমবায় সমিতি সমুহ, অসম সমবায় সমিতি আইন ১৯৪৯, অসম সমবায় সমিতি বিধি ১৯৫৩ আৰু নতুনকৈ গঠিত গাওঁ পঞ্চায়ত পৰ্য্যায় বহুমুখী মহিলা সমবায় সমিতিৰ আদৰ্শ উপবিধিৰ ব্যৱস্থাৱলী অনুযায়ী গঠন কৰা হয়।

খ) সমিতিবোৰ ভংগ কৰাৰ বৰ্ত্তমান কোনো প্ৰস্তাৱ নাই।

গ) বৰ্ত্তমান তেনে কোনো প্ৰস্তাৱ নাই।

Re : APPOINTMENT OF BODO TEACHERS.

Shri Karendra Basumatary, asked :

365. Will the Minister of Education be pleased to State :

a) Whether it is a fact that Bodo teachers have not

been appointed in the recently provincialised following L.P. and M.E. Schools having both Bodo and Assamese Medium viz.

i) Chamuapara M. E. School, Tangla

ii) Uttar Sekhar M E. School, Budlapara

iii) Dahalachuba L. P, School, Khagrabari of Panery Constituenocy.

b) Whether the Bodo medium teachers working in those Schools will get appointment as per declared policy of the Govt.

Dr. Bhumidhar Barman, ( Minister of Education ) replied :

a) Yes.

b) Yes, as per declared policy of the Govt.

**বিষয় ঃ স্ত্ৰী শিক্ষা প্ৰসাৰৰ ব্যৱস্থা।**

শ্ৰী মুজিবুৰ ৰহমান য়ে সুধিছে ঃ

৩৩৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমৰ ধৰ্ম্মীয় সংখ্যালঘু অধ্যুসিত অঞ্চল সমুহত স্ত্ৰী শিক্ষা প্ৰসাৰৰ বাবে চৰকাৰে কিবা বিশেষ ব্যৱস্থা হাতত লব নেকি ?

ডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) ধৰ্ম্মীয় ভিত্তিত স্ত্ৰী শিক্ষা প্ৰসাৰৰ স্বকীয়া ব্যৱস্থা নাই।

খ) মাধ্যমিক স্তৰত ১০০ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কাৰিকৰি

শিক্ষাৰ পাঠ্যক্ৰম বৰ্ত্তমান প্ৰবৰ্ত্তন কৰা হৈছে। এনে শিক্ষানুষ্ঠান আৰু অধিক কৰাৰ বাবে চেষ্টা চলাই থকা হৈছে।

**বিষয় : শিক্ষামন্ত্ৰীৰ দ্বাৰা ঘোষিত অনুদান।**

শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী য়ে সুধিছে :

মাননীয় শিক্ষাবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বৰ্ত্তমান সৰকাৰ ক্ষমতালৈ অহাৰ পাছত বিভিন্ন পৰ্য্যায়ৰ শিক্ষানুস্থান সমূহলৈ শিক্ষা বিভাগৰ স্থয়োগৰাকী মন্ত্ৰীয়ে নিজে গৈ ঘোষণা কৰা অনুদানৰ মুঠ পৰিমাণ কিমান ?

খ) উক্ত পৰিমাণৰ কিমান ধন ইতিমধ্যে বিতৰণ কৰা হৈছে আৰু কোন শিতানৰ পৰা উক্ত ধন আদায় দিয়া হৈছে ? ( ধন আদায় দিয়া অনুষ্ঠান সমূহৰ নাম সহ ধনৰ পৰিমাণ সদনত দাখিল কৰিব )

গ) যোৰহাট মহকুমাত এনে অনুদানৰ আশ্বাস দিয়া শিক্ষানুষ্ঠান সমূহৰ নাম কি আৰু চৰকাৰে নিজা ববীয়াকৈ অন্য আৰু কোনো শিক্ষানুষ্ঠানলৈ মহকুমাটোত অৰ্থ সাহাৰ্য্য দিছে নেকি ?

ডাঃ ভূমিধৰ বৰ্ম্মণ শিক্ষামন্ত্ৰী য়ে উত্তৰ দিছে :

ক) খ) গ) তথ্য বিচৰা হৈছে।

Re : DISTRICT LIBRARY OF SILCHAR.

Shri Samarendra Nath Sen asked :

368. Will the Minister of Education be pleased to State :

a) Whether the Government is aware that the seats

of the District Library, Silchar are in a bad shape ?

b) If so, what step the Government has taken to repair the seats that for within how many days ?

Dr. Bhumidhar Barman ( Minister ) replied :

a) Government are aware of the fact.

b) Steps have already been taken for its repairment soon.

**বিষয় : মন্দিয়া আৰু বাঘবৰ মৌজাৰ গড়া-খহনীয়া।**

শ্ৰী দিলদাৰ ৰেজা, য়ে সুধিছে :

৩৬৯। মানীয় বাননিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

প্ৰশ্ন :—

ক) বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত মন্দিয়া আৰু বাঘবৰ মৌজাৰ কিমান খন গাওঁ এতিয়ালৈকে ব্ৰহ্মপুত্ৰ নদীৰ গড়া-খহনীয়াত নিঃচিহ্ন আৰু ক্ষতিগ্ৰস্ত হৈছে ? ( পৰিসংখ্যা বেলেগে বেলেগে দিব )

খ) বৰপেটা জিলাৰ (১) যাদবপুৰ গাওঁৰ পৰা বাঘবৰ পাহাৰলৈ আৰু (২) ময়নবৰীৰ পৰা তাৰা কান্দিলৈ শিলৰ স্পাৰ নিৰ্ম্মাণ কৰি গড়া খহনীয়াৰ কবলৰ পৰা উক্ত অঞ্চল সমূহৰ সংশ্লিষ্ট গাওঁ সমূহৰ ৰক্ষা কৰাৰ ব্যৱস্থা কৰিবনে ?

গ) মন্দিয়া আৰু বাঘবৰ মৌজাৰ ব্ৰহ্মপুত্ৰৰ গড়া-ঘহনীয়াত পৰা গাওঁ সমূহ ৰক্ষা কৰাৰ বাবে বৰ্ত্তমান বছৰত কিমান টকাৰ আচঁনি লোৱা হৈছে ?

শ্ৰী হৰেণ ভূমিজ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত মনদিয়া মৌজাৰ ১৩ খন গাওঁ গড়া খহনীয়াত নিঃচিহ্ন হৈছে আৰু ১৫ খন গাওঁ ক্ষতি গ্ৰস্ত হৈছে। বাঘবৰ মৌজাৰ ২০ খন গাওঁ গড়া খহনীয়াত নিঃচিহ্ন হৈছে আৰু ১৯ খন গাওঁ ক্ষতিগ্ৰস্ত হৈছে।

খ) উক্ত অঞ্চল সমূহ ৰক্ষণাবেক্ষণৰ ব্যৱস্থাৰ কাৰণে আচঁনি প্ৰস্তুত কৰি থকা হৈছে।

গ) 'খ' প্ৰশ্নৰ উত্তৰ সাপেক্ষে 'গ' প্ৰশ্ন নুঠে।

Re : ASSAM POLLUTION CONTROL BOARD.

Shri Nazmul Haque, asked :

370. Will the Minister of Environment be pleased to State.

a) Is there any office of the Assam Pollution Control Board in the District of Cachar ?

b) Whether the Government is aware of the dumping of toxic mercury wastes sewed out from the H.P.C. Panchgram causing barreness to the large patch of soil vls-a-vis spreading solid aerosols to radius of 50 KMs ?

c) What steps government is contemplating to contain the pollution of air, water & soil endangering the human life ?

Shri Haren Bhumij ( Minister ) replied :

a) There is a Regional Executive Engineer's Office of the Assam Pollution Control Board in the District of Cachar with Head Quarter at Silchar.

b) There is no dumping of toxic mercury wastes said to have sewed out from the H.P.C. Panchgram. The brine sludge which contains traces of Mercury is the waste from the Caustic Chlorine plant which is yet to be commissioned by H.P.C.

c) Ambient air quality monitoring is regularly done by the Pollution Control Board in the Panchgram area. For the purpose an air quality monitoring station has already been fixed. Effluent arising from the HPC is treated in the effluent Treatment plant before discharge into the Borak River. The quality of the effluent before discharge is regularly monitored by the Pollution Control Board, and the quality of the effluent is found to be within the permissible limit. There is no established fact leading to the Pollution of soil in that area.

বিষয় ঃ গ্ৰাম্য বৈদ্যুতিকৰণ।

শ্ৰী পৰিমল শুক্ল বৈদ্য য়ে সুধিছে ঃ

৩৭১। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জানাবেন কি ?

ক) কাছাৰ জেলাৰ ধলাই সমষ্টিৰ কোন কোন অঞ্চলে REC ৰ পক্ষ-থেকে বিদ্যুৎ সৰবৰাহ কৰা হয় ?

খ) উক্ত সমষ্টিতে বেশ কিছু অঞ্চলে শুধু মাত্ৰ খুটি দাড় কৰিয়ে বিদ্যুৎ সৰবৰাহ হইয়াছে বলিয়া ঘোষণা কৰা হইয়াছে, এব্যাপাৰে সৰকাৰ অৱগত আছেন কি ?

গ) আইবং যাত্ৰা হইতে হৰিনগৰ পৰ্যন্ত প্ৰস্তাবীত বিদ্যুৎ এত দিন পৰ্য্যন্ত নাহওয়াৰ কাৰণ কি ?

শ্ৰী দেৱানন্দ কোঁৱৰ, ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) REC Sub-Division একটা হ্ৰস্বমাদী ব্যৱস্থা Sub-Division গঠন কৰা শুধু গ্ৰামে বৈদ্যুতিকৰণ পৰিকল্পনা ৰূপায়িতকৰাৰ জন্যে। পৰিকল্পনাৰ কাজ সম্পূৰ্ণ হওয়াৰ পৰ এৰ দেখা শুনাৰ তাৰ Sub-Division কঁৰে থাকে। এই এলাকাৰ বিদ্যুৎ যোগানেৰ গ্ৰাম্যৰ তালিকা পৰিশিষ্ট "ক" তে দেওয়া হ'ল। ( Annexure – I )

খ) শুধু খুটি দাড় কৰিয়ে বৈদ্যুতিকৰণ কৰা হয় না। গ্ৰাম্য বৈদ্যুতিকৰণ নিগমেৰ নিয়ম অনুসৰি কোন গ্ৰামে একটা বাল্ব জলিলেই গ্ৰামখা বৈদ্যাকিতৰণ হইয়াছে বলিয়া ধৰা হয়।

গ) টাকাৰ অভাবেৰ জন্য এই কাজ হাতে নেওয়া সম্ভব হয় নাই।

বিষয় ঃ শিক্ষকৰ পদ সৃষ্টিৰ সংখ্যা।

শ্ৰী ৰামেশ্বৰ ধামোৰাৰে সুধিছে ঃ

৩৭২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসৰ চৰকাৰৰ শিক্ষা দপ্তৰৰ EDG86/14 dt. 27-10-86 আদেশ মতে কিমান সংখ্যক শিক্ষকৰ পদ সৃষ্টি কৰা হৈছিল।

খ) উক্ত পদ সমূহ কোন মহকুমাত কি ভিত্তিত বিতৰণ কৰা হ'ল।

গ) উক্ত আদেশৰ আৱণ্টন দিয়া পদ এতিয়াওঁ খালি হৈ আছে নেকি ?

ঘ) যদি আছে, ১৯৮৬ চনৰ পৰা ১৯৯১ চনলৈ পদ সমূহ কিয় পূৰণ কৰিব পৰা নগল ?

ঙ) অবিভক্ত ডিব্ৰুগড় জিলাত এতিয়াও এনে পদত ১/৩/৯০ ইং তাৰিখৰ পৰা কাৰ্যকৰী হোৱা কৈ নিযুক্তি দিয়া তথ্য স'চানে ?

ডাঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) অসম চৰকাৰৰ শিক্ষা বিভাগৰ EDG/695/86/14 তাৰিখ ২৭।১০।৮৬ নম্বৰৰ আদেশ মতে মজলীয়া বিদ্যালয়ৰ বাবে ৩২৫ টা অতিৰিক্ত সহকাৰী শিক্ষকৰ পদ সৃষ্টি কৰা হৈছিল।

খ) এই পদসমূহ অবৈতনিক ভাবে কামকৰা শিক্ষকৰ বাবে বিতৰণ কৰা হৈছিল তালিকা 'A' ত দেখুৱা হৈছে। ( Annuxure-II )

গ) অৱণ্টন দিয়া পদসমূহ খালি থকাৰ তথ্য সংশ্লিষ্ট শিক্ষা বিষয়াৰ পৰা বিচৰা হৈছে।

ঘ) প্ৰশ্ন নুঠে।

ঙ) ডিব্ৰুগড় জিলাৰ শিক্ষা বিষয়াৰ পৰা তথ্য বিচৰা হৈছে।

**বিষয়ঃ সঞ্চালকৰ কাৰ্য্যকাল বৃদ্ধি।**

শ্ৰী ডাঃ কমলা কলিতাই সুধিছে ঃ

৩৭৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ঃ

ক) যোৱা ৩১ অক্টোবৰত অৱসৰ পাব লগীয়া প্ৰাথমিক শিক্ষা সঞ্চালক গৰাকীক অনিৰ্দ্দিষ্ট কাললৈ কাৰ্য্যকাল বঢ়াই দিয়াতো সঁচানে ?

খ) বৰ্ত্তমান কিমান গৰাকী তেনে পৰ্য্যায়ৰ বিষয়াক কাৰ্য্যকাল বঢ়াই দিয়া হৈছে ?

ডাঃ ভূমিধৰ বৰ্মন ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) সঞ্চালক গৰাকীৰ ৩১ অক্টোবৰ ১৯৯২ তাৰিখে বয়স ৫৮ বছৰ হোৱাত ১৯৯১ চনৰ ১ নবেম্বৰ তাৰিখৰ পৰা তেওঁৰ কাৰ্য্যকাল বৃদ্ধি কৰা হয়। পিচত সঞ্চালক গৰাকীক ১৯৯২ চনৰ ১ নবেম্বৰ তাৰিখাৰ পৰা ২ বছৰৰ বাবে পুণৰ নিযুক্তি দিয়াৰ সিদ্ধান্ত লোৱা হয়।

খ) এই পৰ্য্যায়ৰ বিষয়া হিচাবে ওপৰোক্ত সঞ্চালক গৰাকীৰ বাহিৰে আন বিষয়াক দিয়া হোৱা নাই।

**বিষয়ঃ নুমলিগড়ত হব লগা তেল শোধানাগাৰ।**

শ্ৰী হিতেশ ডেকাই সুধিছে ঃ

৩৭৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসম চুক্তিৰ আধাৰত নুমলী গড়ত হব তেল শোধানাগাৰ সম্পৰ্কত ৰাজ্য সৰকাৰে কোনো কোম্পানীৰ লগত স্বাক্ষৰ কৰিলে নেকি ?

খ) যদি কৰিলে কোন কোম্পানীৰ লগত কেতিয়া স্বাক্ষৰ কৰা হ'ল ?

গ) এই শোধানাগাৰত ৰাজ্য চৰক্যৰ সমন্ধিতে কাৰ কিমান অংশ নিৰুপন কৰা হৈছে ?

ঘ) এই অংশ সমুহ ৰাজ্য চৰকাৰে গঠন কৰি দিয়া কাৰিগৰী সমিতিৰ পৰামৰ্শ অনুযায়ী কৰা হৈছে নে ?

ঙ) এই শোধানাগাৰৰ নিৰ্ম্মান কাৰ্য্য কেতিয়া সমাপ্ত হ'ব আৰু ইয়াৰ মুঠ ব্যয় কিমান হব ?

শ্ৰী বিজিৎ শইকীয়া ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) হয়।

খ) ইন্দো বাৰ্মা পেট্ৰোলিয়াম কোম্পানী লিমিটেডৰ লগত ২০-৮-৯২ তাৰিখত স্বাক্ষৰ কৰা হল।

গ) ৰাজ্য চৰকাৰৰ অংশ-১০ শতাংশ।

ইন্দোবাৰ্মা কোম্পানীৰ অংশ-৫১ শতাংশ।
সৰ্বসাধাৰণ বাইজৰ বাবে-৩৯ শতাংশ।

ঘ) নহয়।

ঙ) প্ৰায় ৫ বছৰ লাগিব আৰু বৰ্ত্তমান cost estimate মতে আনুমানিক ব্যয় হ'ব ১৮৩০ কোটি টকা।

## Re : BISHNUPRIYA MANIPURI LANGUAGE :

Shri Mission Ranjan Das asked :

375. Will the Minister of Education be pleased to state :

a) Whether the Government is willing to introduce Bishnupriya Manipuri Language in L. P. School ?

b) If so, when and how ?

c) If not why ?

Dr. Bhumidhar Barman ( Minister ) replied :

a) Introduction of Bishnupriya Manipuri Language in L. P. School is under consideration of the Govt.

b) Does not arise.

c) Does not arise.

বিষয় : Equity Share

শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে :

৩৭৬। माननीय শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে :

ক) অসম চৰকাৰে অসম ৰাজ্যিক বিদ্যুৎ বোৰ্ডক কিমান টকাৰ Equity Share দিছিল ?

খ) অসম চৰকাৰে Equity Share উঠাই লোৱা কথাটো সঁচা নে ?

গ) যদি সঁচা হয়, তেনেহলে এই সম্পৰ্কৰ নীতি নিয়ম খিনি মানি চলা হৈছিল নে ?

শ্ৰী দেবানন্দ কোঁৱৰ ( শক্তি মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) মুঠ ৮০০ ( আঠশ ) কোটি টকা।

খ) নহয়।

গ) প্ৰশ্ন নুঠে।

Shri Hitendra Nath Goswami : Under Rule 37 I have given notice for raising it in the question hour, 3 questions relating to the same matter, one has been allowed as starred. Questions No. 157 and Written 351 only, one more should have been allowed. Regarding another question you have allowed oral question No. 147. This kind of lapse should not occur.

Mr. Speaker : I have noted this and I will look into it. Now I read the Report of the Business Advisory Committee.

"Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee just after the House rises for 21. 12. 92 at 3. 15 P. M. in my office chamber at Dispur to discuss about the date and time for taking up of the No-Confidence Motion in the House for discussion. The Committee decide-d that the No-Confidence Motion would be taken up today except Question. The Committee also decided that the afternoon sitting for 22. 12. 1992 would be from 3.00 P. M. to 5.00 P. M. instead of 2.30 P. M. to 4.30 p. m. as decided earlier. However, the afternoon sitting of the House for 23rd and 24th December, 1992 will remain same as decided earlier.

The total time that will be made available for discussion on the No-Confidence Motion would be 5 hours 30 minutes approximately and each Member would get about 2.5 minutes for taking

part in the said discussion. The Committee also decided that the total time of 5 hours 30 minutes that would be available for discussion of the No-Confidence Motion should be rationally allocated to various parties/groups as follows :

| | |
|---|---|
| Congress (I) | 2 hours 45 minutes including the reply of the Hon'ble Chief Minister. |
| A. G. P. | 47. 5 minutes. |
| BJP | 25 minutes. |
| NAGP | 12. 5 minutes. |
| CPI | 10 minutes. |
| ASDC | 10 minutes. |
| CPI (M) | 5 minutes. |
| Janata Dal | 2.5 minutes. |
| Independents | 37.5 minutes. |

I hope this has the approval of the House. Now discussion on the No-Confidence Motion. I call Shri Promode Gogoi the Mover of the Motion to initiate the discussion on No-Confidence Motion.

শ্ৰী প্ৰমোদ গগৈ ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, অনাস্থা প্ৰস্তাৱটো উত্থাপন কৰিবলৈ গৈ প্ৰথমতে ভাৰতবৰ্ষৰ অযোধ্যা বাবৰি মসজিদ ধ্বংশ হোৱাৰ পিচত যি পৰিস্থিতি সৃষ্টি হল সেই পৰিস্থিতিত আমি সকলোৱে দুখ প্ৰকাশ কৰিছো আৰু যি সকলে বাবৰি মজজিদ ধ্বংস কৰিলে, ভাৰতবৰ্ষৰ লোকসভাৰ সকলোবিলাক ৰাজনৈতিক দলে তাক তীব্ৰভাবে নিন্দা কৰিছে। আমাৰ দেশৰ ৰাজনীতি পৰম্পৰা দেশৰ ঐক্য সংহতি ধৰ্ম্ম নিৰপেক্ষৰ ওপৰত বাবৰি মচজিদ ভঙাৰ যোগেদি এটা বিৰাট আক্ষেপ অনা হৈছে আৰু তাৰ লগে লগে অধ্যক্ষ ডাঙৰীয়া বাবৰি মচজিদকে কেন্দ্ৰ কৰি ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত আনকি অসমতো মন্দিৰ নষ্ট কৰিছে। এই নষ্ট কৰা কাৰ্য্যক আমি নিন্দা কৰো। আজি আমাৰ দেশৰ এটা প্ৰশ্ন হৈছে— ধৰ্ম্ম নিৰপেক্ষতা আমি ৰক্ষা কৰিব পাৰিম নে নাই ? ধৰ্ম্মনিৰপেক্ষতা ৰক্ষা কৰাৰ পিচতো ধৰ্ম্ম নিৰপেক্ষতাৰ নামত অন্য ধৰ্ম্মক দমন কৰা হৈছে। সেই কাৰণে এই মৌলনাবাদী শক্তিটোৰ কাৰণে বিপদ হৈছে। মৌলনাবাদী শক্তিয়ে ঐক্য সংহতি আৰু ধৰ্ম্মনিৰপেক্ষৰ ওপৰত এটা বিৰাট আক্ৰমণ আনিছে। এই পৰিপ্ৰেক্ষিতত যোৱা ৭ তাৰিখৰ পৰা ১০ তাৰিখলৈকে অসমৰ যি বিলাক ঠাইত ঘটনা সংঘটিত হৈ গল, এই ঘটা ঘটনাবিলাকে অসমৰ ধৰ্ম্মনিৰপেক্ষ শক্তি-বিলাকৰ প্ৰতি এটা ডাঙৰ চেলেঞ্জ দেখা দিছে। আমি সচাকৈ দুখ পাইছো অযোধ্যাক কেন্দ্ৰ কৰি যি ঘটনা আৰম্ভ হল, যি সকল নিহত হৈছে, যি সকল পৰিয়াল আহত হল সেই সকলৰ প্ৰতি আমি সমবেদনা জনাইছো আৰু লগে লগে সেই দোষী সকলৰ প্ৰতি এটা উচিত তদন্ত হব লাগে যাতে মৌলনাবাদী শক্তিবিলাকে সাম্প্ৰদায়িকৰ ক্ষেত্ৰত

একনায়কত্ববাদত আঘাট সানিব নোৱাৰে। অধ্যক্ষ ডাঙৰীয়া, আমি গৌৰবেৰে অনুভৱ কৰিছো যেতিয়া অসম স্বাধীন হৈছিলে সেই সময়ত অসমত কতো সাম্প্ৰদায়িক সংঘটিত হোৱা নাছিল। হিন্দু-মুছলমান সকলো সম্প্ৰদায়ৰ লোকে শঙ্কৰ দেৱ তথা আজান ফকিৰৰ নামত শান্তি সম্প্ৰীতি ৰক্ষাৰ বিনিময়ত সাম্প্ৰদায়িক শান্তি সম্প্ৰীতিৰ ওপৰত আঘাট সানিছে। আমি লক্ষ্য কৰিছো স্বাধীন সাম্প্ৰদায়িক ক্ষতিগ্ৰস্ত কৰা লোক সকলে হৈছে মৌলনাবাদী শক্তি। কিন্তু অধ্যক্ষ ডাঙৰীয়া, আমি লক্ষ্য ৰাখিছো প্ৰথম বাৰৰ কাৰণে এই ধৰ্ম্ম নিৰপেক্ষৰ ওপৰত আক্ৰমণ অনা যি সকলৰ আমি য'ত নেকি সংখ্যালঘুক মৌলনাবাদী শক্তি বুলিছিলো। আনহাতে আমি এটা কথা কব পাৰো সাধাৰণতে যিবিলাক সমষ্টিত বিৰোধী পক্ষৰ প্ৰতিনিধি আছে আৰু নিৰপেক্ষ দল বিলাকৰ প্ৰতিনিধি আছে সেইবিলাক সমষ্টিত এনেকুৱা উত্তেজনা বা তাত সাম্প্ৰদায়িক সংঘৰ্ষ, হত্যা লুণ্ঠন আদি ব্যপকভাৱে হোৱা নাই। এই ক্ষেত্ৰত অধ্যক্ষ মহোদয়, এটা কথা জনাব বিছাৰো যে ইতিমধ্যে আমাৰ মুখ্যমন্ত্ৰীয়ে বিভিন্ন ঠইত ভ্ৰমণ কৰিছে। ধুবুৰী, নগাওঁ আদি অঞ্চল ভ্ৰমণ কৰাৰ সময়ত বহুতো ৰাজহুৱা অভিযোগ তেওঁৰ হাতত দিছে। বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধি সকলে এই অঞ্চল বিলাক ভ্ৰমণ কৰাৰ সময়ত নানা অভিযোগ শুনিবলৈ পাইছে। কিন্তু দুখেৰে সৈতে লক্ষ্য কৰিছো যে এনে বিলাক অঞ্চল ভ্ৰমণ কৰাৰ সময়ত শ্যসক দলৰ কোনো কোনো মন্ত্ৰী বা বিধায়ক সকলৰ নামো উল্লেখ হৈছে। সেই কাৰণে আমি ৰাজনৈতিক দল নিৰ্বিশেষে আমি এটা কথা কব বিচাৰো যে, যি দলৰে মন্ত্ৰী বা বিধায়ক নহওঁক কিয় যিসকলে সাম্প্ৰদায়িক উত্তেজনা সৃষ্টি কৰে সেই সকলৰ বিৰোদ্ধে ব্যৱস্থা লোৱা দৰকাৰ। আৰু আমি আশা ৰাখিছো অসমৰ যিসকলে এনেকুৱা সাম্প্ৰদায়িক

সংঘৰ্ষত সৃষ্টি কৰিছে তেওঁলোকক ততালিকে গ্ৰেপ্তাৰ কৰিব লাগে আৰু যিসকল চৰকাৰত আছে তেওঁলোকক বাদ দিব লাগে। এই ক্ষেত্ৰত মই নগাওঁৰ কথা উল্লেখ কৰিব বিছাৰিছো যে যোৱা ৭ তাৰিখে নগাৰত যি সংঘৰ্ষ চলিল বিশেষকৈ নগাওঁ চহৰৰ মাজ মজিয়াত ৫/৬ ঘণ্টা ধৰি যি তাণ্ডৱ নৃত্য চলিল, সেই সময়ত প্ৰশাসন যন্ত্ৰ কত আছিল। 'নেচনেল ইন্টিগ্ৰেচন কাউন্‌ছিলৰ' সিদ্ধান্ত আছিল যে যিবিলাক জিলাত শান্তি শৃংখলা ৰক্ষা কৰাত প্ৰশাসন ব্যৰ্থ হয় সেইবিলাক জিলাৰ ডি, চি আৰু এচ, পিক বৰ্খাস্ত কৰিব লাগে। গতিকে নগাওঁজিলাত যিহেতু প্ৰশাসনযন্ত্ৰ শান্তি শৃংখলা ৰক্ষা কৰাত ব্যৰ্থ হৈছে সেয়ে তাৰ ডি, চি আৰু এচ, পিক বৰ্খাস্ত কৰা হওঁক। অযোধ্যাৰ ঘটনাৰ পিচত ভাৰতবৰ্ষৰ ধৰ্ম্ম নিৰপেক্ষ শক্তি সমূহক সমবেত কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে চেষ্টা কৰিছিল কিন্তু আমাৰ অসম চৰকাৰে এই দিশত একো কৰা দেখা পোৱা নাই। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজনৈতিক দলে যেনেকৈ ক্ষতিগ্ৰস্ত অঞ্চল বিলাক ভ্ৰমণ কৰি ফুৰিছে, সেইদৰে আমাৰ সদনৰ পৰাও এটা সৰ্ব্বদলীয় প্ৰতিনিধি দল এই ক্ষতিগ্ৰস্ত অঞ্চলবিলাক ভ্ৰমণ কৰাৰ কাৰণে যাতে আপুনি ব্যৱস্থা কৰে তাৰবাবে অনুৰোধ কৰিলো ইয়াৰদ্বাৰাই অসমলৈ শান্তিৰ পৰিবেশ ঘুৰাই অনাত সহায় হব।

মাননীয় অধ্যক্ষ মহোদয়, আজি ডেৰ বছৰেও আলফাৰ সমস্যা সমাধান নহল। আলফা সমস্যা সমাধান কৰাৰ কাৰণে চৰকাৰৰ কোনো স্পষ্ট নীতি নাই। সেইদৰে বড়ো সমস্যাও সমাধান নহল। বড়োলেণ্ড গঠনৰ সম্পৰ্কেও অসম চৰকাৰে সকলো দায়িত্ব ভাৰত চৰকাৰৰ ওপৰতে অৰ্পন কৰিলে। বড়োলেণ্ড গঠন সম্পৰ্কত অনুসন্ধান

কৰিবলৈ ভাৰত চৰকাৰে এখন কমিটি গঠন কৰি দিছিল আৰু সেই কমিটিৰ ৰিপৰ্টৰ পিচতো কেইখনমান চাহবাগান অন্তৰ্ভূক্ত কৰাৰলৈ অসম চৰকাৰে অন্তৰায়ৰ সৃষ্টি কৰিলে। গতিকে মই ভাবো বড়ো সমস্যাটো আলাপ আলোচনাৰ মাজেৰে সমাধান কৰিব লাগিব। ঠিক তেনেকৈ কাৰ্বিআংলং সমস্যা সমাধানৰ বাবে আলাপ আলোচনা চলি থাকোতেই চৰকাৰে জিলা পৰিষদখন ভাঙি দিলে। অধ্যক্ষ মহোদয় আজি গোটেই ৰাজ্যখনতে এটা বিৰাট উত্তেজনাৰ বসবৰ্ত্তী হৈছে। যোৱা ডেৰটা বছৰে চৰকাৰে স্বাভাবিক অৱস্থা ঘুৰাই আনিব পৰা নাই। কিন্তু এই চৰকাৰ অহাৰ সময়ত কেৱল আলফাৰ সমস্যাহে আছিল। তাৰ পিচত চৰকাৰ অহাৰ পিচত এনেকুৱা হ'ল যে চাৰিওফালে দুৰ্নীতি বিয়পি পৰিল। এসময়ত মুখ্যমন্ত্ৰীয়ে কৈছিল যি সকল মন্ত্ৰীৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ আছে সেইবিলাক তদন্ত কৰা হব। কিন্তু অধ্যক্ষ মহোদয় আমি দাবী কৰিছো যিসকল মন্ত্ৰীৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ আছে, সেইবিলাক তদন্ত কৰিবৰ কাৰণে সদনৰ এখন কমিটি গঠন কৰি দিব লাগে। নিয়োগৰ ক্ষেত্ৰত বাকী বিলাক মই কবলৈ নাযাওঁ পঞ্চায়ত বিভাগত যোৱা ১৮ আৰু ২৪ নবেম্বৰত যি কেইজন সম্প্ৰসাৰণ বিষয়া আৰু গ্ৰামসেৱকৰ নিযুক্তি দিলে সেইকেইজনক বিভাগীয় মন্ত্ৰীয়ে নিযুক্তি দিলে কোনো নিয়ম কানুন নোহোৱাকৈ। আগতে নিয়ম আছিল, পঞ্চায়ত বিভাগত নিযুক্তি সঞ্চালকে দিয়ে, কিন্তু এতিয়া মন্ত্ৰীয়ে আৰম্ভ কৰিছে।

অধ্যক্ষ মহোদয়, ভোটৰ তালিকা প্ৰস্তুত কৰাৰ ক্ষেত্ৰতো অসম চৰকাৰে নিৰ্ব্বাচনী আয়োগৰ নীতি নিয়ম মানি চলা নাই। ইয়াৰ ফলত এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হ'ল যে নিৰ্ব্বাচনী আয়োগে ১২৬ টা সমষ্টিৰ ভোটৰ তালিকা নাকচ কৰিব লগীয়া হ'ল। ইয়াত কেন্দ্ৰ কৰিয়েই এটা সংবিধানিক সংকট আহিব পাৰে। আমি এখন

শুদ্ধ ভোটৰ তালিকা বিছাৰো যিখনত একমাত্র ভাৰতীয় নাগৰিকৰ নামহে অন্তভূ্ৰ্ক্ত হব। সেইকাৰণে ভোটৰ তালিকা প্রস্তুত কৰোতে সাংবিধানিক মতে ব্যৱস্থা লোৱা প্রয়োজন। যদি ইয়াৰ ব্যতিক্রম হয় অসমত বিদেশী অনুপ্ৰৱেশ বাঢ়িব আৰু উত্তেজনা বৃদ্ধি পাব।

অধ্যক্ষ মহোদয় আমাৰ ৰাজ্যত বিত্তীয় পৰিস্থিতি অতি বেয়া। যোৱা বাজেট দাখিলৰ সময়ত মুখ্যমন্ত্রীয়ে কৈছিল ঘাটি ৯১ কোটি টকা কিন্তু আমাৰ নতুন বিত্ত মন্ত্রীয়ে সাংবাদিক মেলত কলে প্রতি মাহে ঘাটি ৫২ কোটি টকা।

বানপানী নিয়ন্ত্রণৰ ক্ষেত্রত আমাৰ চৰকাৰে কোনো ব্যৱস্থা লব পৰা নাই। ব্রহ্মপুত্র যদি নিয়ন্ত্রণ কৰা নহয়, অসমৰ কৃষি অৰ্থনীতি কেতিয়াওঁ উন্নতি নহয়। এই ক্ষেত্রত বানপানী নিয়ন্ত্রণৰ কাৰণে ভাৰত চৰকাৰক সম্পুৰ্ণ দায়িত্ব অৰ্পন কৰিব লাগিব। যিহেতু ১৯৮০ চনত ব্রহ্মপুত্র বোৰ্ড পাৰ্লিয়া মেণ্টত গ্ৰহন কৰিছিল।

তদন্ত আয়োগৰ ক্ষেত্রত ইতিমধ্যে অসম চৰকাৰে কেইবাখনো তদন্ত আয়োগ গঠন কৰি দিছিলে। কিন্তু তদন্ত আয়োগে ৰিপৰ্ট দিয়াৰ পিচত চৰকাৰৰ ফালৰ পৰা একো সুব্যৱস্থা লোৱা নাই। ৪ মাৰ্চৰ ঘটনা সম্পৰ্কত মহোহৰণ কমিটিয়ে ৰিপোৰ্ট দিয়াৰ পিচতো দোষী সাব্যস্ত হোৱা দিশপুৰ থানাৰ পুলিচ বিষয়াৰ বিৰুদ্ধে আজিলৈ ব্যৱস্থা লোৱা নাই। মাননীয় অধ্যক্ষ মহোদয় আজি যিসকল জ্যেষ্ঠ বিষয়াই আইনমতে কাম কৰিব বিচাৰে অথায়ক প্রশ্রয় দিব নিবিচাৰে সেই সকল বিধয়াৰ ৰিৰুদ্ধে চৰকাৰে ভাৰত চৰকাৰৰ গৃহ মন্ত্রণালয়লৈ আলফাৰ লগত জড়িত থকা বুলি ৰিপোৰ্ট পঠাই ব্যৱস্থা লোৱাৰ দিহা কৰিছে। অধ্যক্ষ মাহাদয় অনাস্থ প্রস্তাব এই কাৰণেই আনিছো যোৱা সময়চোৱাত এই চৰকাৰৰ কোনো এটা সমস্যা সমাধান কৰাৰ

পৰিৱৰ্ত্তে সমস্যাৰ বৃদ্ধিহে কৰিছে। গতিকে মই এই অনাস্থা প্ৰস্তাৱটো উত্থাপন কৰি সামৰণি মাৰিলো।

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, এই চৰকাৰৰ ওপৰত বিভিন্ন কাৰণত অনাস্থা প্ৰস্তাৱ অনা হৈছে। এই অনাস্থা প্ৰস্তাৱ আমি সমৰ্থন কৰিছো। এই সম্পৰ্কে মই কব বিছাৰিছো যে যোৱা ৬ তাৰিখৰ ঘটনাৰ পিচত ভাৰতবৰ্ষৰ লগতে আমাৰ ৰাজ্যখনৰ পৰিস্থিতিৰ অধিক অৱনতি ঘটিছে। অধ্যক্ষ মহোদয় আপুনি যদি কেন্দ্ৰীয় চৰকাৰৰ ১৯৯১-৯২ চনৰ বাৰ্ষিক গৃহ দপ্তৰৰ প্ৰতিবেদন চায় তেতিয়া দেখিবলৈ পাব যে তাত কেন্দ্ৰীয় চৰকাৰৰ ৰাজ্য সমূহক সকীয়াই দিছে এনেদৰে I quote from the Annual Report published by the Ministry of Home Affairs, New Delhi, at page 5 2.9. The Janam Bhoomi-Babri Masjid dispute remained a difficult issue for some time and had been the major factor responsible for disturbing the communal atmosphere in the country during the year. The mobilisation compaign for the 'Kar Seva' for the Ram Janam Bhoomi Temple at Ayodhya on 30th October, 1990, vitiated the communal atmosphere lowering the threshold of mutual tolerance and inflamed communal passion. Serious law and order problem developed at Ayodhya and communal riots occured in many parts of the country. In order to maintain peace and communal harmony, the central as well as the state govcr-

ments had to make heavy security arrangements. The central government had provided para-military forces and other material assistance to the states." ইয়াৰ পিচত অধ্যক্ষ মহোদয় ১৯৯১/৯২ ৰ যিটো প্ৰতিৰক্ষা দপ্তৰৰ বাৰ্ষিক ৰিৰ্পোট এইটো পঢ়িলেও পোৱা যায় যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক সম্ভাব্য পৰিস্থিতি সম্পৰ্কে সকীয়াই দিছে। ভাৰত-বৰ্ষৰ প্ৰধান মন্ত্ৰীয়ে 'নেচনেল ইন্টিগ্ৰেচন কাউন্সিলৰ' সভাত আলোচনা কৰাৰ পিচত ৰাজ্য সমূহলৈ এই সম্পৰ্কে চিঠি দিছিল কিন্তু যোৱা ৬ তাৰিখৰ ঘটনাৰ সম্পৰ্কত ভাৰতবৰ্ষত আৰু বিশেষকৈ আমাৰ অসমত যিটো সাম্প্ৰদায়িক উত্তেজনাৰ সৃষ্টি কৰিলে এনে ধৰণৰ ঘটনা অসমৰ ইতিহাসত আগতে নাছিল। অধ্যক্ষ মহোদয় আমাৰ ৰাষ্ট্ৰখন ধৰ্ম্ম নিৰপেক্ষ ৰাষ্ট্ৰ। এই ৰাষ্ট্ৰত সকলো ধৰ্ম্মৰে সমান অধিকাৰ আছে। আৰু ইয়াক ভিত্তি কৰিয়েই আমাৰ ৰাষ্ট্ৰখন চলি আছে। কিন্তু কিছুমান শক্তিয়ে ইয়াক মষিমূৰ কৰিবলৈ আগবাঢ়ি আহিল। যোৱা ৭/৮ তাৰিখে আমাৰ অসমত এনেকুৱা এটা লজ্জা-জনক পৰিস্থিতিৰ কাৰণে যিবোৰ শক্তি জড়িত আছে তেওঁলোকে দূৰ প্ৰকাশ কৰা উচিত। অধ্যক্ষ মহোদয় আপুনি নিশ্চয় লক্ষ্য কৰিছে যে গোটেই ৰাষ্ট্ৰৰে আইন শৃংখলা পৰিস্থিতি জুকিয়াই চোৱা হয় তেতিয়া দেখিব, গুজৰাটত ২৪৬ জন মৰিল আৰু তাত কোৱা হৈছে

Guirat . . . 246 dead-The police collude and the administration sits idle.

Madhya Pradesh—120 dead. Hindu fanatics and the Press inflamed passions.

Maharastra—259 dead-Numerous mislims killed in police firing.

West Bengal—32 dead-Marxist smugness exacerbates the violence.

Uttar Pradesh—201 dead-Bad, but not as bad as expected.

Rajasthan—48 dead-Swift police action minimises deaths.

Bihar—24 dead-Mislims listen to Lalo.

Kerala—12 dead-155 keeps mum but police firing takes heavy toll.

Andhra Pradesh—12 dead-Police firmness keeps the hatred within bounds,

Karnataka–60 deadead-Muslim mobs outnumbered the police.

Tamil Nadu—2 dead-All quiet on the southern front.

Punjab & Haryana–2 towns affected, put under curfew.

Assam—100 dead-Bangladeshi immigrants add a new dimennsion. এইটো প্ৰেছ ৰিৰ্পোট। অসমৰ ক্ষেত্ৰত কোৱা হৈছে ১০০ জন মৰিল। অধ্যক্ষ মহোদয় বৰ্ত্তমান চৰকাৰে বিধান সভাতে স্বীকাৰ কৰিছে যে এই চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পিচত ১৩১১ টা হত্যা কাণ্ড আৰু ২০৩ টা পুলিচ ফায়াৰিং হয়। ইয়াৰ বাহিৰেও ভাৰত চৰকাৰে ৰাজ্য চৰকাৰক থানা সমূহ সজাগ কৰি ৰাখিবলৈ নিৰ্দে'শ দিছিল। গোৱালপাৰা জিলাৰ লক্ষীপুৰ, জলেশ্বৰত আৰু ধুবুৰী জিলাৰ বিলাসীপাৰা আদি ঠাইত যি ঘটনা ঘটি গল এইটো সচাকৈয়ে বৰ দুখজনক। অধ্যক্ষ মহোদয় মুখ্যমন্ত্ৰী শইকীয়া ডাঙৰীয়াই

আজি কিছুদিন আগলৈকে সেনা বাহিনীক খুব প্ৰশংসা কৰিছিল কিন্তু এতিয়া প্ৰশংসা কৰা নাই. সেনা বাহিনীৰ বিৰুদ্ধে হে কৈছে যিটোয়ে প্ৰমান কৰে পৰম্পৰা সমূহ ভঙ্গ কৰাৰ কাৰণে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি অধীন মন্ত্ৰীয়েই ভেওঁলোকক সমালোচনা নকৰে ।

মাননীয় অধ্যক্ষ ঃ এই বিলাক কথা ইয়াত উল্লেখ কৰিব নালাগে ।

মাননীয় অধ্যক্ষ মহোদয়, সেনা বাহিনীয়েও তেওঁলোকৰ ফালৰ পৰা বাতৰি কাকতত বিবৃতি দিছে যে তেওঁ লোকক মাত্ৰ ফ্লেগ মাৰ্চ কৰিবলৈহে নিৰ্দ্দেশ দিয়া আছিল ভবদা ভাবদাহ আদি অঞ্চলত এই সাম্প্ৰদায়িক ঘটনা বিলাকৰ সম্পৰ্কে গোৱালপৰা জিলাতো ন্যায়িক তদন্ত হব লাগে । মুখ্যমন্ত্ৰী শইকীয়া ডাঙৰীয়াই কৈছে, যে ন্যায়িক তদন্ত কৰিবলৈ দিলে ১০ বছৰো লাগিব পাৰে, তাৰ পৰা কি লাভ হব । কিন্তু মুখ্যমন্ত্ৰী হিচাপে তেনেকৈ কব নালাগে । তেখেতৰ 'ইনটেনচন' হব লাগে যাতে ২/৩ মাহৰ ভিতৰত তদন্ত সম্পূৰ্ণ হব লাগে ।

অধ্যক্ষ ডাঙৰীয়া ন্যায় বিভাগত ৰাজনৈতিক হস্তক্ষেপৰ দুটা উদাহৰন দাঙি ধৰিব বিচৰা হৈছে । অনিল বৰাক ১৯৭২ চনতে আততায়ীয়ে হত্যা কৰিছিল কিন্তু সেই কেচটো এতিয়া উঠাই লব বিছৰা হৈছে । নগাওঁৰ এজন ব্যৱসায়ীৰ বিৰুদ্ধে পুলিচে কিছুমান চাৰ্জ আনিছিল তেওঁৰ লগত আপত্তিজনক নথিপত্ৰও পাইছিল কিন্তু সেই কেচটো এতিয়া উঠাই লব বিছাৰিছে । আমি আশা কৰিছিলো এই কেচ বিলাক সোনকালে শেষ হব লাগে কিন্তু তেওঁলোকে নাজানো কি কাৰণত কেচ বিলাক উঠই লব বিছাৰিছে ।

আইন শৃঙ্খলা পৰিস্থিতি সম্পৰ্কে সদনত বিভিন্ন সময়ত আলোচনা

হৈছে। ভাৰতবৰ্ষ ধৰ্ম্ম নিৰপেক্ষ ৰাষ্ট্ৰ গণতান্ত্ৰিক বৃহৎ ৰাষ্ট্ৰ হিচাবে পৃথিবীৰ ভিতৰত যি সুনাম আছিল সি আজি বিপৰ্য্যস্ত হৈছে। বাবৰী মচজিদ ভঙাৰ নামত লাহোৰ আদি ঠাইত ডাঙৰ ডাঙৰ মন্দিৰ সমূহ ধ্বংস কৰিছে। মচজিদ মন্দিৰৰ নামত অসমত নহোৱা নোপোজা কথা হৈছে। এই ঘটনা বিলাকৰ লগত যিবিলাক ৰাজনৈতিক দলৰ লোক জড়িত আছে তাক মৌলবাদী শক্তি বুলিয়ে কওঁক কব্যক্তিত্বৰ সমস্তি বুলিয়েই কওঁক যি সকলে সমাজৰ ঐক্য সংহতি ধ্বংস কৰিলে তেওঁলোকৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা লোৱা উচিত। ১৯৯০-৯১ চনতে কেন্দ্ৰীয় গৃহ দপ্তৰৰ ইন্টেলিজেঞ্চ চেলে ৰিপোৰ্ট দিছিল যে বাবৰী মচজিদ ভাঙিব পাৰে। কিন্তু আজি পৰ্য্যন্ত তাৰ প্ৰতিবন্ধকতাৰ কাৰণে কোনো ব্যৱস্থা লোৱা নহ'ল কিয়। তাৰ অৰ্থ এই তোৱেই জানে। নহয় অধ্যক্ষ মহোদয় যে আগতে ভাঙা তাৰ পিছত কান্দিক্ষ ১৯৯১ চনতে ৰিপোৰ্ট দিয়া স্বস্তেও কিয় যাৱতীয় বাৱস্থা হাতত লোৱা নহ'ল? অসমৰ বিভিন্ন ঠাইত বাইজে শান্তি সমিতি গঠন কৰিছে কিন্তু এটা বিশেষ ৰাজনৈতিক দলৰ দ্বাৰাহে শান্তি সমিতি সমূহ গঠন হৈছে। আমি যেতিয়া হোৰ্জাহ মহকুমালৈ গৈছিলো আমি জানিব পাৰিছিলো যে কাৰফিউ পাছ এটা বিশেষ ৰাজনৈতিক দলৰ লোকক দিয়া হৈছিল যি সকলৰ বিৰুদ্ধে ক্ৰিমিনেল কেচ আছে সেই কাৰফিউ পাছ লৈ সেই লোক সকলে লগত কিছুমান ব্যক্তি লৈ ঘূৰাফুৰা কৰিছিল ধুবুৰী গোৱাল-পাৰাতো তেনে অভিযোগ আমি পাইছি লো। ধুবুৰী লৈ যাওতে আমি পোইছিলো যে মন্ত্ৰীৰ উপস্থিতিত ঘগমৰত ইটা দিয়া হত্যা কৰা আদি ঘটনা সংঘটিত হৈছে। পুলিছে কেছে আমি কি কৰিম উপস্থিত আছে আমি শূন্য লৈ গুলীয়াব নোওৱাৰো। মন্ত্ৰী সকলৰ উপস্থিতিত এনে অৱস্থা কিয় হ'ল? কালি মুখ্যমন্ত্ৰী ডাঙৰীই

কৈছিল কোন কোন জিলাত কোন কোন মন্ত্ৰীক দায়িত্ব দিয়া হৈছিল কিন্তু এনে ঘটনাও ঘটিছে যিজন মন্ত্ৰীক সেই ঠাইলৈ যাব দিয়া হোৱা নাছিল সেইজন মন্ত্ৰী ও সেই ঠাইলৈগৈ সংঘাটিৰ সৃষ্টি কৰিছে। এই বিলাক দূৰ্ভাগ্যজনক কথা। আজিও হাজাৰ হাজাৰ মানুহে কেম্পত আশ্ৰয়লৈ আছে, প্ৰশাসনে কৈছে আপোনালোকে কেম্প এৰি যাওঁক কিন্তু তেওঁলোকে কৈছে যে নিৰাপত্তা দিব পাৰিলেহে আমি কেম্প এৰিম। নিৰাপত্তা দিয়াত চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। নগাওঁ জিলাত ৩০/৩৫ জন যুবকৰ দল এটাই প্ৰচ্চেন কৰি গৈছিল পাছে পাছে গৈছিল সদৰ থানাৰ জনৈক পুলিচ বিষয়াৰ ৪০৭ নং গাড়ীৰে কিন্তু আৰক্ষীৰ সন্মুখতে গাড়ী জলাইছে, ঘৰ জলাইছে দোকান লুণ্ঠন কৰিছে। পানীগাওঁতো একে অৱস্থা, ইটাচালিতো একে অৱস্থা পুলিচে ৰাইজক কৈছে "আমাৰ হাতত আৰম এমুনিচন একে নাই। আমি সহায় কৰিব নোৱাৰো"। ৰাইজে বাধা দিয়া নিজ ব্যৱস্থা কৰাৰ পাছতহে ৰক্ষা পৰিছে। মূতি পাৰত একে ঘটনা ঘটিছে তাৰ বিষয়াৰ বিৰুদ্ধে অভিযোগ আছে কাৰণে বদলি কৰা হৈছিল কিন্তু পাছত উক্ত নিৰ্দ্দেশ ৰদ আকৌ কৰিছে। গতিকে যিজন বিষয়াক অভিযোগ থকা কাৰণে বদলি কৰা হৈছিল তেওঁ আকৌ কি ৰক্ষনাবেক্ষন ৰাইজক দিব? ৰাইজৰ তেওঁৰ ওপৰত আস্থা নাই। ৰাইজ তেওঁলোক গৃহহীন হলেও তেওঁলোকে আজি নিজ ঠাইলৈ নিৰাপত্তাৰ কাৰণে ঘুৰী যাব পৰা নাই। কিছুমান বিষয়াই ৰক্ষনা বেক্ষন দিয়াৰ কথা বাদদিধ্বংস কাৰ্য্যতহে লিপ্ত হৈছে। গতিকে যি সকল বিষয়া বা ৰাজনৈতিক দলৰ লোক জৰিত তেওঁলোকৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱা উচিত। এতিয়া পৰিস্থিতি আয়ত্তলৈ আনিব পৰা নাই। ধুবুৰী জিলাত দুখজনক ঘটণা ঘটিছে।

মানুহে মানুহক হত্যা কৰিছে, ঘৰদুৱাৰ পুৰিছে কিন্তু কাৰফিউ পাছ দিছে কাক যি সকলে সেই পাছ লৈ হত্যা লুণ্ঠন কৰি ফুৰিছে তেওঁলোকক কাৰফিউ পাছ দিছে। আমি ধুবুৰী লৈ গৈছিলো তাত ৰাইজে বিশেষ মন্ত্ৰীৰ বিৰুদ্ধে অভিযোগ দিছে। কেইজনমান মন্ত্ৰী তাত তাত কেম্প কৰি আছিল। উপায়ুক্ত আৰু পুলিচ বিষয়াই কৈছিল "আমি কি কৰিম মন্ত্ৰী সকল নিজে আছে"। আমি ইফালে যাব খুজিলে ইজন মন্ত্ৰীয়ে মাতে সিফালে যাব খুজিলে সিজন মন্ত্ৰীয়ে মাতে। ইয়াৰ পৰা বুজা যায়, প্ৰশাসনিক বিষয়া সকলক চৰকাৰে "ফ্ৰী হেণ্ড" দিয়া না ছিল। ৰাইজে অভিযোগ কৰা মতে বগৰিবাৰীৰ ঘটনা ঘটোতেও মন্ত্ৰী উপস্থিত আছিল। আৰু পুলিচ বিষয়াও আছিলো কিন্তু মন্ত্ৰীৰ পৰিস্থিতিত মন্ত্ৰীৰ নিৰ্দেশ নাপালে পুলিচে কি কৰিব? এই বিলাক কাৰণতেই অসমে আজি বদনাম লব লগা হৈছে। আমি অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিও কৈছো যে ন্যায়িক তদন্তত গোৱাল পাৰা জিল্লাতে সামৰি লব লাগে। মন্ত্ৰী আফজালুৰ ৰহমান যদি ঘটনা বিলাকত জৰিত নহয় তেনেহলে তেখেতে ঠিয় হৈ কব লাগিছিল যে গোৱালপাৰা কো লওঁক। তেখেতৰ সেই সাহস নাই কিয়?

হোজাইতো একে কথা অধ্যক্ষ ডাঙৰীয়া। অৱশ্যে ন্যায়িক তদন্ত চৰকাৰে দিছে যেতিয়া চৰকাৰে সেই বিলাক কথা ওলাই পৰিব। আমি নীল বাগানলৈ গৈছিলো মূখ্যমন্ত্ৰীলৈ দিয়া দখাস্ত খনৰ কপি আমাকো দিছে। যমুনামুখ, যোগীযান আদি ঠাইলৈও গৈছো মূখ্য মন্ত্ৰীক দিয়া স্মাৰকপত্ৰৰ নকল আমাকো দিছে। তাত কিছুমান বিশেষ ব্যক্তিৰ নাম উল্লেখ কৰা আছে। যদি বিষয়া সকলৰ বিৰুদ্ধে

কোনো ব্যৱস্থা নলও বুলি দৃঢ় ভাৱে কব পাৰে তেওঁলোকে সচা কথা বিলাক কৈ পেলাব। আশা কৰো সেই মতে ব্যৱস্থা হাতত লব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আজি ভাৰতবৰ্ষত এই ঘটনাই তথা অসমত ঘটা এই সংঘৰ্ষই অসমৰ জাউতিযুগীয়া শ্ৰীমন্ত শঙ্কৰ দেৱৰ বৰগী আৰু আজান ফকিৰৰ সুৰৰ যি ভাল এনাজৰি আছিল, সেই এনাজৰিত ক্ষতি সাধন কৰি তাক ভাল কৰোতে যথেষ্ট সময় লব। সেই হেতুকে মই কব খোজো যে আমাৰ যিবিলাক অৰাজ নৈতিক ব্যক্তি আছে তেনেকুৱা ব্যক্তিকো পাৰিলে এই শান্তি ঘূৰাই অনাৰ ক্ষেত্ৰত জৰিত কৰাৰ ব্যৱস্থা চৰকাৰে হাতত লব লাগে। যিবিলাক শান্তি কমিটি গঠন কৰা হৈছে, সেই শান্তি কমিটি বিলাকত যাতে যিকেনো মানুহ জৰিত নহয় তাৰ কাৰণে চকু দিব লাগে। নহলে শান্তি কমিটিৰ মানুহ শিৰিবলৈ গলে তেওঁলোকৰ এনে ভাব হব পাৰে যে যি জন মানুহে গণ্ডগোল লগাইছে সেই জনেই আকৌ শান্তি কমিটি কৰিব আহিছে বুলি জ্বলি উঠিব পাৰে। গতিকে এই ক্ষেত্ৰত চৰকাৰে বিশেষ চকু দিয়া উচিত। ইয়াৰ পাচত মই আন এটি কথালৈ আহো। সেই বিষয়টোৰেই হৈছে জলন্ত বিষয়। মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে আমাৰ ৰাজ্য চৰকাৰক ভোটাৰ তালিকাৰ ব্যপক সংশোধনী কৰিবলৈ নিৰ্দ্দেশ দিছিল। কিন্তু অসম চৰকাৰে সেই নিদ্দেৰ্শাৱলী মানি চলা নাই। সেই কাৰণেই অসমত ভোটাৰ তালিকা সংশোধনীৰ বিষয়টো নিৰ্ব্বাচনী আয়োগে হস্তক্ষেপ কৰি নিজাববীয়াকৈ বন্ধ কৰি থব লগীয়া হ'ল। ২৫ নবেম্বৰ ৯২৩ ইলেক চন কমিচনে দিয়া নিৰ্দ্দেশ বিভিন্ন বাতৰি কাকতত

প্ৰকাশ পাইছেই। মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত এটা প্ৰশ্ন সোধা হৈছিল। সেই প্ৰশ্নটো আছিল 'ক' ভাৰতৰ মূখ্য নিৰ্ব্বাচনি আয়ুক্তই অসমৰ নিব্বাচনি বিষয়ালৈ দিয়া ভোটাৰ তালিকাৰ সংশোধন সম্পৰ্কীয় শেহতীয়া নিৰ্দ্দেশাবলী ৰূপায়নৰ বাবে জিলা/ মহকুমা সমূহৰ নিৰ্ব্বাচনী বিষয়ালৈ নিৰ্ব্বাচনি বিভাগৰ পৰা কিবা নিৰ্দ্দেশ দিয়া হৈছিল নে? এই প্ৰশ্নৰ উত্তৰত তেখেতে কৈছিল— নাই দিয়া। খ) প্ৰশ্নটো আছিল, যদি দিছিহল সেই নিৰ্দ্দেশ কি আছিল? (তুয়োখন নিৰ্দ্দেশাবলীৰ প্ৰতিবেদন সদনৰ মেজত দাখিল কৰিব)—এই প্ৰশ্নৰ উত্তৰ ত প্ৰশ্ন নুঠে বুলি কোৱা হৈছে। গ) প্ৰশ্ন উক্ত নিৰ্দ্দেশাবলী অনুসৰি বিদেশী নাগৰিক অধ্যুষিত অঞ্চল সমুহ চিনাক্তকৰণ কৰা হৈছিল নে? (সমষ্টি / অঞ্চল কেইটাৰ নাম কি কি জনাব।) ইয়াৰ উত্তৰত কোৱা হৈছিল—নাই হোৱা। ঘ) ভোটাৰ তালিকা সংশোধনৰ ক্ষেত্ৰত অসম চুক্তি ৰূপায়নৰ বিষয়টো আগত ৰাখি কৰা হৈছে নে? ইয়াৰ উত্তৰত কোৱা হৈছে যে নিৰ্ব্বাচনি আয়োগৰ নিৰ্দ্দেশ ক্ৰমে বৰ্ত্তমান ভোটাৰ তালিকা সংশোধনৰ কাম বন্ধ ৰখা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰিবলৈ নিৰ্ব্বাচনী আয়োগে দিয়া নিৰ্দ্দেশ অনুসৰি তাক কাৰ্য্যকৰী কৰাত অসম চৰকাৰে সহায় কৰিব লাগিছিল। কিন্তু প্ৰয়োজনীয় নিৰ্দ্দেশ পোৱাৰ পাচতো সেই নিৰ্দ্দেশ মনা নহল আৰু নিৰ্ব্বাচনী বিষয়াক সহায়ো কৰা নহল। অসম চৰকাৰে নিৰ্দ্দেশ নমনাৰ কাৰনেই মুখ্য নিৰ্ব্বাচনি আয়ুক্তই হস্তক্ষেপ কৰি ভোটাৰ তালিকা প্ৰস্তুত বন্ধ কৰি থব লগা হ'ল। দেশৰ স্বাৰ্থৰ কাৰণে নাচায়, ব্যক্তি স্বাৰ্থৰ কাৰণে কিয় চাৰ লগা হ'ল? অসম

চৰকাৰে আজি কেৱল নিজৰ দলৰ চৰকাৰ হৈ আছে এই চৰকাৰ সমূহ দলৰ সাধাৰণৰ চৰকাৰ হব পৰা নাই। অসমৰ স্বাৰ্থৰ কাৰণে নাচায় দলীয় স্বাৰ্থৰ বাবেহে বৰ্ত্তমানৰ চৰকাৰে চাইছে। অসমৰ স্বাৰ্থ এই চৰকাৰে ৰক্ষা কৰিব পৰা নাই। আমি অসম আন্দোলন কৰা সময়ত শ্ৰীচবৰা বুলি গৃহ দপ্তৰৰ এজন বিষয়া লগ পাইছিলো। তেখেতে অবসৰ পোৱাৰ পাচত এতিয়া 'দি হিন্দুত' এটা প্ৰবন্ধ লিখিছে। তেখেতৰ মতে অসম আন্দোলন টো সম্পূৰ্ণ যুক্তি পূৰ্ণ আছিল। সেই সময়তেই মুখ্যমন্ত্ৰী শ্ৰী হিতেশ্বৰ শইকীয়াই কেন্দ্ৰীয় চৰকাৰৰ লগত এই বিষয়ে আলোচনা কৰিব লাগিছিল। কিন্তু অতি অন্যায়ৰ কথা হৈছে যে আজি ১৯৯২ চনতহে কেন্দ্ৰীয় চৰকাৰে আলোচনা কৰিব লগা হৈছে ৰাজ্যসমূহৰ সৈতে। তেতিয়াই যদি আলোচনা কৰিলেহেতেন তেন্তে আজি ত্ৰানে শোচনীয় অৱস্থা নহল হেতেন। এজন প্ৰাক্তন কংগ্ৰেছী মন্ত্ৰীৰ উক্তি 'দেশ বিভাজন হলেও মাটি বিভাজন হোৱা নাই'— আজি দেখা গৈছে যুদ্ধ হৈছে পাকিস্থানৰ লগত, ভাবুকী আহিছে বাংলা দেশৰ পৰা। কিন্তু অসমৰ মূখ্য মন্ত্ৰীয়ে বাংলাদেশৰ লগত মিতিৰালী পাতিছে। মই ভাৱো তেওঁৰ নিজ দলীয় স্বাৰ্থ বাদ দি এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাত চৰকাৰৰ তৰফৰ পৰা গুৰুত্ব আৰোপ কৰা উচিত। ইয়াৰ বাহিৰেও দেখা যায় যে— নিযুক্তিৰ ক্ষেত্ৰত এই চৰকাৰে নিযুক্তি বন্ধ ৰাখিছে। কিন্তু তাৰ ভিতৰতো মই এটা উদাহৰণ দিব খোজো যে যাৰ নিযুক্তি দিয়াৰ কৰ্তৃত্ব আছে তেওঁক নিযুক্তি দিবলৈ নিদি অসম চৰকাৰৰ ডেপুটি চেক্ৰেটাৰী এ, আৰ, লচকৰে নিযুক্তি পত্ৰত চহী কৰিছে। ১৯, ১২, ৯২ তাৰিখে। যিটো পদৰ বাবে নিযুক্তি দিছে তাত আন এজন মানুহে আগৰে

পৰা কাম কৰিয়েই আছে। এইটো এটা মাত্ৰ উদাহৰণহে। এনে উদাহৰণ আৰু বহুত আছে। এনে ধৰণৰ কাগজপত্ৰ আমাৰ বিধায়ক সকলোৰে হাতত আছে। তাৰোপৰি প্ৰমানসহ আমাৰ হাতত উদাহৰণ আছে যে কোনো সাক্ষাৎকাৰ আদি নোলোৱাকৈ ডেপুটি চেক্ৰেটাৰী পঞ্চায়ত আৰু ৰুৰেল ডেভেলাপমেণ্টে বহুতো নিযুক্তি দিছে। বহুমুখী মহিলা সমিতি সমূহ গাওঁপঞ্চায়তৰ সভাপতি সকলক লৈ সভাপাতি নিযুক্তি দিয়াৰ কথা আছিল। সেই বিলাক ভঙ্গ কৰি দি নিজৰ ফালৰ পৰা তালিকা তৈয়াৰ কৰি বিষয়া সকলক বলপূৰ্ব্বক ভাৱে চহী কৰাই নিযুক্তি সমূহ দিয়া হৈছে। কংগ্ৰেছে দলৰ স্বাৰ্থত ত্ৰনে অকাৰ্য্য কৰিছে ও বুলি কলে ওই এনে কাৰ্য্যই ন্যায়ৰ সীমা পাৰ হোৱা যেন লাগে। নাম সহ যোৰহাট, গোলাঘাট ইত্যাদিৰ উদাহৰণ আমি দাঙি ধৰিব পাৰিম। এতিয়া উদ্যোগৰ কথালৈ আহো, শইকীয়া ডাঙৰীয়া থকা হলে ভাল আছিল। আজি অসমৰ ট্ৰিবিউন কাকতত বাতৰি প্ৰকাশ পাইছে যে জাগীৰোড স্পান মিলটোৰ মেনেজমেণ্ট বা ইকুউটি চেয়াৰ হস্তান্তৰ কৰিব খুজিছে অসম চৰকাৰে। ইয়াৰ উপৰি ও বৰুৱা বামুনগাওঁ চেনি কল, কামনুৰ চেনি ক'ল ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰাৰ ভুষ্ঠ পৰিকল্পনা চলিছে। নুমলি গড়ৰ শোধাণা গাৰত পৰা ৰাজা চৰকাৰৰ চেয়াৰ শতকৰা ২৬ পৰা আহি ১৫% অংশ ৰাজ্য চৰকাৰৰ চেয়াৰ নিৰ্দ্ধাৰণ কৰা হৈছে ৰাজ্য খনৰ স্বাৰ্থৰ বিপৰীতে এতিয়া জাগিৰোড স্পানমিলটোও ব্যক্তিগত হস্তান্তৰ কৰিব বিচাৰিছে নেকি ?

অধ্যক্ষ মহোদয়, আজি সমবায় অনুষ্ঠান সমূহ বন্ধ কৰিব যদিহে প্ৰথমৰে পৰাই ইয়াৰ নীতি সমূহ মানি চলাহলহেতেন। নীতি

সমূহ মানি নচলাৰ বাবেই লগা নহলহেতেন সমবায় অনুদান সমূহে আজি লোকচানৰ সমুখিন হব লগা হৈছে। এতিয়া চোৱা হওক এই লোকচান কি কাৰণত হৈছে ?— যাৰ ফলত এই বিলাক অনুষ্ঠান সমবায় খণ্ডৰ পৰা ব্যক্তিগত খণ্ড হস্তান্তৰ কৰিবলৈ বিচৰা হৈছে ? ইয়াত যিবিলাক ঘটনা জড়িত হৈ আছে—বিশেষকৈ সমবায় আন্দোলনৰ ক্ষেত্ৰত সেই বিলাক বেমেজালিৰ কাৰণে আৰু চৰকাৰৰ অমনোযগীতাৰ

বাবে সমবায় খণ্ডত উদ্যোগ কৰিবৰ কাৰণে মানুহ আগৰাঢ়ি নাহে। অধ্যক্ষ মহোদয়, মই আপোনাক জনাওঁ যে-আজি অসমত বিভিন্ন সাম্প্ৰদায়িক সংঘৰ্ষ, আৰু অন্যান্য জন অহিতকৰ কাৰ্য্য চলি থকাৰ কাৰণে তাক নিয়ন্ত্ৰন কৰিবৰ বাবে বিভিন্ন অৰ্দ্ধসামৰিক সামৰিক বাহিনী নিয়োগ কৰা হৈছে। বিভিন্ন- কিন্তু আনফালে কৈছে অসমত শান্তি বিৰাজ কৰি আছে। আজি বাতৰি কাকতত ওলাইছে যে— তিনি জনক অপহৰণ কৰিছে—তাৰে একজন ঘুৰাই দিছে। তাৰ আগতে শ্ৰীপংকজ বৰুৱাক অপহৰণ কৰিছিল কিন্তু তেওঁকো ঘুৰাই দিছে। আজি এই বিলাক কাৰণতেই অইল—ইণ্ডিয়াত কাম কৰিবৰ বাবে যিবিলাক ফৰাচী ইঞ্জিনিয়াৰ বিশেষজ্ঞ অসমলৈ আহিছিল তেওঁলোকক এনে কৰেণেতে ঘুৰি যাব লগা হৈছে স্বদেশলৈ। এই

ফৰাচী বিশেষজ্ঞ সকল ULFAই ৫ কোটি টকা বিচৰাৰ কাৰণে তেওঁলোক অসম এৰি যাবলৈ বাধ্য হ'ল কিন্তু চৰকাৰ নিৰব। এতিয়াও অসমত হত্যা, লুণ্ঠন, অপহৰণ আদি নাটক চলিছে। জনসাধাৰণৰ জীৱন বিপয্যস্ত হৈছে ; শান্তি বিৰাজ কৰিছে কত ? আন কি গুৱাহাটীৰ মাজ মজিয়াতো এনে ধৰণৰ সৰু ডাঙৰ ঘটনা সংঘটিত হৈছে ইয়াৰ পৰা পৰিত্ৰানৰ উপায় কি ? নগাওঁৰ শগুণৰাহী বাগিছাতো মানুহ উঠাই লৈ গৈছে—চাহবাগিছাৰ গাড়ী

অজ্ঞাত ব্যক্তিয়ে লৈ গৈছে। এনে ধৰণৰ বিভিন্ন ঘটনা প্ৰতিয়াও চলি আছে। ইফালে আল্‌ফাৰ সমস্যাটোও সমাধান হোৱা, বড়ো সমস্যাও, কাৰ্‌বি সমস্যাটোও সমাধান হোৱা নাই। এই বিলাক সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰ আগবাঢ়ি আহিছেনে? ইয়াতো আপোনালোকৰ চৰকাৰেই আছে আৰু কেন্দ্ৰটো আপোনালোকৰ চৰকাৰেই আছে। দুয়োটাতে একে চৰকাৰ থকা আজি এই সমস্যাসমুহ সমাধান কৰিবলৈ কোনো আগবাঢ়ি অহা নাই আৰু তাৰ বাবে গঠনমূলক কাম-কাজ তথা মানসিকাত যোগাৰ কৰাত চৰকাৰ ব্যৰ্থ হৈছে। মই আশা কৰো বিৰোধী দলৰ পৰা যিটো অনাস্থা প্ৰস্তাৱ উত্থাপন কৰা হৈছে—সেইটো আমি পূৰ্ণ সমৰ্থন কৰিছো আৰু মাননীয় সদস্য সকলকো সমৰ্থন কৰিবলৈ অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Speaker vacated the Chair While Mr. Chairman, occupied it )

শ্ৰীমুকুট শৰ্ম্মা : (মন্ত্ৰী) মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিৰোধী পক্ষই শ্ৰী হিতেশ্বৰ শইকীয়াৰ নেতৃত্বাধীন কংগ্ৰেছ আই চৰকাৰৰ বিৰুদ্ধে যি অনাস্থা প্ৰস্তাৱ ডাঙি ধৰিছে—সেই প্ৰস্তাৱটো অনাৰ কোনো যুক্তিযুক্ততা মই দেখা নাই। অধ্যক্ষ মহোদয় আপুনি জানে যে যোৱা কালি অধ্যক্ষ নিৰ্ব্বাচনতেই এই কথা প্ৰতীয়মান হৈছে যে—এই সদনতেই বিপুল ভোটত জয়লাভ কৰি মন্ত্ৰীসভাৰ শক্তি প্ৰকাশ কৰিছে। অৱশ্যে এইটো কথা ঠিক যে—বিৰোধীদলে কেতিয়াবা কেতিয়াবা নিজৰ অক্ষমতা প্ৰকাশ কৰি দেখুৱাবৰ কাৰণে এনে ধৰণৰ অনাস্থা প্ৰস্তাৱ আনে। আমাৰ অসমীয়াত এষাৰ কথা আছে—বুঢ়ীৰ কাম নাথাকিলেও চাউলত ধান পেলাই তাকে বাচি থাকে। ঠিক

তেনেকৈ আজি বিৰোধী দলৰ সদস্য সকলেও চাউলত ধান পেলাই চাউল বাচিব ধৰিছে।

অধ্যক্ষ মহোদয়, এই অনাস্থা প্ৰস্তাৱৰ ক্ষেত্ৰত মই কব বিচাৰো যে আজি অসমত আইন-শৃংখলাই প্ৰধান্য লাভ কৰিছে। যোৱা ৬ ডিচেম্বৰ তাৰিখে অযোধ্যা ঘটনাক কেন্দ্ৰকৰি যি সাম্প্ৰদায়িক ঘটনা সংঘটিত হ'ল তাৰ কাৰণে গোটেই ভাৰতবৰ্যত ধ্বংসমূখী আন্দোলন সৃষ্টি হ'ল—ইয়াতকৈ লজ্জাজনক আৰু দুঃখজনক কি থাকিব পাৰে। বাবৰী মজিদ ধ্বংস কৰি ভাৰতবৰ্যত ধৰ্ম্ম নিৰপেক্ষতাৰ মূল সূতীত বাধাৰ সৃষ্টি কৰিলে। ধৰ্ম্মনিৰপেক্ষতাৰ মুল ভেটি নষ্ট কৰিলে। অধ্যক্ষ মহোদয়, আমাৰ কংগ্ৰেছ চৰকাৰ গঠন কৰাৰ সময়ত সেই সকলৰ নেতৃত্বত ভাষা-ধৰ্ম্ম নিৰ্ব্বিশেষে ভাৰত বৰ্যৰ নিচিনা এখন ৰাষ্ট্ৰত বিভিন্ন ভাষা, বিভিন্ন ধৰ্ম্ম আৰু বিভিন্ন গোষ্ঠীৰ লোক বসবাস কৰিছিল সেই ৰাষ্ট্ৰত বিৰোধী পক্ষই আজি ধৰ্ম্মনিৰপেক্ষতাৰ ঘাই খুটিকেই নোহোৱা কৰিলে। মহামানৱ মহাত্মা গান্ধীয়ে ধৰ্ম্মনিৰপেক্ষ-তাৰ ক্ষেত্ৰত যি কথা কৈছিল - সেইটো ভাৰতবৰ্ষত তিনিটা ঘাই খুটি আছে বুলি বিদেশী কাকত সমূহতো ওলাইছিল। সেই তিনিটা ঘাই খুটি হ'ল— নন্ এলাইনমেণ্ট বৰ্ত্তি ৰখা, সাম্প্ৰদায়িক শক্তি সমুহ একেলগ কৰা আৰু ধৰ্ম্ম-নিৰপেক্ষতা অটুত ৰখা।

অধ্যক্ষ মহোদয়, আমি অসমত দেখিছো ৭ ডিচেম্বৰৰ পৰা একেৰাহে চাৰি দিন ধৰি সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হৈছে। ইয়াত কিছুমান শক্তি জড়িত আছে। সেই শক্তি সমূহে অসমৰ পৰম্পৰা বিনষ্ট কৰিবলৈ চেষ্টা কৰি আছে। তাৰ ফল স্বৰূপে ১৯৮৩ চনত নেলীত আৰু

গহপুৰত ধুৰ্ভাগ্যজন ঘটনাসমূহ ঘটিল। যোৱা ৭ ডিচেম্বৰত মাননীয় মুখ্যমন্ত্ৰীৰ লগত মই নিজেই সেই সাম্প্ৰদায়িক সংঘৰ্ষ হোৱা ঠাইসমূহ ভ্ৰমণ কৰিছো। বিভিন্ন মন্ত্ৰীক বিভিন্ন ঠাইত দায়িত্ব দিছিল, তাৰ ভিতৰত মোক কান্দুলীমাৰী অঞ্চলৰ দায়িত্বও দিছিল। কান্দুলীমাৰীত সাম্প্ৰদায়িক সংঘৰ্ষত এটা কালিমন্দিৰ জ্বলাই দিছে আৰু বহুতো সাম্প্ৰদায়িক সংঘৰ্ষৰ অভিযোগ আহিছে। এই বিলাক কথা আজিৰ অসমত প্ৰকাশ পাইছে।

অধ্যক্ষ মহোদয়, আজি কিছুমান শক্তিয়ে সাম্প্ৰদায়িক ভিত্তিত নানান সুবিধা গ্ৰহণ কৰিছে। কিন্তু তেওঁলোকৰ মাজত কোনো বুজাবুজি গঢ়ি উঠা নাই। তেওঁলোকৰ মনত যি ভাব গঢ়ি উঠিছে—সেইটো পুলিচ মিলিটাৰীৰ দ্বাৰা মনাব নোৱাৰি। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেইবিলাক ঠাইলৈ গৈ শান্তি স্থাপন কৰি বুজাপৰালৈ আনিবলৈ সক্ষম হৈছে আৰু এতিয়া তাত শান্তি বিৰাজ কৰিছে। তাৰোপৰি আমি দেখিছো সাম্প্ৰদায়িক সংঘৰ্ষত যিবিলাক ঘৰ-দুৱাৰ বিনষ্ট হৈছিল—সেইবিলাক পুনৰ নিৰ্ম্মাণ কৰিবলৈ তেওঁলোক আগবাঢ়ি আহিছে। কালি মন্দিৰ নিৰ্ম্মাণৰ কাৰণে মুখ্যমন্ত্ৰীৰ হাতত ৫০০ টকাও দিছে। কালি মন্দিৰ নিৰ্ম্মাণৰ বাবে এঠাইত ১ হেজাৰ টকা আৰু আন ঠাইত ২ হেজাৰ টকাও দিছে।

মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গগৈ ডাঙৰীয়াৰ লগত এক মত যে আমাৰ অসম ৰাজ্য খনত সাম্প্ৰদায়িক সংঘৰ্ষ আগতে কোনো দিনেই সংঘটিত হোৱা নাছিল, মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱ আৰু মহীয়ান আজান ফকীৰ মহাপুৰুষ সকলে যি মহান

ঐক্য আৰু সংঘটিত ৰাণী তাহানীৰ অসমত প্ৰচাৰ কৰিছিল আৰু তেখেত সকলৰ যি মহান আদৰ্শ সেই সময়ত ডাঙি ধৰিছিল সেই আদৰ্শৰে অনুপ্ৰাণিত হৈ অসমৰ ৰাইজৰ মাজত সাম্প্ৰদায়িক সংঘৰ্ষ হোৱাৰ কোনো স্কোপ নাছিল। গতিকেই আজি আমি সেই মহাপুৰুষ সকলৰ আদৰ্শ আৰু পৰামৰ্শ অনুকৰণ কৰিব লাগিব। সেইজন মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱে বিভিন্ন ধৰ্ম্মৰ লোকক দিক্ষা দিছিল, সেয়েহে তেখেতৰ প্ৰশ্ন শিষ্য আছিল 'চান্দখা ভকত, তেখেত আছিল মুচলমান সম্প্ৰদায়, সেইদৰে নগা সম্প্ৰদায়ৰ পৰা বলাই আৰু গাৰোৰ গোবিন্দ আৰু বিভিন্ন সম্প্ৰদায়ৰ লোকক গুৰু জনাই শিষ্যস্ব দিছিল আৰু তাৰ দ্বাৰা অসমৰ পৰ্ব্বত ভৈয়াম আৰু বিভিন্ন ধৰ্ম্মৰ ৰাইজৰ মাজত ঐক্য সংঘটিত মিলা-প্ৰীতিৰ ভাৱ জগাই তুলিছিল, বিভিন্ন ৰাইজৰ থেকে ভাই-ককাই দৰে বাস কৰিছিল। তেওঁলোকৰ মাজতসদ্ভাৱ-সম্প্ৰীতি আছিল। আপোনা-লোকে জানে আজি যি জিকিৰ গীত আমি শুনিছো সেই গীত মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ বৰগীত সুৰৰ নগত একে। তাহানীৰ অসম ইমানেই বহল আৰু সম্প্ৰীতিৰ আছিল কিন্তু এই ঐক্য আৰু সম্প্ৰীতি বিনষ্ট কৰাৰ কাৰণে আজি কিছুমান দুস্কৃতিকাৰী শক্তিয়ে অহৰহ অপচেষ্টা চলাই আছে। অসমৰ এই ধৰ্ম্মনিৰপেক্ষতা আৰু শান্তি পুনৰ ঘুৰাই অনাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয় শ্ৰী শইকীয়া ডাঙৰীয়াই আপ্ৰাণ চেষ্টা কৰিছে আৰু সেয়েহে আজি এই শান্তি-সম্প্ৰীতি বিনষ্টকাৰী অশুভ শক্তিক বিচাৰি উলিয়াবলৈ আৰু যদি কোনোবা লোক এই কাৰ্য্যত লিপ্ত বাহিৰ কৰি উলিয়াবলৈ তদন্তৰ প্ৰয়োজন সাব্যস্ত কৰিছে আৰু সেই তদন্ত উচ্চ ন্যায়লয়ৰ

বিচাৰকৰ দ্বাৰা ন্যায়িক তদন্ত কৰা হব। এতিয়া আমাৰ মাজত বহুতো ওৱাইণ্ড এলিগেশ্যন আহিছে, অনেকে অসম গণপৰিষদৰ ওপৰত এলিগেশ্যন হে সেইদৰে বিভিন্ন ৰাজনৈতিক দলৰ নেতাৰ ওপৰত অভিযোগ আনিছে। গতিকে যেতিয়া এই ঘটনাৰ ওপৰত ন্যায়িক তদন্ত হব তেতিয়া ইয়াৰ ওপৰত বিচাৰ হব। গতিকে আজি এই সমস্যা বিলাকৰ ওপৰত এটা ন্যায়িক তদন্তৰ প্ৰয়োজন হৈছে। মাননীয় সদস্য গগৈ ডাঙৰীয়াৰ এটা প্ৰশ্নৰ উত্তৰত মই কব বিচাৰিছো আপোনালোকে চাওক যোৱা বছৰটোত ১৯৯১ চনত অসমৰ অৱস্থা কেনে আছিল-ৰাতিৰ কথা কিয় দিন দুপৰতে মানুহক ঘৰৰ পদুলীত হত্যা কৰা হৈছিল উদাহৰণ স্বৰূপে মই কব খোজো অসমৰ প্ৰাক্তন মন্ত্ৰী সিদ্ধিনাথ শৰ্মা দেৱৰ পুত্ৰ স্বৰ্গীয় মানৱেন্দ্ৰ শৰ্মা ডাঙৰীয়াক তেখেতৰ ঘৰৰ পদুলীতে দিন দুপৰত উজান বজাৰত হত্যা কৰা হৈছিল, আনকি তেওঁৰ মৃত্যুৰ সময়ত মুখত এটোপা পানী দিবলৈ অলপ ধৰিবলৈ এজন মানুহ নোলাল কিয়নো প্ৰাণৰ ভয়ত কোনো লোকেই তেওঁৰ ওচৰলৈ অহাৰ সাহস নকৰিলে কিজানিবা তেওঁৰ ওচলৈ গলে তেওঁকো হত্যা কৰা হব গতিকে কোনো লোকেই আগবাঢ়ি আহিবলৈ সাহ নকৰিলে। থিক সেইদৰে আমাৰ মাননীয় মুখ্যমন্ত্ৰী শইকীয়া ডাঙৰীয়াৰ ভ্ৰাতৃ স্বৰ্গীয় ৰোহিতেশ্বৰ শইকীয়া ডাঙৰীয়াক যেতিয়া দুৰ্ব্বিত্তই হত্যা কৰিলে তেতিয়া তেওঁকো প্ৰাণৰ ভয়ত এটুপী পানী মুখত দিবলৈ কোনো আগবাঢ়ি নাহিল। সেই সময়ত মানুহৰ প্ৰাণৰ সংশয় হৈছিলী দিন ৰাতি কেবল প্ৰাণৰ ভয়ত মানুহে ভিতস্থত হৈছিল। সেই সময়তেই অসম গন পৰিষদ চৰকাৰ প্ৰতিস্থিত আছিল, কংগ্ৰেছ আইৰ দলৰ আৰু ৰাজনৈতিক নেতাৰ বহু কেইজনক নৃশংস ভাবে হত্যা কৰা

হৈছিল কিন্তু আজি কংগ্ৰেছ আই সৰকাৰ ৰাজ্য খনলৈ ঘুৰ অহাৰ পাচত আমাৰ ৰাজ্য খনলৈ স্বাভাবিক অৱস্থা ঘুৰি অহাতো সকলোৱে চকুত পৰিছে। কিন্তু কিছু অশুভ শক্তিয়ে পুনৰ আইন শৃংখলা অৱনতি কৰি ৰাজ্য খনত অশান্তি সৃষ্টি কৰিবলৈ চেষ্টা চলাই আছে। ৩৫০ মি. সময়ত অসম গন পৰিষদ ৰাজ্য খনত শাসনাধিষ্ঠ দল আছিল তেতিয়া দিনে নিশাই লৰা-ছোৱালী স্ত্ৰী-জোৱাই নিৰ্বিচাৰে জীয়াই জীয়াই হত্যা কৰা হৈছিল। মাননীয় সদস্য ডাঙৰীয়াই আজি পুতৌ হয় যে অল ইন্দিয়া পাৰ্টি কংগ্ৰেছ আই চৰকাৰ পুনৰ ৰাজ্য খনলৈ ঘূৰি আহিছে কাৰণ যি সময়ত তেখেতে কৈছিল যে আঞ্চলিক দল ৰাজ্য খনৰ কাৰণে লাগে কিন্তু আঞ্চলিক দল নাহিল, সৰ্ব্ব ভাৰতীয় দল আহিল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিৰ্ব্বাচনৰ সময়ত কৈছিল যে যদি কংগ্ৰেছ আই চৰকাৰ শাসনলৈ ঘূৰি আহে তেতিয়াহলে অসমলৈ পুনৰ শান্তি ঘূৰি আহিব আৰু শান্তি ঘূৰাই আনিম, আজি শান্তি অৱশ্যে ঘূৰি আহিছে, আজি সকলোৱে মুকলি মনে ঘূৰি ফুৰিব পৰা হৈছে, সকলো ৰাজনৈতিক দলৰ লোকে একেলগে মিলি জুলি কাম কৰিছে, বামে চামে একেলগে একে ঘাটতে পানী খোৱাৰ নিচিনাকৈ ঘূৰি আছে কিন্তু সেই অৱস্থাতো আগতে একে আছিল নেকি? মোৰ মনত পৰিছে এজন শিল্পীয়ে কৈছিল বোলে অসমত এজিপিয়ে ২০০ বছৰ শাসন চলাব কিন্তু দুখৰ বিষয় ৫ বছৰ সম্পুৰ্ণ নহওতেই ৰাইজে এজিপিক প্ৰত্যাখান কৰিলে। আজি কংগ্ৰেছ আই শাসনলৈ ঘূৰি অহাৰ পাচত অতি কম সময়ৰ ভিতৰতে ৰাজ্য খনলৈ শান্তি ঘূৰি আহিছে, সকলো ৰাজনৈতিক দলৰ লোকে এজিপিয়ে বিজেপিয়ে আৰু সকলো ৰাইজে মুকলি

মনে নির্ভয়ে ঘূৰি ফুৰিব পাৰিছে, একে ঘাটতে বাঘে-চাগে পানী খাইছে।

—( হুলস্থূল )—

মাননীয় সভাপতি মহোদয় ২৬ নবেম্বৰ তাৰিখে এই সিদ্ধান্ত-গ্ৰহণ কৰাৰ পিছত ২৭ তাৰিখে অসম গণ পৰিষদ চৰকাৰ ভঙ্গ হৈ গ'ল। গতিকে এই ব্যৱস্থা কাৰ্য্যকৰী নহ'ল। কাৰবি আংলং জিলা পৰিষদ ভঙ্গ কৰাৰ সিদ্ধান্ত এই চৰকাৰৰ সিদ্ধান্ত নহয়। এই সিদ্ধান্ত লৈছিল আগৰ অসম গণ পৰিষদ চৰকাৰে। বড়ো সমস্যা কাৰবি সমস্যা অসম গণ পৰিষদ চৰকাৰৰ দিনৰে।

( —গণ্ডগোল— )

মাননীয় সভাপতি মহোদয়, বড়ো সমস্যাৰ সন্দৰ্ভত ভূমকাত নাৰীৰ ওপৰত ধৰ্ষণ কৰা হৈছিল সেয়াও অসম গণ পৰিষদ চৰকাৰৰ দিনতে সংঘটিত হৈছিল। সেই চৰকাৰে নিৰ্দেশ দিছিল যে যিসকল ছোৱালীৰ ওপৰত ধৰ্ষণ কৰা হৈছিল সেই সকলক ক্ষতি পূৰণ দিবলৈ হাই কোৰ্টে নিৰ্দে'শ দিছিল। সেই নিৰ্দে'শ অসম গণ পৰিষদ চৰকাৰে দিছিল। মই কব খুজিছো যে আজি আইন-শৃংখলা পৰিস্থিতিৰ যি পৰিস্থিতি হৈছে সেই পৰিস্থিতি আজিৰ নহয়। সেইয়া এ জি পি চৰকাৰৰ দিনৰ। এই কাৰণে মই কব খুজিছো যে এই অনাস্থা প্ৰস্তাৱৰ যুক্তি যুক্ততা নাই। মাত্ৰ এই অধিবেশনৰ মজিয়াত তাক উত্থাপন কৰিছে কথাখিনি ৰাইজে শুনিব বুলি ভাবিছে। গতিকে মই অনুৰোধ কৰিম যাতে এই অনাস্থা প্ৰস্তাৱৰ উঠাই লয়। আপোনালোকে দেখিছে সংসদত চি পি এম দলে অনাস্থা প্ৰস্তাৱৰ বিৰোধিতা কৰিছে। চি পি এমৰ নেতা শ্ৰী জ্যোতি বসুৱে সকলো ধৰ্ম নিৰপেক্ষতাক বিশ্বাস কৰা ৰাজনৈতিক

দলকে একে লগে কাম কৰি যাবলৈ অনুৰোধ কৰিছে। সেই কাৰণে মই ভাবিছো মাননীয় শ্ৰী প্ৰমোদ গগৈ আৰু শ্ৰী শশকমল সন্দিকৈ দাঙৰীয়াই অনাস্থা প্ৰস্তাৱ উঠাই লবলৈ আগবাঢ়ি আহিব।

—গণ্ডগোল—

এই ধৰ্ম নিৰপেক্ষতাৰ ক্ষেত্ৰত শ্ৰী জ্যোতি বসু ডাঙৰীয়াই যি নিৰ্দ্দেশ দিছে তাক শ্ৰীগগৈ ডাঙৰীয়াই মানি লৈ এই অনাস্থা প্ৰস্তাৱ উঠাই লব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰিছো।

মাননীয় সভাপতি :— এতিয়া মাননীয় সদস্য শ্ৰী ভৃগু কুমাৰ ফুকনে কব।

শ্ৰী ভৃগু কুমাৰ ফুকন :— মাননীয় অধ্যক্ষ মাহাদয়, আজি সদনত বিৰোধী পক্ষই যিটো অনাস্থা প্ৰস্তাৱ শাসনাধিস্থিত চৰকাৰৰ বিৰুদ্ধে উত্থাপন কৰিছে তাৰ মই সম্পূৰ্ণ সমৰ্থন আগবঢ়াই মই মোৰ বক্তব্য দাঙি ধৰিব বিচাৰিছো। অনাস্থা প্ৰস্তাৱ সদনত উত্থাপন হোৱাটো সংসদীয় গণতন্ত্ৰৰ এটা পৰম্পৰা, নীতি, নিয়ম। সেই নীতি নিয়ম আগত ৰাখিয়েই আজি অনাস্থা প্ৰস্তাৱ উত্থাপন কৰা হৈছে। ইয়াত কোনো বিৰোধী ৰাজনৈতিক দলে নিজৰ ৰাজনৈতিক মুনাফা আদায়ৰ বাবে বা নিজৰ ৰাজনৈতিক স্বাৰ্থৰ বাবে অনাস্থা প্ৰস্তাৱ উত্থাপন নকৰে। শাসনাধিস্থিত শাসকিয় দলৰ সদস্য সকলে তেওঁলোকৰ বক্তব্যত যিখিনি কথা উত্থাপন কৰিছে যেন তেওঁলোকে ভয় খাইছে এনেকুৱা অনুমান হয়।

( —সদনত হুলুস্থুল হয়— )

মাননীয় সভাপতি মহোদয়, আজি সদনত অনাস্থা প্ৰস্তাৱ এই কাৰণে উত্থাপন কৰা হৈছে যে আজি ৰাইজৰ চাৰিও পিনে অনিশ্চয়তাৰ

সৃষ্টি হৈছে, ৰাজ্যত অশান্তিৰ বাতাবৰণ সৃষ্টি হৈছে। ৰাম জনম ভূমি বাবৰি মছজিদ সন্দৰ্ভত অসমত যিবিলাক ঘটনা সংঘটিত হৈছে সেই ঘটনা অসমৰ ইতিহাসত এক কলংকিত অধ্যায় হিচাবে চিহ্নিত হ'ল। অসমৰ গণতন্ত্ৰৰ প্ৰতি সচেতন আৰু অসমৰ শান্তিপ্ৰেমী প্ৰতি জন নাগৰিকে আজি লক্ষ্য কৰিছে এই ঘটনা কেনেকৈ সংঘটিত হবলৈ পালে বা এই ঘটনাত কোনো ৰাজনৈতিক লোক জৰিত আছে বুলি আমিও ভাবিছো। সেই কাৰণে এই অনাস্থা প্ৰস্তাৱ বিশ্লেষন কৰাৰ বাবে আগবাঢ়ি আহিছো।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৬ ডিচেম্বৰ তাৰিখে দিল্লীত বাবৰি মছজিদ সন্দৰ্ভত ভাৰত চৰকাৰে সকলো ৰাজ্যকে স্পষ্ট কৰি সতৰ্কতা মূলক ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিছিল। সেই নিৰ্দ্দেশ দেশৰ চুকে কোনে গৈছিল। অসমতো সেই নিৰ্দ্দেশ ৰাজ্য চৰকাৰে পাইছিল। কিন্তু সেই নিৰ্দ্দেশ পোৱাৰ পিছতো অসমত কিয় সংঘটিত হবলৈ পালে? অসমৰ ডি, চি, এছ, পিৰ সন্মুখতে এই বিলাক কেনেকৈ ঘটিবলৈ পালে? মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই স্বীকাৰ কৰিছে যে ইয়াত ৰাজনৈতিক নেতৃত্বৰ জৰিত আছিল। আমি বিচৰা নাই অসমত এনেকুৱা ঘটনা সংঘটিত হওঁক। যদি এচাম ব্যক্তি এই ঘটনাত পোন পটিয়াকৈ জৰিত হৈ পৰিছে তেনেহলে তাত চৰকাৰৰ নিৰ্বিকাৰ হোৱাৰ কথা প্ৰমানিত হ'ল। আজি তদন্ত আয়োগ গঠন কৰা হৈছে। কিন্তু সেই তদন্ত আয়োগে সেই ঘটনাত জৰিত সেই সকল মন্ত্ৰী বিধায়কৰ ওপৰত নিৰপেক্ষ ব্যৱস্থা লব লাগিব। এনেকুৱা নিৰপেক্ষ ব্যৱস্থা লবলৈ চৰকাৰৰ ওচৰত অনুৰোধ জনালো। আজি

কেন্দ্ৰত যিহেতু এনেকুৱা ঘটনাৰ সংক্ৰান্তত আদোৱানি, যোশীক গ্ৰেপ্তাৰ কৰিব পাৰে তেনে ক্ষেত্ৰত আমাৰ ইয়াত জৰিত থকা ব্যক্তি সকলক গ্ৰেপ্তাৰ কৰিব নোৱাৰাৰ কাৰণ নাই। মই এনে এটা বিষয় উত্থাপন কৰিব বিচাৰিছো সেইটো হৈছে চৰকাৰ গঠন হোৱাৰ পিছত ৰাজ্যখনৰ বিভিন্ন সমস্যাবলি যেনে আবচু আলফা কাৰবি সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি মতে আজি চৰকাৰ গঠন হোৱাৰ ১৮ মাহৰ পিছতো সমস্যাৱলি সমাধান কৰাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতি পালন কৰা নেদেখিলো, ৰাইজৰ আশাত চেচাঁ পানী ধালিলে। আজি বিধান সভাৰ তিনি গৰাকী বিধায়িনী দলৰ বিধায়কক বোমা বিস্ফোৰণৰ সংক্ৰান্তত গ্ৰেপ্তাৰ কৰা হৈছে। তেওঁলোক নিৰ্দোষী বুলি মই কব খোজা নাই। তেওঁলোক দোষী বা নিৰ্দোষী হওক সেইটো আচল কথা নহয়। কিন্তু বোমা বিস্ফোৰণ কি কাৰণে সংঘটিত কৰিব লগা হ'ল আৰু তাৰ উৎস কত? সেইটো বিচাৰি উলিওৱাৰ ক্ষে ত চৰকাৰৰ প্ৰচেষ্টা দেখা নাই। চৰকাৰৰ ওচৰত দাবী জনাইছো যাতে যাতে ক্ষতিগ্ৰস্ত অঞ্চল সমূহৰ ক্ষেত্ৰত সুব্যৱস্থা লয়। চৰকাৰে এই সমস্যাটো সমাধানৰ ক্ষেত্ৰত যি ব্যৱস্থা লব লাগিছিল সেই পদক্ষেপ লোৱাত ব্যৰ্থ হৈছে। বাকী সদস্যৰ নালাগে শাসক দলৰ সাংসদ সদস্য এগৰাকীয়ে বাতৰি কাকতত বিবৃতি দিছে। সাংবাদিক মেলত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কৈছে যে চৰকাৰে যি ধৰণে পদক্ষেপ লব লাগিছিল সেই ধৰণে পদক্ষেপ গ্ৰহণ নকৰিলে। আমি দেখিছো আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছে যে আলাপ আলোচনাৰ যোগেদি এই সমস্যা সমাধান কৰা হব। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই জনাইছে যে বড়ো সমস্যা কেন্দ্ৰীয় চৰকাৰৰ দায়িত্বত

দিয়া হৈছে। যদি এই কথা সত্য হয় তেনেহলে আমি সেই কথাত সুখি হম।

মাননীয় সভাপতি মহোদয়, আজি আমাৰ ৰাজ্য খনত এখন সংশোধিত, শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ বিষয়টো লৈ যি সমস্যাৰ সৃষ্টি হৈছে ইয়াক লৈ ৰাজ্য খনৰ জনসাধাৰণ আজি অতি উদ্‌বিগ্ন হৈ পৰিছে। এই প্ৰশ্নটো আজি দেশখনৰ আভ্যন্তৰীণ নিৰাপত্তা ব্যৱস্থাৰ লগত জড়িত হৈ আছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিছেই অতিকৈ নিৰাশজনক। ভোটাৰ তালিকা সংশোধনীৰ বিষয়টো লৈ নিৰ্ব্বাচনী আয়োগে ৰাজ্য চৰকাৰলৈ যি নিৰ্দ্দেশ দিছে সেই নিৰ্দ্দেশ চৰকাৰে মানিব খোজা নাই। আনহাতে চৰকাৰে বিৰোধী দলবোৰক ভোটাৰ তালিকাৰ বিষয়টো লৈ ৰাজনীতিৰ খেল খেলা বুলি দোষাৰোপ কৰিছে। সভাপতি মহোদয় ৰাজ্য খনত এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰিব লাগে বুলি আমি দাবী কৰাৰ অধিকাৰ আছে। যোৱা ২২ চেপ্তেম্বৰত অনুষ্ঠিত হোৱা সৰ্ব্বদলীয় সভাত, নিৰ্ব্বাচনী আয়োগৰ নিৰ্দ্দেশাৱলীৰ ওপৰত আলোচনা কৰা হৈছিল আৰু চৰকাৰে নিৰ্ব্বাচনী আয়োগৰ নিৰ্দ্দেশাৱলী আখৰে আখৰে পালন কৰা হব বুলি কৈছিল আৰু এই বিষয়ে ৰাজ্য চৰকাৰৰ বিভিন্ন বিষয়ালৈ নিৰ্দ্দেশ দিয়া বুলিও কৈছিল। কিন্তু চৰকাৰে যে নিৰ্ব্বাচনী আয়োগৰ ভোতাৰ তালিকা সংশোধনী সম্পৰ্কীয় নিৰ্দ্দেশাৱলী পালন কৰিব নোৱাৰে সেই বিষয়ে নিৰ্ব্বাচনী আয়োগলৈ ১৪ চেপ্তেম্বৰ তাৰিখে এখন চিঠি প্ৰেৰণ কৰে। সেই চিঠিৰ উত্তৰত

নিৰ্ব্বাচনী আয়োগে যোৱা ২৫ নবেম্বৰত ৰাজ্য চৰকাৰলৈ এখন চিঠি প্ৰেৰণ কৰিছে। উক্ত চিঠিখনৰ কিছু অংশ মই পঢ়ি দিছো—

The Commission, on careful consideration of the stand taken by the State Govt. of Assam found it at variance with the direction issued by the Commission in consultation with the Ministry of Home Affairs and also found the alternative suggested in the State Govt's letter.

সভাপতি মহোদয়, এইবোৰ কথা আমি কোৱা কথা নহয়, নিৰ্ব্বাচনী আয়োগে কোৱা কথা। ৰাজ্য চৰকাৰে ২২ চেপ্তেম্বৰত অনুষ্ঠিত হোৱা সৰ্ব্বদলীয় সভাত এই কথা গোপন কৰি ৰাখিছিল। যি খন চৰকাৰে ভাৰতীয় সংবিধানৰ নীতি নিয়ম মানিব নোখোজে, নিৰ্ব্বাচনী আয়োগৰ নিৰ্দ্দেশাবলী মানিব নোখোজে সেইখন চৰকাৰৰ গাদীত থকাৰ কোনো নৈতিক অধিকাৰ নাই।

সভাপতি মহোদয়, এই চৰকাৰৰ দুৰ্নীতিৰ কথা কবলৈ হলে ইমান কম সময় মানে ২-১ দিনতে কৈ শেষ কৰিব পৰা নেযাব, দুৰ্নীতিৰ কথা আলোচনা কৰিবলৈ হলে কেইবাদিনো সময় লাগিব। আজি দুৰ্নীতিয়ে এনে এটা ৰূপে লৈছে ইয়াক সহজে নিৰ্ম্মুল কৰা টান হব। ই সকলো বিভাগলৈ সোমাই পৰিছে। অলপছে এই চৰকাৰৰ দুৰ্নীতি সম্পৰ্কে ৰাজ্য খনৰ এজন প্ৰবীণ নেতা প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰী শৰত চন্দ্ৰ সিংহ ডাঙৰীয়াই কৈছে যে আজি জনতা ভৱনটো এক 'স্বপিং চেণ্টাৰ' লৈ ৰূপান্তৰিত হৈছে। তেখেতে অতি সচা কথাই

কৈছে। আজি জনতা ভৱনৰ চাইনবোৰ্ডখন গুচাই দি তাৰ ঠাইত অমুক বিভাগৰ দোকানী অমুক বিভাগৰ বেপাৰী আছে বুলি নাম ফলক লগাবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই এটা ভাল পৰামৰ্শ দিছে যে এই চৰকাৰৰ দুৰ্নীতি অনুসন্ধান কৰিবলৈ এখন সদন কমিটি গঠন কৰিব লাগে। আমিও দাবী কৰিছো এই ক্ষেত্ৰত চৰকাৰে এখন সদন কমিটি গঠন কৰিব লাগে। মই আৰু এটা কথা এই খিনিকে উল্লেখ কৰিব খুজিছো- যোৱা ১৪-১২-৯২ তাৰিখে মাননীয় মুখ্যমন্ত্ৰীক মই এটা প্ৰশ্ন কৰিছিলো যে বিদেশী নাগৰিক চিনাক্তকৰণৰ ক্ষেত্ৰত আই, এম, ডি, টি, আইনখন বাধাস্বৰূপ বুলি চৰকাৰে অনুভৱ কৰে নেকি ? কিন্তু মুখ্যমন্ত্ৰী য়ে উত্তৰত কলে যে বিদেশী নাগৰিক চিনাক্তকৰণৰ ক্ষেত্ৰত আই, এম, ডি, টি, আইনখন বাবাস্বৰূপ বুলি চৰকাৰে অনুভৱ নকৰে। কিন্তু চৰকাৰে এখন ডকুমেণ্ট পাব্লিচ কৰিছে জনসংযোগ বিভাগৰ দ্বাৰা, য'ত এই বিষয়ত কোৱা হৈছে—

It appears from the progress of deportation of foreigners under the IMDT Act is very cumbersome and extremely slow. So, the existing IMDT Act should be progressively reviewed for detection deportation.

গতিকে সভাপতি মহোদয়, আমি কোনটো কথা বিশ্বাস কৰিম—

চৰকাৰী ডকুমেণ্টৰ কথা নে মুখ্যমন্ত্ৰীৰ বিবৃতিৰ কথা বিশ্বাস কৰিম ? এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ পৰা মই স্পষ্টীকৰণ বিচাৰিছো।

Speech not Corrected

মাননীয় সভাপতি :— এতিয়া মাননীয় সদস্য শ্ৰীলক্ষী প্ৰসাদ বৰগোহাই দেবে কব।

শ্ৰীলক্ষী প্ৰসাদ বৰগোহাই :— মাননীয় সভাপতি মহোদয়, আজি সদনত যি অনাস্থা প্ৰস্তাৱ আহিছে, এই অনাস্থা প্ৰস্তাব সম্পৰ্কত কবলৈ উঠাটো কিবা কিবা যেন লাগিছে। কাৰণ প্ৰস্তাৱটো আহিব লাগে বুলিয়েই আহিছে যেন ধাৰণা হৈছে। বিৰোধী সকলে কথা কবলৈ কিবা এটা বিষয় উলিয়াব লাগে কাৰণেই এইটো উলিউৱা হৈছে, অনা হৈছে।

(ভয়চ : বিধান সভাৰ পিচতে কেবিনেট বিচাফল হব, চান্স আছে) বি-চাফোল সম্পৰ্কে যোৱা কেইবাদিনো বহুতেই মোক মন্তব্য দিছে। কোনোবাই মোক ঘাট মাউৰা বুলিও উপাধী দিছে। শিবসাগৰৰ পৰা ৫ জন কংগ্ৰেছ (আই) এম, এল, এ আহিছে তাত মই বাদ পৰিছো। মই ভাবো মই নোপোৱাটো ভালেই হৈছে। মোৰ ঠাইত মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈক ললেও মোৰ অকনো আপত্তি নাই। অৱশ্যে এইটোৰ সম্পৰ্কত চৰকাৰৰ পক্ষৰ পৰা বিশেষ ধৰণে মাত নামাতো। আপোনালোকে কোৱা কাৰণেই এই কথাকেইটা কলো। যি কি নওহক আজি যিটো অনাস্থা প্ৰস্তাৱ আনিছে সেই সম্পৰ্কে মই বেছিকৈ কোৱাৰ যুক্তি যুক্ত নাই বুলি ভাবো। আগতেও বিৰোধী পক্ষই অনাস্থা প্ৰস্তাৱ আনে আৰু শেষত তাক উঠাই লয়, গতিকে এইবোৰ তাকেই হব—সেয়ে মই বিশেষ কব খোজা নাই। কিন্তু কেইটামান কথা কব লাগিব। আজি বাবৰি মজজিদ লৈ যি খিনি ঘটণা অসমত ঘাটি গ'ল

ই অত্যন্ত দুভাগ্য জনক। এনে ঘটণা অসমত আগতে কেতিয়াও হোৱা নাছিল, ততস্বত্বেও এইটো হবলৈ পালে, এইটো বৰ দুভাগ্য জনক, বেদনাদায়ক। কিন্তু ইয়াকে লৈ এচামে হীন তথা ঘৃণণীয় ৰাজনীতিৰ খেলা খেলাতো উচিত নহয়। আজি যি জুই জলিছে এই জুই আমি নুমাব লাগিব। ইয়াৰ কাৰণে কাৰো গাত বোকা চটিয়ালে নহব। আমি জুই চিৰদিনৰ কাৰণে নুমুৱাৰ ব্যৱস্থা কৰিব লাগিব।

পুলিচ মিলিটাৰি বে শাসন কৰি দমন কৰি আমাৰ অন্তৰৰ জুই কুৰা নুমাব নোৱাৰি। বৰ্ত্তমান জুইকুৰা নিৰ্ব্বাপিত তেনেকৈ নহব। ইয়াৰ সঁচ নমৰিব। আমি কিন্তু ইয়াৰ সঁচ মাৰিব লাগিব। কেৱল বিৰোধীতা কৰাৰ কাৰণেই বিৰোধীতা কৰিলে নহব। এই খন আমাৰ অসম। মায়ে আমাক জন্ম দিওঁতে এ-জি-পি, কমিউনিষ্ট বা কংগ্ৰেছ আই কৰি জন্ম দিয়ানাছিল। আমি সকলোৱে অসম খনৰ কাৰণে চিন্তা কৰিব লাগিব। মহন্ত ডাঙৰীয়াই এটা কথা কৈছিল। বাংলাদেশ বা পাকিস্তানৰ ইয়াত কবলগীয়া নাই। মহন্ত বৰ ভাল ল'ৰা। কথা কৈ থাকোতে মুখখন দেখি ভাল লাগিছিল। আমাৰ বিবেচনা বিলাক এনেকুৱা ধৰণৰ হব লাগে। মুছলমান সকলৰ কাৰণে বাংলাদেশ বা পাকিস্তানৰ পৰা মৃতাহুতি দিবলৈ আহে। সেইটো নহব। দেশ পিচত থাকিলে জাতি পিচত থাকিলেই হব।

( ভইচ অনাস্থাপ্ৰস্তাৱ পাচ নকৰিব নেকি )

নকৰো : এই কাৰণেই পাচ কৰিব নোৱাৰো যে এই বিলাক

গোলমালৰ সুবিধা ৰাজনৈতিক ভাবে লবলৈ বিচৰা উচিত নহয়। এই কামৰ কাৰণে ৰাজনৈতিক জেৰ উঠোৱা উচিত নহয়।

( ভইচ : জলেশ্বৰলৈযাওক )

ধৈৰ্য্য ধৰক। মই কম। জুই জলোৱাৰ কাৰণে কংগ্ৰেছ দায়ী নহয়।

( ভইচ : ৰাগিবী দায়ী )

নহবও পাৰে। মোক কবলৈ দিয়ক। আমি তদন্ত কমিটি বহুৱাইছো। কমিটিয়ে ৰাগিবীক দোষী সাব্যস্ত কৰিব পাৰে নকৰিবও পাৰে। যি সকলে জোৰ জুলুম কৰিছে সেই সকলোকো দোষী সাব্যস্ত কৰিব পাৰে। গতিকে মই নকওঁ। তদন্ত কমিটি শেষ হওক।

( ভইচ : আফজালুৰ ৰহমানৰ কথা কওক। )

আমিও হোজাই লৈ গৈছিলো। এজন অগপ নেতা খলিল চৌধুৰীয়ে সেই ঠাইত তেওঁৰ কাঠৰ মিল আছে আৰু তাতে প্ৰায় আশীজন মান দুস্কৃতিকাৰী আশ্ৰয় লৈছিল আৰু সেই সকলক দুস্কৃতি কৰিবলৈ দিয়াকথাও তাৰেই মানুহে কৈছে। চৰকাৰে তেওঁক বিচাৰি পোৱা নাই কিন্তু ভায়েক দুজনক বিচাৰি পাই গ্ৰেপ্তাৰ কৰিছে। শুনিছো তেওঁ আহি বিধান সভাৰ কোনোবা সদস্যৰ লগত আছেহি।

শ্ৰী ভৰত চন্দ্ৰ নৰহ :— চৰকাৰে বিধানসভাৰ সদস্যকে গ্ৰেপ্তাৰ কৰিব পাৰিছে।

সদস্যৰ ঘৰত থকালোকক গ্রেপ্তাৰ কৰিব নোৱাৰিব কিয় ?

( Chairman vacate the Chair for Mr. Speaker )

Mr. Speaker : Please take your seat and speak one by one.

Shri Ramendra Narayan Kalita : Point of Order. Point of Order, Sir.

Mr. Speaker : Please take your seat and be clam.

* শ্রীলক্ষী বৰগোহাঁই :— মই জানো কাৰ ঘৰত আছে ?

( ভইচ ঃ কওক কওক কাৰঘৰত আছে। )

নকওঁ। কিন্তু আপোনালোকে জানিব এইখন দেশ হিন্দুৰ নহয়, মুছলমানৰ নহয়, খ্রীষ্টিয়ানৰ নহয় জৈনৰ নহয় কিন্তু সকলোৰে। সকলো আছে। এইখন দেশত মানুহ আছে। ইয়াত ৰাজনৈতিক দলৰ নেতা নাই। ৰাজনীতি কৰিলেই নহয়। দেশত মানুহ আছে। হোজাই, যমুনামুখ ডবক লৈ আমি গৈছো।

* শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা :— ৰাজনৈতিক নেতা বিলাক মানুহ নহয় নেকি ?

* শ্রী লক্ষী বৰগোহাঁই :— কেৱলদুটা, চকু, কাণ দুখন, হাত দুখন থাকিলেই মানুহ বুলি কব নোৱাৰি। মোৰ এটা কথা মনত পৰিছে 'সত্যম্ ব্রূৱাদ প্রিয়ম্ ব্রূৱাদ, মা ব্রূৱাদ সত্যম অপ্রিয়ম।' সত্য হলেও অপ্রিয়

কথা কব নালাগে। মই শ্লোকটিৰ এইখিনি কথাহে জানো কিন্তু মোৰ মুখৰ পৰাসত্য কথা ওলাই পৰে।

( ভইচ : সেই কাৰণে মন্ত্ৰী সভাত লোৱা নাই )

সেইটো দলপতিৰ ওপৰত। আপোনালোকে অনাস্থা প্ৰস্তাৱৰ জৰিয়তে কাৰ্বি আংলঙৰ কথা কৈছে। আমাৰ মুকুট শৰ্মা ডাঙৰীয়াই এটা কথা কৈছে যে এ-জি-পি, এন-এ-জি-পি, কমিউনিষ্ট বি জে পি সকলোৱে এক হৈ কাৰ্বি আংলং জিলা পৰিষদ ভঙাৰ কাৰণে বিৰুদ্ধে মাত মাতিছে।

( ভইচ : বি জে পিয়ে কোৱা নাই। আপোনালোকৰ লগত আছে। )

কংগ্ৰেছী আইৰ বাহিৰে বিভিন্ন দলে কৈছে। আমিও ভিজিট দিছো। আপোনালোকেও ভিজিট দি আহিছে। বহুতে উচটনি দি আহিছে। তাৰ স্থানীয় লোকে নেতা সকলে কি ক'ত কৈছে সেই বিলাক শুনি আছো। আচলতে এই বিষয়ত এ-জি-পিব মাত মতাত কোনো অধিকাৰ নাছিল। এই সম্পৰ্কে ২৭ নবেম্বৰত ৰাষ্ট্ৰপতি শাসনৰ আগতে এ-জি-পি য়ে কেবিনেট সিদ্ধান্ত লৈছিল কাৰ্বি আংলং জিলা পৰিষদ ভঙ্গ কৰিব লাগে বুলি। কিন্তু ৰাষ্ট্ৰপতিৰ শাসন চলি থকা কাৰণেই কাৰ্য্যকৰী কৰিবলৈ সুযোগ নাপালে। ৰাৱনৰ নিচিনা হ'ল। ভালকাম বিলাক কৰিবলৈ সময় নাপালে। এ জি পিও ৰাৱনৰ বংশ বোধহয়। ৰাঙসৰ স্বভাৱেই হ'ল নৰহত্যা কৰা।

( ভইচ : উত্তৰ কাচাৰৰ কি হব )

জনতা পাৰ্টিৰ দুলাল বৰুৱাই গৈ কৈ আহিছে কাৰ্বি আংলং জিলা

পৰিষদ ভঙ্গ কৰাৰ কাৰণে তাৰ শতকৰা ৯০ ভাগ লোকেই বেয়া পাইছে।

জনতা পাৰ্টি'ৰ নেতা মাননীয় শ্ৰী হুলাল চন্দ্ৰ বৰুৱাই কাৰবি আংলং জিলালৈ গৈ আহিছে আৰু কৈছেহি যে কাৰবি জিলা পৰিষদৰ ভঙ্গ হৈ যোৱাৰ ফলত প্ৰায় ৯০ শতাংশ মানুহ বিৰোধী হৈ গৈছে। কিন্তু সেই জিলা পৰিষদৰে সভাপতি আছিল, শ্ৰী টিমুং, আৰু তেখেতে কৈছে যে এই জিলা পৰিষদ খন ভাঙি দিয়াত ইমান ভাল হৈছে যে প্ৰায় ৮০ শতাংশ মানুহ উপকৃত হৈছে। ইয়াত ৰাজনৈতিক মুনাফা আদায়ৰ কথা নাই।

( ভইচ ঃ চৰন কও 'কি কৰিব ?' )

চৰনৰ কথা গুলি মাৰক।

( এই দৰে কোৱাৰ পিছতেই সদনত হুলস্থুল আৰম্ভ হয়। কথাটো উঠাই লবলৈ কৈ সদস্য সকলে চিঞৰ-বাখৰ কৰে। )

মাননীয় সদস্য সকল শুনক—মই মন্ত্ৰী চৰনক গুলি মৰা কথা কোৱা নাই, তেখেতে কোৱা উক্তি খিনিৰ কথাহে কৈছোঁ।

( কিন্তু বিৰোধী পক্ষৰ সদস্য সকলে তেতিয়াও চিঞৰিয়েই থাকে। এনেতে মাননীয় অধ্যক্ষই ১০ মিনিটৰ কাৰণে হাউচ এড্‌জৰ্ন কৰে। )

Mr. Speaker : Be Quiet.

( —Interouptions— )

Please Mr. Sargiary hear me.

Speech not Corrected

Please be seated.

House stands adjourned for 10 minutes upto 1.55 P. M.

( ১০ মিনিটৰ সভা স্থগিত পিচত )

* শ্ৰী ভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সদনত এগৰাকী মাননীয় সদস্যই অনাস্থা প্ৰস্তাৱত অংশ গ্ৰহণ কৰি থকাৰ সময়তে কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ অশালিন ব্যৱহাৰ কৰা মনোভাৱ পোষণ কৰিছিল। মাননীয় গৃহমন্ত্ৰীৰ বিৰুদ্ধে এনে ধৰণৰ অশালিন ব্যৱহাৰ কৰাটো আমি প্ৰতিবাদ জনাইছো।

( সদনত গণ্ডগোল )

* শ্ৰী লক্ষী প্ৰসাদ বৰগোহাঁই : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ভাৰতবৰ্ষৰ গৃহমন্ত্ৰীৰ বিৰুদ্ধে যি অশালিন ব্যৱহাৰ কৰা কথা ইয়াত এজন মাননীয় সদস্যই উৎথাপন কৰিছে সেইটোৰ প্ৰতি মই প্ৰতিবাদ কৰিছো আৰু জ্ঞাত, অজ্ঞাত হিচাপে মই তেখেতৰ বিৰুদ্ধে কোনো মন্তব্য পদৰ্শন কৰিব নোৱাৰো। সেই গৰাকী গৃহমন্ত্ৰীয়ে আমাৰ প্ৰতি মুহুৰ্ত্ততে, প্ৰতিটো ক্ষেত্ৰতে সহায় কৰি আহিছে।

( সদনত গণ্ডগোল )

* শ্ৰী জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মোক কবলৈ নিদিয়ে কিয়। মই বেলেগ কথাহে কবলৈ ওলাইছো।

* শ্ৰী লক্ষী প্ৰসাদ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত যিবোৰ অভিযোগ আনিছে সেই বিলাক সত্য নহয়। যোৱা কালি

মই নিজেই চাই আহিছো বিভিন্ন কেম্পত গৈ বিভিন্ন গাঁৱে গাঁৱে সোমাই আহিছো, ধাননী পথাৰে পথাৰে গৈ লগ ধৰি আহিছো। এই অভিযোগৰ অলপো সত্যতা নাই।

মই নিজে চান্দমাটি গাওঁলৈ গৈছিলো। ধাননী পথাৰত যি সকলে আশ্ৰয় লৈ ধান কাটি আছে সেই সকলৰ পায় এহেজাৰ জনক লক কৰি মিটিং পাতিছো তেওঁলোকৰ লগত কথা বতৰা পাতিছো। যি বিলাক অঘটন হৈ গৈছে তাৰ বাবে সেই গাওঁৰ ৰাইজ যথেষ্ট অনুতপ্ত হৈছে। সংখ্যালঘু সম্প্ৰদায়ৰ লোকে ঘৰ-দুৱাৰ সাজিবলৈ লৈছে। খলিলুৰ ৰহমান নামৰ মুছলমান মানুহ জনে নিজৰ খেৰ ৰাহেৰে ঘৰ তৈয়াৰ কৰি দিছে।

খলীলুৰ ৰহমান দুজন। খলীলুৰ চৌধুৰীয়ে ৮০-৯০ জন গুণ্ডা প্ৰকৃতিৰ মানুহ লগাই সেই অঞ্চলত অশান্তিৰ সৃষ্টি কৰিছে। খলীলুৰ ৰহমান এজন অমুছলমান মানুহ তেওঁৰ অন্তৰৰ যিটো অনুভূতি তাক মই আজি সদনত আদৰণি জনাব খুজিছো। তেওঁ ভাল কাম কৰাৰ কাৰণে আপোনালোক ক্ষুব্ধ হৈছে নে কি? দবকাত এজনে তেওঁৰ ঘৰত ৮০ জন হিন্দু মানুহক পোহপাল দি খুৱাই বুৱাই ৰাখিছে। আত্মাক সন্মান নজনাব নেকি? জীয়াই থকা মানুহৰ আত্মা। আত্মা অমৰ। আত্মা আৰু প্ৰেত্মাত্মা দুটা বেলেগ বস্তু। প্ৰেতাত্মাৰ কথা কোৱা নাই। আপোনালোকে কেৱল বেয়া কথাহে চিন্তা কৰি থাকে। গোৱাল পাৰা ধুবুৰীৰ কথা কৈছো। তাত আমাৰ মন্ত্ৰী মহীবুল হকৰ বিৰুদ্ধে কিছুমান কথা কৈছে। তেখেতৰ সমষ্টিত ৮ তাৰিখে ৰাতিপুৱা ৯ বজাত। তেখেতৰ সন্মুখত লুণ্ঠন,

হত্যাকাণ্ড ইত্যাদি হৈছে বুলি কৈছে। তেখেত সেই দিনা গুৱাহাটীৰ পৰা ৰাতি ১১ বজাত গৈ পাইছে। শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই তেখেতৰ শহুৰেকৰ ঘৰৰ পৰা খবৰ লোৱা হলে ভাল আছিল।

* শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত :— মই বগৰী বাৰিৰ কথা কৈছো। ইয়াত নজনাকৈ সদনত কথাকে কোৱা উচিত নহয়। এজন মন্ত্ৰীৰ উপস্থিতিত লুণ্ঠন, অগ্নি সংযোগ হৈছে। মুহিবুল হকৰ কথাটো আপুনি প্ৰমান কৰিলে। ধুবুৰী জিলাত এনে ধৰণৰ ঘটনাৰ বাবে ন্যায়িক তদন্তৰ আদৰণি জনাইছে।

* শ্ৰী লক্ষী প্ৰসাদ বৰগোঁহাই :— কোনোবা দলক দোষাৰোপ কৰিবলৈ কথা কোৱা উচিত নহয়। মই বেছি কথা নকও, শ্ৰী মুকুট শৰ্মা ডাঙৰীয়াই কৈগৈছে যে ডেৰ বছৰ আগত অসমত যিটো পৰিবেশ আছিল সেই পৰিবেশ বহু পৰিমানে নাইকীয়া হৈছে। সাময়িক উত্তেজনা অকল অসমত কিয় সমগ্ৰ ভাৰতত হৈছে তেনে অৱস্থাত দুই-এটা অঘটন নঘটাকৈ থকা নাই। চৰকাৰী ভাৱে স্বীকাৰ কৰি লৈছে আৰু তাৰ বাবে হৈ হাল্লা কৰি লাভ নাই। এই অঘটন যাতে ভৱিষ্যতে নহয় তাৰ কি ব্যৱস্থা কৰিব পাৰি তাক আমি চেষ্টা কৰিব লাগে। আজি নিৰ্ব্বাচন আয়োগে ভোটাৰ তালিকাৰ কথা কৈছে। ভোটৰ তালিকাত বিভিন্ন বিদেশী নাগৰিক আছে বুলি কৈছে। মই এই বিলাক কথা কবলৈ নাযাও। বৰ্ত্তমানৰ যিটো পৰিবেশ তাক আন্তৰিকতাৰে অনুধাৱণ কৰি দেশ খনৰ যাতে শান্তি শৃঙ্খলা ৰক্ষাকৰিব পাৰি তাক বিবেচনা কৰি অনাস্থা প্ৰস্তাৱটো উঠাই লব বুলি আশা কৰিলো। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Speech not Corrected

Shri Samarendra Nath Sen : As a result of destruction of alleged Babri Masjid on 6th December, 1992, there was killing, murder, arson and looting etc. all over the country in-cluding Assam. These type of incidents only took place in the three districts of Assam. In Barak Valley, we have 9 ( nine ) M.L.As and 2 ( two ) MPs from our party. But these types of incidents did not take place in our Barak Valley, but the miscreants had murdered one of our constituency Presidents Shri Jaganmoy Bhattachrjee. He was murdered while he was returning home after attending a peace Committee meeting. Sir, in Assam this was done to the members of a particular community and selected people,

( inerruption )

Mr. Speaker Sir, we, members of BJP party believe in secularism. ( interruption ). 60 no. of temples were burnt in Kashmir. But none protested against this excepting the BJP. Sir, everybody is speaking about secularism. Here, I beg to mention that after the demolition of Babri Masjid our leader in Parliament Shri Advani had resigned. Our leader, Shri Vajpayee apologised and our leader

Shri Shikander Bakth also apologised. Sir, in Assam, arson, looting and murder took place only in the three districts where there are foreign nationals. It is alleged some Ministers and one MLA also are involed in these incidents. Sir, It is published in Newspapers and people in large number also complained to the Hon'ble Chief Minister against them. We demand that before any enquiry held these three Ministers and the MLA who are involved In these incidents must be debarred. :from joining this Assembly because it will help in smooth conducting of the enquiry.

Sir, In India, where our BJP Government are there, no such incidents took place except only two in Uttar Pradesh, while everywhere in Uttar Pradesh when there was Congress regime some 20 to 30 riots took place. (Interrupted)

Mr. Speaker Sir, in the name of admission in the Silchar Medical College, there was complete chaos, Some Expunged as ordered by the chair/led by one APPO (I) General Secretary took over complete

control of the College and even I was not allowed to meet the Principal. ( Interruption )

Shri Gautam Roy ( Minister of State ) : You withdraw the 'word anti-social element' ( voices, voices )

Shri Samarendra Nath Sen : I am sorry.

Shri Zoii Nath Sarma : Point of order Sir,

( সদনত গণ্ডগোল )

শ্ৰী জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, সদনত বিৰোধী দলৰ সদস্য সকলে ভাষন দিলে মন্ত্ৰী সকলে ঠিয় হৈ কথা কবলৈ আৰম্ভ কৰে কিয় ?

Shri Samarendra Nath Sen : Sir These persons and one Ex. M.P. have prevented me in entering into the Medical College. ( interruption )

Shri Gautam Roy ( Minister of State ) : An Ex. MP can not be an anti-social element.

Shri Mission Ranjan Das : If he does so, he can be treated as an anti-social element.

Shri Samarendra Nath Sen : Sir, I am coming to a very pertinent point now. There is rampant corruption

in Education and other Deptts. Corruption is going on in every Department. I must say another thing that Election Commission rejected all the electoral roll of 126 Constituences of Assam, why, because there are foreign nationals all over Assam, I must say all over India. And because of the presence of all these foreign nations in India such types of incidents like arson, looting and murders took place after 6th December and at the instance of these foreign nationals. You will be surprised to know Sir a News Item published in Daily Telegraph stating that West Bengal I. B. warned West Bengal Government that Pakistani nationals would create troubles all over Calcutta, but Chief Minister, West Bengal did not pay any heed to it. ( interruption )

( Voices—this should be expunged Sir )

Mr. Speaker : I expunge it. It will not be recorded.

Shri Samarendra Nath Sen : My submission Sir, foreign national who are living in India particularly in Assam, have created all these troubles in three districts of Assam where such incidents took place. But you will be surprised in Barak Valley we have 9 MLAs and 2 MPs from our party. But no such incident was there except the murder of our

Speech not Corrected

Constituency President. But here in the Brahmaputra Valley at the instance of some Ministers and MLAs such type of arson, murder, looting etc. took place. I must say this was entirely directed towards members of a particular community.

So Sir, I must say that the Government has failed to protect the lives and properties of the common people. With these few words Sir, I support the No-Confidence Motion.

Thank you, Sir.

Mr. Speaker : Hon'ble Member Shri Samsul Huda.

* শ্ৰীচামচুল হুদা : মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰমাননীয় সদস্য শ্ৰী প্ৰমোদ গগৈ চাহাবে "নো কনফিডেনচ্ মোচন" আমাৰ শাসক দল মন্ত্ৰী সভাৰ বিৰুদ্ধে উত্থাপিত তেখেতৰ অনাস্থা প্ৰস্তাৱ বিশেষ যি কেইটা মূল কথা তেখেতৰ বক্তব্যত উল্লেখ কৰিছে সেই কথাকেইটা সদনৰ কৃতাৰ্থ তথা মাননীয় মহোদয়ৰ জ্ঞাত কৰাৰ কাৰণে মোৰ বক্তব্য আৰম্ভ কৰিছো। মাননীয় প্ৰমোদ গগৈ মহাশয়ে দেশৰ সংহতি, ঐক্যৰ ওপৰত ধৰ্ম্মনিৰপেক্ষতাকলৈ দেশত হোৱা নানা সমস্যাৰ কথা উল্লেখ কৰিছে। তেখেতে বাবৰি মজজিদ ধ্বংস কৰাৰ কথাটো দেশৰ কাৰণে আঘাট সনা বুলি তেখেতৰ বক্তব্যত উল্লেখ কৰিছে আৰু এই বক্তব্যৰ নিয়মনীতি দেশৰ ধৰ্ম্মনিৰপেক্ষতা আৰু ভাৰতবৰ্ষৰ যি সংহতি তাৰ ওপৰত বিশেষ ব্যৱস্থা লব লাগে বুলি

Speech not Corrected

আমি সকলোৱে জানোক। বিশাল ভাৰতবৰ্ষত বৃটিছক আতৰাবৰ কাৰণে সকলো ভিন্ন ভিন্ন ধৰ্ম্মৱালম্বীয়ে একেলগে যি সংগ্ৰাম কৰিছিল আৰু সেই সংগ্ৰাম সকলো সময়তে অটুট ৰাখি দেশ স্বাধীন কৰিছিল। আমাৰ ভাৰতবৰ্ষ দুভাগত বিভক্ত হৈছিল। এই কথাটো সকলোৱে উপলব্ধি কৰিছিল। ১৯৪৭ চনত যেতিয়া ভাৰতবৰ্ষ এখন ধৰ্ম্মনিৰপেক্ষ দেশ হিচাবে গ্ৰহণ কৰাৰ বিষয়ে প্ৰস্তাৱ আহিছিল তেতিয়া এক শ্ৰেণী মানুহে ভাৰতবৰ্ষ এখন হিন্দু ৰাজ্য হব বুলি প্ৰস্তাৱ আনিছিল। হিন্দুৱে যেতিয়া এই দেশৰ পিতৃ-পুৰুষ সকল ধৰ্ম্ম নিৰপেক্ষতাই মূল বুলি ভাবে এই ধৰ্ম্মনিৰপেক্ষ দেশ হিচাবে ভাৰতবৰ্ষক স্বীকৃতি দিলে। সেই ভাৰতবৰ্ষৰ এটা অংশক বৃটিছে পাকিস্থান কৰিলে। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিচত বিভিন্ন ধৰ্ম্মাৱাম্বী লোকে একেলগ হৈ সমস্যা সমাধান কৰিবলৈ অগ্ৰসৰ হৈছোহঁক। ভাৰতবৰ্ষৰ উচ্চ চৰিত্ৰৰ নেতা সকলে, তেখেত সকলৰ যি ত্যাগ ভাৰতবৰ্ষৰ অগনন মূল্য কৃতজ্ঞৰ শলাগ লব লগীয়া। ভাৰতবৰ্ষৰ বিভিন্ন ভাষা-ধৰ্ম্মৰ মানুহে মঠ-মন্দিৰ আৰু উপাসনাৰ ঠাঁই সাজি আত্ম শুদ্ধিৰ কাৰণে আৰু স্বৰ্গ গমণৰ সেই শান্তিৰ কাৰণে এই ভাৰতবৰ্ষ থল হিচাপে এই বিলাক প্ৰস্তাৱ লৈছিল। ভাৰতবৰ্ষৰ বুৰঞ্জীত মহামানৱ মহাত্মা গান্ধীক হত্যা কৰাৰ কাৰণে কি হল ? সেই মহান নেতাজনৰ বিষয়ে বুৰঞ্জীয়ে কয়। এক ধৰ্ম্মৰ মানুহে আন ধৰ্ম্মক এৰি বাস কৰাটো সম্ভৱ নহয়। ইয়াৰ ফল-স্বৰূপে পূব পাকিস্থানৰ কথা উন্নকিয়াব পাৰি। ভাৰতবৰ্ষ যি ঘটনা প্ৰতিহত হৈছিল তাক সেইটো ইমানতে ৰক্ষা পৰিল। এক শ্ৰেণী ধৰ্ম্মাৱলবী লোকৰ ওপৰত অত্যাচাৰ হল। এফালে বাংলাদেশ

আৰু আনফালে পাকিস্থান। পুৱ পাকিস্থান আৰু পশ্চিম পাকিস্থানৰ লোকে ৰাজ্যত ভূস্বৰ্গত থকাৰ দৰে থাকিব পাৰে। কিন্তু ভাৰতবৰ্ষৰ ধৰ্ম নিৰপেক্ষ দেশ হিচাবে পোৱাত এক শ্ৰেণী সম্প্ৰদায়ে যি দোষ কৰিছিল আমি সকলোৱে দুখ পাইছো। যি দলৰে নহওক এনে ঘটনা পুনৰাবৃত্তি হব নালাগে। সকলোৰে সতি-সন্ততি কালৰ সোঁতত বিভিন্ন ধৰণে আগবাঢ়িছে সঁচা। কিন্তু আমি যি সকলে কংগ্ৰেছ দলত আছো আমি সকলোৱে অনুভৱ কৰিছো সমগ্ৰ ভাৰতবৰ্ষৰ বিভিন্ন সম্প্ৰদায়ৰ মানুহে মাৰ বান্ধিলৈ দেশখনক সবল কৰি ৰাখিব লাগে। আমি দেশৰ সংহতিত সমস্যা সমাধান কৰিব পাৰিম। কিন্তু পৰিতাপৰ বিষয় যে আজি কিছুদিনৰ পৰা আমি দেখিছো ভাৰতবৰ্ষৰ এক শ্ৰেণীয়ে ত্ৰাক পাথ আমি জটিল পৰিস্থিতি সৃষ্টি কৰিছে। আজি আমি বি, জে, পি আৰু মৌলবাদিৰ কথা কৈছো। ইছলামবাদ, মৌলানাবাদৰ কথা প্ৰকৃট হৈ উঠিছে বুলি আমি সকলোৱে মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰিছো।

অধ্যক্ষ মহোদয়, অতি দুখৰ কথা যে কল্যাণ সিং বিজেপি ৰ দলৰ পৰাই সংখ্যাগৰিষ্ঠ ভোট পাই জয়ী হৈ মুখ্যমন্ত্ৰী হৈছিল আৰু তেওঁ এজন গান্ধীবাদী নেতা আছিল, অথচ আজি তেওঁ মহাত্মা গান্ধীকো স্বীকৃতি দিব নোখোজে। কিন্তু এনে ধৰণৰ মতাদৰ্শ হ'ব নালাগে। মানহে মানুহৰ চিন্তা কৰিব লাগিব। সেয়েহে কথাতে কয়—'মানহে মানুহৰ বাবে যদিহে অকণো নাভাবে অকণো সহানুভূতিৰে" কিন্তু এতিয়া মানুহে মানুহৰ বাবে ভবাৰ সলনি মানুহে মানুহৰ মাজত কটা-কটি মৰা-মৰি কৰি সংঘৰ্ষহে সৃষ্টি কৰিছে।

মঠ মন্দিৰ, মজজিদ লৈ হত্যা, লুণ্ঠন আদি সাম্প্ৰদায়িক অশান্তিৰ সৃষ্টি হৈছে। মাননীয় অধ্যক্ষ মহোদয়, অলপ আগতে প্ৰাক্তন মুখমন্ত্ৰী শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই উল্লেখ কৰিছে যে এই সকলো বিলাক ঘটনাৰ লগত আমাৰ চৰকাৰ জড়িত আছে। কিন্তু এইটো কেতিয়াও হ'ব নোৱাৰে। আমাৰ মুখ্যমন্ত্ৰী যিজন এজন অভিজ্ঞ ৰাজনীতিজ্ঞ তেওঁ নিজে এই অশান্তিগ্ৰস্ত অঞ্চল বিলাকলৈ গৈ ৰাইজক একত্ৰিত কৰিবৰ কাৰণে বিভিন্ন সম্প্ৰদায়ৰ মানুহক লৈ শান্তি কমিটি গঠন কৰি পুনৰ স্বাভাবিক অৱস্থা ঘুৰাই অনাৰ বাবে আপ্ৰাণ চেষ্টা কৰিছে। ক্ষতিগ্ৰস্ত ৰাইজক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিছে। তাৰোপৰি এই সম্পৰ্কে আমাৰ মন্ত্ৰী সভাতো আলোচনা কৰিছে আৰু দলীয় সভাতো আলোচনা কৰি কেনেকৈ সাম্প্ৰাদায়িক সংঘৰ্ষ ৰোধ কৰিব পৰা যায় তাৰ বাবে চিন্তা-চৰ্চা কৰিছে। মই নিজেও ধুবুৰী জিলালৈ গৈ তাৰ অশান্তিগ্ৰস্ত অঞ্চল ভ্ৰমণ কৰি বিভিন্ন সম্প্ৰদায়ৰ মানুহক লগ ধৰি শান্তি সম্প্ৰীতি ঘুৰাই আনিবলৈ চেষ্টা কৰিছো আৰু ধুবুৰী অঞ্চলেৰে এজন যুব মন্ত্ৰী তেও অশান্তিগ্ৰস্ত অঞ্চললৈ গৈ দিনে-ৰাতিয়ে খাটি আছে বুলি সেই অঞ্চলৰ ৰাইজে মোক জনাইছে। আৰু মই সেই অঞ্চল ঘুৰি আহি মুখ্যমন্ত্ৰীক মই সকলোবিলাক বিস্তৃতভাবে জনাইছো। এনেকুৱা এটা দলৰ চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ অনাতকৈ এই চৰকাৰৰ লগত সহযোগ কৰি এই সমস্যাবিলাক সমাধান কৰাৰ বাবে যতন কৰা উচিত। এখন চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনিয়ে সমস্যাৰ সমাধান কৰিব নোৱাৰি। আমি এতিয়া ৰামজনমভূমি বা বাবৰি মছজিদ

লৈয়ে ব্যস্ত থাকিলে নহ'ব আৰু আমাৰ সদস্য সকলেও জয়শ্ৰীৰাম বা আল্লাহু আকবৰ ধ্বনি দিয়াৰ পৰা বিৰত থাকিব লাগে। আমি সকলোৱে ভাতৃভাবাপন্ন হৈ কাম কৰিলেহে সমস্যা সমূহ সমাধান কৰিব পাৰিম। অধ্যক্ষ মহোদয়, 'নেচনেল ইনটিগ্ৰেচন কাউন্সিল'ৰ নিৰ্দ্দেশনা সন্দৰ্ভত আগৰ বক্তাই কৈছে যে অশান্তিগ্ৰস্ত জিলা কেইখনৰ ডি, চি আৰু এচ, পি ক বৰ্খাস্ত কৰিব লাগে। কিন্তু ডি, চি বা এচ, পি ক বৰ্খাস্ত কৰিলেই সমস্যাটো সমাধান নহ'ব আৰু উক্ত জিলাৰ জিলা প্ৰশাসনে আমাৰ চৰকাৰৰ লগত উপযুক্ত যোগাযোগ ৰাখি কাম কৰিছিল।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ভোটাৰ তালিকা সম্পৰ্কত মাননীয় সদস্য শ্ৰী প্ৰমোদ গগৈ ডাঙৰীয়াই কিছুমান ভুল আছে বুলি কৈছে আৰু নিৰ্ব্বাচনী আয়োগৰ নীতি-নিৰ্দ্দেশনা নমনাকৈ ভোটাৰ তালিকা প্ৰস্তুত কৰা বুলি চৰকাৰৰ বিৰুদ্ধে অভিযোগ আনিছে। লগতে তেখেতে কিছু পৰামৰ্শও ৰাখিছে। কিন্তু মই কওঁ যে উক্ত ভোটাৰ তালিকখন অসম গণ পৰিষদৰ শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ দিনৰ চৰকাৰৰ দিনতে প্ৰস্তুত কৰিছিল আৰু সেইখন আমি সংশোধীত ভোটাৰ তালিকা বুলিয়ে জানো আৰু তাৰ ভিত্তিতে আমি ভোটাৰ তালিকাৰ কাম আৰম্ভ কৰিছিলো। গতিকে ভোটাৰ তালিকা প্ৰস্তুতিত নিৰ্ব্বাচনী আয়োগৰ নীতি-নিৰ্দ্দেশনা নমনা বুলি কোৱাৰ কোনো যুক্তি-যুক্ততা নাই।

মাননীয় অধ্যক্ষ মহোদয়, সদৌ শেষত মোৰ অনুৰোধ যে বিৰোধী পক্ষই আমাৰ এই চৰকাৰৰ ওপৰত আস্থা ৰাখি একগোট হৈ

বিভিন্ন ভাষা-ভাষী, বিভিন্ন ধৰ্ম্মালম্বী মানুহৰ মাজত সদ্‌ভাৱ জগাই তুলি আমাৰ ৰাজ্যত সুস্থিৰ অৱস্থা এটা ঘুৰাই অনাত চেষ্টা কৰিব আৰু চৰকাৰৰ প্ৰতি থকা অনাস্থা প্ৰস্তাৱ উঠাই লব।

Mr Speaker : Hon'ble Member Dewan Joynal Abedin will speak.

Dewan Joynal Abedin : Mr. Speaker Sir, One Critics has said, if Mahatma Gandhi represents the Politics of India Rabindra Nath represents the culture of India and Radha Krishnan represents the thoughts of India. Now Sir, In today's situation, I would like to start with a few lines from the Rabindra Nath Tegore.

হে মোৰ চিত্ত, পুণ্য তীর্থে জাগো রে ধীরে
এই ভারতের মহামানবের সাগর তীরে
হেথায় দাঁড়ায়ে দুবাহ বাড়ায়ে নমি নর দেবতারে
উদার ছন্দে পরমানন্দে বন্দন করি তারে।
হেথায় আর্য, হেথায় অনার্য্য, হেথায় দ্রাবিড় চীন
শক হুন দল, মোগল পাঠান এক দেহে হলো লীন।

Mr. Speaker, Sir, Here is Rabindra Nath concept of India and Indian culture. Now Sir, the again said.

এসো হে আর্য্য, এসো অনার্য্য এসো হিন্দু মুসলমান
এসো এসো আজ, তুমি ইংরাজ, এসো এসো খৃষ্টান।

What has been said regarding the Indian Culture, by Mr. Samsul Huda. There has been a contradiction in Indian History right from the beginning of the Indian Independence Movement between the main stream of Indian culture based on secularism and democracy and the narrow communual outlook. We all know that the protagonists of Hindu Rashtha killed the father of the Nation, Mahatma Gandhi. It is these forces, who are responsible for the demolition of the Babori Mazid, historic relics of 450 years old, on 6th of December, 1992. Sir, It was a very unfortunate happening that this great historic Babori Mazid could not be protected by the Govt. Now Sir, we know that this sectarian communual outlook who has been trying to demolish the structure for the last few years together with BJP, VHP, and Bajrong Dol Combine. But it is very unfortunate that there was a Government at the centre and this Government could not do anything to protect the Structure.

It has come out in the papers that there has been systematic training near Gujarat to the Kar Sevaks for days together as to how to demolish the Babri Masjid. Where was the intelligence of the Central Govt. to protect this historic relic? The Congress Govt. at the Centre did not take any step for that. Had they taken timely steps or measures they could have saved the structure. The then Prime Minister, Shri Chandrashekar had repeatedly appealed to the Prime Minister and other Central Ministers that on the 6th of Decembers, the Babri Masjid was going to be demolished and that the Mosque was to be protected at any cost. But nothing was done towards this. Now, Sir, the Central Govt. cannot absolve its if from this responsibility. It was the communal forces who are responsible for this demolition and Congress I as a whole as a Party is also equally responsible for this. Sir, history did not spare Hitler and so history will not spare Shri Narsimha Rao and similarly history will not spare our Chief Minister also, for what had happened in Nowgong, Dhubri and Goalpara. This could happen only because of

criminal administrative lapses as some Ministers and MLAs were also involted in it. Had some precautiontary measutes.

Mr. Speaker : Order, order-criminal is an upparliamentary word.

Shri Jainal Abedin : I withdraw it Sir. We have seen that to avert this situation no safety measures/ were taken and instead our Ministers and Legislaters had been found to be involved. I believe that this has happened due to the connivance of the ruling party otherwise this could not have happened. In West Bengal, the Govt. was quite alert and could control by timely and necessary action, although there had been some communal incidents in that State too. In our State in Dhubri even on 17th of this month certain incidents took place. (Mr. Speaker rang the bell) I do not like to take much time of the House, I would simply like to appeal to all that we should not play with lives of the poor people and impress upon the Govt. to take up stringent measures against the murdere.rs I hope nobody will be spared in this

respect. Sir, with these few words, I concludes, Sir. Thank You.

শ্ৰী জিউৰাম বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মই বৰ্ত্তমান চৰকাৰৰ বিৰুদ্ধে অনা অনাস্থা প্ৰস্তাৱৰ সমৰ্থন কৰিছোঁ। এই অনাস্থা প্ৰস্তাৱ অনাৰ আগতে আমাৰ এই অসম চৰকাৰে ৰিজাইন দিয়া উচিত আছিল। আমি আশা কৰিছিলো এই চৰকাৰ অহাৰ লগে লগে বড়ো সমস্যা সমাধান হব কিন্তু ক্ৰমাগত ভাবে এই সমস্যা বঢ়াই নিয়া হ'ল। প্ৰথমতে মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে ২৫ হাজাৰ ৮শ ৭২ বৰ্গ কিলোমিটাৰ এলেকাৰ ৪ হাজাৰ ৪ শ ৪৩ খন গাওঁ সামৰি লম বুলি কৈছিল। কিন্তু পিচত ৪ হাজাৰ ৪ শ ৪৩ খন গাওঁ সামৰি লোৱা হব বুলি কলে, সচা কিন্তু ইয়াৰ ভিতৰতে আকৌ ১ হাজাৰ ৩৫ খন গাৱত জনজাতি লোক নাই সেই কাৰণে বড়োলেণ্ডত অন্তৰ্ভুক্ত কৰিব পৰা নাযাব বুলি কলে।

তেখেতে কৈছে এক হাজাৰ পইত্ৰিচ খন গাওঁ জনজাতীয় লোক নাই বুলি আৰু যিবিলাকত জনজাতীয় বেল্ট আৰু ব্লকৰ ভিতৰত ১০৯ খন চাহবাগিছা আছে তাৰ পৰাও এডালো গছ দিব নোৱাৰে বুলি কৈছে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই বিধান সভাত বড়ো সমস্যাটি সমাধান কৰিব নোৱাৰাৰ কাৰণ দোহাই গণপৰিষদৰ ওপৰত দায় দোষ দিছে। আচলতে তেওঁ সমস্যা সমাধান কৰিবই বিচৰা নাই। ১৯৯০ চনত তেখেতে আমাৰ লগত দিল্লীত হৈ ধৰ্না দিছিল। যোৱা ৰাজ্য সভা ইলেকচনৰ আগতে তেখেঁতে আমাক বড়ো সমস্যা সমাধাৰ কথা দিছিল। এতিয়া কেন্দ্ৰিয়

চৰকাৰে বড়ো সমস্যা সমাধান হোৱাতো বিছাৰিলেও ৰাজ্য চৰকাৰে আচলতে সেইটো বিছৰা নাই। আজি ৰাজ্য চৰকাৰে বড়ো আন্দোলন মথিমুৰ কৰাটোহে বিছাৰিছে। কাৰ্বি আলংৰ অটোনমাচক ৩৮ বিষয় সন্নিবিষ্ট কৰাৰ ঠাইত তাক ভংঙ্গ কৰি দিছে। বি, এল, পিৰ তিনিজন এম, এল, এ এৰেষ্ট কৰিছে। ( ভইচ-মন্ত্ৰীসভাৰ বিধায়কৰ দলৰ পৰা-হাই কোৰ্টে এৰি নিদিয়ে, তেওঁলোক দোষি )। মই কবলৈ বিছাৰিছো তেওঁলোক যদি দোষি হয় মোৰ কবলগীয়া একো নাই। কিন্তু আপোনালোকৰ দলৰ দোষিকো এৰেষ্ট কৰক। ( ভইচ-আমাৰ দোষি ওলালে আমিও কৰিম )। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়কক এৰেষ্ট কৰিছে দোষি বুলি সন্দেহ কৰিহে। দোষৰ তাত কোনো প্ৰমান পোৱা নাই। কিন্তু ২১ তাৰিখৰ বোম দিচপুৰ পুৰণা এম, এল, এ হোষ্টেল টো হোৱাৰ পাচত মুখ্যমন্ত্ৰী ডাঙৰীয়াই লগে লগে গেট সমূহ বন্ধ কৰি দিব লাগিছিল আৰু তদন্ত কৰিলে প্ৰকৃত আৰু বহু দোষি ধৰা পৰিলহেতেন। কিন্তু তাকে নকৰিলে কিয় ? নিয়ম অনুযায়ী সূৰ্য্য উদয় হোৱাৰ পৰা সূৰ্য্য অস্ত যোৱাৰ ভিতৰত খানাতালাচি আৰু গ্ৰেপ্তাৰ কৰিব লাগিছিল। কিন্তু কোনো নিয়ম নামানি ৰাতি এটা পোন্ধৰ বজাত ঘেৰাও কৰি বিধায়ক কেইগৰাকীক এৰেষ্ট কৰা হৈছিল। মুখ্য মন্ত্ৰীয়ে ৰাজ্যৰ মুৰব্বী হিচাবে এই সমস্যা সমাধান কৰিব লাগিছিল কিন্তু তাকে নকৰি তেওঁ এই সমস্যা সমাধান নকৰে বুলি কৈছে। আনকি তেওঁ আলোচনা নকৰিবলৈও ইচ্চা প্ৰকাশ কৰিছে। এখন ৰাজ্যৰ মূখ্যমন্ত্ৰীয়ে এনে দায়িত্বহীন কথা কব নালাগিছিল। তেওঁলোকে মই গম পোৱা মতে বড়ো সকলক মথিমূৰ কৰিব বিছাবিছে।

গোটেই জনজাতীয় সকলকে মন্ত্ৰিমূৰ কৰিব বিছাৰিছে। বি, এচ, এফ আৰু আৰচু তেওঁ একে লগ কৰি নিশেষ কৰাৰ হে মনোনিবেশ কৰিছে বুলি মোৰ ধাৰণা। এইবাৰ প্ৰথম বিধানসভা বহাৰ দিনাই বিধানসভাৰ সভাকক্ষত পুলিচ সুমোৱাই দিয়া হৈছে। যিটো আমাৰ বড়ো সমস্যা তাক সমাধান কৰিবলৈ আমি স্পষ্ট দাবী জনাইছো। বৰ্ত্তমান ৰাজ্য চৰকাৰ এই সমস্যা সমাধান নকৰাৰ অসমৰ্থ বাবেই এই চৰকাৰ ভাঙি নতুন চৰকাৰ গঠন কৰাত সমৰ্থন জনাই অনাস্থা প্ৰস্তাৱত সমৰ্থন জনাইছো।

শ্ৰী অতুল বৰা :— মাননীয় অধ্যক্ষ মহোদয়, আজি অনাস্থা প্ৰস্তাবত সমৰ্থন জনাই মই মাত্ৰ কেইটামান কথা কবলৈ বিছাৰিছো। আমাৰ বহু কেইজন মাননীয় সদস্যই ৰাম মন্দিৰ-বাবৰী মজ্জিদৰ কথা কৈছে। মই আৰু মন্দিৰ মজ্জিদৰ কথা নকওঁ। মই এনে কেইটামান বিষয়ে কব খুজিছো যি বোৰ আমাৰ বৰ্ত্তমান জলন্ত সমস্যা। বিদেশী নাগৰিকৰ সমস্যাটোই হৈছে আমাৰ বৰ্ত্তমানৰ জলন্ত সমস্যা। যোৱা আন্দোলনৰ পৰা আৰম্ভ কৰি ১১ বছৰে কেন্দ্ৰিয় চৰকাৰে স্বীকাৰ কৰা নাছিল যে আমাৰ অসম তথা ভাৰতবৰ্ষত বিদেশী নাগৰিক আছে। আমি বাৰম্বাৰ চিয়ৰী থকা স্বত্তেও তেওঁলোকে স্বীকাৰ নকৰিলে যে বিদেশী নাগৰিকে আমাৰ ৰাজ্য পূৰ হোৱাৰ উপক্ৰম হৈছে। যোৱা ৫ বছৰত মাত্ৰ আমাব হেচাত পৰি সীমান্ত অঞ্চলত ফে নচিং দিয়াৰ ব্যৱস্থা হাতত লৈছিল। আজি যেতিয়া গৃহ দপ্তৰৰ মন্ত্ৰী চতনে কলে যে আমাৰ দেশত এক কোটিৰো অধিক বিদেশী নাগৰিক আছে তেতিয়া কোনেও মাত মাতিব পৰা নাই।

আজি যদি অতুল বৰাৰ নিচিনা কোনোৱাই কলে হেতেন তেতিয়া মুখ ভেঙুচালী দিলেহেতেন। ১৯৭৮ চনতেই ৩০ লাখ বিদেশী আমাৰ ৰাজ্যলৈ সোমোইছে। কিন্তু আমি যেতিয়া কৈছিলো তেতিয়া অসত্য বুলি সকলোৱে উৰুৱাই দিছে।

এইটো চৰনে কোৱা কথা মই শ্ৰী অতুল বৰাই কোৱা কথা নহয়। মই কোৱা কথা হলে আপোনালোকে ভেঙুচালি কৰা বুলি কলে-হেতেন। আমি ৪৫।৬০ লাখ বিদেশী থকা বুলি কোৱাত আপোনা-লোকে ভেঙুচালি কৰিছিল এতিয়া কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে যেতিয়া ১কোটিৰো বেছি বিদেশী আছে বুলি কৈছে এতিয়া কি কব ? আমাৰ মুখ্য মন্ত্ৰীয়ে এবাৰ ৩০ লাখ বিদেশী থকা বুলি বিবৃতি দিছিল পিছত কাৰ হেচাত পৰি নাজানো অসমত বিদেশী নাই বুলি কৈছে। কিন্তু কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে যেতিয়া অসমত ১ কোটিৰো বেছি বিদেশী আছে বুলি কৈছে এতিয়া অসমৰ মুখ্যমন্ত্ৰীয়ে কওক তেখেতে বিধান সভাক সচা কথা কৈছে নে ? তেখেতে বাহিৰত এটা আৰু বিধান সভাত এটা কয় ৰাইজে কোনটো সচা বুলি ভাবিব। আমাৰ চৰকাৰৰ দিনত আমি ৪৫ লাখ আছে বুলি কৈছিলো কিন্তু এতিয়া কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে ১ কোটিৰো বেছি আছে বুলি কৈছে। ( মাননীয় মন্ত্ৰী শ্ৰী ইন্দ্ৰ গগৈয়ে কবলৈ উঠে ) ) গগৈ মই আপোনাক Attack কৰা নাছিলো মোক বাধা নিদিব। আপুনি জয়নাথ শৰ্ম্মা উঠিলে কিবা কবলগীয়া থাকিলে কব। অধ্যক্ষ মহোদয়, আমাৰ কথা নহয় উত্তৰ পূৱ কংগ্ৰেছ-ই সমন্বয়ৰক্ষী কমিটীৰ সভাত উত্তৰ পূৰ্ব্বা-ঞ্চললৈ অনুপ্ৰবেশৰ সোঁত অব্যাহত থকাত উদ্বেগ প্ৰকাশ কৰিছে এজিপিয়ে কৰা নাই। এয়া ৭ জুলাই তাৰিখৰ আজিৰ অসম কাকতত হেড লাইন প্ৰকাশ পাইছে-শাসকীয় দলে উদ্বেগ প্ৰকাশ কৰিছে যদি

মিছা আছিল কিয় পিছুদিনা Deny কৰা নাই। আমি কেন্দ্ৰীয় চৰকাৰক লৰাব পৰা নাছিলো এতিয়া গৃহ মন্ত্ৰী চৱনে নিজে বিবৃতি দিছে যে ভাৰতবৰ্ষত বিদেশী আছে। অসম গণ পৰিষদ চৰকাৰ থাকোতে আমি মাত্ৰ ৩০০।৪০০ বিদেশী খেদা বুলি কৈছিল তেতিয়া কিন্তু আমাক কেন্দ্ৰীয় চৰকাৰে মনত কৰা নাছিল। এতিয়া কেন্দ্ৰীয় চৰকাৰে নিজে মনত কৰিছে নিজে কৈছে বিদেশী আছে বুলি আনকি অসমৰ ভোটৰ তালিকা সংশোধনৰ কাম বন্ধ কৰি ৰাখিছে, অসমৰ নিৰ্ব্বাচনী যন্ত্ৰটো বিকল কৰি ৰাখিছে। ( সময়ৰ সংকেট ) অধ্যক্ষ মহোদয় মই মোৰ দলৰ সময় লম আপুনি মাত্ৰ যোগ কৰি যাব। অসম চৰকাৰে যেতিয়া ভাৰত চৰকাৰৰ নিৰ্দ্দেশনা মনা নাছিল তেতিয়া কেন্দ্ৰীয় চৰকাৰেই এওঁলোকক বৰ্খাস্ত কৰিব লাগিছিল আমি নতুনকৈ অনাস্থা প্ৰস্তাৱ আনিবই নালাগিছিল বা মুখ্য মন্ত্ৰীয়ে নৈতিক দায়িত্ব মুৰপাতি লৈ নিজে পদত্যাগ কৰিব লাগিছিল। কিন্তু আজি আকৌ অনাস্থা প্ৰস্তাৱ আনিবলগা হোৱাত আমিয়ে দুখ পাইছো। কাৰণ চাওক আজিৰ অসম কাকতত ৯ জুন তাৰিখত প্ৰকাশ পাইছে "বাংলাত শইকীয়া সত্য নাৰায়ন" মই পঢ়ি দিছো বাংলাদেশৰ বাতৰি কাকত সমূহে অসমৰ মুখ্যমন্ত্ৰী শ্ৰী হিতেশ্বৰ শইকীয়াই ৰাজ্যৰ পিয়লৰ প্ৰতিবেদন অনুযায়ী বাংলা-দেশৰ পৰা অসমলৈ কোনো অবৈধ প্ৰব্ৰজনকাৰী অহা নাই বুলি কৰা মন্তব্যটো চকুত লগাকৈ প্ৰকাশ কৰিছে। চৰকাৰ নিয়ন্ত্ৰিত বাংলাদেশ টাইমচে এটা সম্পাদকীয়ত কয় "সত্য প্ৰকাশ পাইছে। বাংলাদেশীৰ অবৈধৰ প্ৰবজননকাৰী হোৱা বুলি ভাৰতে কৰা অভিযোগ অসমৰ মুখ্যমন্ত্ৰীয়ে মিছা বুলি প্ৰতিপন্ন কৰিলে। চৰকাৰ নিয়ন্ত্ৰিত আন এখন দৈনিক কাকত "দৈনিক বাংলাই" সম্পাদকীয়ত কয় যে শ্ৰী হিতেশ্বৰ শইকীয়াই সত্য উদ্ধাৰ কৰিছে আনহাতে ইংৰাজী দৈনিক

ডি টেলিগ্ৰাফে ইয়াক বাংলাদেশৰ সত্যতা প্ৰতিপন্ন কৰা বুলি অভিহিত কৰে। শ্ৰী শইকীয়াই যোৱা শনিবাৰে গুৱাহাটীত কৈছিল যোৱা বছৰ কৰা পিয়লৰ মতে চুবুৰীয়া বাংলাদেশৰ পৰা কোনো অবৈধ প্ৰবজননকাৰী প্ৰবেশ কৰা নাই।

অধ্যক্ষ মহোদয়, আপুনি জানে যে ফিজো লন্দনত থাকি আন্দোলন চলাইছিল কিন্তু ফিজোক বদন বুলি কোৱা নাছিল। আমাৰ আলফাৰ পৰেশ বৰুৱাই বাংলাদেশত আশ্ৰয় লৈ আছে। বিধিগতভাবে তেওঁক যি ব্যৱস্থাৰে পাৰে কৰায়ত্ব কৰক কিন্তু তাকে নকৰি তেওঁক বদন আখ্যা কিয় দিছে? আপোনালোকে চাওঁক জনসংযোগ বিভাগে কাৰ বিৰুদ্ধে বিজ্ঞাপন দিছে? চৰকাৰৰ জনসংযোগ বিভাগে চৰকাৰৰ বিৰুদ্ধে বিজ্ঞাপন দিয়া নাই নে? চৰকাৰী বিজ্ঞাপন হল এনেধৰণৰ দেশদ্ৰোহী কোন? বদন নে? এশ সাতসত্তৰ বছৰৰ আগৰ কথা। তীব্ৰ উচ্চাকাংক্ষা আৰু ক্ষমতাৰ অন্ধ ৰাগীত মতলীয়া এজন বদন বৰফুকনে মান আনিছিল। অসমৰ ঘৰে ঘৰে কান্দোনৰ ৰোল উঠিছিল। বৰফুকনৰ দেশদ্ৰোহিতাৰ বলি হৈছিল নিৰীহ ৰাইজলৈ দুৰ্যোগ নামি আহিছিল অসমলৈ, অসমৰ সমাজ জীৱনলৈ। আৰু সেইবোৰ কাহিনী এতিয়া ইতিহাস। এতিয়া আকৌ এই কলংকিত অধ্যায়ৰ পুনৰাবৃত্তি কৰিব খুজিছে কোনে? আকৌ এবাৰ কাৰ উচ্চাকাংক্ষা আৰু লোভী স্বাৰ্থৰ বলিশালত বলি হব লগা হৈছে অসমৰ ৰাইজ? কোনে আকৌ এবাৰ চুবুৰীয়া বিদেশীৰে মিতিৰালী কৰি শত্ৰুৰ আশ্ৰয়ত থাকি শত্ৰুৰ সহায়ত আমাৰ জীৱনলৈ নমাব খুজিছে দুৰ্যোগৰ কলীয় ডাৱৰ?

এই নতুন বদনহত কোন? (সময়ৰ সংকেট) এতিয়া চাওঁক শত্ৰুৰ আশ্ৰয়ত কোনে চৰকাৰ চলাই আছে? ফিজো লণ্ডনত

আছিল কিন্তু তেও বদন আখ্যা পোৱা নাছিল। আজি জন সংযোগ বিভাগে কাৰ বিৰুদ্ধে বিজ্ঞাপন দিছে ( সময়ৰ সংকেট বাজি থাকে ) সদনত হুলস্থুল।

শ্ৰী ইন্দ্ৰ গগৈ : বদন কোন আপুনি কওঁক।

শ্ৰী অতুল বৰা : আকৌ চাওঁক অগ্ৰদূত খবৰৰ কাগজত হেড লাইনত প্ৰকাশ পাইছে ' দুই চাৰিজন মন্ত্ৰীৰ দূৰ্নীতি ৰোধ কৰিব নোৱাৰিলে, মন্ত্ৰীৰ ৰাজনৈতিক ষড়যন্ত্ৰ ৰোধ কৰিব নোৱাৰিলে সৰ্ব্বনাশ হ'ব বুলি খবৰৰ কাগজত ওলাইছে-এইবিলাক আমাৰ কথা নহয়। টকা নিদিলে হেনো কোনো কাম নহয়-এইবিলাক আমি কোৱা নাই শাসক দলৰ সদস্যই খবৰৰ কাগজত বিবৃত্তি দিছে। মই দুটা বিভাগৰ দূৰ্নীতিৰ কথা কব খুজিছো-সময়ৰ সংকেট এটা পৰিয়ালৰ ৫ গৰাকীক শিক্ষক নিযুক্তি দিয়া হৈছে। শিক্ষা মন্ত্ৰীক সিদিনা কৈছিলো কোনো সঠিক উত্তৰ দিব নোৱাৰিলে—মই তথ্য দিছো—কামাখ্যাৰ শ্ৰী ৰুদ্ৰ শৰ্ম্মাৰ পৰিয়ালৰ ৫ গৰাকীয়ে শিক্ষকৰ চাকৰী পাইছে। একালে নিৱনুৱা সমস্যাই গা কৰি আছে আনফালে এটা পৰিয়ালৰ এজন পিতৃৰ ৫ টা লৰা-ছোৱালীয়ে চাকৰী পাইছে এয়ে দূৰ্নীতিৰ নমুনা। ( পুনৰ সময়ৰ সংকেট ) সিদিনাখন মই প্ৰমানৰ অভাবত কথাটো জনাব পৰা নাছিলো—প্ৰমান দাঙি ধৰিলো। ব্যৱস্থা লওঁক এতিয়া। এতিয়া অন্য এগৰাকী মন্ত্ৰীৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিব খুজিছো। সেইজন হৈছে আফজালৰ ৰহমান। তেওঁ Extention Officer Clark আৰু চতুৰ্থ শ্ৰেনীৰ চাকৰিও মানুহ নিযুক্তি দি দূৰ্নীতি পুৰাদমে কৰিছে।

অধ্যক্ষ মহোদয়, পঞ্চায়ত বিভাগত দেখা যায় যে—সাম্প্ৰসাৰণ বিষয়াৰ বাবে আজিলৈকে ইণ্টাৰভিউ নহল। গ্ৰাম-সেৱক আৰু গ্ৰাম-সেৱিকা

পদৰ বাবে ৩ লাখ দৰ্খস্ত পৰি আছে। সেইবিলাকৰ কোনো বিচাৰ নহ'ল। বিচাৰ নোহোৱাকৈয়ে মন্ত্ৰীয়ে নিযুক্তি দিছে। এইবিলাকৰ প্ৰমাণ পিচত দিম। এই নিযুক্তিৰ সম্পৰ্কত বিভাগী সঞ্চালকেও নাজানে আৰু আয়ুক্তও নাজানে। গোলাঘাটত সম্প্ৰসাৰণ বিষয়া নিযুক্তি দিছে উপসচিব লক্ষৰে। এইখিনিকে কৈ অনাস্থা প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্য সামৰিলো।

শ্ৰীশশ কমল সন্দিকৈ :— মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে আজি ভাৰতীয় সংবিধানৰ মৰ্য্যাদা ৰক্ষা কৰিব পৰা নাই। অযোধ্যাৰ ঘটনা সংক্ৰান্তত ভাৰতবৰ্ষত আগতে যি কোটি কলীয়া ধৰ্ম্ম-নিৰপেক্ষতাৰ নীতিৰ সুদৃঢ় ভেটি আছিল সেইটো ৰক্ষা কৰাত তেওঁলোক ব্যৰ্থ হৈছে। তাৰ ফল-স্বৰূপে দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমতো যিবিলাক ভ্ৰাতৃঘাটি সংঘৰ্ষৰ সূত্ৰপাত হ'ল তাৰ বাবেই আলোচনা কৰিবলৈ আজি সদনত অনাস্থা প্ৰস্তাৱ অনা হৈছে। ডবকা, হোজাই আদি অঞ্চলত যিবিলাক ঘটনা ঘটিল—এই সন্দৰ্ভত চৰকাৰে নীতিগত সকলো দায়িত্ব স্বীকাৰ কৰিব লাগিব। বাবৰী মজিদ ভঙ্গ হোৱাত দেশৰ অগনন হিন্দু মুছলমানৰ মাজত মৰ্ম্মান্তিক ভ্ৰাতৃঘাটি ঘটনা সংঘটিত হল। তাৰ বাবে আজি ৰাইজে দায়ীত্বশীল দায়ী মন্ত্ৰী সকলক কৰিছে। নেতৃত্বক দোষাৰোপ কৰিব লগা হৈছে। এই সম্পৰ্কে মাননীয় মন্ত্ৰী শ্ৰীশৰ্ম্মা ডাঙৰীয়াও উল্লেখ কৰিছে আৰু মাননীয় বি, এল, পি'ৰ সদস্য জনেও উল্লেখ কৰিছে।

অধ্যক্ষ মহোদয় এই সাম্প্ৰদায়ী সংঘৰ্ষৰ লগত, ভ্ৰাতৃঘাটি সংঘৰ্ষৰ লগত কিছু ৰাজনৈতিক দল আৰু নেতাৰ লগত প্ৰশাসনৰ উচ্চ পদস্থ বিষয়াও জড়িত। অতি দূৰ্ভাগ্যজনক ঘটনা শিলচৰৰ এজন উচ্চপদস্থ পুলিচ বিষয়াই এচ, ডি, পি, ও এ অযোধ্যাৰ ঘটনাক

তীব্ৰ প্ৰতিবাদ কৰাৰ বাবে ৰাজহুৱা ভাবে পশ্চিমবঙ্গ বামফ্ৰণ্ট চৰকাৰৰ মূখ্যমন্ত্ৰী মাননীয় জ্যোতি বসুক জ্যোতিখান বুলি ইতিকিং কৰে! এই পুলিচ বিষয়া জনৰ এনে বৃষ্টকাই সাম্প্ৰদায়ীক বীজ বিয়পাত সহায় কৰা নাই নে? এনে সংকীৰ্ন সাম্প্ৰদায়ীক বিষয়াৰ বিৰুদ্ধে চৰকাৰে কঠোৰ ব্যৱস্থা লোৱাৰ দাবী জনাও। সেই সময়ত সংঘটিত হোৱা হত্যাকাণ্ড, লুণ্ঠন আৰু ঘৰবাৰী জ্বলাই দিয়া কাৰ্য্য ৰোধ কৰিবলৈ চৰকাৰে কোনো ব্যৱস্থাই হাতত লব নোৱাৰিলে। যাৰ ফলত সাম্প্ৰদায়িক সংঘৰ্ষ গোটেই অঞ্চলত বিয়পি পৰিল। আজি কাগজে-পত্ৰে ওলাইছে যে—অসমত সাম্প্ৰদায়িক সংঘৰ্ষৰ অভিযোগত কিছুমান ৰাজনৈতিক দলৰ লোক জড়িত। সেইসকল কিছু শাসক দলৰ বিধায়ক আৰু মন্ত্ৰী বুকি অভিযোগ আহিছে। গতিকে সেই সকলোবোৰ বিচাৰ কৰি দোষীক শাস্তি বিহিব লাগে আৰু এই ক্ষেত্ৰত সকলো বিৰোধী দলৰ, পৰাই চৰকাৰে সমৰ্থন পাব। প্ৰকৃত ধৰ্ম্ম-নিৰপেক্ষতা যদি অসমত বজাই ৰাখিব বিচাৰিছে তেনেহলে যিসকল বিধায়ক তথা ৰাজনৈতিক নেতাই ৰাজনৈতিক মুনাফা আদায় কৰিবৰ বাবে হত্যাকাণ্ড, লুণ্ঠন আদিৰ লগত জড়িত আছে—সেই সকলক শাস্তি দিয়ক। দৰ্কাৰ হলে বিনা বিচাৰে গ্ৰেপ্তাৰ কৰি ৰাখক।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত ৰাজ্যখনৰ সমস্যা সমাধানৰ বাবে এটা চৰকাৰ আছে। তেনেস্থলত বড়ো আৰু কাৰবি আংলংৰ সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰক হেচা নিপি পোন পতীয়াকৈ ৰাজ্য চৰকাৰে আগভাগ লৈ সমস্যাটো সমাধান কৰা উচিত। বড়ো কাৰবি আংলঙৰ বাহিৰেও দেশত যিবিলাক সৰু সুৰা জাতি, উপজাতি আছে সেই সকলে দীৰ্ঘ দিনৰ আকাঙ্খা পুৰনৰ

বাবে আন্দোলন কৰিছে। এই দাবী সমুহ জিলা পৰিষদৰ গঠনৰ মাধ্যমেৰে সমাধান কৰিব পৰা যায়।

স্বাভাবিকতেই কাৰ্বি আংলং জিলা পৰিষদ দেশৰ ভিতৰত আমাৰ ক্ষুদ্ৰ জনগোষ্ঠী সমুহৰ আত্ম শাসন আকাঙ্খাৰ মূৰ্ত্ত প্ৰতীক বা বিশিষ্ট মডেল। সংবিধানৰ ৬ অনুসৰিয়েই এই পৰিষদ গঠন কৰা হৈছিল।

কিন্তু নিৰ্ব্বাচিত এই জিলা পৰিষদ চৰকাৰে ভঙ্গ কৰি দিলে। ইয়াৰ কাৰন হোনো দূৰ্নীতি। দুৰ্নীতি বিৰুদ্ধে চৰকাৰ যদি ইমানেই কঠোৰ তেন্তে অসমৰ বৰ্ত্তমান চৰকাৰৰ বিৰুদ্ধে সমগ্ৰ ৰাজ্য জুৰি, প্ৰবল অভিযোগ উঠিছে আৰু এই দূনীৰ্তিৰ সম্পৰ্কে কিছু প্ৰামণ্য তথ্য পাতিৰ উত্থাপিত হৈছে। তেন্তে দূনীৰ্তিৰ অভিযোগতে অসম চৰকাৰে নিজেই পদত্যাগ নকৰে কিয়? যদি গোটেই চৰকাৰ খনে পদত্যাগ নকৰে তেন্তে যি সকল মন্ত্ৰীৰ বিৰুদ্ধে স্পেচিফিক দূনীৰ্তিৰ চাৰ্জ আছে তেওলোকক বখাৰ্স্ত কৰক?

গতিকে মই আশা ৰাখিছো যে—আলোচনা বিলোচনাৰ মাজেৰে বড়ো, কাৰ্বি আদি সমস্যা সমাধান কৰি আৰু চৰকাৰে প্ৰশাসনীয় ব্যৱস্থাৰে প্ৰকৃত ধৰ্ম্ম-নিৰপেক্ষতা বজাই ৰাখিবলৈ চেষ্টা কৰক। এইখিনিকে কৈ মোৰ বক্তব্য সামৰিলোঁ।

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী :— মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত চৰকাৰৰ বিৰুদ্ধে যিটো অনাস্থা প্ৰস্তাৱ আনিছে সেইটো মই সমৰ্থন কৰিছো। এই অনাস্থা প্ৰস্তাৱৰ যুক্তিযুক্ততা সম্পূৰ্ণৰূপে মাননীয় সদস্য

Speech not Corrected

সকলে আগতেই ভাঙি ধৰিছে। এই ক্ষেত্ৰত মই কব বিচাৰিছো যে আজি অসমত তাৰ পৰিপ্ৰেক্ষিতত যিবিলাক সমস্যা উদ্ভৱ হৈছে। সেইবিলাক আপোনাৰ অৱগত হৈছে। কোনোবা অযোধ্যাত বাবৰী মজিদ ভাঙিছে সেইটোকে লৈ আজি শাসক দলে ৰাজনৈতিক মুনাফা আদায় কৰিব ধৰিছে। অযোধ্যাত মজিদ ভঙাত আমাৰ অসমত যি পৰিস্থিতি উদ্ভৱ হ'ল সেইটো বৰ দুৰ্ভাগ্যজনক। সেইটোৱে আমাৰ অসমৰ জাতীয় গঠন আৰু পৰম্পৰা বিনষ্ট কৰিছে। মাননীয় মন্ত্ৰী শ্ৰী শৰ্ম্মা ডাঙৰীয়াও কৈছে যে—সম্প্ৰীতিৰ ক্ষেত্ৰত অসমৰ স্থান আগশাৰীত।

আৰু ৰিয়া কৰোৱা নকৰোৱা লৈ গোলমাল হৈছে, সেই মানুহ জনক মন্ত্ৰী আফজালুৰ ৰহমান চাহাবে তেওঁৰ গাড়ীত লৈ ঘূৰ ফুৰিছে। যি সকল লোকে সাম্প্ৰদায়িক বীজ ৰোপন কৰিছে, অসমৰ শান্তি বিনষ্ট কৰিছে অসমৰ ৰাইজৰ স্বাৰ্থৰ হকে তাৰ বিচাৰ হব লাগিব। বগৰী বাৰীত যিটো কেচ হৈছে তাত এজন ডাক্তৰ শৰ্ম্মা নামৰ লোকৰ ঘৰত ঘেৰাও কৰি ধৰিছে, তেখেতে বিচনাৰ তলত সোমাই প্ৰাণ ৰক্ষা কৰিলে। দুৰ্বৃত্তৰ দল আহি ঘৰত সোমাই দেখে ঘৰত টি ভি আছে আৰু চাউলৰ বস্তা আছে, দুষ্কৃতি-কাৰীয়ে ভাবিলে টিভি টো লৈ গলে তেওঁলোকৰ বিশেষ কামত নাহিব সেইকাৰণে তেওঁলোকে চাউলৰ বস্তাকে লৈ গ'ল। গতিকে এই বিলাক কথাৰ পৰা ধৰিব পাৰি সেই ঠাই বিলাকত সাম্প্ৰদায়িকতাৰ বীজ গভীৰ ভাবে ৰোপন হৈছে, সাম্প্ৰদায়িকতা তুহ জুইৰ দৰে জলি আছে। সেইবিলাক এৰিয়াত এডমিনিষ্টেভ মেশ্যিনাৰীটো ফেইল হৈছে। গোৱালপাৰা জিলাত গৈ দেখিছো আফজালুৰ ৰহমান চাহাবে চিকিউৰিটি ফোৰ্চক বিভিন্ন ধৰণৰ নিৰ্দ্দেশ দিছে। আজি ৰাজনৈতিক

নেতাই উচতাইছে আৰু তাৰ বিনিময়ত সাধাৰণ দুখীয়া শ্ৰেণীৰ লোকে বিপদৰ সন্মুখীন হৈছে আৰু তেওঁলোকৰেই বেচি ক্ষতি হৈছে। মই দ্বিতীয় কথা কব বিচাৰিছো সেইটো হ'ল আজি চৰকাৰৰ শিক্ষা বিভাগত ব্যাপক ধৰণৰ দূৰ্নীতী হৈছে আৰু তাতোকৈ বেচি দুৰ্নীতি হৈছে এটা বিভাগত যিটো ৰাজ্যখনৰ একেবাৰে দুখীয়া শ্ৰেণীৰ লোকৰ কল্যাণৰ বাবে আছে, সেই বিভাগটো হ'ল ৰোৰাল ডেভেলাপমেণ্ট বিভাগ তাত ৫০ লাখ মান টকাৰ অনাবশ্যক কিছুমান বস্তু কিনা হৈছে আৰু সেই ডিপাৰ্টমেণ্টৰ কোনোবা এজন লস্কৰ বোলা বিষয়া আছে যি জনে হেনো চেক্ৰেটাৰী বা কমিশ্যনাৰৰ কথা একেবাৰে নুশুনে, নিজৰ ইচ্ছামতে অবাধ গতিত ৰাইজৰ স্বাৰ্থৰ বিৰুদ্ধে কাম কৰি গৈছে। গতিকে যদি আমি এই দুনীৰ্তিক যদি সদায় প্ৰশ্ৰয় দি থাকো তেতিয়াহলে আমাৰ দুখীয়া ৰাইজৰ কি অৱস্থা হব? এতিয়া সেই বিভাগত কৰ পইচা কলৈ গৈছে কোনোও নাজানে। তাত এজন মানুহে মোক কলে যে তেওঁলোকৰ গাৱঁত বোলে এজন ভুত ওলাইছে, তেওঁলোকে হেনো ভুতটাক কলে ঘৰ এটা সাজি দিব লাগে, তেতিয়া ভূতটোয়ে এক চেকেণ্ডতে ঘৰটো সাজি দিলে, তাৰ পাচত আকৌ কলে যে গাৱঁৰ পুখুৰীটো খান্দি দিব লাগে তাকো এক চেকেণ্ডত কৰি দিলে, আকৌ গাৱঁৰ মানুহ সন্তুষ্ট হৈ পুনৰ ভূতটোক ৰাস্তা বান্ধি দিব কলে, তেতিয়া ভূতটোয়ে এক চেকেণ্ড ৰাস্তাটো বান্ধি দিলে।

: সময়ৰ সংকেত :

তাৰ পাচত গাৱঁৰ মানুহে ভূতটোক দিশপুৰলৈ গৈ এটা চাকৰি থিক কৰিবলৈ কলে তেতিয়া ভূতটোয়ে তত্‌ক্ষনাত দিশপুৰলৈ

গ'ল কিন্তু তাত এতিয়াও চাকৰি থিক কৰিব পৰা নাই, এতিয়াও ভূতটোয়ে দিশপুৰত ঘূৰি ফুৰিছে ঘৰলৈ ঘূৰি অহা নাই।

ঃ সময়ৰ সংকেত ঃ

মাননীয় অধ্যক্ষ মহোদয়, অসমৰ যিটো জাতি গঠনৰ প্ৰক্ৰীয়া পৰ্ব্বত ভৈয়াম আৰু বিভিন্ন ধৰ্ম্মালম্বী লোকৰ মাজত যিটো সম্প্ৰীতি আৰু শান্তিৰ আছিল সেই জাতি গঠনৰ প্ৰক্ৰীয়াটো মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱে দি থৈ গৈছে সেই শংকৰ গুৰুৰ বৰগীতৰ সুৰ আজিয়ো আপোনাৰ হাজোত এফালে হয়গ্ৰীৱ মাধৱ মন্দিৰ আৰু আনফালে পোৱা মক্কাৰ জিকিৰৰ সুৰে বাজি আছে, তাত ৰাইজ ভাই ককাইৰ নিচিনাকৈ মিলা-প্ৰীতিৰে আছে কিন্তু সেই আমাৰ জাতি গঠনৰ পৰম্পৰাক ধ্বংস কৰি পেলোৱা হ'ল। এই সাম্প্ৰদায়িকতাৰ জুই কুৰা দপ দপকৈ জলিছে, এই জুইকোৰা নুমাব পৰা নাই। এই জুইকুৰা নুমাব পৰা গ'লহেতেন যদি গোটেইখন জবগি'ল হেতেন কিন্তু এই সাম্প্ৰদায়িকতাৰ জুই কোৰা তুহ জুইৰ দৰে উমি উমি জ্বলি আছে। জুইকুৰা তুহৰ জুইৰ নিচিনা হৈছে। অসমৰ পাৰম্পৰিক সম্প্ৰীতি বিনষ্ট কৰা এই লোক সকল কোন আৰু ইয়াৰ বাবে কোন দায়ী সেইটো আমি বিচাৰি উলিয়াব পাৰিব লাগিব। আজি এই বিষয়টো অতি গুৰুত্বপুৰ্ণ। গতিকে আজি আমি সাংবিধানিক নিয়ম অনুসৰি প্ৰতিবাদ কৰিবলৈ যিহেতু আমাৰ সদনেই উপযুক্ত স্থান। আমি এই সদনত এই কথা বিলাক আলোচনা কৰিব লাগে আৰু তাৰ কাৰণে এই অনাস্থা প্ৰস্তাৱ আনিছো আৰু অনাস্থাৰ দ্বাৰা আচল কথাবিলাক আলোচনা কৰি দোষীক শাস্তি

বিহাৰ কাৰণে কৈছো, চৰকাৰক বিৰোধিদা কৰিব লাগে কাৰণে আমি বিৰোধিতা কৰা নাই।

Moving of No-Confidance Motion does not mean that we are going to through out the Ministry headed by Shri Hiteswar Saikia.

Hon'ble Speaker : The House stands adjourned upto 3 P. M. today.

( The House re-assembled at 3 P.M. )

আচল কথা হ'ল আমাৰ ৰাজ্য খনৰ সম্প্ৰীতি বিনষ্ট কৰাৰ ক্ষেত্ৰত কিছুমান ফেক্টৰ আছে, কিছুমান 'থ্ৰেট' আছে, সেই থ্ৰেট বিলাক বিচাৰি উলিয়াব লাগে। আজি অসমীয়া জাতিৰ স্বাৰ্থত কব লাগিব অসমৰ ৰাইজৰ স্বাৰ্থত কব লাগিব যে এই সংঘটিত কাৰ্য্যৱলীৰ, লগত কেইজনমান বিধায়ক আৰু মন্ত্ৰী জৰীত হৈ আছে, আমি এই ঘটনাৰ পিচত হাজোলৈ গৈছিলো বৰপেটা গৈছিলো তাত বিভিন্ন ক্ষতিগ্ৰস্থ লোকক লগ পাই আৰু স্থানীয় ৰাইজৰ লগত সোধ পোচ কৰি জানিব পাৰিলো এই ঘটনা বিলাকৰ লগত আমাৰ বৰ্ত্তমান চৰকাৰৰ আৰু শাসনাধীষ্ঠ দলৰ কেবাজনো বিধায়ক আৰু মন্ত্ৰী জৰীত আছে আনকি সেই ঠাই বিলাকত যাওতে আমাক চিঠিয়ো দিছে, প্ৰয়োজন হলে মই দেখুৱাব পাৰিম। ধুবুৰীৰ বগৰী বাৰীৰ গোলমালত কোনো ধৰণৰ ধনী মানুহ এফেকটেড হোৱা নাই কিন্তু তাত থকা হিন্দু শ্মশানখন হলে ভাঙি পেলালে। ধুবুৰীৰ চাৰ্কিট হাউচত মই আফজালুৰ ৰহমান চাহাবক লগ পাইছিলো তেতিয়া কলো মানুহে মোক সুধিছে শ্মশান খন কিয় জ্বলাই দিলে, আমাৰ

অসমীয়াত এবাৰ কথা আছে সেইটো হ'ল— চৈধ্য গোষ্ঠীক চাই লম। তাৰ মানে দূস্কৃতিকাৰীয়ে জীয়াই থকা খিনিকো ৰেহাই নিদিয়ে, মৰা খিনিতো গলেই। মই ভাঠি কব পাৰো এই জনা মন্ত্ৰীৰ বিৰুদ্ধে যথেষ্ঠ খিনি এলিগেশ্যন আছে। তাত এজন মাণিক খান নামৰ এজন জনৈক লোকে আছে যি জনৰ ছোৱালীৰ লগত লেটি পেটি হৈছে।

* শ্ৰীচন্দন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ বিৰোধী দলৰ যিসকল সদস্যই আমাৰ চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি মই দুআষাৰ কবলৈ বিচাৰিছো। অধ্যক্ষ মহোদয়, আজি বিৰোধী দলৰ বন্ধু সকলে তিনিটা ইছুৰ ওপৰত অনাস্থা প্ৰস্তাৱ আনিছে। প্ৰথমতে অসমৰ আইন শৃংখলাৰ কথা উন্নুকিয়াইছে। এইটো বৰ দুখ লগা কথা হৈছে। যোৱা পাচ বছৰে যেনেকৈ আইন শৃংখলা চলিছিল তাৰ উদাহৰণ মাননীয় অধ্যক্ষ মহোদয় আপুনি নিজেও উদাহৰণ দিব পাৰিব। আপুনি নিজেও এজন কংগ্ৰেছ আই দলৰ সদস্য আছিল। আপোনাৰ জীৱনৰ নিৰাপত্তা কিমান পাইছিল যোৱা পাচ বছৰত? আন কোনো কথা কবই নালাগে আপুনি নিজেই সেইয়া পাইছিল। মাননীয় অধ্যক্ষ মহোদয়, ভাৰতীয় জনতা পাৰ্টি, বি জে পিয়ে বাবৰি মছজিদ ভাঙিলে। বাবৰি মছজিদ ইছু লৈ অসমৰ আইন শৃংখলা পৰিস্থিতিৰ অৱনতি ঘটিছিল। ততালিকে যথেষ্ট সংখ্যক সদস্যই বিভিন্ন ক্ষতিগ্ৰস্ত অঞ্চল ভ্ৰমণ কৰিছে। যিবিলাক অঞ্চললৈ মই নিজে গৈছো। আমাৰ দলৰ যথেষ্ট সংখ্যক মন্ত্ৰী বিধায়ক তালৈ গৈ শান্তি শৃংখলা ঘুৰাই অনাত সহায় কৰিছে।

Speech not Corrected

মই যমুনা মুখলৈ গৈছো, কান্দুলি মাৰিলৈ গৈছিলো। আমাৰ মুখ্যমন্ত্ৰী আৰু বহুতো বিধায়ক তালৈ গৈছে। অসমত যি আইন শৃংখলা পৰিস্থিতিৰ সৃষ্টি হৈছে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে ততালিকে আইন শৃংখলা পৰিস্থিতি চাম্ভালিছে। কিন্তু আন কতো পৰা নাই। গতিকে এই ক্ষেত্ৰত বিৰোধী দলৰ আইন শৃংখলা পৰিস্থিতিৰ ওপৰত যি অনাস্থা প্ৰস্তাৱ আনিছে সেয়া আনিব নালাগিছিল। বৰং তেওঁলোকে মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাব লাগিছিল। যি সময়ত ভাৰতবৰ্ষত কতো আইন শৃংখলা পৰিস্থিতি অৱনতি ঘটিছিল কিন্তু অসমৰ মুখ্য মন্ত্ৰীয়ে ততালিকে ৮ ডিছেম্বৰত আৰম্ভ হোৱা গণ্ডোগল চম্ভালিলে। ১০ তাৰিখৰ পিছত অসমত কোনো গণ্ডোগোল হোৱা নাই। তাৰ পিছত বিৰোধী দলে ভোটাৰ তালিকা লৈ কেইজন মান সদস্যই বিশেষকৈ অসম গণ পৰিষদৰ শ্ৰী অতুল বৰা দেৱে যি অনাস্থা প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি মই কব বিচাৰিছো যে মামনীয় সদস্য শ্ৰী অতুল বৰাদেৱে ভোটৰ তালিকা সম্পৰ্কে বহুতো কথাই কৈছে তেতিয়া কিন্তু ৮৩ চনত ছাত্ৰ সন্থাৰ নেতা আছিল। ৮৩ চনৰ ভোটৰ তালিকা অবৈধ আছিল আৰু তেতিয়া অসমৰ মুখ্যমন্ত্ৰী মাননীয় শ্ৰী হিতেশ্বৰ শইকীয়া আছিল। তেখেত সকলে দিমাণ্ড কৰিছিল যিহেতু সেই ভোটৰ তালিকা অবৈধ আছিল গতিকে সেই চৰকাৰ বাতিল কৰিব লাগে। তেতিয়াৰ প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ লগত চুক্তি কৰাৰ পিছত অসম চৰকাৰ বাতিল কৰা হয়। কিন্তু সেই একেখন ভোটৰ তালিকা ভিত্তিতে '৮৩ চনত যি খন চৰকাৰ গঠন কৰা হৈছিল '৮৫ চনতো সেইখন ভোটৰ তালিকাৰ ভিত্তিতে চৰকাৰ গঠন কৰা হৈছিল। ১৯৯০ চনত আগৰ

Speech not Corrected

চৰকাৰে ভোটাৰ তালিকা সাংশোধন কৰিছিল। ৯০ চনৰ যি ভোটাৰ তালিকা সংশোধন কৰা হৈছিল সেয়া শুদ্ধ নাছিল। ৯০ চনৰ তালিকাত বৰপেটাৰ বাহাৰ খান নামৰ এজন মৃত্যু ব্যক্তিক বিদেশী বুলি কোৱা হৈছিল। যি জন লোক অসম বিধান সভাৰ এজন প্ৰাক্তন সদস্য আছিল। তদন্ত কৰি দেখা গল ভোটাৰ তালিকা সংশোধনৰ নামত অসমৰ বিভিন্ন মহকুমাৰ ভাষিক আৰু সংখ্যালঘু পৰিয়ালৰ বহুতো মা-ভনীয়ে কোৰ্টত হিয়াৰিং দিব লগা হৈছে। সেই সময়ত এই ভোটাৰ তালিকা লৈয়ে তেতিয়াৰ মুখ্যমন্ত্ৰী শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই শাসন কৰিছিল। এতিয়া এই ভোটাৰ তালিকা লৈ অনাস্থা প্ৰস্তাৱ আহিব নোৱাৰে। ইয়াকে এটা ইছু কৰি ৰাজনীতি হব নোৱাৰে। এতিয়া মই দুৰ্নীতিৰ কথা লৈ আহো। কেইবাজনো মাননীয় সদস্যই আমাৰ চৰকাৰৰ দুৰ্নীতিৰ কথা উল্লেখ কৰিছে। কিন্তু এই চৰকাৰৰ আগতে যিসকলে ৫ বছৰ কাল ৰাজ্য শাসন কৰিছিল মন্ত্ৰীত্বৰ গাদি শোভা কৰিছিল সেই সকলৰ ফাইল যদি আমি চাবলৈ যাওঁ তাত অসংখ্য দুনীতি জৰিত থকা দেখিবলৈ পাওঁ। উদাহৰণ স্বৰূপে মই কাঠৰ পাৰ্মিট ইছু কৰা সম্পৰ্কে কব খুজিছো। তেতিয়া কাঠৰ পাৰমিট কাক ইছু কৰা হৈছিল জানেনে? সেই সময়ত যিসকল ছাত্ৰ সন্থাৰ নেতা আছিল তেওঁলোককহে এই পাৰ্মিট দিয়া হৈছিল। অধ্যক্ষ মহোদয়, ১৯৮৫ চনত মই কংগ্ৰেছ আই দলৰ সদস্য আছিলো। কিন্তু অভয়াপুৰিত মোক বিনা দোষতে এই চৰকাৰে গ্ৰেপ্তাৰ কৰিছিল চৰকাৰ গঠন হোৱাৰ তিনিমাহৰ পিছতে। আজি অসমত কংগ্ৰেছ চৰকাৰ হোৱা ইমান দিন হৈ গ'ল

কিন্তু কোনো বিৰোধী দলৰ সদস্যকে বিনা দোষত এই চৰকাৰে গ্ৰেপ্তাৰ কৰা নাই। আজি দুই এজন বিৰোধী সদস্যাই বিভিন্ন অশান্তি গ্ৰস্ত অঞ্চল শান্তি কমিটি গঠন কৰোতে আপত্তি কৰিছে। কিন্তু কোনো অঞ্চলতে এই শান্তি কমিটি গঠন কৰাত বাধা অহা নাই বৰং সকলোৱে চৰকাৰৰ লগত সহযোগহে কৰিছে। বিৰোধী দলৰ সদস্য কান্দুলিমাৰি সকলেও এনে শান্তি কমিটি গঠন কৰিব পাৰে ইয়াত বাধা নাই। নগাওত কংগ্ৰেছ দলে যি শান্তি কমিটি গঠন কৰিছে তাত শ্ৰী অব্দুল জব্বৰ নামৰ এজন এ জি পিৰ নেতাকো কমিটিৰ সদস্য কৰা হৈছে ( সময়ৰ সংকেত )। যমুনা মুখত গঠন কৰা শান্তি কমিটিতো এজন এ,জি,পিৰ, নেতৃস্থানীয় লোক আছে। মই এ জি পিৰ শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তক জনাব খোজো যে যিহেতু শান্তি কমিটিত এ জি পিৰ নেতৃস্থানীয় আছে গতিছে তেখেত সকলে কংগ্ৰেছ আই দলৰ বিৰুদ্ধে অনা এই প্ৰস্তাৱ অমূলক ( সময়ব সংকেত )। আজি প্ৰশ্ন উঠিছে বি জে পিৰ ভুলৰ কাৰণে অসমত আইন শৃংখলা পৰিস্থিতি অৱনতি ঘটিছে। আজি যদি ৪০০ বছৰীয়া পুৰণি বাবৰি মছজিদ ভাঙি নিদিলেহেতেন তেনেহলে অসমত আইন শৃংখলা পৰিস্থিতিৰ সৃষ্টি নহল হেতেন। আজি অসমত বিভিন্ন অঞ্চলত যি সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হৈছে সেই অঞ্চল সমূহত মুখ্যমন্ত্ৰী আৰু আমাৰ দলৰ অন্যান্য নেতা সকলে ভ্ৰমণ কৰি ৰাইজক শান্তি সম্প্ৰীতি অটুত ৰখাৰ কাৰণে সকলো সম্প্ৰদায়ৰ লোকলৈ গোহাৰি জনাইছে আৰু এই ক্ষেত্ৰত সকলো ৰাইজে সহাৰিও জনাইছে। ৰাজ্য খনত শান্তি সম্প্ৰীতি ৰক্ষা কৰাৰ কাৰণে চৰকাৰৰ লগত বিৰোধী দলৰ সদস্য সকলেও সহায়ৰ হাত আগবঢ়াব লাগে। তেওঁলোকে কেৱল আই কংগ্ৰেছকে

দোষাৰোপ কৰি থাকিব নালাগে। ( সময়ৰ সংকেত ) আজি কোন দলৰ বিধায়ক আছে। বি জে পি নহয় জানো ? কিন্তু তেওঁৰ নাম বিৰোধী দলে কিয় এবাৰো উচ্চাৰণ কৰা নাই। মুখ্যমন্ত্ৰী মহোদয়ে এই গণ্ডোগোলৰ তদন্ত কৰিবলৈ তদন্ত আয়োগ গঠন কৰি দিছে। এই তদন্ত আয়োগৰ প্ৰতিবেদন প্ৰকাশ পালেই ওলাই পৰিব এই গণ্ডোগোলত কোন কোন জড়িত আছে ? আজি এনে এটা অৱস্থাত বিৰোধী দলে এই অনাস্থা প্ৰস্তাৱ আনিব নালাগিছিল। আজি য'ত গাৰে ভুইয়ে যি সাম্প্ৰদায়িকতাৰ জুই জ্বলিছে এই জুই নিৰ্ব্বাপিত কৰিবৰ কাৰণে সকলো দলৰ সদস্য সকল মিলি একেলগে কাম কৰিব লাগিছিল ( সময়ৰ সংকেত )।

অধ্যক্ষ মহোদয় মই আৰু বিশেষ নকও। যিটো বিদেশী নাগৰিকৰ মেইন ইছু লৈ এ জি পি শাসনত আহিছিল সেই চৰকাৰে বিদেশী খেদাত বিফল হোৱাত যোৱাটো নিৰ্ব্বাচনত তেওঁলোকৰ পতন ঘটিল। গতিকে বিৰোধী দলে যিমানেই অনাস্থা প্ৰস্তাৱ নানক লাগে যিহেতু সদনত আমাৰ দলৰ সংখ্যাগৰিষ্ঠতা আছে আমাক একো কৰিব নোৱাৰে আৰু এনে প্ৰস্তাৱ অনাৰ কোনো যুক্তি সঙ্গত কাৰণ নাই।

* শ্ৰী দীপেন্দ্ৰ ৰংপী : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলৰ সদস্য সকলৰ তৰফৰ আজি যি চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনিছে মই তাৰ সমৰ্থনত কেইটামান কথা কবলৈ ওলাইছো। আমাৰ ভালেকেইজন বিৰোধী সদস্যই অভিযোগ কৰিছে যে আজি আমাৰ ৰাজ্যখনত যি সাম্প্ৰদায়িক অশান্তিৰ সৃষ্টি হৈছে তাত চৰকাৰী পক্ষৰ হাত আছে। ময়ো দৃঢ়তাৰে কব খোজো যে এইটো একমাত্ৰ

Speech not Corrected

চৰকাৰৰ দোষৰ কাৰণেই এনে হবলৈ পালে। চৰকাৰ যদি এই সম্পৰ্কে আগতেই সতর্ক হলহেতেন তেন্তে এনে ঘটনা হবলৈ নেপালে-হেতেন। অধ্যক্ষ মহোদয়, আজি কাৰ্বি আংলং জিলা পৰিষদ ভঙ্গ কৰাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী আৰু হিল এৰিয়াজ মন্ত্ৰীৰ বিবৃতি বেলেগ বেলেগ হৈছে। মূখ্য মন্ত্ৰীয়ে দিল্লীত ষ্টেটমেণ্ট দিছে যে কাৰ্বি আংলঙত কাৰ্বি সকলে অনাকাৰ্বি সকলক অত্যাচাৰ কৰিছে, জিলাখনত সাম্প্ৰদায়িক সংঘৰ্ষ হৈছে। কিন্তু অধ্যক্ষ মহোদয়, কাৰ্বি আংলঙত এনে পৰিস্থিতি কেতিয়াও হোৱা নাই, এইয়া কংগ্ৰেছ চৰকাৰৰ অভিসন্ধি মাথোন। কাৰ্বি আৰু অনাকাৰ্বিৰ মাজত কোনো মনবিৰোধ হোৱা নাই। এনে নজিৰ তাত নাই, মুখ্য মন্ত্ৰীয়ে কিয় এনে ষ্টেটমেণ্ট দিব লাগে । অথচ মুখ্য মন্ত্ৰীয়ে এই কাৰণেইজিলা পৰিষদ খন ভঙ্গ কৰি দিয়া হৈছে বুলি কৈছে। আনহাতে এইচ, এ,ডি মিনিষ্টাৰে কৈছে যে জিলা পৰিষদে ১০.১২ কোটি টকাৰ খেলিমেলি কৰাৰ বাবে এই পৰিষদখন ভঙ্গ কৰি দিয়া হৈছে বুলি। আচলতে ১০.১২ কোটি টকা জিলা পৰিষদে আত্মসাত বা খেলিমেলি কৰা নাই এই টকা জমা আছে, পি, পি, এচ নামত একাউণ্টত জমা ৰখা আছে। পি, পি, এচ জন চৰকাৰে নিযুক্তি দিয়া বিষয়া। আগতেও এনে টকা থাকে। এই টকা এবছৰৰ বা দুবছৰৰ নহয়, ৩-৪ বছৰৰ পৰা জমা হৈ ইমান-খিনি হৈছেগৈ। আৰু এইটো কিয় হবলৈ পালে আমাৰ এইচ, এ ডি অফিচত গম ললেই জানিব পাৰিব! পি এণ্ড ডি বিভাগে ৩১ মাৰ্চত টকা ৰিলিজ কৰে। ইয়েৰ এণ্ডিংত টকা ৰিলিজ কৰে। সেই টকা এক দুই দিনৰ ভিতৰতে আচনি ৰূপায়িত কৰি খৰচ কৰিব পৰাটো সম্ভৱপৰ কাৰো কাৰণেই নহয়। আনহাতে আচনি ৰূপায়িত নোহোৱাকৈয়ো টকা খৰচ কৰিব নোৱৰি। আগতে উত্তৰ কাছাৰ

আৰু কাৰ্বি আংলং জিলা পৰিষদত যথেষ্ট দূৰ্নীতি চলিছিল কিন্তু কিছুদিনৰ আগতে কাৰ্বি আংলঙত এ, এচ, ডি, চি ক্ষমতালৈ অহাৰ পৰা এই দূৰ্নীতি কমিছে। আচনি ৰূপায়নত জিলা পৰিষদ সফল হৈছে। এতিয়া যিটো টকাৰ খেলিমেলিৰ কথা উঠিছে সেই টকা অসম চৰকাৰৰ একাউণ্টতে জমা আছে। পি, পি. এচৰ আণ্ডাৰত এই একাউণ্ট পৰিচালনা কৰা হয়। এনে গোকাট মিছা কথা কোৱা অপ্ৰয়োজন।

মাননীয় অধ্যক্ষ : মিছা শব্দটো আনপাৰ্লিমেণ্টৰী, কব নেলাগে।

Please try to conclude, your time is up.

* শ্ৰী দীপেন্দ্ৰ ৰংপী : অধ্যক্ষ মহোদয়, মই এইটো উঠাই লৈছো, অসত্য বুলি কৈছো। এনে তথ্য দাঙি ধৰি মুখ্য মন্ত্ৰীয়ে কাৰ্বি ৰাইজ তথা অন্যান্য সকলোকে মিচলেড কৰিছে। এই চৰকাৰ আজি নিজেই কৰাপচনত ডুব গৈ আছে, এই কৰাপচন কেতিয়াও দূৰ কৰিব নোৱাৰে। কাৰ্বি আংলং জিলা পৰিষদৰ নিৰ্ব্বাচনত ২৬ জন মুঠ সদস্যৰ ভিতৰত ২২ জন এ, এচ, ডি, চিৰ সদস্য জয়ী হৈছে। ২ বছৰৰ ভিতৰত ৪ জনকৈ এম, এল, এ এ, এচ, ডি, চিয়ে পঠাব পাৰিছে। কাৰ্বি আংলঙৰ ৰাইজে যদি এ, এচ, ডি, চিক বেয়া পালেহেতেন তেন্তে কেতিয়াও এই সকল এম, এল, এ জিকিব নোৱাৰিলেহেতেন। কাৰ্বি আংলঙৰ ৰাইজে এ, এচ, ডি, চিক অত্যন্ত ভাল পায় কাৰণেই তেওলোকক জিকাইছে। অকল সেয়ে নহয় কাৰ্বি আংলং আৰু উত্তৰ কাচাৰ পাহাৰ জিলাৰ পৰা জয়ী হোৱা একমাত্ৰ এম, পি গৰাকীও হৈছে এ, এচ, ডি, চিৰ লোক। কাৰ্বি আংলঙৰ ৰাইজে আমাক সম্পূৰ্ণ সমৰ্থন দিছে। ৰাইজ

আমাৰ লগত আছে। আনহাতে এন. চি হিলচৰ জিলা পৰিষদখন আই কংগ্ৰেছৰ দখলত থকা অৱস্থাত তাত ব্যাপক দূৰ্নীতি চলিছে বুলি বিভিন্ন বাতৰি কাকতত তথ্য প্ৰকাশ হৈছে। ৪০০ টকাৰ আলমিৰা তাত ৮ হেজাৰ টকাত কিনা হৈছে। কিন্তু এইখন জিলা পৰিষদ দূৰ্নীতিগ্ৰস্ত হোৱাৰ কাৰণে চৰকাৰে তাক ভঙ্গ কৰা নাই। আনহাতে ৫ বছৰ কাল উকলি যোৱাৰ পিচতো জিলা পৰিষদখনক আৰু ৬ মাহৰ কাৰণে এক্সটেণ্ড কৰাহে হৈছে। চৰকাৰে ৰাজনীতিৰ স্বাৰ্থতে এনে কাম কৰিছে। এনে গণতন্ত্ৰৰ ওপৰত ৰাইজৰ কি বিশ্বাস থাকিব। আজি কাৰ্বি আংলঙৰ ৰাইজে অসমৰ ভিতৰতে থাকি এখন স্বায়ত্ব শাসন ৰাজ্য দাবী কৰিছে। তেওঁলোকে অসমৰ পৰা বাহিৰ হৈ যাব বিচৰা নাই। কিন্তু চৰকাৰী পক্ষই আজি অপপ্ৰচাৰ চলাইছে যে কাৰ্বি আংলং অসমৰ পৰা বাহিৰ হৈ যাব বিচাৰিছে। মুখ্য মন্ত্ৰী আৰু এইচ, এ, ভি মন্ত্ৰীয়ে বিভিন্ন সময়ক বিভিন্ন কাকতত ষ্টেটমেণ্ট দিছে যে কাৰ্বি আংলং অসমৰ পৰা আতৰি যাব খুজিছে। কিন্তু কাৰ্বি ৰাইজে অসম আকৌ এবাৰ খণ্ড বিখণ্ড হোৱাটো নিবিচাৰে। তেওঁলোকে অসমৰ ভিতৰতে এখন অটনমাচ ষ্টেটহে দাবী কৰিছে। আৰু এই সকলৰ যে এ, এচ, ডি, চিৰে সমৰ্থন আছে এনে নহয় তাত থকা কংগ্ৰেছী নেতা সকলেও এই দাবীক সমৰ্থন জনাইছে। সেয়ে যোৱা ৫ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী কাৰ্বি আংলঙলৈ যাওঁতে তাত গোটখোৱা কংগ্ৰেছী এ, এচ, ডি, চি আৰু অন্যান্য সকলো জনসাধাৰণেই আশা কৰিছিল যে মুখ্য মন্ত্ৰীয়ে তেখেতৰ ভাষণত অট'ন'মাচ ষ্টেট সম্পৰ্কত কিবা এটা ঘোষণা দিব। যেতিয়া মুখ্য মন্ত্ৰীয়ে এই বিষয়ে কোনো কথা নকলে তেতিয়া

গোটখোৱা ৰাইজ মিটিঙৰ পৰা আতৰি গ'ল। (সময় সংকেট)। তাত গোট খোৱা মানুহখিনি নিৰাশ হ'ল। চৰকাৰে বি পদ্ধতিয়েই নলওক কিয় কাৰ্বি আংলঙত কেতিয়াও কংগ্ৰেছ আই জয়ী হব নোৱাৰিব। তাৰ ৰাইজে সদায় এ, এচ, ডি, চিক সমৰ্থন জনাব। কিয়নো এ, এচ, ডি, চিয়ে কাৰ্বি আংলঙত ভাল কাম কৰিছে। (সময় সংকেট) অধ্যক্ষ মহোদয়, মই শেষ কৰিছো-বিৰোধী পক্ষৰ তৰফৰ পৰা যি ন'কনফিডেন্স মোচন ম'ভ কৰিছো তাৰ প্ৰতি আমাৰ দলৰ পূৰ্ণ সমৰ্থন আছে। এনে কাৰ্য্য কলাপেৰে এই চৰকাৰে কাৰ্য্য নিৰ্ব্বাহ কৰাটো আমি নিবিচাৰো। এই চৰকাৰ ক্ষমতাত থাকিব নেলাগে।

মাননীয় অধ্যক্ষ :— মাননীয় মুখ্য মন্ত্ৰীয়ে উত্তৰ দিওঁতে ১ ঘণ্টা ২০ মিনিট লব। ৩ বাজি ৪০ মিনিটলৈকে আলোচনা হ'ব।

শ্ৰীজয় নাথ শৰ্মা :— মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে এক্সটেন্দেদ পিৰিয়দত উত্তৰ দিলে ভাল হ'ব।

Mr Speaker :— Now hon'ble Member Shri Badri Narayan Parsad.

श्री बद्री नरायण सिंह : माननीय अध्यक्ष महोदय, मैं अयोध्या महल के बारे में इस्लाम धर्म और हिन्दू धर्म दोनों का ही बहुचर्चित विषय है उसके बारे में कुछ कहना चाहता हूं। हिन्दू धर्म का प्रतीक श्रीराम मंदिर है और असके बारे में अभी तक जो कुछ कहा गया है वह बहुत ही चिन्तनी है। यह बड़े दूर्भाग्य की बात है कि कांग्रस पार्टी दोनों समुदायों को बातें कह कर हिन्दूस्तान और पाकिस्तान का वंटवरा करा कर हिन्दू और मुसलमान को दो भागों में बांट दिया। और वही कांग्रेस आपने को सेकुलर कहती है और हमेशा सेकुलर की बात करती है। यही पार्टी हर जगह अपनी

सुविधा के लिए अलग अलग सम्प्रदायों को लड़ाती है। इसी पार्टी के कारण कश्मिर में 370 धारा लगाकर मुस्लिम सांप्रदाय को विशेष सुविधा दी है वैसी सुविधा भारत के अन्य किसी भी नागरिक को नहीं मिलती है। इसी पार्टी के सरकार के गृह मंत्री स्व. वल्लभ भाई पटेल ने सोम नाथ का मन्दिर मस्जिद को तोड़वाकर बनवाये। यह एक सेकुलरीज्म का उदाहरण है कि जब चाहे दोनों संप्रदायों को लड़ा देती है। 1948 से ही अयोध्या के श्रीराम मंदिर में कांग्रेस सरकार ने मंदिर खुलवाकर हिन्दू भाइयों को पूजा की अनुमति दी और तबसे वहाँ पर श्रीराम की पूजा होती है। तबसे वहाँ पर कोई मुसलमान भाई नमाज पढ़ने नहीं गया। अभी वर्तमान में देश में जो संकट आया हुआ है वह भी अपनी कुर्सी बचाने के लिए कांग्रस का ही हाथ है। क्योंकि स्व० राजीव गांधी जब प्रधान मंत्री थे उसी समय अयोध्या में श्री राम मंदिर का शिलान्यास हुआ और अब जब मंदिर बनाने का प्रश्न आया है तब कांग्रस सेकुलर की बात करती है।

अध्यक्ष महोदय, यह प्रश्न हिन्दु बहुसंख्यक समाज का एक बहुत बड़ा प्रश्न है। सेकुलर के नाम पर हमारी संस्कृति और बहुसंख्यक समाज की भावना को कोई ठेस पहुचाता है तो इस देश के लोग कभी क्षमा नहीं करेंगे चाहे किसी सरकार की पार्टी हो। अभी अभी इस देश में जो कुछ हुआ है यह बड़े दुख की बात है। जहाँ जहाँ कांग्रेस की सरकारें हैं वहीं पर दंगा मार-काट ज्यादे हुए है। क्या पुलिस बल की कमी थी या सरकार जान बुझ कर ऐसा करा रही है। पिछले दिनों

Speech not Corrected

करीमगँज में दो युवतियों के साथ 12 युवक बलात्कार किए और अभी तक पुलिस कुछ भी नहीं कर कर पायी। अध्यक्ष महोदय, इसी के साथ में अपना व्यक्तव्य समाप्त करता हूँ और विरोध प्रस्ताव का समर्थन करता हूँ।

* শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই আজিৰ এই অনাস্থা প্ৰস্তাৱ সমৰ্থন কৰি কেইটা মান কথা কব বিচাৰিছোঁ। ইয়াৰ আগতে মুখ্য মন্ত্ৰীলৈ মই অনুৰোধ জনাও যেন কেইটা মান কথাও তেখেতে আজিৰ সদনতে ঘোষণা কৰিব লাগে। মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে বড়োলেন্দৰ সম্পৰ্কত সমস্যাটো সমাধানৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ ৰেফাৰ কৰিছে। কিন্তু কথাটো কিমান দূৰ সত্য তাৰ এটা স্পষ্টীকৰণ দিব লাগে। আৰু দ্বিতীয়তে বড়ো লিডাৰ মাননীয় পৰমেশ্বৰ ব্ৰহ্মক পুলিচ কনষ্টেবলৰ দ্বাৰা শাৰিৰীক অত্যাচাৰ কৰিছে বুলি অভিযোগ পোৱা হৈছে। এতিয়া কথা হ'ল, এই দৰে অত্যাচাৰ কৰিবলৈ চেণ্ট্ৰেল পুলিচে নে ডি, জি পি, এ নে মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজেই নিৰ্দেশ দিছে, তাৰ এটা স্পষ্টীকৰণ দিব লাগে। আৰু লগতে ইতি মধ্যে ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰী নৰসিংহ ৰাও ডাঙৰীয়াই ১৫ জানুৱাৰীৰ ভিতৰত বড়ো সমস্যা সমাধান কৰিব বুলি আশ্বাস দিছিল। আৰু গৃহমন্ত্ৰী চৱনে ১২ ঘণ্টীয়া অসম বন্ধৰ সম্পৰ্কত পুলিচি অত্যাচাৰ বন্ধ কৰিবলৈ মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ এক নিৰ্দেশ দিছিল বুলি জানিব পাৰিছিলোঁ। এনে স্থলতো আজি বড়োলেন্দ এৰিয়াত পুলিচি অত্যাচাৰ চলিয়ে আছে। কিয় বন্ধ হোৱা নাই তাৰ এটা স্পষ্টীকৰণ দিব লাগে আৰু এই দৰে অনাস্থা প্ৰস্তাৱলৈ গাদীত

Speech not Corrected

বহি থকাৰ কোনো নৈতিক অধিকাৰ মুখ্যমন্ত্ৰীৰ নাই। তাৰোপৰি তেখেতৰ সতীৰ্থ কংগ্ৰেছ নেতা, পালি নেতা সকলে সকলক নিয়ন্ত্ৰণ কৰিব পৰা নাই। আৰু তাৰ মাজত পাৰ্টিৰ তিনটা শ্ৰেণী আছে। এটা আন চেকুলাৰ, এটা চেমি চেকুলাৰ আৰু এটা সম্পূৰ্ণ চেকুলাৰ কংগ্ৰেছৰ মাজতে আন চেকুলাৰ লোক আছে। সেই কাৰণেই তেনে মুখ্যমন্ত্ৰীয়ে, ৰেজিগনেচন দিব লাগে। নাৰী কেলেংকাৰীত নাৰী জৰিত থকা লোকক তদন্ত কৰি শাস্তি বিহাৰ পৰা আঁতৰি থকাৰ পৰিপ্ৰেক্ষিতত কব বিচাৰোঁ যে এই চৰকাৰ গাদীত বহি থকাৰ অধিকাৰ নাই।

আজিৰ অসম কাকতত প্ৰকাশ পাইছে। গতিকে কংগ্ৰেছ অসমৰ শত্ৰু। এই বিলাক কাৰণতেই মুখ্যমন্ত্ৰীয়ে ৰিজাইন লব লাগে। তিনিজন বড়োলেণ্ড পাৰ্টিৰ বিধায়কক গ্ৰেপ্তাৰ কৰিছে। এডিচলে মেজিষ্ট্ৰেটৰ ৰিপোৰ্ট মতে গ্ৰেপ্তাৰ কৰিছে। কিন্তু ৰেইড কৰাৰ সময়ত বিধায়ক চৌতোন্দ্ৰ নাৰ্জাৰিৰ ঘৰত বড়োলেণ্ড সম্পৰ্কত অলপ লিখিত নথিপত্ৰ পোৱাৰ বাহিৰে আন দুগৰাকী বিধায়ক শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম আৰু আমাৰ লিডাৰ পৰমেশ্বৰ ব্ৰহ্মৰ ঘৰত কোনো কাগজপত্ৰ পোৱা নাছিল। তেওঁলোকৰ ঘৰত কিবা তথ্য পাতি পোৱা বুলি চাৰ্জলিষ্ট এতিয়ালৈকে দিব পৰা নাই। এই বিলাক চলিল ষড়যন্ত্ৰ আৰু দুৰ্নীতিৰ কাৰ্য্যকলাপ। সান্ধ্য বাতৰিত যমুনামুখৰ বিধায়কক গ্ৰেপ্তাৰৰ দাবী জনাইছে। এই বিলাক কাৰণতো মুখ্যমন্ত্ৰীয়ে ৰিজাইন দিয়া উচিত। তাৰ উপৰিও বিধান সভাত মুখ্যমন্ত্ৰীয়ে বিদেশী নাই বুলি কৈছিল যদিও পিচত আকৌ কৈছে

যে এজনো বিদেশী অসমত নাই। ইয়াৰ ফলত বাংলাদেশ আৰু পাকিস্তানৰ পৰা দূস্কৃতিকাৰীয়ে দূস্কৰ্ম কৰাৰ কাৰণে উদগণি পাইছে। এই খন আমাৰ শংকৰ দেৱৰ দেশ আমাৰ বিষ্ণুৰাভাৰ দেশ। কিন্তু আমাৰ ইয়াতে মাইলা থাপা নামৰ চিপাহী এজনক মদ খুৱাই আমাৰ বড়োলেণ্ড বিধায়িনী দলৰ গ্ৰেপ্তাৰ হোৱা বিধায়কৰ ওপৰত অত্যাচাৰ চলাইছে।

( সময়ৰ সংকেত )

আমি কব নোৱাৰো আমাৰ বিধায়ক তিনিজনক বিষ খুৱাই মাৰিলেও আচৰিত হবলগীয়া নাথাকিব। এই বিলাক অতি দুৰ্ভাগ্যজনক। আচলতে বিধানসভা ভঙ্গ কৰি দিব লাগে মন্ত্ৰী সভাই পদত্যাগ কৰিব লাগে আৰু ৰাজ্যপালৰ ওপৰত বিধানসভা ভঙ্গৰ কথা জনাব লাগে। যদি চেকুলাৰ আৰু মডাৰেট লোক সকলে আকৌ কংগ্ৰেছৰে হৈ চৰকাৰ গঠন কৰে তাত আমাৰ বিশেষ আপত্তি কৰিবলগীয়া নাথাকিব। বড়োলেণ্ডে সমস্যা সমাধান কৰিব পৰা নাই।

: সময়ৰ সংকেত :

অসমৰ জনজাতীয় সকলক ধ্বংস কৰিবলৈ ওলাইছে। ডি-জি-পি জন বাহিৰৰ মানুহ হোৱা কাৰণে বলিৰ পঠাৰ দৰে ব্যৱহাৰ কৰিছে। বড়ো সকলক ডকাইটি কৰাত এক্সপাৰ্ট বুলি কোৱা তেনে লোক সকলক চাচপেণ্ড কৰিব লাগে। চৰাইখোলাৰ পৰা ৪৩টা ৰাইফল লৈ যাব পাৰিছে সেই বিলাক কাৰণতেই। অসমৰ বাহিৰৰ ডি জি পি হোৱা কাৰণেই সেইটো হৈছে।

Speech Not Corrected

Mr. Speaker :— I request you to conclude your speech.

শ্ৰীকৰেন্দ্ৰ বসুমতাৰী :— মই আৰু কবলগীয়া আছিল। এই থিনিকে কৈ অনাস্থা প্ৰস্তাৱ সমৰ্থন কৰিছো।

শ্ৰী চন্দন সৰকাৰ :— মাননীয় সদস্য গৰাকীয়ে এটা কপি দেখুৱাই বিধায়কক গৰাকীয়ে বঙ্গাইগাওঁ জিলা কংগ্ৰেছ সভাপতিয়ে নাৰী ধৰ্ষণ কৰিছে বুলি উলিয়াইছে। এইটো সম্পুৰ্ণ ভিত্তিহীন।

মাননীয় অধ্যক্ষ :— এইটো এক্সপাঙে কৰা হৈছে। That will not be recorded.

* শ্ৰী জয়নাথ শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে অনাস্থা প্ৰস্তাৱ সম্পৰ্কত দিঘলীয়া ভাবে বিতৰ্ক হৈছে। মই মাত্ৰ কেইটামান কথাৰ প্ৰতি মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আৰম্ভণীতে ৰাজ্যমন্ত্ৰী ডাঙৰীয়াই এটা কথা কৈছে যে কালি তেওঁ বিলাক জিকিছে গতিকে আজিও জিকিব। এইটো কোনো যুক্তিৰ কথা নহয়।

( ভইচ : স্থিতি আৰু আস্থা প্ৰকাশ কৰিছে সদনে )

থিয় হৈ কব লাগে। সদনৰ নীতি নিয়ম মানি চলিব লাগে। কোনোবা মানুহ হোজাইৰ পৰা আহি ইয়াত সোমাই আছে। এইটো দুখজনক কথা। কিয় ধৰিব পৰা নাই। যদি কোনোবা জড়িত লোক বিধায়ক আবাস এলেকাত আছে কিয় ধৰা নাই। বড়োলেণ্ড বিধায়কক গ্ৰেপ্তাৰ কৰাৰ পিচত মই পাচটা প্ৰশ্ন কৰিছিলো। মই কিন্তু তাৰ এটাৰো উত্তৰ নাপালো। এ-জি-পিৰ দিনত গহপুৰত ঘটনা হৈছিল বুলি কলেই সমস্যাৰ শেষ নহয়। এজিপিয়ে বেয়া কাম কৰিছিল কাৰণে আপোনালোকেও বেয়াকাম কৰিব লাগিব বুলি কথা আছে নেকি ? তেনেহলে ধৰি লবলাগিব আপোনালোকৰ পথ প্ৰদৰ্শন

Speech not Corrected

এ-জি-পি। যদি সেইটোৱেই হয় অসমখনৰ কাৰণে দেশখনৰ কাৰণে বৰ দুৰ্ভাগ্যজনক কথা হব। ইন্দ্ৰ গগৈয়ে নিজেই গোৰ মাৰি দিছে এজনক, বিজিত শইকীয়া মন্ত্ৰীৰ গাড়ীৰ খুন্দাত চাইকেল আৰোহী এজনক জখম হৈ হস্পিটালত আছে। খুন্দিয়াই বগৰাই থৈ আহিছে।

শ্ৰীবিজিত শইকীয়া ( উদ্যোগমন্ত্ৰী ) :— মোৰ গাড়ীত খুন্দা লগা নাই। মন্ত্ৰীৰ গাড়ীৰ পিচত অহা এচকোৰ্ট গাড়ীতহে খুন্দা খাইছে।

* শ্ৰী জয়নাথ শৰ্মা :— বোমা বিস্ফোৰন হোৱাৰ পিচত এসপ্তাহৰ পিচত-আবচুৰ বিবৃতি দিলে আৰু তাৰ পিচত গণেশ গুৰি আৰু ক'ৰ ক'ৰ পৰা মানুহক ধৰি আনিলে। আবচুয়ে বিবৃতিত মুখ্যমন্ত্ৰীৰ লগত বুজাপৰাৰ কথা উল্লেখ কৰিছিল কিন্তু মুখ্যমন্ত্ৰীয়ে তাৰ কোনো স্পষ্টীকৰণ নিদিলে। ইয়াৰ পৰা অনুমান কৰিব পাৰি এই গোটেই বিলাক সন্দেহৰ অৰ্দ্ধত নহয়। বোমা বিস্ফোৰণৰ পিচত ডাক্তৰক ধৰি আনিলে গৈ। নিশ্চয় কথা বিলাক জানে আৰু সেই কাৰণেই ধৰি আনিব পাৰিছে। হোজাই ডবকাৰ কাৰণে কমিশ্যনাৰ অব ইংকুৱেৰি দিছে কিন্তু জলেশ্বৰত কিয় দিয়া নাই? এইটোও সোমাই লব লাগে।

তাৰ পিচত আবছুয়ে বিবৃতি দিছিল যে মুখ্যমন্ত্ৰীৰ লগত তেওঁলোকৰ বুজাবুজি হৈছিল। কিন্তু তাৰ অস্পষ্টীকৰণ মুখ্যমন্ত্ৰীয়ে নিদিলে। তেতিয়াহে বুজা গল যে মুখ্যমন্ত্ৰীৰ লগত কিবা বুজাবুজি আছিল। এম, এল, এ, হোষ্টেলত বোম বলাষ্ট হোৱাৰ লগে লগে তেওঁলোকে কোন ক'ত আছে ক'ত ডাক্তৰ এৰেষ্ট কৰিব লাগে সেই বিলাক

আগতীয়াকৈয়ে জানিছিল। তাৰ মানে তেওঁলোকে আগতীয়াকৈ গম পায়। এতিয়া ল' এন অৰ্ডাৰ চিটোৱেচনৰ হোজাই আৰু দবকাৰ কথা মই কবলৈ নেযাওঁ। কিন্তু জলেশ্বৰত কি কৰিলে ?

( সময়ৰ সংকেট )

মাননীয় অধ্যক্ষ মহোদয়, মই অন্য এটা কথা কব বিচাৰিছো। এই বিভাগটো বিক্ৰি কৰি দিয়াৰ অতিক্ৰম কৰিছে। এই বিভাগটোত ৭ কোটি টকা লোকচান হোৱা বুলি বিক্ৰি কৰি দিবলৈ। ওলাইছে। তেওঁলোকে জেনেৰেল মিটিং কল নকৰে কিয় ? এই বিভাগটো কিয় বিক্ৰি কৰিবলৈ ওলাইছে।

( সময়ৰ সংকেট )

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে প্ৰাগবচিমি যি অভিযোগ তাৰ পৰা এৰাই চলিব বিচাৰিছে। আজি ৪/৫ জন প্ৰাগবচিমিৰ কৰ্মীক আলফাই অপহৰণ কৰিছে। ২৬ শতাংশ টকা চৰকাৰে লোৱা কথা আছিল কিন্তু তাৰ ১০ শতাংশহে ললে। মাননীয় প্ৰধান মন্ত্ৰীয়ে নাগপুৰত এটা পলিষ্টাৰ উদ্যোগ কৰিছে তাত তেখেতে যথেষ্ট সহায় সহযোগ আগবঢ়াইছে। তেখেতে তাত নিজেই ব্যৱসায় কৰা নাই। আমাৰ মুখ্যমন্ত্ৰীয়ে কিন্তু ব্যৱসায় কৰিছে। তেখেতে ৰাজনীতি কৰক নাইবা ব্যৱসায় কৰক। তাৰে যেই কোনো এটা কৰিব লাগে। নহয় ব্যৱসায় কৰক নহয় ৰাজনীতি কৰক। নুমলিগড়ৰ কথা আছুয়ে কৈছে মই সেইটো নকওঁ কিন্তু বকুৱা বামুন গাৱঁৰ চেনিকলটো কিয় বিক্ৰি কৰিবলৈ ওলাইছে।

( সময়ৰ সংকেট )

Speech not Corrected

Mr. Speaker :— Now hon. Minister Parlia mentary Affairs to speak.

শ্রী জয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোক আৰু অলপ কবলৈ দিয়ক। মই আগতেই কৈছিলো মোক অলপ টাইম একষ্টেণ্ড কৰি দিয়ক। মুখ্যমন্ত্ৰীৰ লৰাই প্ৰাগবচিমি কৰ্মচাৰীক মাৰপিট কৰিছে আৰু সেই কৰ্মচাৰীৰৰ বিবৃতিৰ পৰা গম পোৱা গৈছে যে মুখ্যমন্ত্ৰীও সেই কাৰ্য্যত লিপ্ত আছে। মুখ্যমন্ত্ৰী এনে বেপাৰ কিয় কৰি থাকিব লাগে। (—সময়ৰ সংকেট—) মোক আৰু অলপ কবলৈ দিয়ক। মোক যদি আৰু কবলৈ নিদিয়ে তেনেহলে মই বহিছো।

* শ্ৰী গোলোক চন্দ্ৰ ৰাজবংশী (সংসদী পৰিক্ৰমা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি যেতিয়া গণতান্ত্ৰিক পদ্ধতিৰে শাসন ভাৰ গ্ৰহণ কৰিছো বিৰোধী দলৰ অৱস্থিতি বা তেখেত সকলৰ অধিকাৰ মানি লৈছো। কিন্তু কথা হৈছে বিৰোধী দল হল বুলিয়েই যে বিৰোধীতা কৰিব লাগিব আৰু বিৰোধ কৰাটোৱেই কৰ্ত্তব্য নুবুজায়। ইংলণ্ডই পৃথিবীৰ ভিতৰত পুৰনা গণতান্ত্ৰিক ৰাষ্ট্ৰ তেখেত সকলে চৰকাৰৰ সমালোচনা কৰোতে কি কৰিলে ভাল হব সেইটো চেদ কেবিনেটে পৰামৰ্শ দিয়ে আৰু তেখেত সকলৰ দৃষ্টি ভংগী ৰাইজৰ আগত দাঙি ধৰে। গণতন্ত্ৰত ধৈৰ্য্যহে আচল কথা, অধৈৰ্য্যত গনতান্ত্ৰিক হব নোৱাৰে। গতিকে এই ক্ষেত্ৰত অনাস্থা প্ৰস্তাব অনাটোত ভাল পাইছো। যিবিলাক কথা কাগজে পত্ৰই সত্যাই হওঁক বা অসত্যাই হওঁক সেইবিলাক কথা প্ৰকাশ কৰাত বিধান সভাত স্পষ্টীকৰণত প্ৰকাশ পাব। আমি সেইটো কাৰণে বেয়া পোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, গগৈদেৱে অনাস্থা প্ৰস্তাৱত চৰকাৰে পদত্যাগ কৰিব লাগেনে নেলাগে কোৱা নাই। মহন্ত ডাঙৰিয়াই পৰামৰ্শ

Speech Not Corrected

এনেকুৱাকৈ দিছে যে চৰকাৰ থাকিব লাগে। ভৃগু কুমাৰ ডাঙৰিয়াই কৈছে যে মৰেল দায়িত্বত পদত্যাগ কৰিব লাগে। মাননীয় সদস্য শ্ৰী অতুল বৰা দেৱে কৈছে দুৰ্ভাগ্য যে কেন্দ্ৰীয় চৰকাৰে এই চৰকাৰক বৰ্খাস্ত কৰিব লাগিছিল। তেখেত সকলৰ স্থিতি কি তেখেত সকলেই নেজানে। এগৰাকী সদস্যই জ্যোতি বসুৰ কথা আনিছে, এগৰাকীয়ে ৰাচিয়াৰ দৃষ্টি ভংগী আনিব।

(ভইচ-আপুনি সেই কাৰণে ইংলণ্ডৰ কথা ইয়াত উৎথাপন কৰিছে।)

এইটো ঠিক যে গনতান্ত্ৰিক পদ্ধতিৰে হিটলাৰে আহি কি কৰিলে। মোৰ লগতে আৰ, চি, পি, আই বন্ধু সকল নিশ্চয় একমত হব। ডেমক্ৰেটিক পদ্ধতিৰে হিটলাৰ আহিছিল কিন্তু কি কৰিলে ? আজি এটা ট্ৰেন্দ হৈছে হিংসাৰে সমস্যা সমাধান কৰিব পাৰিম। সকলোতকৈ ডাঙৰ কথা এই আদৰ্শ কোনে আনিলে? ছাত্ৰ সন্থাই আন্দোলন কৰিছিল। আন্দোলন চলি থাকোতে ১৯৮৩ চনত নিৰ্ব্বাচন হৈছিল। সেই সময়ত যি ঘটনা হৈ গল তাৰ বাবে দায়ী কোন? এই এটা ট্ৰেন্দৰ সৃষ্টি হল মানুহ মাৰি সমস্যা সমাধানকৰিব পাৰি। এই ট্ৰেন্দ চলি থাকিলে এ জি পি, এন, এ, জি, পি, চি পি আই কোনেও দেশখন ৰক্ষা কৰিব নোৱাৰে। ভাৰত তথা অসমৰ ভবিষ্যত অন্ধকাৰ। আমি আজান ফকীৰ, শংকৰ দেৱৰ কথা কওঁ। আজি ১০-১২ বছৰে অসমৰ কি উন্নতি হল। এজিপি শাসনলৈ আহিছিল, সেই সময়ৰ ঘটনাৰ বিষয়ে মই নাজানো। আপোনালোকে জানে। কালিপদ সেনক হত্যা কৰা হৈছিল। গোলাম

ওচমানিয়ে কৈছিল হত্যাকাৰীক মন্ত্রীৰ ঘৰত আশ্রয় দিয়া হৈছে। সচা মিছা মই নাজানো। হত্যা কৰি, বোমা ফুটাই, বিধানসভাৰ আৱাস গৃহত আশ্রয় লয়। বোকা চতিয়াব পাৰি, সমস্যা সমাধান দিয়া বৰ টান। মই ভাৱিছিলো আৰু মনোযোগেৰে শুনিছিলো সমস্যা সমাধানৰ ইঙ্গিত দিব। কিন্তু এটাই সমাধান দিলে চৰকাৰে পদত্যাগ কৰিব লাগে। চৰকাৰে পদত্যাগ কৰিলে কোনে চৰকাৰ গঠন কৰিব। আজি অৰাজকতাৰ সৃষ্টি কৰিছে। এজিপি এন এজিপি দুই ভাই কাজিয়া কৰি নিৰ্ব্বাচনত নামিলে। আজিলৈকে মিল হোৱা নাই। কৈছে আজি মিল হব, কাইলৈ মিল হব। কোন নেতা হব সেই লৈ খেলিমেলি। কোনেও কাকো বিশ্বাস নকৰে। ভালকৈ জানে ৬৯-৪৪ হব। এই গোলমালৰ বাবে কোন দায়ী। ১৯৮৩ চনত এই ট্রেন্দ আৰম্ভ হৈছে।

* শ্রীজয় নাথ শৰ্ম্মা : ১৯৮৩ চনত আপুনি উপাধ্যক্ষ আছিল। ট্রেন্দ আৰম্ভ কৰাৰ বাবে তেখেত সকলেই দায়ী।

Mr. Speaker : Order, Order.

I have received a communication from Shri Bijit Saikia, Minister, Industries in connection with question No. 143 enclosed with supplimentaries.

* শ্রীজয় নাথ শৰ্ম্মা : অনাস্থা প্রস্তাৱ চলি থকা অৱস্থাত অন্য বিজিনেচ আহিব নোৱাৰে। অনাস্থা প্রস্তাৱ শেষ হোৱাৰ পিচত ঘোষণা কৰিব।

Speech not Corrected

Shri Promod Gogoi :– Mr Speaker Sir, The related answer to the Questions may please be brought during the question hour. Now the House is discussing the No Confidance motion. Speaker Sir, it is not the proper time.

Mr. Speaker : I am simply clarify about the communication received from Industry Minister.

* শ্ৰী গোবিন্দ চন্দ্ৰ লাংথাছা ( স্বাস্থ্য মন্ত্ৰী ) : কাৰ্বি আংলং জিলা পৰিষদ ভঙ্গ কৰা সম্পৰ্কত নানা আলোচনা হৈছে। তাত এনে এটা অৱস্থাৰ সৃষ্টি কৰিছে যিটোৰ কাৰণে জিলা পৰিষদ চৰকাৰে এজুম কৰিছে। মিচ মেনেজমেণ্ট কৰাৰ কাৰণে প্ৰতিজ্ঞন মতে দায়িত্ব ভাৰ চৰকাৰে লৈছে। এন, চি হিলচৰ কথা ইয়াত নাহে। কাৰ্বি আংলংৰ ৩৩টা ৰাজনৈতিক দলৰ সমাজ কৰ্মী আৰু সংগঠনে স্মাৰক পত্ৰ দিছে যে মিচমেনেজমেণ্ট কৰিছে আৰু টকা পইচাৰ হিচাৰ পত্ৰ নিদিয়ে ডেভেলপমেণ্ট গ্ৰাণ্টৰ টকা পইচা খাইছে। স্পিচিয়েল অদিট আৰম্ভ হৈছে। ৬৯ কোটি ২৫ লাখ টকা ইচ্ছাকৃতভাৱে খৰছ হৈ আছে। এনে এটা অৱস্থা চৰকাৰে চাই থাকিব নোৱাৰে। সংবিধানৰ ষষ্ঠ অনুসূচীত অসম চৰকাৰৰ বকচিচ হিচাপে ১৯৫২ চনৰ পৰা জিলা পৰিষদ আৰম্ভ হৈছে।

"19 (2) If at any time the Governor is sitisfied that a situation has arisen in which the administration of an autonomous district or region cannot be

carried on in accordance with the provisions of this Schedule, he may, by public notification, assume to himself all or any of the functions or powers vested in or exercisable by the District Council, or as the case may be, the Regional Council and declare that such functions or powers shall be exercisable by such persons or authority as he may specify in this behalf, for a period not exceeding six months.

Provided that the Governor may, by a further order or orders may extend the operation of the initial order by a period not exceeding six months on each occasion.

(3) Every orders made under sub-paragraph (2) of this paragraph with the reasons therefor shall be laid before the Legislature of the State and shall cease to operate the expiration of thirty days from the date on which the State Legislature first sits after the issue of the order unless before the expiry of that period it has been approved by the State Legislature".

এতিয়া আমি চাব লাগিব মানুহ বিলাক যদি ঠিক নহয় তেন্তে ষষ্ঠ অনুসূচী নাইকিয়া কৰি দিব কেন্দ্ৰীয় চৰকাৰে। আইন গত ভাৱে

জিলা পৰিষদ চৰকাৰৰ হাতলৈ অনা হৈছে, অন্যায় কৰা হোৱা নাই। আমি এটা ডাঙৰ ৰিলিক দিছো।

Shri Giasuddin Ahmed : I want a clarification whether the District Council was asked to show cause why it should not be dissolved on the grounds stated by the honourable Minister ?

* শ্ৰী গোবিন্দ চন্দ্ৰ লাংথাছা ( স্বাস্থ্য মন্ত্ৰী ) : শ্ব কজ নটিছ দিব নালাগে। হিচাবৰ খেলিমেলিত ভঙ্গ কৰা হৈছে।

শ্ৰী হিতেন্দ্ৰ গোস্বামী : মিনিষ্টাৰে কৈছে এজুম কৰিব পাৰে। তুখন নটিফিকেচন কিয় দিব লগা হল ? নটিফিকেচন ভুৱা হোৱাত পিছত আকৌ দিব লগা হৈছে।

* শ্ৰী হিতেশ্বৰ শইকীয়া ( মূখ্যমন্ত্ৰী ) মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি সদনত ভালেমান সমস্যাৰ ওপৰত আলোচনা হৈছে, আমাৰ আলোচনা ঘাইকৈ অসমত হৈ যোৱা যিটো সংঘৰ্ষ তাক সীমিত হোৱা হলে ভাল আছিল। কাৰণ আজি অসমত বুলিয়েই নহয় গোটেই ভাৰতবৰ্ষত আমি এটা প্ৰত্যাহৱানৰ সন্মুখীন হৈছো। আমাৰ সংবিধান খনে ভাৰতবৰ্ষ খনক ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ হিচাবে গঢ় দিছে। আজি ৪২ বছৰৰ পাচত আমি গুৰুতৰ সমস্যাৰ সন্মুখীন হৈছো। আমি এনে এখন ভাৰতবৰ্ষত বসবাস কৰিছো, যি খন ভাৰতবৰ্ষত সকলো ধৰ্ম্মৰ লোকৰ সম অধিকাৰ আছে। অধ্যক্ষ ডাঙৰীয়া জিন্না চাহাবে মুছলমানৰ কাৰণে পাকিস্তানৰ জন্ম দিছিল। সেই

Speech not Corrected

সময়ত আমাৰ কংগ্ৰেছ চৰকাৰে ভাৰতক হিন্দুস্তান নকৰিলে। ভাৰতবৰ্ষক ইন্দিয়া কৰিলে। ইয়াত বসবাস কৰা হিন্দু, মুছলমান, জৈন, খৃষ্টিয়ান, ইহুদি, বুদ্ধ সকলোকে সমান অধিকাৰ দিবৰ কাৰণে এখন সংবিধান ৰচনা কৰিলে। সেই খন সংবিধান কংগ্ৰেছে কৰিলে। সেই সময়ত কণষ্টিটুৱেণ্ট এচেমব্লিত নগণ্য সংখ্যক অন্য আছিল। কংগ্ৰেছে তেতিয়া ভাৰতবৰ্ষ খনক হিন্দুস্তান কৰিব পাৰিলে হেতেন। সেই কথা মাননীয় সদস্য সকলে বুজা উচিত । নানা অত্যাচাৰ, উৎপীড়ণ হত্যাকাণ্ড সহ্য কৰি ভাৰতবৰ্ষক হিন্দুস্তান নকৰি ইন্দিয়া কৰি ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ কৰিলে। সেই সকলে কেতিয়াও সংঘৰ্ষৰ সন্মুখীন নহয়। ভৰাটো ভুল হব যে কোনোবা দলীয় কৰ্মী এই ঘটনা বিলাকত সোমাই পৰিব। অধ্যক্ষ ডাঙৰীয়া বহুত অভিযোগ আছে, এই অভিযোগ বিলাক আমি বিশ্বাস কৰিব লাগে নেকি? আজি বিশেষকৈ মই নিজে সদনত বহু বাৰ কৈছো যে চি পি এম কৰ্মী সকলে অগাধ পৰিশ্ৰম কৰে, দলীয় আদৰ্শত কাম কৰে, টেলিগ্ৰাফ পেপাৰত দিছে পশ্চিম বংগত চি পি এমে সংঘৰ্ষ কৰিছে। আচলতে বিজেপিয়ে কৰিছে। ইয়াত কৈছে চি পি এম কেডাৰে। ইয়াক আমি বিশ্বাস কৰিম নেকি? আজি বিশ্বাস কৰিম নেকি যে কংগ্ৰেছী মানুহে সাম্প্ৰদায়িক সংঘৰ্ষ কৰিছে। এই ঘটনা কেনেকৈ সংঘটিত হ'ল? ১৯৮৬ চনত এখন স্থানীয় কৰ্টৰ নিৰ্দ্দেশ লৈ সেই বাবৰি মচজিদত সোমোৱাৰ আৰম্ভ কৰিলে আজি বি জে পিৰ মাননীয় সদস্যই কৈছে যে ইউ পি চৰকাৰ দিচ্‌মিচ্‌ কৰিছে। ইউ পি চৰকাৰে বিশ্বাস ঘাটকতা কৰিছে। প্ৰধানমন্ত্ৰীৰ বিবৃতি নিশ্চয় শুনিছে, কাগজত ওলাইছে। প্ৰধানমন্ত্ৰীয়ে কৈছে আমাৰ বিশ্বাস

ঘাটকতা কৰিছে। ইনটিগেহন কাউন্সিলত কৈছিলে বি জে পিক বিশ্বাস নকৰিব। ভি পি সিং, চন্দ্ৰশেখৰ, কমিউনিষ্ট দলে কৈছিল দিচ্ মিচ কৰক বিশ্বাস নকৰিব। কিন্তু প্ৰধানমন্ত্ৰী শ্ৰী নৰসিংহ ৰাওৰ গণতন্ত্ৰত বিশ্বাস আছিল। ইনটগ্ৰেহন কাউনন্সিলন কৈছিল বিজেপিৰ ধৰ্মান্ধতাক বিশ্বাস নকৰিব। কিন্তু নৰসিংহ ৰাওৱে বিশ্বাস কৰিলে। চুপ্ৰিম কৰ্ট, হাইকৰ্টত লিখিত ভাৱে দিয়াৰ পাচত বিশ্বাস ঘাটকতা কৰাৰ কাৰণে ইউ পি চৰকাৰক বখাস্ত কৰিছে। এই সংঘৰ্ষ গোটেই ভাৰতবৰ্ষতে হৈছে। এই সংৰ্ঘষত গুজৰাটত ২৮০ জনৰ মৃত্যু, মহাৰাষ্ট্ৰত ২৭০ জনৰ মৃত্যু হৈছে। পশ্চিমবংগৰ কলিকতাত বিভাজনৰ পাচত পোণ প্ৰথম সংঘৰ্ষ হৈছে। কলিকতাৰ মহানগৰীত ১৯৪৬ চনত সাম্প্ৰদায়িক সংবৰ্ষ হৈছিল। তাৰ পিচত কোনো কালে হোৱা নাছিল। ৭/৮ তাৰিখে হোৱা নাই পিচত হৈছে। প্ৰশাসনৰ দোষ আছে। সেই কাৰণে ন্যায়িক তদন্ত দিছো। ৬ তাৰিখে সন্ধিয়া গম পালো বাবৰি মছজিদ ভাঙিছে, লগে লগে মন্ত্ৰী সভা মাতি মন্ত্ৰী সকলক খা খবৰ ৰাখিব কৈছো। চিফ্ চেক্ৰেটৰী, হোম চেক্ৰেটৰীক কৈছো লগে লগে টেলিফোন যোগে ডি, চি, এচ, পিক খবৰ কৰি ঠিক কৰি ৰাখক। অ, চি পৰ্য্যন্ত খবৰ ৰাখিব কোৱা হৈছে।

৬ তাৰিখে সন্ধিয়া নিৰ্দ্দেশ দিয়া হৈছে। প্ৰশাসন দূৰ্ব্বল বা অকামিলা হলে সকলোতে হলহেতেন। অসমৰ দুখন জিলাত হৈছে, ২১ খন জিলাত একো নহল। অসমত ২৩খন জিলা আছে, তাৰ ভিতৰত দুখন জিলাতহে হত্যাকাণ্ড সংঘটিত হৈছে, ধুবুৰী আৰু নগাও। ডিব্ৰুগড়, লক্ষীমপুৰ, শিৱসাগৰ, তিনিচুকীয়া, গোলাঘাটত কিয় নহল

আনকি মৰিগাওঁত কিয় নহল ? হলহেতেন প্ৰশাসন দূৰ্ব্বল হলে সকলোতে হলহেতেন। অসমৰ ১২৬ টা বিধানসভা সমষ্টি আছে তাৰে তিনিটা সমাষ্ট জমুনামুখ ৰূপহীহাট আৰু ধুবুৰী। সকলোতে হত্যাকাণ্ড হোৱা নাই। এই তিনিটা ঘটনাৰ কাৰণে চৰকাৰে পদত্যাগ কৰিব লাগে নেকি? অসমৰ ২৩ খন জিলাৰ দুখন জিলাৰ ঘটনাৰ কাৰণে এই চৰকাৰে পদত্যাগ কৰিব লাগে নেকি ? হয়, আমি পদত্যাগ কৰিম, মোক পদত্যাগ কৰিবলৈ বড়ো বিধায়িনী দলৰ বিধায়ক সকলে কব নেলাগে। মোৰ লগত থকা সকলে মোক কওঁক। অভিযোগ চাবৰ কাৰণে অভিযোগৰ ওপৰত অভিযোগ আহিছে। কলিকতাত এখন সাতদিনিয়া কাকতৰ হেড লাইনত দেখিছো চি. পি. এম, নেতাক এৰেষ্ট কৰিছে। প্ৰশানৰ প্ৰতি সকলোৰে আনুগত্য ৰাখিবলৈ অনুৰোধ কৰিম। যিহেতুকে বিভিন্ন ধৰণৰ অভিযোগ আহিছে তথাপি নগাও ধুবুৰী আৰু বিলাসীপাৰা বেছি ক্ষতিগ্ৰস্ত হোৱাৰ কাৰণে জুডিচিয়েল এনকুৱাৰী দিয়া হৈছে। আমাৰ দলৰ কৰ্ম্মী সকলক দলৰ বিধায়ক বা মন্ত্ৰী সকলক যদি ৰক্ষণা বেক্ষণ দিয়াৰ উদ্দেশ্য থাকিলহেতেন, তেনেহলে আমি জুডিচিয়েল এনকুৱাৰী নিদিলোহেতেন। জুডিচিয়েল এনকুৱাৰীত কোনে কিমান প্ৰুফ কৰি দেখুৱাইছে। যোৱা পাচ বছৰ শাসন কালত গহপুৰৰ হত্যাকাণ্ড, খৈৰাবাৰী ভুমকাৰ নাৰী ধৰ্ষনৰ জুডিচিয়েল এনকুৱাৰী কিমান প্ৰুফ কৰি দেখুউৱা হৈছিল ? মই তথ্যৰ পৰা কৈছো। মই জুডিচিয়াৰী এনকুৱাৰী দিছো, নিজৰ মন্ত্ৰী সকলক, বিধায়ক সকলক ৰক্ষণা বেক্ষণ দিব খোজা নাই। আমাৰ এই সদনত সংখ্যা গৰিষ্ঠ আছে, বিৰোধী দলে জুডিচিয়াৰী এনকুৱাৰীৰ প্ৰস্তাৱ দিলেও নাকচ হব। আমি ৰাজনীতিৰ লোক সকল সৎ হব

লাগিব। ৰাজনীতিত যি দল থাকে সেই দলৰ ৰীতি নীতি মানিব লাগিব। জুডিচিয়াৰী এনকুৱাৰীত প্ৰমান হলে যি কোনো লোকে শাস্তি পাব। মই বেছি সময় লব খোজা নাই। গোটেই ঘটনা বিলাক মই আৰু পোষ্টমৰ্টেম কৰিব বিচৰা নাই। নগাওঁ, ধুবুৰী, বিলাসীপাৰাত যি ক্ষতিগ্ৰস্ত হল তাৰ বাবে আমি জুডিচিয়াৰী এনকুৱাৰী দিছো। এইটো বিষয়ৰ পিচত কোন দোষী সেইটো আজি কোৱা উচিত নহব। এটা কথা কোৱাৰ অধিকাৰ আছে, নগাওত সংঘটিত হোৱা ঘটনা কেনেকৈ আৰম্ভ হল —৭ ডিচেম্বৰৰ দিনা আমচুই এটা বন্ধ দিয়ে, তেতিয়া নগাও চহৰত কিছুমানে সেমাই কিছুমান বিশেষ সম্প্ৰদায়ৰ দোকানৰ দৰ্জ্জা বন্ধ কৰিবলৈ যোৱাৰ পৰাই সূত্ৰপাত হল। ৬ তাৰিখে যদি বাবৰি মজজিদ নাভাঙিলেহেতেন আৰু ৭ তাৰিখে যদি আমচুৱে বন্ধ নিদিলেহেতেন . তেনেহলে এই ঘটনা ইমান আগ নাবাঢ়িলেহেতেন। ডবকা আৰু জমুনামুখ ক্ষতিগ্ৰস্থ হৈছে, মই কেবাবাৰো গৈছো। ৬ তাৰিখে বাবৰি মজজিদ ভঙাৰ দিনা আদৱানী আৰু মনোহৰ যোচীৰ প্ৰতিমূৰ্ত্তি তুটা খেৰেৰে বনাই সংখ্যালঘিষ্ঠ কেইজন মান ডেকাই জ্বলাই দিছে। এজন মুছলমান লৰাক চুৰি মাৰিছে, গোটেই কথাটো এইয়ে। কিন্তু হিন্দুৱে মুছলমানক চুৰি মৰা বুলি প্ৰচাৰ হৈ গল। কথা হল গোটেই কথাটো চাব লাগিব। বাবৰি মজজিদ নাভাঙিলে গোটেই ভাৰতবৰ্ষত ১২ শ মানুহৰ মৃত্যু আৰু অসমত ৯০ জন মানুহৰ মৃত্যু নহলহেতেন। ৬ বছৰে বি, জে, পি, য়ে প্ৰত্যেক কৰিছে। ১৯৮৪ চনৰ পৰাই বি, জে, পি, য়ে ৬ বছৰে মজজিদ ভাঙি মন্দিৰ বনোৱাৰ বাবে আবেগ প্ৰবনতা বঢ়াইছে। সকলোৱে আবেগ ধাৰ্য্যৰে প্ৰকাশ কৰিব নোৱাৰে। বিশেষকৈ সেই অঞ্চলত দেখা গৈছে ফাণ্ডামিলিচ

দুই পক্ষ ক্ষতিগ্ৰস্ত হৈছে। এই বিলাকৰ কাৰণে জুডিচিয়েল এনকুৱাৰী হৈছে। মই প্ৰত্যেক কেম্পতে গৈছো, প্ৰত্যেকজন ব্যক্তিকে লগ ধৰিছো। ১২ টা কেম্পত মই মিটিং কৰিছো, সভা পাতিছো। হাজাৰ হাজাৰ লোক সেই মিটিঙত উপস্থিত আছে। কিন্তু কোনো এজন ডি, চি,এচ,পি,ৰ এগেনষ্টত কমপ্লেইন কৰা নাই। অৱশ্যে ও,চি, আৰু ডাঃ কেইজনমানৰ কথা কৈছে। সঁচা মিছা নাজানো, এনকুৱাৰী কৰাৰ পিচত প্ৰুফ হলে বিহিত ব্যৱস্থা লোৱা হব।

অধ্যক্ষ ডাঙৰীয়া, মই আলফাৰ কথা কবলৈ ওলাইছো। আলফা সম্পৰ্কে বহুত বাৰ কোৱা হল। তেওঁলোকৰ যি সকলে এতিয়াও কথা পাতিবলৈ নোখোজে সেই সকলে এতিয়াও কথা পতাৰ পৰিবেশ আনিব খোজা নাই। আমাৰ মাননীয় সদস্য প্ৰাক্তন মুখ্য মন্ত্ৰী শ্ৰী প্ৰফুল্ল মহন্ত ডাঙৰীয়াই কৈছে যে আলফাক আমি মাৰুতি আৰু এম্বেচাদৰ গাড়ী দিছো, এইটো ভাবিব নেলাগে যে ইয়াৰ অৰ্থ এইটো নহয় যে আমি গাড়ী দি আলফাৰ সমস্যা সমাধান কৰিব বিচাৰিছো। সেইটো নহয়। মাননীয় সদস্য সকলে কয় আউট অব ফ্ৰষ্ট্ৰেচন, চাকৰি বাকৰি নাপাই তেওঁলোক আলফা হৈছে। এই কাৰণে তেওঁলোকে অস্ত্ৰও লৈছে। এই হতাশগ্ৰস্ত হৈ অস্ত্ৰলোৱা সকলৰ মূল কাৰণ নিৰ্মূল কৰিব লাগিব। ইয়াৰ কাৰণে আমি প্লেনিং কমিশ্বনৰ লগত কথা পাতিছো আৰু ১১০ কোটি টকা তাৰ বাবদ মঞ্জুৰ কৰিছে। ইতিমধ্যে তেওঁলোকক পুনৰ সংস্থাপন দিয়াৰ কাম আৰম্ভ হৈছে। ৩২০০ জন আলফাই ইতিমধ্যে আত্মসমৰ্পণ কৰিছে। তাৰ ভিতৰত ইতিমধ্যে ২২০০ জনক পুনৰ সংস্থাপন দিয়া হৈছে। বিভিন্ন উদ্যোগৰ কাৰণে ২৩৪৭ জনক প্ৰশিক্ষণ দিয়া হৈছে। তাৰোপৰি ব্যৱসায় কৰিবলৈ বেংকৰ পৰা ঋণৰ ব্যৱস্থা কৰি দিয়া হৈছে। ২২০০ শ যুৱকক বাছ, গাড়ী আদি

ব্যৱসায় কৰিবলৈ ব্যৱস্থা কৰি দিয়া হৈছে। আলফাৰ এটা অংশই এতিয়াও আত্মসমৰ্পন কৰা নাই। মুঠমাঠ সৰুসুৰা ৫০০ শ মান আলফাই আত্মসমৰ্পন কৰিবলৈ বাকী আছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৩৫০০ শ আলফা আছিলে তাৰ ভিতৰত ৩৩০০ শ কি ৩১০০ শই সহযোগ কৰিছে। ইয়াৰে ১৫০ জনক আমি চৰকাৰী চাকৰি দিছো। 'প্ৰাগ বছিমি' কথাটো মোৰ ব্যক্তিগত কথা পিছত কম। প্ৰাগ বছিমি আলফাৰ লগত যোগাযোগ থকাৰ কাৰণে তেওঁলোকে আফালক ৰেগুলাৰ টকা দি আছে। এইবাৰ তেওঁলোকৰ পৰা ৫ (পাচ) কোটি টকা বিচাৰিছে। তেওঁলোকে সময়মতে চহী কৰি দিব নোৱাৰাত, কিবা এটা কথা আলোচনা কৰিব লাগে বুলি দুজন বিষয়াক লৈ যায়। এজনক মুকলি কৰি আনজনক ৰাখি থয়। মুকলি কৰি দিয়া বিষয়া শ্ৰী মনোহৰণৰ পৰা এই কথা জানিব পৰা গৈছে। এই বিষয়ে আমাক ৰিৰ্পোট দিয়া নাছিল। অধ্যক্ষ ডাঙৰীয়া, এই লোক সকল শাস্তি পোৱাৰ যোগ্য। এখন গাড়ী শৰাইঘাট দলংৰ ওপৰত পুলিচে পাই তেওঁলোকৰ পৰা শৃংসূত্ৰ উলিয়াইছে। এতিয়া মাজে মাজে ধন লুট কৰিছে। তিনি চুকিয়াত ভালেকেইজন ব্যৱসায়ীয়ে কনফাৰেন্স কৰিছে। আলফাৰ টকা লৈ কিছুমান ব্যৱসায়ীয়ে ব্যৱসায় কৰিছে। সেই সকলে শাস্তি পাব নালাগে নে? অধ্যক্ষ ডাঙৰীয়া, আলফাই তেনে ব্যৱসায়ীৰ লগত সহযোগ কৰা নগাওঁত ভালেকেইজন ধৰিছে। আমাৰ খবৰ আছে। নগাওঁত যি কেইজন ধৰিছে, সেই খবৰ পুলিচে দিয়া নাই। তিনিচুকীয়ালৈ গলে ডিব্ৰুগড়লৈ গল বুলি কয়। অসমত বহুত ব্যক্তি আছে। যি সকলে অলফাৰ লগত টকা-পইচা লেন-দেন কৰে। আটক

হোৱা আলফা মুকলি হৈছে। তেওঁলোকক দিব পৰা হৈছে। ঘুৰি অহ্য আলফাই জানে যে কোনে টকা-পইচা লেন-দেন কৰিছে। এই ক্ষেত্ৰত দোষ চৰকাৰৰ কেনেকৈ হব পাৰে? এতিয়া প্ৰাগ বছিমৰ কথালৈ আহো। আইন শৃঙ্খলা গল। চৰকাৰ পৰি গল। কিন্তু আইন শৃঙ্খলা চৰকাৰেহে চলাইছে। মনোহৰণৰ যোগেদি আমি আলফাৰ কথাবিলাক জানিব পাৰিলো। জয় নাথ শৰ্মাই খং ৰাগেৰে কলে নহব। ইয়াত এখন পবিত্ৰ সদন আছে। ইয়াত মৰ্য্যদা আছে। ইয়াত চালে-বেৰে কোবালে নহব। সত্যৰ ওপৰত কব লাগে। ৰাস্তাত কোনোবাই কিবা এটা কলে তাক সদনত কলে নহব। সদনৰ মূল্য আছে। সদনৰ মৰ্য্যদা আছে আৰু দিগনিটি আছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই সদনত কব খুজিছো যোৱা জানুৱাৰীৰ পৰা আলফাই পলিটিকেল মাৰডাৰ কৰিছে। এই সমস্যাটো মই বহুত আগতে অক্টোবৰ মাহত প্ৰধান মন্ত্ৰীক গোটেই বিষয়টো দিছো। এইটো পৰ্য্যায়ত তেওঁলোকে বিচাৰ কৰিব। এই বিষয়ত মইও সোমাবলগীয়া হল। প্ৰধান মন্ত্ৰীৰ কাৰণে আৰু এটা পৰ্য্যায় পাইছে। যিটো পৰ্য্যায় ওপৰলৈ যাব নোৱাৰে। মই ৰাজ্যৰ মুখ্য মন্ত্ৰীহে। প্ৰধান মন্ত্ৰী নহও। মই ষ্টেটৰ মুখ্য মন্ত্ৰীহে। মই কানট্ৰিৰ প্ৰধান মন্ত্ৰী নহও। এই সমস্যাটোৰ বিষয়ে বহুতবাৰ কাগজত ওলাইছে। শইকীয়াই গাদী ৰক্ষাৰ কাৰণে আলফাক গাড়ী দিছে, চাকৰি দিছে। আপোনালোকৰ কথামতে অক্টোবৰ মাহতে মই মোৰ কাম কৰিলো। এতিয়া বাকীখিনি আপোনালোকৰ।

এতিয়া বড়ো সমস্যাটোৰ কথালৈ আহিব খুজিছো। আজি বড়োলেণ্ড বিধায়ক সকলে মোৰ ওপৰত অভিযোগ আনিছে। মই

তেখেত সকলৰ প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ দি আহিছো। অধ্যক্ষ ডাঙৰীয়া চৰকাৰে ১০ আগষ্টত সেই সময়ত এই বিষয়টো দিফেন্স মিনিষ্টাৰক দি আহিছো। ইয়াৰ এটা কপি মই ভাৰতৰ প্ৰধান মন্ত্ৰী আৰু গৃহ মন্ত্ৰীৰ হাতে দি আহিছো। ইয়াৰ উত্তৰটো দিঘলীয়া। ইয়াৰ দুটা প্ৰেগ্ৰাফ্ পঢ়ি দিওঁ

The representatives of ABSU and BPAC have agreed to exclude only 120 villages against their total demand of 473 villages whereas there are 135 villages where there is no ST population. I have requested the ABSU and BPAC leaders to consider all these 135 villages from their demand because those villages which are there naturally form a part of the territory for compactness and for reasons of a administration.

অধ্যক্ষ ডাঙৰীয়া, মই তেখেত সকলক কৈছিলো যে ১০২৫ খন গাওঁৰ ভিতৰত যি কেইখন বড়োলেণ্ড এৰিয়াৰ ভিতৰত কৰি লব পাৰে লওক।

These villages also include 109 tea Gardens which are inhabited by tea Garden labourers who originally came from Orissa and Bihar. I have suggested the inclusion of Tea Garden labourers would be discussed with the representative of INTUC before adecision could be taken in this regard.

অধ্যক্ষ ডাঙৰীয়া, মই কৈছো যে ১০৯ জন চাহ বাগিছাত মজদুৰ আছে। মজদুৰ সকলৰ ভিতৰত ৪জন মন্ত্ৰী আছে। ১১ জন বিধায়ক অসম বিধান সভাত আছে। ৩ জন এম, পি, আছে আৰু ডেপুটি মিনিষ্টাৰ আছে। মই স্পষ্টকৈ কৈছো—আপোনালোকক ৰাকি

থিনি এৰি দিছো। অল পাৰ্টিত সিদ্ধান্ত হৈছিল, যিবিলাক গাওঁত বড়ো সকলৰ সংখ্যা শতকৰা ৫১ ভাগ বেছি আছে আনি দিয়ক। কিন্তু মই শান্তিৰ স্বাৰ্থত, মোকামেলা স্বাৰ্থত বুজাপৰাত শতকৰা ১ ভাগও যি খন গাৱঁত বড়ো আনকি এজনো জনজাতি নাই। গোৱা, দমন, দিওৰ কথা সুকীয়া। পণ্ডিচেৰীত ৬০০ কিলোমিটাৰলৈকে সকলোৰে স্বাৰ্থৰ কাৰণে কৰিছে। এই ১০২৫ জন গাওঁত সংহতি এৰিয়া বঢ়াই দিয়ক তেতিয়াও আমি দিম। এনেকুৱা সংহতি অঞ্চল বিহাৰত আছে। য'ত ১ জনও ট্ৰাইবেল নাই। আমি মেপ বনাই দিছো। উৰিষ্যা বিহাৰৰ কথা সুকীয়া। মই কৈছো, মই ৰজা নহও—ইংৰাজীত—অধ্যক্ষ ডাঙৰীয়া, মই এই চিঠিখনৰ মুখনি মাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, মই এই চিঠিখনেৰে মুখনি মাৰিছো।

An amicable solution to the problem would not be arrived at in the tripartite discussion between the State Govt. and the Representatives of the ABSU/BPAC. on 10.8.92 the matter is referred to the Govt. of India for taking a decision early.

এই চিঠিখন মই ১০ আগষ্টত কেন্দ্ৰীয় চৰকাৰলৈ পঠাইছো। মোৰ বিবেকে নকয় যে যিখন গাওঁত এজনো জনজাতি নাই সেই খন কেনেকৈ দিও বুলি কও। অধ্যক্ষ মহোদয়, মাজে মাজে কাকতত পঢ়ো আমি বড়ো সকলক শোষণ কৰিছো। কিন্তু যিখন গাওঁত এজনো জনজাতি নাই সেইখন গাওঁ আবছুক কিয় লাগে? তেওঁলোকক শোষণ কৰিবলৈ নেকি? মই বড়োলেণ্ডৰ সমস্যাটো সমাধানৰ বাবে ১০ আগষ্টতে কেন্দ্ৰীয় চৰকাৰক এৰি দিছো। মাননীয় অধ্যক্ষ মহোদয়,

চেপ্তেম্বৰ মাহতো মই এখন চিঠি কেন্দ্ৰীয় চৰকাৰলৈ দিছিলো আৰু সেইখনতো মই একেই লিখিছিলো।

"I have also indicated to the representatives of ABSU BPAC that The State Govt. would not have any objection for inclusion of these 125 villages."

অধ্যক্ষ মহোদয়, মোৰ ইয়াত একো আপত্তি নাই। যদি কেন্দ্ৰীয় চৰকাৰে দিয়ে মোৰ একো আপত্তি নাই। অধ্যক্ষ মহোদয়, এইখন আপুনি পঢ়ি চাব পাৰে। অধ্যক্ষ মহোদয়, মোক তেওঁলোকে দোষাৰোপ কৰিছে। কিন্তু অধ্যক্ষ মহোদয় আপুনি জানে গণ পৰিষদৰ দিনতো ভয়ানক গণ্ডগোল হৈছিল। এই কথা বিলাক খোলা-খলি ভাবে ৰাইজক জনাই দিয়া ভাল আৰু আজি মই ৰাইজক জনাব বিছাৰিছো সত্য অসত্য প্ৰকাশ পাব লাগে। অধ্যক্ষ মহোদয়, এইখন এ জি পিৰ দিনৰে ভায়োলেণ্টৰ ইয়াৰ ওৱাইজ ফিগাৰ। ইয়াত ১৯৮৪ চনত নাই, ১৯৯৫ চনত নাই ১৯৮৬ চনত নাই ১৯৮৭ চনত নাই ১৯৮৮ চনত আবছু ভায়োলেণ্ট হৈছিল, তেতিয়া বি এছ এফ নাছিল। ১৯৮৮ চনত ৫৫ জন মৰিল ১৯৮৯ চনত ৪২২ জন মৰিল আৰু আৰু ১৯৯০ চনত ১৩৭ জন মৰিল। অধ্যক্ষ ময়োদয়, এই বিলাক এ জি পিৰ দিনতে হোৱা ভয়ানক হত্যাকাণ্ড। সেই সময়ত ভাৰতৰ প্ৰধান মন্ত্ৰী আছিল ৰাজীৱ গান্ধী ডঃ বাজপেয়ী আছিল কেন্দ্ৰীয় প্ৰতিনিধি, আবছুৰ প্ৰতিনিধি আৰু এ জি পিৰ প্ৰাক্তন নেতা আদিৰ লগত আলোচনা বিলোচনা হ'ল আৰু তাত এক্সপাৰ্ট কমিটি গঠনৰ বাবে সিদ্ধান্ত হ'ল আৰু প্ৰচিদিংও হোৱা বুলি মোক কৈছে। শ্ৰীমহন্তই তেতিয়া ঠিক আছে বুলি কলে কিন্তু পিছত আকৌ কলে চিন্তা কৰি চাব। সেই চিন্তা তেওঁৰ আৰু শেষ নহ'ল। তেওঁৰ চৰকাৰ আৰু ডুবছৰ থাকিল। এক্সপাৰ্ট কমিটি নহ'ল, তাৰ পিছত ৰাজীৱ গান্ধী গ'ল ভিপি সিং আহিল। কিন্তু এক্সপাৰ্ট কমিটি নহ'ল।

অধ্যক্ষ ডাঙৰীয়া এইবোৰ ৰেকৰ্ডৰ কথা, প্ৰ'চিডিংৰ কথা। আপুনি পঢ়ি চাব পাৰে। ১৯৮৮ চনৰ পৰা ১৯৯০ চনলৈ ৰাজীৱ গান্ধী প্ৰধান মন্ত্ৰী আছিল। এইটো সময়তে দিল্লীত ৰাজীৱ গান্ধীৰ মধ্যস্থতাত ত্ৰিপাক্ষিক আলোচনা হ'ল। বুটা সিং তেতিয়া গৃহমন্ত্ৰী আছিল। দুটা চিটিং বহাৰ পিছত এক্সপাৰ্ট কমিটিৰ কাৰণে সিদ্ধান্ত হ'ল। পিছত মোক কোৱা মতে এক্সপাৰ্ট কমিটিৰ সিদ্ধান্ত তেওঁলোকে এগ্ৰি নকৰিলে। পিছত ভি পি সিং গ'ল। চন্দ্ৰশেখৰ আহিল। মই তেতিয়া মাজে মাজে দিল্লীত পেটেল বলক থাকো আৰু তেতিয়া দেখিলো আবছুৰ সভাপতি আৰু সম্পাদকে মোৰ ওচৰলৈ গৈ কলে যে তেওঁলোকক সহায় কৰিব লাগে। মই তেতিয়া কলো যে মই কি সহায় কৰিম। তেতিয়া তেওঁলোকে কলে যে এক্সপাৰ্ট কমিটি কৰি দিব লাগে। তেতিয়া চন্দ্ৰশেখৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ ওপৰত নিৰ্ভৰশীল। গতিকে তেওঁ কলে চন্দ্ৰশেখৰে মানিব। সেই মতে মই তেওঁলোকক ৰাজীৱ গান্ধীৰ ওচৰলৈ লৈগৈ কামটো কৰি দিলো। সেই দিনা ভৃগু ফুকন আৰু জয়নাথ শৰ্ম্মাইও গৈছিল। (ভয়চ-আমি লুকাই চুৰকৈ যোৱা নাছিলো।) মই অসত্য কথা নকও। মই সাক্ষ্য দিছো। মই ৰাজীৱ গান্ধীক তেওঁলোকৰ সন্মুখতে কলো যে এক্সপাৰ্ট কমিটি কৰি দিওক আৰু এক্সপাৰ্ট কমিটিৰ সিদ্ধান্ত তেওঁলোকে মানি লব। অসমত শান্তি লাগে। এক্সপাৰ্ট কমিটিৰ সিদ্ধান্ত মোৰ কাৰণে বাইণ্ডিং হ'ব নোৱাৰে। এক্সপাৰ্ট কমিটিৰ মেম্বাৰো তেওঁলোকে বাছি দিয়ে। তিনিজন মেম্বাৰৰ নাম তেওঁলোকে দিলে আৰু মই নাম তিনিটা

নি ৰাজীৱ গান্ধীক দিলো। তেওঁলোকে যদি ভগৱান বিশ্বাস কৰে তেন্তে এইটো কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰে। মই তেওঁলোকক বিশ্বাসঘাটকতা কৰা নাই। বিশ্বাসঘাটকতা মোক কৰিছে। অধ্যক্ষ মহোদয়, মই তেতিয়া গবৰ্ণৰ। মই তেতিয়া অসুস্থ হৈ দিল্লীত 'এইমচ্'ত আছিলো। তেতিয়া আবছুৰ সভাপতি আৰু সম্পাদকে গৈ কলে যে তেওঁলোকক বুটা সিংক লগ কৰাই দিব লাগে। প্ৰফুল্ল মহন্তই বেয়া পায় বুলি ৰাজীৱ গান্ধীক লগ ধৰিব নিদিলে। মই তেতিয়া কলে যে প্ৰধানমন্ত্ৰী বা গৃহমন্ত্ৰীক লগ ধৰিবলৈ কিয় 'বাৰ' থাকিব লাগে। মই তেওঁলোকক নিজেই ধৰণী ধৰ বসুমতাৰী আৰু বুটা সিংহ লগ কৰাই দিলো। এক্সপাৰ্ট কমিটি গঠন কৰাত সহায় কৰি দিলো। মই কাকো বিশ্বাসঘাটকতা নকৰো। অধ্যক্ষ মহোদয় মোৰ মৃত্যু হ'ব পাৰে, হাত চিঙি যাব পাৰে তথাপি মই কথা দি কথা ৰাখো। বিশ্বাসঘাটকতা মোক কৰিছে। মোৰ বহুত ক্ষতি হৈছে। অধ্যক্ষ ডাঙৰীয়া, মই বৰ তুখ পাইছো। কিয়নো কথা দি কথা ৰখাটো মোৰ ছাত্ৰ জীৱনৰ পৰাই স্বভাৱ। অধ্যক্ষ ডাঙৰীয়া অসমৰ ৰাইজে আজি জনা উচিত কোন সঁচা আৰু কোন মিছা। অধ্যক্ষ মহোদয়, অসমৰ ৰাইজে জনা উচিত যে মোৰ যদি বড়ো সমস্যাৰ প্ৰতি আন্তৰিকতা নাথাকিলেহেতেন তেন্তে মই তেওঁলোকক বুটা সিংক লগ কৰাই নিদিলোহেতেন, ৰাজীৱ গান্ধীৰ হতুৰাই ফোন কৰাই এক্সপাৰ্ট কমিটি গঠন কৰাই নিদিলোহেতেন। ৰাজীৱ গান্ধীৰ হতুৱাই ফোন কৰাই এক্সপাৰ্ট কমিটি গঠন কৰাই নিদিলো-হেতেন। অধ্যক্ষ ডাঙৰীয়া মই নিজে বা অকলে মতামত দিব নোৱাৰো। আমাৰ কন্দপান চাহাব আছে ৰাজবংশী চাহাব আছে তেওঁলোকৰ মতামত

মই লব লাগিব। অধ্যক্ষ ডাঙৰীয়া যোৱা ৬ মাহে সমস্যাটো জটিল তেওঁলোকে কৰিছে। মই নিজৰ ফালৰ পৰা যিখিনি কৰিব লাগে সেইখিনি মই কৰিছো। মই কেন্দ্ৰীয় চৰকাৰক এই সম্পৰ্কে ১০ আগষ্টতে জনাই দিছো। ভাৰত চৰকাৰে যদি দিয়ে মোৰ কবলগীয়া একো নাই। মাজে মাজে গৱৰ্ণৰৰ ওচৰত তেওঁলোকে মোৰ বিৰুদ্ধে স্মাৰকপত্ৰ দি থাকে।

মাননীয়া অধ্যক্ষ ডাঙৰীয়া মই এতিয়া কাৰ্বিআংলংৰ কথা কব খুজিছো। ইয়াতো বেমাৰ একেটাই। তেওঁলোকক ত্ৰিপাক্ষিক বৈঠক লাগে। মই তেতিয়া তেওঁলোকক কৈছিলো আপোনালোকৰ এম, পি জয়ন্ত ৰংপি আছে কিয় কৰি দিব পৰা নাই। মই ৰংপি আৰু হলিৰাম টেৰাঙৰ আগতে টেলিফোন কৰিলো এতিয়া তেওঁলোকে কি কয় কওঁক। মই তেওঁলোকক বাধ্য কৰালো। যোৱা ২৭ মাৰ্চ তাৰিখে ত্ৰিপাক্ষিক আলোচনা কৰিলে। তাত জেকব চাহাব চেয়াৰমেনচিপ্ কৰিছিল, গৃহ মন্ত্ৰণালয়ৰ পৰাও মানুহ আহিছিল। সেই সময়ত এটা সিদ্ধান্ত হ'ল যে, অসম চৰকাৰে এটা প্ৰস্তাৱ দিব লাগে। মই কলো মই অকলে প্ৰস্তাৱ নিদিওঁ, ৰংপি আৰু তেৰাঙৰ লগত আলোচনা কৰি এটা 'কমন ষ্টেন্দ' দিম। মই অন্তৰৰ পৰা তেওঁলোকক এৰি দিছো। মোৰ আন্তৰিকতা নথকাহলে মই তেওঁলোকক প্ৰৱঞ্চনা বা প্ৰতাৰনা কৰিব পাৰিলো হেতেন। কিন্তু মই কৰা নাই। মই এখন চিঠি দিছিলো। এই চিঠিখন ডাঙৰ। মই মাত্ৰ পইণ্ট কেইটা পঢ়ি দিছো।

"The State Government agreed to transfer to the District Council Authority 30 Additional De-

partments as per Annexure-I encloused. Whenever necessary the above transfered 30 Departments would supplement the 17 Departments which had already been transferred in different stages in 1970, 1975 and 1979. The State Govt. agreed that the Authority of the autonomous territory would prepare their own bedget in future and the State Govt. would not have any objection in dealing diredtly with the Planning Commission in matter concerning allocation of funds and also passing of the budget. The role of the Governor in matters concerning the autonomous territory Covering Karbi Anglong and N. C. Hills would be suitably modified so that in future for matter concerning this territory the Governor would be guided by the advise of the autonomous Body.

"The SDCC delegation emphasised the need for transfer of the subject of law and order and police to the newly created autonomous territory. The Govt. agreed in principle to transfer the above to the authorities of the Autonomous Territory Modelity for which would be worked out by a Committee headed by the Chief Secretary of Assam.

We agree that the aforesaid provision of the Constitution would be suitably amended."

তেওঁলোকে ষষ্ঠ অনুসূচী মতে যিখিনি পাই মই সকলো দি দিছো। কিন্তু সংবিধানৰ গন্দীৰ ভিতৰতহে, সংবিধান সংশোধন মই কৰিব নোৱাৰো। তেওঁলোকে বাজেট নিজে কৰিব বিচাৰিছে দি দিছো, প্লেন ডিচকাচন' কৰিব বিছাৰিছে দি দিছো। গভৰ্নৰৰ লগত পোন্‌পটীয়া সম্পৰ্ক বিছাৰিছে সেইটোও কৰি দিছো। মই তেওঁলোকক কৈছো মই যোগ খন' দিব নোৱাৰো। সেয়েহে আজি মই ৰাজহুৱা ভাৱে কব বিছাৰিছো যে কোনে কাক 'বিট্রে' কৰিছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া মই এতিয়া 'ফাইনেঞ্চৰ' কৰা কব বিচাৰিছো। আজি আমাৰ বিত্তমন্ত্ৰী গগৈ ডাঙৰীয়াই কৈছে, প্ৰত্যেক মাহে ৫২ কোটি টকা আমাৰ 'চট' হয়। কিন্তু সেইটো 'ক্ৰাইচিছ' নহয়। কিন্তু কাকতত সদায়ে ওলাই আমাৰ 'ক্ৰাইচিছ' হৈছে. আমাৰ টকা পইছা নাই আমি ফকীৰ হৈছো। এই টকা যাক দিব লাগে আমি দি আছো। কিন্তু 'লম্পট' বিলাকক আমি কিয় টকা দিম।

শ্ৰী জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, লম্পট বুলি কাক বুজাইছে সেইটো বুজাই দিব লাগে।

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় মই সকলো কম, টকা অহা আৰু যোৱাৰ সোঁতটো ঠিক থাকিব

লাগিব। নদী এখনৰ স্মৃতি বৈ আছে, কিন্তু তাক যদি ভেটি দিয়া হয়, নদীখন শুকাই যাব। এতিয়া আমাৰ ৰাজ্যখনৰ সমস্যা তেনেকুৱা হৈছে। আমাৰ টকা অহাৰ যিটো পদ্ধতি সেইটো বন্ধ হৈ গৈছে। অধ্যক্ষ মহোদয় আমি 'ট্ৰেনচপোৰ্ট" চাবচিডি যিটো দিও সেইটো 'ৰিগ্‌বাৰচ্' হব লাগে। আমি 'ট্ৰেনচপোৰ্ট' চাবচিডি ৪২ কোটি টকা দিও, কিন্তু সেইটো 'ৰিম্‌বাৰচ্' নহয়। গতিকে নদীত বান্ধ দিলে যি অৱস্থা হয় চৰকাৰৰ সেইটো অৱস্থা হৈছে।

ফ্লাড কণ্ট্ৰোল, ইয়াত প্ৰত্যেক বছৰে ২০ কোটি টকা পায়। এইটো ফেংক্লি কৈছো আগৰ চৰকাৰে ৯৮৩ লাখ টকা দিবলৈ বাকী আছিল। টকাটো বন্ধ কৰি দিছে। ফ্লাড কণ্ট্ৰোলৰ কাৰণে বছৰি ২০ কোটি টকা লোন দিয়ে। আগৰ চৰকাৰে খৰচ কৰিছে বান নিয়ন্ত্ৰণ, জলসিঞ্চণ আদিত খৰচ কৰিব লগা হৈছে। এইটো আউট ফ্লো হৈ আছে। প্ৰথম কথাটো হৈছে প্লেন মানি ১৯৯২-৯৩ চনত ৯৬০ কোটি টকা প্লেন এচিচষ্টেন্ট দিছে। ১৯৯২-৯৩ চনৰ কাৰণে প্লেনএলোকেচন হৈছে ৯৬০ কোটি টকা। ইয়াৰ চেণ্ট্ৰেল প্লেন এচিচটেণ্টচ হৈছে ৭৮৯ কোটি টকা। ১৯৯২-৯৩ চনত ৯৬০ কোটি টকা চেণ্ট্ৰেল প্লেন এচিচটেণ্টচ। চেণ্ট্ৰেল প্লেন এচিচটেণ্টচ ৭৮৯ কোটি ৮১ লাখ টকা। ৰেভি নিউ গ্ৰেণ্ট ৬১ কোটি ২১ লাখ টকা। এই দুয়োটা লগ লগালে হয় ৮২১ কোটি টকা। আমাৰ ৯৬০ কোটি টকাৰ ভিতৰত ৮৮১ কোটি টকা হৈছে প্লেন এচিচটেণ্টচ। কেন্দ্ৰীয় চৰকাৰে কৈছে তোমালোকৰ আগৰ বাকী আছে। আগৰ চৰকাৰৰ ৬৮৩ কোটি টকা বাকী আছে। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ৩৮৯ কোটি

টকা দিছে। সেই ৮২১ কোটি টকাৰ আৰু কাটিৰ ২৬০ কোটি টকা। আমি পাম ১৭২ কোটি টকা। প্লেনিং কমিছনে ৯৬০ কোটি টকা প্লেনত দিছে। এতিয়া ফাইনেন্স মিনিষ্টাৰে কৈছে আপোনালোৰে ২৬০ কোটি আৰু ৩৮৯ কোটি টকা প্ৰায় চয়ণ কোটি টকা মুঠ দিবলৈ বাকী আছে। মাত্ৰ ১৬২ কোটি টকা প্লেন বাজেটত ৯৬০ কোটি টকা আছিল, সেই মতে প্ৰজেক্ট কৰা হৈছে, সেই মতে হস্পিতেল, কলেজ বিল্ডিং, ইৰিগেশ্বন কৰা হ'ল। এতিয়া কৈছে আগৰ চৰকাৰৰ ১৬২ কোটি টকা এড্জাষ্ট কৰি দিব লাগে। এতিয়া আমি কাম কৰি আছো। আগতে এনেকৈ এড্জাষ্ট কৰা নাছিল। ইনটাৰেষ্ট কমে। এইবাৰ সূতে মূলে ধৰিছে। এইটোৱে সমস্যা হৈছে। তেওঁলোকৰ ক্ৰাইচিচ আছে।

শ্ৰী যতীন মালি : ফাইনেনচিয়েল ক্ৰাইচিচ কিয় হয় ?

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুঃমন্ত্ৰী) এনেকুৱা হয়েই। আমাক কোৱা নাছিল। পৰম্পৰা, বিইমবাৰ্চমেণ্টৰ কথা আছিল। এনেকুৱা গোটেই ভাৰতবৰ্ষতে হৈছে। সমস্যা হৈছে, আপোনালোকে ভয় নাখাব। নাৰভাচ নহব। মই চিষ্টেমটোৰ কথা কৈছো। এইটো আমাৰ পৰম্পৰা অৰ্থাৎ ট্ৰেডিচন চলি আহিছে। আগৰ চৰকাৰে কেৱল ইনটাৰেষ্টটো লৈছে। কিন্তু আমি এইবাৰ ভিকটিমাইজ হৈছে। সূতে মূলে দিব লগা হৈছে। আপোনালোকে ইমান ভয় খায় কিয়, ভয় নাখাব। কিবা দোষ কৰিছিল নেকি আগতে মোক কবলৈ দিয়ক।

অধ্যক্ষ ডাঙৰীয়া, ননপ্লেন এক্সপেনডিচাৰ আমি ৬০২ কোটি টকা ভৰিব লগা হৈছে। যিটো ভৰিব নালাগিছিল। বেলেগ বেলেগ

বিভাগৰ এৰিয়াৰ হিচাবে ২৪০ কোটি টকা দিছো। মেডিকেল এৰিয়াৰ হিচাবে ৭৩ কোটি টকা, ১৮০ কোটি টকা পে এৰিয়াৰ, ষ্টেটফেডৰ লায়বিলিটিচ ১৯০ কোটি টকা, এই গোটেই মিলি ৬০২ কোটি টকা লায়বিলিটি হৈছে। এইবিলাক ফ্লো ইনফ্লো। পানীৰ সোঁত বৰ দিব লাগে। কোনোবাই মাজতে ভেটা দিলে সোত বন্ধ হৈ যায়। এইটো সমস্যা হৈছে। ইনফ্লো আৰু আউটফ্লো বেলেন্স হোৱা নাই। আপছেট হোৱা কাৰণে এনেকুৱা হৈছে। দেউতাৰ ধাৰ মাৰিব লাগিব। আমিও ধাৰ মাৰিব লাগিব, অলপ সময় লাগিব। কেৱল যে আমাৰ ভাৰতবৰ্ষতে ফাইনেনচিয়েল ক্ৰাইচিচ হৈছে এনে নহয়, ওৱৰ্ল্ডতে এইটো হৈছে। ইয়াৰ কাৰণে সময় লাগিব যথেষ্ট। আমেৰিকাত ফাইনেন্সিয়েল ক্ৰাইচিচ হৈছে যেতিয়া ভাৰতবৰ্ষতো হব পাৰে। প্ৰেচিডেণ্ট বুছ কিয় হাৰিলে, এক মাত্ৰ ফাইনেন্‌চিয়েল ক্ৰাইচিচৰ কাৰণে। আমেৰিকাত ৰিপ্ৰিচেচন হৈছে। তেওঁলোকে বস্তু কিনিব পৰা নাই। গোটেই ৰাচিয়া খণ্ড বিখণ্ড কৰিলো যি সকলে পুজিবাদ বিশ্বাস কৰে তেওঁলোকৰ কাৰণে আমেৰিকা ভগবান। কিন্তু তেওঁলোকেও এটা বস্তু কিনিব নোৱাৰা হ'ল। একমাত্ৰ ফাইনেনচিয়েল ক্ৰাইচিছৰ কাৰণে। ওৱেষ্ট বেঙ্গলত প্ৰাইভেট ব্যৱসায়ৰ পৰা ধাৰ লৈছে। যোৱা বছৰ তেওঁলোকৰ প্লেন মানি আছিল ১৫৪১ আৰু এইবাৰ ১৫৫০ কোটি টকা। সেই খন ৰাজ্যই কি চলিব, আমাৰ নিচিনা হৈছে, ক্ৰাইচিচটো চাইক্লিক অৰ্ডাৰত হৈছে। আপোনালোকে বুজা নাই, নে মই বুজাব পৰা নাই।

* শ্ৰী যতীন মালি : বুজা নাই নহয়, আপুনি বুজিব পৰা নাই।

Speech not Corrected

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): মই মানি লৈছো। আমাৰ কম-পালচন আছে। আমি চেলাৰি, ট্ৰেভেলিং, ওৱেলফাৰৰ আদি আমি দিব লাগিব। ডেভলাপমেণ্ট ওৱৰ্ক কৰিব লাগিব। এইটো হৈছে আউটফ্লো।

Mr Speaker : It is almost 5 p.m. If Chief Minister takes some more time, the House may be extended upto 5.30 p.m.

(Approved-House extended upto 5.30 p.m.)

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): অধ্যক্ষ ডাঙৰীয়া এতিয়া মই ইলেক-টোৰেল ৰোললৈ আহো। কেন্দ্ৰীয় চৰকাৰৰ পৰা আমালৈ গাইদ-লাইন আহিছে যে এন্নুমাৰেচন কৰাৰ আগতে কোন বিলাক বিদেশী অধ্যুষিত অঞ্চল সেইবিলাক চাই লব লাগে। এইটো বাক সম্ভৱপৰ নে? আজি মান কাছাৰত কিমান বিদেশী আছে বৰ্ত্তমান সময়ৰ যিটো ৰাজনৈতিক বাতাবৰণ সেইটোত সম্ভৱ-পৰ নে? বিদেশী ৰাখিম বুলি মই কেতিয়াও কোৱা নাই। কিন্তু আগতে এনুমানেচনটো কৰি লোৱা হওঁক তেতিয়া উমান পোৱা যাব—সেইটোত বৰ্ত্তমান লাগি আছে। এনুমাৰেচন ইতিমধ্যে হৈ গৈছে কিছুমান সমষ্টিত শতকৰা ৫ ভাগ বাঢ়িছে আৰু কিছুমান সম-ষ্টিত শতকৰা ৩০ ভাগ বাঢ়িছে অধ্যক্ষ মহোদয় আমিতো নাজানো ক'ত কিমান বিদেশী আছে? লৰাৰ বিয়া পাতিছো, হনিমুন হোৱাই নাই কেনেকৈ কৰ জজা লৰা হৈছে বা হব বুলি সেই কাৰণে মই কৈছো যে ১৯৯০ চনৰ যিখন ভোটাৰ লিষ্ট সেইখন বেচিক ভোটাৰ লিষ্ট হিচাবে লব লাগে। সেইখন শুদ্ধ ভোটৰ তালিকা বুলি আমাৰ মহন্ত ডাঙৰীয়াইও কৈছে। এতিয়া দিনাই কৰিব নালাগে। মই

Speech not Corrected

ভাবো ১৯৯০ চনৰে ভোটাৰ তালিকাখন মানি লৈ আমি সকলোৱে আইদেনটিটি কাৰ্ডৰ ব্যৱস্থা কৰিব লাগে। কাৰণ ১৯৯০ চনৰ যিখন ভোটাৰ তালিকা সেইখন বহুত পৰীক্ষা নিৰীক্ষা কৰি কৰা হৈছে। ১৯৯০ চনৰ যিখন ভোটাৰ তালিকা তাত ১৯৭১ চনৰ যিখিনি ভোটাৰ তাত সোমাইছে। ১৯৭১ চনৰ যিবিলাক ভোটাৰ তেওঁলোকক সোমোৱাৰ ওপৰি ১৯৯০ চনলৈ যিখিনি বাঢ়িছে সেইখিনি চালিজাৰি চাই সোমাই লোৱা হৈছে। সেইখনক আগৰ মুখ্য মন্ত্ৰীয়েও এভইদ অৱ ফৰেইনাৰ্চ বুলি কৈছে—মই ৰেকৰ্ড পাইছো। মই ভাবো এই ভোটাৰ লিষ্টত আৰু কোনো নতুন ভোটাৰৰ নাম সোমাব দিব নালাগে। অৱশ্যে তেওঁলোকৰ লৰা ছোৱালীয়ে ভোটাধিকাৰ পালে নাম সোমাব দিব লাগিব। মই কেতিয়াও কোৱা নাই যে বিদেশীলোকৰ নাম ভোটাৰ তালিকাত থাকিব লাগে। ১৯৯০ চনৰ পাছত আৰু কোনো নতুন মানুহৰ নাম ভোটাৰ লিষ্টত সোমাব দিব নালাগে। তেতিয়া বিদেশী যাবলৈ বাধ্য হব।

মই এতিয়া চৰন ডাঙৰীয়াৰ কথালৈ আহো। চৰনৰ নামটো লৈ বিধান সভাত হুলস্থূল হৈছিল মাজে সময়ে কয় যে চৰন ডাঙৰীয়াৰ লগত শইকীয়া ডাঙৰীয়াৰ সম্পৰ্ক ভাল নহয় গতিকে বিপদ হব। মই এটা উদাহৰণ দিছো দিল্লীত সংহতি পৰিষদৰ সভা হৈছিল মই তালৈ গৈছিলো আমাৰ মহন্ত ডাঙৰীয়াও যোৱা কথা আছিল পিছত নগ'ল তেখেত যোৱা হলে সাক্ষী থাকিল হেতেন। সভাৰ শেষত এটা দিনাৰ হৈছিল। মই তাৰ আগতে চৰন ডাঙৰীয়াৰ লগত কথা পাতি আহিছো প্ৰধান মন্ত্ৰীকো লগ পাইছো। কিন্তু অসম বেচ দিল্লীৰ সাংবাদিক এজনে এটা বৰ ধুনীয়া গল্প উলিয়াই দিলে যে শইকীয়া ডাঙৰীয়াই গৃহ মন্ত্ৰীক লগ ধৰিব

নোৱাৰি প্ৰধান মন্ত্ৰীক কৈ বি-এচ-এফক বেন কৰি দিলে। আচৰিত কথা আমাৰ কাগজৰ সাংবাদিক সকলে দিল্লীৰ গৃহ মন্ত্ৰনালয়ৰ চাপ্ৰাচী এজনৰ কথা শুনিও একোতা বাতৰি পৰিবেশন কৰে অথচ তেওঁ- লোকৰ কোনো ভিতৰলৈ যোৱাই নাই। মই তাৰ আগতেই গৃহ মন্ত্ৰীক ৫-৪৫ মিনিটত লগ পাইছো প্ৰধান মন্ত্ৰীৰ লগতো কথা পাতিছো। অথচ খবৰৰ কাগজে উলিয়ালে যে মই তিনিবাৰ চোচা লৈ লগ ধৰিব নোৱাৰি প্ৰধান মন্ত্ৰীক কৈ বি-এচ-এফক বেন কৰি দিলো বুলি। এই বিলাক কথাই আমাক বিভ্ৰান্তিৰ সৃষ্টি কৰে। কাৰণ গৃহ মন্ত্ৰালয়ৰ কিছুমান নিয়ম আছে ফাইল মোভ হ'ব লাগিব গৃহ মন্ত্ৰনালয়ৰ পৰা আইন মন্ত্ৰনালয়লৈ যাব লাগিব তাৰ পিছত প্ৰধান মন্ত্ৰীলৈ যাব লাগিব আৰু তাৰ পিছত কেবিনেট চাব কমিটিত আলোচনা কৰিব লাগিব।

অধ্যক্ষ মহোদয়, বড়ো চিকিউৰিটী ফৰ্চ নিসিদ্ধ কৰিবৰ কাৰণে মই নিজে ৰিফুইজিচন দিছো, তাৰ পিচত গৃহমন্ত্ৰীৰ লগত কথা পাতিছো। গৃহমন্ত্ৰীৰ পৰা কথাটো আইন মন্ত্ৰীলৈ, আইন মন্ত্ৰীৰ পৰা প্ৰধান মন্ত্ৰীলৈ আৰু তাৰ পিচত কেবিনেটলৈ যায়। তাৰ পিচত তেওঁলোকে মোক লিখি জনাইছে। তাকে বাতৰি কাকতে লিখিলে যে মই হেনো আলফা নিসিদ্ধ কৰাটো বিৰোধীতা কৰিছো। এইবোৰ বাতৰি কাকতৰ কথা। প্ৰকৃততে আলফা বেণ্ড কৰিবলৈ মই নিজে গৃহমন্ত্ৰীলৈ চিঠি লিখিছো।

এতিয়া মই চমু কৰিব খুজো। মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মাকে আদি কৰি বিভিন্ন সদস্যই বহু ধৰণৰ কথা কৈছে। মই ভাবো মাননীয় সদস্য সকলে কোৱা কথাৰ মই সঠিক উত্তৰ দিছো।

**Sheeeh not Corrected**

শ্ৰী পদ্মেশ্বৰ ব্ৰহ্ম, শ্ৰীমতী প্ৰমিলা ব্ৰহ্ম আৰু শ্ৰীনাৰ্জাৰিক অত্যাচাৰ কৰা বুলি অভিযোগ উঠিছে। এইটো সত্য নহয় আৰু তেওঁলোক ভালেই আছে বুলি হাইকোৰ্টৰ জৰ্জে ৰিপৰ্ট দিছে। হাইকোৰ্টৰ ৰিপৰ্ট মতে তিনিওজন বিধায়ক খুউব ভালেই পাইছে। তাৰোপৰি অধক্ষ মহোদয়, তিনিজন বিধায়কক গ্ৰেপ্তাৰ কৰা হৈছে। তাত প্ৰমান পোৱা গৈছে। কংক্ৰীট ইভিডেন্স নোহোৱাকৈ পুলিচে বিধায়কক গ্ৰেপ্তাৰ কৰিব পাৰিবনে? কংক্ৰীট ইভিডেন্স নোহোৱাকৈ পুলিছে এৰেষ্ট কৰিলে ৰোলমতে পিচত পুলিছে ৰক্ষা পাবনে? অধ্যক্ষ মহোদয়, এই সম্পৰ্কত আমাৰ বিভাগত ৰেকৰ্ড কৰা কেচেট্ আছে। শ্ৰী পৰমেশ্বৰ ব্ৰহ্মই নিজে স্বীকাৰ কৰিছে যে কেনেকৈ গাড়ীত প্লাষ্টিক তঁাৰ লৈ আহিছিল—ক'ৰ পৰা কেনেকৈ আনিছে এই সকলো বিলাক কেচেটত আছে। যিটো কথা হাইকোৰ্টত অভিযোগ অনা স্বত্বেও হাইকোৰ্টৰ ডিভিজন বেঞ্চও ৰিজেক্ট কৰিছে আৰু চিংগুল বেঞ্চেও ৰিজেক্ট কৰিছে। এইটো সাধাৰণ কথানেকি বা অনত্য কথা হব পাৰে নেকি?

অধ্যক্ষ মহোদয়, মই ভাবো আমি এনেকুৱা কাম কৰিব নালাগিব যিটো কাম কৰিলে সন্ত্ৰাসবাদীয়ে সাহস পায়। আমি সন্ত্ৰাসবাদীক প্ৰচয় নিদিও। তথ্যপাতি নহলে বা কংক্ৰীট ইভিডেন্স নহলে হাইকোৰ্টৰ ডিভিজন বেঞ্চ আৰু চিংগুল বেঞ্চে ৰিজেক্ট কৰিবনে? অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় ৰাজ্যিক গৃহমন্ত্ৰীয়ে মোলৈ টেলিফোন কৰা নাই আৰু এইটো কথাও সচাঁ নহয় যে—গৃহমন্ত্ৰী শ্ৰীচৱনে হেনো কাৰবি আংলং ঘূৰাই দিবলৈ মোক কৈছিল। এইটো গৃহমন্ত্ৰীয়ে কিয় কব? এইটো ষ্টেট্ চাবজেক্ট তেখেতে জানে। তেখেত নিজে গৃহ মন্ত্ৰী,

প্ৰাক্তন মুখ্যমন্ত্ৰী আছিল, এজন প্ৰবীন নেতা আৰু চিনিয়ৰ মিনিষ্টাৰ হৈ এইটো কথা কিয় কব? এইবোৰ বাতৰি কাকতৰ কথা। তাৰ পিচত আৰু ওলাইছে যে—মোক হেনো ধমক দিছে। এনেকুৱা বহুতো অসত্য কথা বাতৰি কাকতে পৰিবেশন কৰিছে।

মাননীয় সদস্য শ্ৰী জয়নাথ শৰ্ম্মাই অভিযোগ আনিছে যে প্ৰাক্ বচিমিত মোৰ চেয়াৰ আছে। অধ্যক্ষ মহোদয়, মোৰ তাত কোনো চেয়াৰ নাই।

শ্ৰী জয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, প্ৰাক্ বচিমিত মুখ্যমন্ত্ৰীৰ চেয়াৰ নাথাকিব পাৰে, কিন্তু মন্ত্ৰী শ্ৰীবিজিত শইকীয়াৰ চেয়াৰ আছে ২ হেজাৰ টকা। এতিয়া শতকৰা ২ৰ পৰা ৩লৈ নামি আহিছে।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, তাত মোৰ একো চেয়াৰ নাই। সংসদ সদস্য শ্ৰীৰ্জজ ফাৰ্নাণ্ডেজে মোৰ ওপৰত চাৰিটা কলমৰ চাৰ্জ আনিছে। অসমত শইকীয়া চৰকাৰ হেনো ৰিজাইন্ দিব লাগে। আমি সৰু হৈ থাকোতে গাওঁৰ মানুহে কৈছিল যে লংপেণ্ট পিন্ধিলে হেনো চাহাব হয়। এনেকুৱা মনোবৃটি কিন্তু গাওঁৰ পৰা এতিয়াও যোৱা নাই। অধ্যক্ষ মহোদয়, মই চেলেঞ্জ কৰিছো আৰু জে, পি, চি, লৈ চিঠি লিখাম চেয়াৰমেনে জে, পি, চি'ত অনুসন্ধান কৰিব। শ্ৰী জৰ্জ ফাৰ্মাণ্ডেজে নিজে এজন জে, পি চি'ৰ মেম্বাৰ। তেওঁ মোৰ বিৰুদ্ধে লিখিছে যে—ৱাইড্ এলিগেশ্যন থকা স্বত্বেও মুখ্যমন্ত্ৰীক হাইকোৰ্টে ৰিলিভ্ দিছে। এইটো বাতৰি হ'ল নে? এলিগেশ্যন থাকিলে হাইকোৰ্টে কিয় ৰিলিভ্ দিব? অধ্যক্ষ মহোদয় এনে ধৰণৰ বাতৰিয়ে আগাক খাইছে, এই শ্ৰেণীৰ মানুহে আমাক

বিমুৰত পেলাইছে, সাধাৰণ শ্ৰেণীৰ মানুহক বিপথে পৰিচালিত কৰিছে।

অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী সদস্য সকলে এতিয়ালৈকে তিনিবাৰ অনাস্থা প্ৰস্তাৱ আনিছে। মই কৈছো এই অনাস্থা প্ৰস্তাৱত মাননীয় সদস্যসকলে যিটো বিষয়ত গুৰুত্ব দিব লাগে বা যেনে ধৰণে দিব লাগে সেইদৰে দিয়া নাই। আমাৰ ভাৰতবৰ্ষ এখন প্ৰধান ধৰ্ম্ম-নিৰপেক্ষ ৰাষ্ট্ৰ। এই ধৰ্ম্ম-নিৰপেক্ষতা বিনষ্ট হোৱাৰ বাতৰি প্ৰচাৰ হোৱাটো কিমান দুঃখজনক কথা। এইটোৱে আমাৰ আন্তঃ ৰাষ্ট্ৰীয়ত আমাৰ ভাৱ-মূৰ্তি বিনষ্ট কৰিছে। আমাৰ চৰকাৰক ধৰ্ম্ম-নিৰপেক্ষতা ৰক্ষক বুলি সকলোৱে বিশ্বাস কৰিছিল। কিন্তু বিৰোধী পক্ষই কথা দি কথা ৰাখিব নোৱাৰিলে। হাইকোৰ্টক কথা দিছিল, চুপ্ৰিম কোৰ্টক কথা দিছিল আৰু প্ৰধান মন্ত্ৰীক কথা দিছিল—তথাপি আজি বিশ্বাস ঘাটকতা কৰিলে। প্ৰধান মন্ত্ৰীয়ে কৈছে যে—এইটো তেওঁলোকৰ প্ৰিপ্লেন।

মাননীয় অধ্যক্ষ মহোদয়, মই সদনত দহাই কব বিচাৰিছো যে বড়ো সমস্যা সমাধানৰ ক্ষেত্ৰতেই হওক বা কাৰ্বী সমস্যাৰ কথাই হওক বা আলফা সমস্যাই হওক বা ইলেকটোলেটৰ কথাই হওক মোৰ ফালৰ পৰা কোনো ধৰণৰ বাধাগ্ৰস্ত হোৱা নাই। আনকি মই এই সম্পৰ্কত প্ৰধানমন্ত্ৰী লৈ লিখিছো প্ৰতিৰক্ষা মন্ত্ৰী লৈ লিখিছো আৰু গৃহ মন্ত্ৰলৈয়ো লিখিছো, মোৰ হাতত থকা চিঠি বোৰে প্ৰমাণ কৰিব। মই ১০ আগষ্ট তাৰিখে লিখিছো, মই তেওঁলোকক কৈছো

মোক আননেচেচেবিলি ভিফটিমাইজ কৰিছে, মই সকলো কথা জনাইছো মোক বিশ্বাস কৰক। মই কোৱা কথা কেইটা অসত্য বুলি প্ৰমাণ কৰক, ভগবানক বিশ্বাস কৰক। সদনৰ প্ৰধান সদস্য হিচাবে মাননীয় সদস্য গগৈ ডাঙৰীয়াক এটা কথা কব বিচাৰিছো মই মাজে সময়ে আপোনাৰ প্ৰেচ বিজ্ঞপ্তি পঢ়ো, আপোনালোকে মাজে সময়ে আমাৰ দলক দোষাৰোপ কৰি থাকে, কিন্তু মই আপোনালোকক স্পষ্ট ভাবে জনাব খোজো যে বড়ো লেণ্ড গঠনৰ ক্ষেত্ৰত আমি কোনো দিনেই কাৰচাজি কৰা নাই। মই কৈছোয়েই যে যিহেতু আমি ১৯৯০ চনৰ ভোটাৰ লিষ্টৰ মতে নিৰ্ব্বাচন খেলি আহিছো, গতিকে ১৯৯০ চনৰ ভোটাৰ লিষ্টমতেই আমাৰ বিদেশী নাগৰিক চিনাক্ত কৰা হওক, মই বিদেশী ৰাখিব খোজা নাই। গতিকে মই কব খোজো ১৯৯০ চনৰ ভোটাৰ তালিকা খনেই শুদ্ধ তালিকা হওক। মই তেওঁলোকক জনাইছো সংশোধন এমেণ্ডমেণ্ট কৰাৰ অঠোৰিটি মই নহও, তেওঁলোকে কৰি লওক, কিন্তু সেইটো যদি কৰা নহয় মই কি কৰিম। যি কি নহওক আজি এই সদনত মাননীয় সদস্য সকলে যি খিনি পৰামৰ্শ আগবঢ়ালে তাৰ বাবে ধন্যবাদ দিছো আৰু পৰামৰ্শ সমুহ গ্ৰহন কৰিছো। কিন্তু এটা কথা কোৱা হোৱা নাই, সেইটো দূৰ্নীতীত, দূৰ্নীতি প্ৰশাসনত হৈছে, আমি প্ৰশাসন নিকা কৰিব লাগিব আৰু সেই কাৰণে মই কব বিচাৰিছো, মই ইতিমধ্যেই মই মাননীয় মন্ত্ৰী সকলক তেখেত সকলৰ সম্পত্তিৰ হিচাব ভাঙি ধৰিবলৈ নিৰ্দ্দেশ দিছো আৰু এই সম্পৰ্কত সময় বান্ধি দিছো, এই সময় পাৰ হৈ গলেই মই নিশ্চয় বিচাৰ কৰিম, খবৰ কাগজত এই ৰিপোৰ্ট দি দিম তেতিয়া কোন

দোষী কোন নিৰ্দ্দোষী সেইটো ৰাইজে বিচাৰ কৰিব। মই পুনৰ পুনৰ আপোনালোকক কব বিচাৰিছো যে আমাৰ শংকা এতিয়াও দূৰ হোৱা নাই কিয়নো কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত লৈছে যে মচজিদ পুনৰ সজাই দিব, মচজিদ সাজি দিয়াৰ সিদ্ধান্ত হৈছে, মচজীদ সাজিবলৈ যাওতে পুনৰ উত্তেজনা হোৱাৰ আশংকা আছে। কিয়নো বি, জে, পী য়ে মনা নাই, তেওঁলোকে হয়তো হিন্দু চেন্টিমেন্ট গঢ়ি তুলিব। গতিকে মই আপোনালোকক কব খোজো আমি এই কেইদিন সাবধানে থাকিব লাগিব। তাৰোপৰি মই চিফ চেক্ৰেটাৰীক কৈছিলো যে সকলো দি চি আৰু এচ, দি, অ'ক অল পাৰ্টি পিচ কমিটি গঠন কৰাৰ কাৰণে নিৰ্দ্দেশ পঠাব লাগে। ইতিমধ্যে এই পিচ কমিটি বিলাক গঠন হোৱাৰ সম্পৰ্কত মোৰ ওচৰলৈ খবৰ বিলাক আহিছে, মই সকলো বিলাক ৰিপোৰ্ট পোৱা নাই। এই অল পাৰ্টি পিচ কমিটি বিলাক গঠন হৈছে। এই খিনিকে কৈ আপোনালোক সকলো সদস্যকে ধন্যবাদ জনাইছো আৰু আশা কৰিছো আমাৰ আতংক এতিয়াও আতৰি যোৱা নাই বা শেষ হোৱা নাই মোৰ দৃঢ় বিশ্বাস আছে, মই তেওঁলোকক দায়িত্ব দিব বিচাৰিছো, শৰনাৰ্থী সকলৰ বহুতে এতিয়া ঘৰলৈ ঘূৰি আহিছে, তাৰ স্থানীয় মুচলমান লোক সকলে মন্দিৰ আৰু ঘৰ সাজি দিছে। ৰূপহী অঞ্চলতে ২০০০ মান শৰনাৰ্থী আছিল তাৰে প্ৰায় ১৬০০ মান শৰনাৰ্থী ঘৰলৈ ঘূৰি গৈছে। মুচলমান লোক সকলে তাত ঘৰ সাজি দিছে।

* শ্ৰী হিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মই এটা স্পষ্টিকৰণ বিচাৰিছো সেইটো হ'ল মাননীয় মুখ্যমন্ত্ৰীয়ে বোধহয় ইতিমধ্যেই

গম পাইছে যে তেখেতৰ মন্ত্ৰী সভাৰে এজন জ্যেষ্ঠ মন্ত্ৰীয়ে নাগৰিকত্ব আৰু স্থায়ী বাসিন্দাৰ চাৰ্টিফিকেট দিছে, এই বিষয়টো কিন্তু অতি গুৰুত্বপূৰ্ণ বিষয়। গতিকে এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কেনে ভূমিকা লৈছে সেই বিষয়ে জনালে ভাল হয়।

* শ্ৰী হিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) : সেই বিষয়টো এতিয়া কোৰ্টত আছে আৰু মইয়ো চাহ আছো।

Mr. Speaker : Hon. member, Shri Promode Ch. Gogoi who is the mover of the Motion will speak, as a right of reply.

শ্ৰী প্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, হোইট অব অবজেকশ্য নৰ ক্ষেত্ৰত মোৰ যিহেতু সময় অতি চমু গতিকে চমুকৈ কম, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কলে যে বড়ো সমস্যা, কাৰ্বী সমস্যা আৰু আলফা সমস্যাৰ সম্পৰ্কত যিবিলাক চিঠি প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী লৈ চিঠি লিখিছে সেই চিঠি বিলাক সদনত দাখিল কৰিলে আৰু আমাৰ মাননীয় সদস্য সকলৰ হাতত পৰিলে আমি সেই বিলাক অধ্যয়ন কৰিহে কিবা এটা কব পাৰিম কিন্তু তাৰ আগতে কোনো কমেণ্ট দিয়াটো সম্ভবপৰ নহয়। আগতে আমি গোটেই কথাটো ভালদৰে চাব লাগিব। এই ক্ষেত্ৰত এটা কথা উল্লেখ কৰিব বিচাৰিছো বড়ো বিধায়িনী দলৰ যি ২/৩ জন সদস্যক গ্ৰেপ্তাৰ কৰা হৈছে তেখেত সকল দোষী হয় নে নহয় সেইটো কোৰ্টে বিচাৰ কৰিব বা নিৰ্দ্ধাৰণ কৰিব তেখেত সকলে যেতিয়া বিধায়ক হিচাবে থাকিব তেখেত সকলৰ জীৱনৰ নিৰাপত্তাৰ দায়িত্ব চৰকাৰে বহন কৰিব লাগিব কিয়নো

তেখেত সকলৰ বিধায়িনী দলৰ চিফ হুইপে তেখেত সকলৰ জীৱন জেইলৰ ভিতৰতো বিপদাপন্ন হব পাৰে বুলি আশংকা কৰে। ভোটাৰ তালিকাৰ ওপৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো অৱস্থান গ্ৰহন কৰিছে সেইটোৰ লগত আমি একমত হব নোৱাৰো কাৰণ ২২ চেপ্তেম্বৰৰ সৰ্বদলীয় নেতাৰ বৈঠকৰ সিদ্ধান্তৰ লগত তেখেতৰ অৱস্থান অমিল। এই খিনি ক্ষেত্ৰত মই পঢ়ি দিব বিচাৰিছো নিৰ্ব্বাচনী আয়োগৰ ২৫ নবেম্বৰৰ অৰ্ডাৰৰ এটা পেৰা পঢ়ি দিব বিচাৰিছো—

সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, নিৰ্ব্বাচনী আয়োগৰ যি নিৰ্দ্দেশাৱলী সেইটো মুখ্যমন্ত্ৰী মহোদয়ৰ লগত অমিল হোৱাৰ কাৰণে ভোটাৰ তালিকাৰ সম্পৰ্কত আমি সন্তুষ্ট হব নোৱাৰিলো আৰু সেই কাৰণে আজি যি অনাস্থা প্ৰস্তাৱ আহিছে সেইটো উঠাই লব নোৱাৰিলো তথাপিতো আমি বিষয়টো অধ্যয়ন কৰিম।

* শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): উঠাই লব নালাগে থাকো, পেন্দীং ৰাখক। আমি ইনুমাৰেটৰ হোৱাৰ পাচত ড্ৰাফট ইলেকট ৰেল খন চাই লৈ যদি এবনৰমেল একচেচ হৈছে সেইটো কাটি লব পাৰিম। এতিয়া আমাৰ কাটিবলৈ সহজহে হৈছে কিয়নো ১৯৯০ চনৰ ভোটাৰ লিষ্টখন আমাৰ হাতত আছেই, মই জিকিছো, আমাৰ বিশেষ অসুবিধা নহব।

মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো। তেখেত সকলেও কৈছে। এনুমাৰেছন কৰক। আমি ৯০ চনৰ লগত মিলাই চাম। এতিয়া এনুমাৰেছনৰ কাম শেষ হৈছে তেওঁলোকে আমাক জনাইছে দিয়ক। তেতিয়া তেওঁলোকৰ পৰামৰ্শ মতে আমি কাম কৰিব। পাৰিম।

Speech not Corrected

"We have studied the figures that have emerged out of the House to House enumeration that has been undertaken in the State beginning in July, 1992, comparing these figures to the number of electors in 1990 ro ; ; s. We find that except in a few constituencies the increase in the numbers enumerated is much larger that 5% and in some cases more than 30%. In view of this Government feel that it will be appropriate to apply and implement the Commission's directive of 21.8.92 to the entire State."

মই কইছো, আমি আপত্তি কৰা নাই।

Mr Speaker : Order, Order, Hon'ble Member Shri Promode Gogoi who is the mover of the Motion may speak for 2-3 minutes as a right of reply.

শ্ৰী প্ৰমোদ গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, ইলেকছন কমিছনৰ নিৰ্দেশ গোটেই ভাৰতবৰ্ষৰ কাৰণে। অকল অসম ৰাজ্যৰ কাৰণে নহয়। গতিকে গোটেই ভাৰতবৰ্ষত প্ৰযোজ্য হলে অসম তাঁৰ পৰা বাহিৰ হব নোৱাৰে।

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— এই ইলেকছন কমিছনৰ কথাৰ আমি উত্তৰ দিছো।

Mr Speaker : Hon'ble Shri Promode Gogoi,

Will you withdraw your No-Confidance Motion ?

I now put the No Confidance Motion before the House to Vote:

"The House expresses its No Confidance in the Council of Ministers Headed by Shri Hiteswar Saikia.

Those who are in favour say 'Ayes':

Those who are against say 'Noes'.

'Noes' have it, 'Noes' have it.

'Noes' have it.

The No-Confidance Motion is lost.

Order, Order, there is an announcement:

## ANNOUNCEMENT FROM THE CHAIR

I inform the House that I have received a message dated 20th December, 1992 from the Deputy Commissioner, Silchar stating that.

"To-day i.e. 20.12.92 at around 12.45 Hours we were constrained to arrest our M,L.A of Dholai Constituency Shri Parimal Suklyabaidya under Section 151 CRPC apprehending breach of peace while he and his supporters were coming with the programme of "Challenge Day" and later released at about 14.45 Hours."

House adjorned till 9 a.m. of 23.12.92.

## ADJOURNMENT

The House them rose and stood adjourned at 5-35 P.M. till 9 A.M. tomorrow the 23rd December, 1992.

D. Talukdar
Secretary
Assam Legislative Assembly

Dated Dispur
The 22nd December 1992

# ANNEXURE

ধলাই এলেকাৰ বৈদ্যুতিকৰন হোৱা গাওঁৰ তালিকা :—

| | |
|---|---|
| ১) চোত জালেঙা নং ২ | ২) চোত জালেঙা নং ৩ |
| ৩) ,, ঐ নং ৪ | ৪) বৰ জালেঙা নং ৩ |
| ৫) বৰ জালেঙা নং ৯ | ৬) ঐ নং ১০ |
| ৭) ঐ নং ১১ | ৮) বাগ ও বাহাৰ নং ১ |
| ৯) বাগ ও বাহাৰ নং ২ | ১০) ঐ নং ৩ |
| ১১) ঐ নতুন ফৰেষ্ট গাওঁ | ১২) পুৰানা ফৰেষ্ট গাওঁ |
| ১৩) তাৰানাথপুৰ নং ১ | ১৪) তাৰানাথপুৰ নং ২ |
| ১৫) কেলভাৰ হাউচ নং ২ | ১৬) কেলভাৰ হাউচ নং ৩ |
| ১৭) ভূৰন নগৰ নং ১ | ১৮) ভূৰন নগৰ নং ২ |
| ১৯) ঐ নং ৩ | ২০) ঐ নং ৭ |
| ২১) মালুগ্ৰাম | ২২) বুকনী চাহ বাগিচা |
| ২৩) বুকনী চাহ বাগিচা নং ২ | ২৪) ঐ নং ৩ |
| ২৫) ঐ নং ৪ | ২৬) ইছলামাবাদ |
| ২৭) | ২৮) নং ১ |
| ২৯) গংগানগৰ নং ৬ | ৩০) গংগা নগৰ নং ৭ |
| ৩১) ঐ নং ৮ | ৩২) ঐ নং ১২ |
| ৩৩) ঐ নং ১৩ | ৩৪) মনিয়েঝ খাল |
| ৩৫) স্মিথনগৰ ফৰেষ্ট গাওঁ নং ১ | ৩৬) স্মিথনগৰ ফঃ গাওঁ নং ২ |
| ৩৭) জাৰুলতলা ফৰেষ্ট গাওঁ | ৩৮) বাজ গোবিন্দ পুৰ |
| ৩৯) ৰাম প্ৰসাদ পুৰ ফৰেষ্ট গাওঁ | ৪০) জামাল পুৰ |
| ৪১) ফুলিচেলা | ৪২) শ্যামচৰনপুৰ |
| ৪৩) ৰাজনগৰ | ৪৪) কুক্‌নী গাওঁ |
| ৪৫) দিদাৰ কুচ্‌ গ্ৰাণ্ট কে পি | ৪৬) ভূৰনদৰ বস্তি |
| ৪৭) দিদাৰ কুচ—৩ | |

| Sl. No. | Name of Sub-Division | No. of Posts allotted | Remarks |
|---|---|---|---|
| 1. | Goalpara | 28 | |
| 2. | North Salmara | 6 | |
| 3, | Dhubri | 13 | |
| 4. | South Salmara | 5 | |
| 5. | Kokrajhar | 3 | |
| 6. | Gossaigaon | 1 | |
| 7. | Barpeta | 17 | |
| 8. | Nalbari | 1 | |
| 9. | Guwahati | 22 | |
| 10. | Rangia | 8 | |
| 11. | Mangaldoi | 19 | |
| 12. | Udalguri | 6 | |
| 13. | Tezpur | 8 | |
| 14. | Biswanath Chariali | 4 | |
| 15. | North Lakhimpur | 25 | |
| 16. | Dhemaji | 6 | |
| 17. | Jonai | 1 | |
| 18. | Tinsukia | 22 | |
| 19. | Sadiya | 3 | |
| 20. | Dibrugarh | 24 | |
| 21. | Sibsagar | 14 | |
| 22. | Charaideu | 6 | |

| | | |
|---|---|---|
| 23. | Golaghat | 6 |
| 24. | Jorhat | 6 |
| 25. | Majuli | 2 |
| 26. | Nagaon | 18 |
| 27. | Hojai | 19 |
| 28. | Morigaon | 10 |
| 29. | Silchar | 18 |
| 30. | Hailakandi | 5 |
| 31. | Karimganj | 7 |
| | Total— | 325 |